

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ৩২৩ ■ গুৱাহাটী ■ শনিবাৰ, ২ জুলাই, ২০২২, ১৭ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 323 Dainandin Barta ■ Guwahati, Saturday ■ 2 July, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ প্ৰেক্ষাগৃহত চিকিৎসক দিৱসৰ কাৰ্যসূচী বন্তি প্ৰজ্বলনেৰে উদ্বোধন মন্ত্ৰী কেশৱ মহন্তৰ

## মানুহৰ মাজত আত্মহননৰ প্ৰৱণতা বৃদ্ধি পাইছে কিয় ?

# মৃত্যুক থুনুকা শিলত কটা ‘ভাস্কৰ্য’লৈ ৰূপান্তৰৰ প্ৰয়াস

মৃত্যু হোৱাতো স্বাস্বত সত্য বুলি জানিও জীৱনটোৰ লগত সংগ্ৰাম কৰি জীয়াই থাকিব বিচাৰে। একাংশ লোকে মৃত্যুৰ পিছত যেন তেওঁৰ কৰ্মক মানুহে মনত ৰাখিব পাৰে, তেনে ভাল কৰ্মৰে জীৱনটোক গতি দিবলৈ চেষ্টা নকৰা নহয়। পৃথিৱীৰ বহুল বুকুত বহু শ্ৰেণী ব্যক্তিয়ে জীয়াই থকাৰ নিমিত্তে সময় আৰু পৰিস্থিতিৰ ওচৰত নিজক উৎসৰ্গা কৰিছে। বহুতে সফল হৈছে আৰু একাংশয়ে বিফল হৈছে। জীয়াই থকাতো সহজ কিন্তু মানুহ হিচাপে জীয়াই থকাতো যথেষ্ট কঠিন। কঠিন পৰিস্থিতিৰ লগত নিজক প্ৰস্তুত কৰি আগুৱাই নিবলৈ হ'লে আত্মবিশ্বাস অত্যধিক শক্তিশালী হ'ব লাগিব। ‘আত্মবিশ্বাস’ নথকা দুৰ্বল মানসিকতাই জীৱনক একেবাৰে থুনুকা কৰি পেলায়। যাৰ বাবে মনত কঢ়িয়াই লৈ ফুৰে আত্মহননৰ প্ৰৱণতা। আত্মবিশ্বাসহীনতাই জীৱনটোক দুৰ্বল ■ ৮ পৃষ্ঠাত

**মৃদুল কুমাৰ চাহু ■ দৈনন্দিন বাৰ্তা**

মৃত্যু হৈছে চিৰন্তন সত্য। আমি যিয়েই নকৰো আমাৰ যিমানেই সম্পত্তি নাথাকক, আমাৰ মৃত্যু অনিবাৰ্য। শ্মশানৰ বুকুত এদিন নহয় এদিন বিলীন হ'ম বুলি জানিও আমি নিজক পাহৰি ঈৰ্ষা, পৰচৰ্চা, সংঘাতৰ উপৰিও বহু নকৰিবলগীয়া কাৰ্য কৰি আসুৰিক তৃপ্তি লাভ কৰো। মৃত্যু হ'ব বুলি জানিও আমি মনুষ্যত্বক তিল তিলকৈ হত্যা কৰি অহংকাৰী ৰূপত নিজক প্ৰতিষ্ঠা কৰি মৃত্যুক জয় কৰাৰ মিছা আস্ফালন কৰি আহিছে। সমাজত এনে কিছু ব্যক্তি আছে, তেওঁলোক যেন কোনোদিনেই মৃত্যুৰ কোলাত নুশুব তেনে আচৰণ কৰি সমাজত নিজৰ পৰিস্থিতি প্ৰমাণৰ বাবে চেষ্টা চলাই আহিছে। শ্মশানলৈ নোচোৱাকৈ হুৰহুৰাই পাৰ হৈ যোৱা ব্যক্তিসকলে জীৱনটোক কেৱল উপভোগ কৰিব বিচাৰে। উপভোগী জীৱনৰ গৰাকী সকলৰ সন্মুখত নাই কোনো আদৰ্শ। কেৱল চল-বল-কৌশলৰে আন দহজনতকৈ বেছি সম্পত্তিৰ গৰাকী হৈ সমাজৰ ত্ৰাণকৰ্তাৰ ৰূপত নিজক প্ৰতিষ্ঠা কৰাটোকেই যিসকলে জীৱনৰ লক্ষ্য বুলি গণ্য কৰি আহিছে। তেওঁলোকে ক্ষন্তেকৰ বাবে পাহৰি যায় ‘মানুহ যে মৰটেল’। মানুহ



## বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস উপলক্ষে

# গৌৰৱময় এশ বছৰত ভৰি দিলে অসমৰ ক্ৰীড়া সাংবাদিকতাই



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ জুলাই ঃ** বিশ্বত ক্ৰীড়া সাংবাদিকতাৰ আৰম্ভণি হৈছিল ১৮০০ চনৰ পৰাই। কিন্তু আৰম্ভণিতে তেতিয়াৰ ছপা মাধ্যমত ক্ৰীড়া বাতৰিৰ খবৰে বিশেষ গুৰুত্ব লাভ কৰা নাছিল। কিন্তু কুৰি শতিকাত বিশ্ববাসীৰ খেলৰ প্ৰতি থকা আসক্তি তথা পাঠকৰ ক্ৰীড়া সাংবাদৰ প্ৰতি থকা আগ্ৰহে ক্ৰীড়া সাংবাদিকতাক ব্যাপকৰূপত প্ৰসাৰিত কৰিলে। বিশ্বৰ প্ৰতিখন কাকততে খেলৰ পৃথক বিভাগৰ লগতে ক্ৰীড়া পৃষ্ঠাও ৰাখিবলৈ বাধ্য হ'ল প্ৰকাশক। প্ৰতি বছৰে দুই জুলাই দিনটো বিশ্ব ক্ৰীড়া সাংবাদিক দিৱসৰূপে পালন কৰা হয়। ১৯৯৪ চনৰ পৰা বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস উদযাপন কৰি অহা হৈছে। উল্লেখ্য যে আন্তৰ্জাতিক ক্ৰীড়া সংবাদিক সন্থাৰ (এ আই পি এছ) হৈছিল ১৯২৪ ত। ১৯৯৪ ত যেতিয়া এ আই পি এছে ৭০ বৰ্ষ পূৰ্ণ কৰিছিল, তেতিয়াৰে পৰাই সমগ্ৰ বিশ্বত আন্তৰ্জাতিক ক্ৰীড়া সাংবাদিক দিৱস পালন কৰাৰ কথা ঘোষণা কৰে আৰু এইবাৰ বিশ্ব ক্ৰীড়া সাংবাদিক দিৱসে ২৮ বৰ্ষত ভৰি দিলে। সাম্প্ৰতিক বিশ্বত ক্ৰীড়া সাংবাদিকতাৰ পৰিধি ব্যাপক। ছপা মাধ্যমৰ ■ ৮ পৃষ্ঠাত

# পথ দুৰ্ঘটনাত কথমপি প্ৰাণৰক্ষা বিজেপিৰ বিধায়ক শুভেন্দু অধিকাৰীৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১ জুলাই ঃ** আজি সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত কথমপি প্ৰাণৰক্ষা পৰে বিজেপিৰ বিধায়ক শুভেন্দু অধিকাৰীৰ। আজি এখন ট্ৰাকে বিজেপি নেতা তথা বিধায়ক শুভেন্দু অধিকাৰীৰ কনভয়ত খুন্দা মাৰে। পশ্চিমবংগ বিধানসভাৰ বিৰোধী নেতাজনে ৰথযাত্ৰা উপলক্ষে তামলুকৰ ইস্কন মন্দিৰলৈ গৈ আছিল। তেতিয়াই ট্ৰাকখনে নন্দীগ্ৰামৰ বিধায়ক শুভেন্দু অধিকাৰীৰ কনভয়ত খুন্দা ■ ৮ পৃষ্ঠাত

## বিজেপিৰ নিলম্বিত নেত্ৰী নূপুৰ শৰ্মাক কঠোৰ সমালোচনা উচ্চতম ন্যায়ালয়ৰ, সকাহৰ আৱেদন গ্ৰহণ নকৰিলে শুনানি

# নূপুৰেই কিয়, ঘোষকৰ বিৰুদ্ধে...



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১ জুলাই ঃ** হজৰত মহম্মদৰ বিৰুদ্ধে বিতৰ্কিত মন্তব্য কৰা নিলম্বিত বিজেপি নেত্ৰী নূপুৰ শৰ্মাক তীব্ৰ সমালোচনা কৰে উচ্চতম ন্যায়ালয়ে। বিতৰ্কিত টিভি অনুষ্ঠানটোৰ এংকৰৰ বিৰুদ্ধেও কিয় কোনো এজাহাৰ পঞ্জীয়ন কৰা হোৱা নাই বুলি প্ৰশ্ন কৰে আদালতে। উল্লেখ্য, বিজেপিৰ অপসাৰিত নেত্ৰীগৰাকী আজি উচ্চতম ন্যায়ালয়ৰ দ্বাৰা বাৰুকৈয়ে সমালোচনাৰ সন্মুখীন হ'বলগীয়া হয়। পয়গম্বৰ হজৰত মহম্মদক লৈ এটা টেলিভিছন শ্ব'ত বিতৰ্কিত মন্তব্য কৰি দেশ-বিদেশত সমালোচিত হোৱা নূপুৰ শৰ্মাই তেওঁৰ বিৰুদ্ধে দেশৰ বিভিন্ন ৰাজ্যত দাখিল কৰা গোচৰ প্ৰত্যাহাৰ কৰিবলৈ উচ্চতম ন্যায়ালয়ত আৱেদন জনাইছিল। কিন্তু উচ্চতম ন্যায়ালয়ে নূপুৰ শৰ্মাক সকাহ দিয়াৰ সলনি ভৰ্ৎসনাহে কৰিলে। উল্লেখ্য, হজৰত মহম্মদৰ বিষয়ে বিতৰ্কিত মন্তব্য কৰাৰ পিছতে নূপুৰ শৰ্মাৰ বিৰুদ্ধে বিভিন্ন ৰাজ্যৰ একাধিক স্থানত এজাহাৰ ■ ৮ পৃষ্ঠাত



# ডিব্ৰুগড় চহৰত কৃত্ৰিম বান

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১ জুলাই ঃ** এইবাৰ উজনি অসমৰ ডিব্ৰুগড় চহৰত কৃত্ৰিম বান। ডিব্ৰুগড় চহৰৰ অধিকাংশ অঞ্চলত কৃত্ৰিম বানত যোৱানিশাটোৰ ভিতৰতে পানীৰ তলত। চহৰৰ চৌকীডিঙি, থানা চাৰিআলি, পুলিচ ৰিজাৰ্ভ, পি ডব্লিউ কলনী, পাঠানপট্টী, কালীবাৰী, গ্ৰেহেম বজাৰ, ফুল বাগান, নালিয়াপুল, শংকৰদেৱ কলনী, বৈৰাগীমঠ, শান্তিপাৰা আদি নানা অঞ্চল, পৌৰ সভাৰ নানা অঞ্চল আদিকে ধৰি সকলো ■ ৮ পৃষ্ঠাত

## মণিপুৰৰ ননে জিলাৰ টুপুলত ভয়াৱহ ভূমিস্খলন ঃ আজি আন চাৰিজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ ঃ নিহতৰ সংখ্যা পাঁচজনলৈ বৃদ্ধি ঃ এই পৰ্যন্ত সন্ধান নাই লাহৰীঘাটৰ ১৩ শ্ৰমিকৰ

# কুশতলী অঞ্চলত ঘৰে ঘৰে কান্দোনৰ ৰোল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১ জুলাই ঃ** চুবুৰীয়া ৰাজ্য মণিপুৰৰ ননে জিলাৰ টুপুলত সংঘটিত হোৱা ভয়াৱহ ভূমিস্খলনত মৰিগাঁও জিলাৰ ৫জনকৈ শ্ৰমিক নিহত হোৱাৰ লগতে এই পৰ্যন্ত সন্ধানহীন হৈ আছে ১৩জনকৈ শ্ৰমিক আৰু ৫জনকৈ শ্ৰমিক আহত হৈ চিকিৎসাধীন হৈ আছে। ■ ৮ পৃষ্ঠাত

# ৪ জুলাইত মহাৰাষ্ট্ৰ বিধানসভাত আস্থা ভোটৰ সন্মুখীন হ'ব লাগিব একনাথ সিন্দেৰ চৰকাৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১ জুলাই ঃ** বিসম্বাদৰ জৰিয়তে ক্ষমতা হস্তগত কৰা মহাৰাষ্ট্ৰৰ একনাথ সিন্দে নেতৃত্বাধীন চৰকাৰখনে ৪ জুলাইত আস্থা ভোটৰ সন্মুখীন হ'ব লাগিব। শিৱসেনা-বিজেপি মিত্ৰজোঁটৰ নতুন চৰকাৰে ৪ জুলাইত বিধানসভাত আস্থা ভোটৰ সন্মুখীন হ'ব বুলি আজি চৰকাৰীভাৱে প্ৰকাশ কৰা হৈছে। মুখ্যমন্ত্ৰী একনাথ সিন্দেয়ে দাবী কৰিছে যে চৰকাৰ গঠন কৰিবলৈ আমাৰ ওচৰত পৰ্যাপ্ত সংখ্যাগৰিষ্ঠতা আছে। শুকুৰবাৰে মুখ্যমন্ত্ৰী একনাথ সিন্দেয়ে কয় যে আমাৰ ওচৰত মুঠ ১৭০জন বিধায়কৰ সমৰ্থন আছে যি ৰাজ্যখনত চৰকাৰ গঠনৰ বাবে এক আৰামদায়ক সংখ্যাগৰিষ্ঠতা। তেওঁ কৈছে যে বৰ্তমান বাহিৰত থকা সকলো বিধায়ক কাইলৈ মুম্বাইলৈ আহিব। মহাৰাষ্ট্ৰ বিধানসভাৰ বিশেষ অধিৱেশনৰ ৩ জুলাইত অনুষ্ঠিত হ'ব আৰু অধিৱেশনৰ দ্বিতীয় দিনা আস্থা ভোট হ'ব। ইয়াৰ পূৰ্বে, বিধানসভাৰ অধ্যক্ষ পদৰ নিৰ্বাচন ৩ জুলাইত অনুষ্ঠিত হ'ব। মহাৰাষ্ট্ৰ বিধানসভাৰ বিশেষ অধিৱেশন ■ ৮ পৃষ্ঠাত

# কাকপথাৰত আলফা (স্বা) আৰু সেনাৰ মাজত প্ৰচণ্ড গুলীয়াগুলী

## নিহত এজন আলফা স্বাধীনৰ সদস্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ জুলাই ঃ** অসম-অৰুণাচল সীমান্তৱৰ্তী তিনিচুকীয়া জিলাৰ কাকপথাৰ থানাৰ অন্তৰ্গত আহোম পথাৰ গাঁৱত আলফা (স্বা) আৰু সেনাৰ মাজত প্ৰচণ্ড গুলীয়াগুলী সংঘটিত হয়। ঘটনাটোত এজন আলফা সদস্য নিহত হোৱাৰ লগতে আন পাঁচজনে পলাই সাৰিবলৈ সক্ষম হয়। নিহত আলফা স্বাধীনৰ সদস্যজন শদিয়া বছাগাঁৱৰ জ্ঞান অসম বুলি চিনাক্ত কৰা হৈছে। ঘটনাৰ বিৱৰণী মতে আলফাৰ এটা ৬জনীয়া দলে দ-পথাৰ মাজগাঁৱৰ প্ৰয়াত ভোলা চাংমাইৰ ঘৰত আত্মগোপন কৰি থকাৰ তথ্য লাভ কৰিছিল ভাৰতীয় সেনাৰ ১৪নং আছাম ৰেজিমেণ্টৰ চোৱাংচোৱাই। ইয়াৰ পাছত তেওঁলোকৰ তথ্যৰ ভিত্তিত অসম আৰক্ষী আৰু ভাৰতীয় সেনাৰ ১৪নং আছাম ৰেজিমেণ্টে আলফাৰ দলটোৱে আত্মগোপন কৰি থকা ঘৰটো ঘেৰাও কৰিবলৈ লোৱাৰ সময়তে আলফা স্বাধীনৰ দলটোৱে ■ ৮ পৃষ্ঠাত





## কৰিমগঞ্জ-শিলচৰৰ বানপীড়িত এলেকা চালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই

# বেথুকান্দিৰ ভগ্ন বান্ধ পৰিদৰ্শন

■ চৰকাৰে সোণবিলত অতিথি গৃহ আৰু ওপঙা সৌৰশক্তি প্ৰকল্প নিৰ্মাণ কৰিব ঃ মুখ্যমন্ত্ৰী ■ উপায়ুক্তক সাহায্য আৰু পুনৰ সংস্থাপন ব্যৱস্থা ত্বৰান্বিত কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ ■ শিলচৰত বানত মৃত্যু হোৱা লোকৰ নিকটাত্মীয়ক এককালীন সাহায্য প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অভূতপূৰ্ব বানত বিপৰ্যস্ত হৈ পৰা কৰিমগঞ্জ জিলাৰ বানপীড়িত এলেকাসমূহ আজি পৰিদৰ্শন কৰে আৰু চৰকাৰে যাতে অতি সোনকালে পুনঃসংস্থাপন আৰু পুনৰ্নিৰ্মাণ সম্ভৱ কৰি তুলিব পাৰে তাৰ বাবে ক্ষতিগ্ৰস্ত গৃহ আৰু পুখুৰীসমূহৰ মূল্যাংকনৰ জৰীপ কাৰ্য দ্ৰুতগতিত চলোৱাৰ লগতে জনসাধাৰণৰ কাষ চাপিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ প্ৰদান কৰে। উল্লেখ্য যে বৰ্তমানৰ জিলাখনৰ ৫৪৪ গাঁও বানৰ কবলত পৰিছে। প্ৰণিধানযোগ্য যে সাম্প্ৰতিক বানৰ প্ৰকোপত কৰিমগঞ্জ জিলাত ৩.৭৫ লাখতকৈও অধিক লোক পীড়িত হোৱাৰ লগতে জীৱন আৰু সম্পত্তিৰ ব্যাপক ক্ষতি সাধনেৰে ৫,৬১৫ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বানত বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হোৱা ৰাতাবাৰী সমষ্টিৰ কালিবাৰী আৰু গোপীকানগৰ অঞ্চল পৰিদৰ্শন কৰি ৰাইজৰ সৈতে মত-বিনিময় ■ ৮ পৃষ্ঠাত

## ধুবুৰী মেডিকেল কলেজত দালাল গ্ৰেপ্তাৰ সন্দৰ্ভত উপায়ুক্ত, আৰক্ষী অধীক্ষক, ধুবুৰী মেডিকেল কলেজৰ অধ্যক্ষৰ সংবাদ মেল

# দালালিত জড়িত ১০-১৫জনৰ নাম পাইছো

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১ জুলাই ঃ** ধুবুৰী মেডিকেল কলেজ সম্পৰ্কীয় সংবাদ মেল অনুষ্ঠিত কৰে উপায়ুক্তই। সংবাদ মেলত উপায়ুক্তই কয়- ধুবুৰী মেডিকেলত অকৰ্তৃত্বশীল লোক আহি দালালি কৰে আৰু চিকিৎসকক অসুবিধা দিয়ে বুলি অভিযোগ পাই আছিলো। অভিযান চলাই চাৰিজনক গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁলোক হৈছে সম্ভু মাহাতু, আমিনুৰ ৰহমান, আৰ্জু সৰকাৰ আৰু ফিৰোজ শ্বেইখ। অভিযান অব্যাহত আছে, দালালিত জড়িত ১০-১৫জন লোকৰ নাম পাইছো, তদন্তৰ খাতিৰত নাম ক'ব নোৱাৰি। আনহাতে, আৰক্ষী অধীক্ষক অভিজিৎ দিলীপ গুৰাৱে কয়- বহুত দিনৰ পৰা দালালিৰ খবৰ আহি আছিল। দালালবোৰে সাধাৰণ মানুহক ঠগি ■ ৮ পৃষ্ঠাত

# এনডিএৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৰ জয় হ'ব বুলি মানিলে মমতা বেনাৰ্জীয়ে



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১ জুলাই ঃ** এন ডি এৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু জয়ী হোৱাৰ সম্ভাৱনা অধিক। শুকুৰবাৰে মমতা বেনাৰ্জীয়ে এই কথা ব্যক্ত কৰি কয় যে মূৰ্মুক কোনেও প্ৰতিহত কৰিব নোৱাৰিব যেন লাগিছে। কেৱল সেয়াই নহয়, তেওঁ কয়, ‘যদি বিজেপিয়ে প্ৰাৰ্থীজনৰ বিষয়ে আগতে অৱগত কৰিলেহেঁতেন তেন্তে মই তেওঁক সমৰ্থন দিয়াৰ বিষয়ে চিন্তা কৰিলোহেঁতেন।’ ৰথযাত্ৰাৰ দিনা মমতা বেনাৰ্জীৰ এই গুৰুত্বপূৰ্ণ মন্তব্যক লৈ দেশজুৰি মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰীয়ে কলকাতাৰ ইস্কন মন্দিৰত ৰথযাত্ৰা কাৰ্যসূচী উদ্বোধন কৰি এনেদৰে ■ ৮ পৃষ্ঠাত

# দেউবালি-কাকতি গাঁৱত কলঙৰ বানে ছিঙা অংশ চালে কৃষিমন্ত্ৰী বৰাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১ জুলাই ঃ** বানবিধ্বস্ত নগাঁৱৰ ৰহাত এতিয়া দুৰ্যোগৰ উপৰি দুৰ্যোগ। প্ৰলয়ংকৰী বানে সকলোকে বিধ্বস্ত কৰাৰ লগতে উটুৱাই লৈ গ'ল মৰমৰ ঘৰখন। যিখিনি ঠাইত একোখনকৈ সপোনৰ ঘৰ আছিল, সেই ঠাইত এতিয়া বৃহৎ আকাৰৰ পুখুৰী। তীব্ৰবেগী কলঙৰ বানে নিমিষতে উটুৱাই লৈ গ'ল এঘাৰটাকৈ ঘৰ। ৰহাৰ দেওবালি-কাকতি গাঁৱত এতিয়া কেৱল হিয়া ভগা কান্দোন, একোখন শুকান মুখ, আপোন ঘৰখন বানে উটুৱাই নিয়াৰ পাছত এতিয়া আশ্ৰয়হীন হৈ পৰিছে এইসকল লোক। ■ ৮ পৃষ্ঠাত



তেজপুৰত সত্ৰীয়া নৃত্যৰ কৰ্মশালাত অংশগ্ৰহণ কৰা একাংশ শিশু, শুকুৰবাৰে

## প্ৰধানমন্ত্ৰী নিয়োগ সৃষ্টি আঁচনিৰ (পিএমইজিপি) সন্দৰ্ভত ৰাজ্যিক কৰ্মশালা, যুৱচামক এই আঁচনিৰ জৰিয়তে স্বাৱলম্বী কৰি তোলাৰ আহ্বান উদ্যোগ মন্ত্ৰী বড়াৰ

# যুৱচামক প্ৰতিষ্ঠান স্থাপনৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ জুলাই ঃ** প্ৰধানমন্ত্ৰী নিয়োগ সৃষ্টি আঁচনিৰ (পিএম ইজি পি) সন্দৰ্ভত খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ উদ্যোগত আজি গুৱাহাটীত এখন গুৰুত্বপূৰ্ণ কৰ্মশালা হোটেল গ্ৰেণ্ড ভৰেন্দ্ৰালয়ত অনুষ্ঠিত হয়। পি এম ই জি পি ২.০ আঁচনিয়ে আগবঢ়োৱা বিভিন্ন সুবিধা আৰু ইয়াৰ বিভিন্ন দিশৰ ওপৰত বিষয়াসকলক বিশেষ ধৰণে প্ৰশিক্ষণ প্ৰদানৰ লগতে ইয়াক জনসাধাৰণৰ মাজলৈ কিদৰে লৈ যাব পাৰি সেই সন্দৰ্ভত কৰ্মশালাত আলোচনা কৰা হয়। এই কৰ্মশালাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি অসমৰ উদ্যোগ, বাণিজ্য, ৰাজহুৱা প্ৰতিষ্ঠান আৰু ■ ৮ পৃষ্ঠাত



*(২ জুলাই, ২০২২ তাৰিখৰ আদ্যশ্ৰাদ্ধ উপলক্ষে)*

# শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰবীন দিহিঙীয়াদেৱক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ

জীৱন পৰিক্ৰমা অতিবাহিত কৰাৰ সময়ত একোজন ব্যক্তিৰ সান্নিধ্যই নতুবা ব্যক্তিজনৰ কাম-কাজ, আচাৰ-ব্যৱহাৰ, সামাজিক কৰ্মৰাজিয়ে কেতিয়াবা মচিব নোৱাৰাকৈ হৃদয়ত সাঁচ বহুৱায়। মৃত্যু মানে শেষ নহয়, ই মাথোঁ ৰূপান্তৰৰ এক চিৰন্তন প্ৰক্ৰিয়া। কৰ্মই মানুহক বহু যুগ-যুগান্তৰলৈ অমৰ কৰি ৰাখিব পাৰে। সেয়েহে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে লিখিছিল—

'যদি কাগজে লেখো নাম
কাগজ ছিঁড়ে যাবে
পাথৰে লেখো নাম
পাথৰ ক্ষয়ে যাবে
হৃদয়ে লেখো নাম
সে নাম ৰয়ে যাবে।'

তথাপি জীৱশ্ৰেষ্ঠ মানুহ হিচাপে সকলো কথা জানিলেও প্ৰিয়জনৰ বিয়োগত হৃদয় কঁপি উঠে। তদুপৰি সেইজনা যদি সমাজহিতৈষী, সু-পথ প্ৰদৰ্শক, কৰ্মযোগী আৰু জাতীয় সত্তা থকা ব্যক্তি হয়, তেন্তে সেইজনাৰ মৃত্যুত একোখন সমাজৰ অপূৰণীয় ক্ষতি হয়। সমাজখন অভিভাৱকহীন হোৱা যেন লাগে। বহু দিনলৈ তেখেতৰ অভাৱ সমাজখনে অনুভৱ কৰিব লগা হয়। এইটো সত্য যে মৃত্যুৱে কেতিয়াও সৰ্বস্ব নিঃশেষ কৰিব নোৱাৰে। বিখ্যাত দাৰ্শনিক জৰ্জ বাৰ্ণাৰ্ডশ্ব'ই কৈছিল— "জীৱনে সকলো মানুহক সমান কৰি মহটিয়াই পেলায়। আনহাতে, মৃত্যুৱে চিহ্নিত কৰে মহৎ লোকসকলক।" পূৰ্বজন্ম বিশ্বাসী কবি পদ্মশ্ৰী নলিনীবালা দেৱীয়েও অসীমৰ অন্বেষণত মৰতীয়া দেহ অনুভৱ কৰি কৈছে যে মৃত্যু এক বাঞ্চিত আলোকিত পথৰ যাত্ৰা। সুদক্ষ পণ্ডিত কবি হীৰেন ভট্টাচাৰ্যও তাৰ ব্যতিক্ৰম নাছিল। তেখেতে কৈছিল— 'মৃত্যুওতো এক শিল্প, কঠিন শিলত কটা নিপুণ ভাস্কৰ্য।'

শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰবীন দিহিঙীয়াদেৱৰ মৃত্যুত সন্মিলনীৰ সকলো বিষয়ববীয়াসকল মৰ্মাহত হৈছে। নদীৰ চাকনৈয়াত পৰা গুৰি বঠাবিহীন নাৱৰ দৰে সন্মিলনীৰ বিষয়ববীয়াসকল আজি বিমূৰ্তিত পৰিছে। তথাপি তেখেতৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণৰ প্ৰতি সদা সচেতন থাকিবলৈ পণ লৈছে সন্মিলনীৰ বিষয়ববীয়াসকলে। মনত পৰিছে আজি তাহানিৰ সেই দিনটোলৈ। ২০১৯ চনৰ জুন মাহ। শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ দুবছৰীয়া দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি। পুৰণি সমিতিৰ বিষয়ববীয়াসকলৰ স্থিতিক লৈ চিন্তিত শিক্ষক সমাজ। বিশেষকৈ পুৰণি সমিতিৰ সভাপতিৰ স্থিতিক লৈ শিক্ষক সমাজ সন্তুষ্ট নাছিল। তেনে সময়তে শিক্ষক সমাজৰ মাজত যোৰ-জা চলিছিল এজন দক্ষ সভাপতি নিৰ্বাচন কৰাৰ। ২২ আৰু ২৩ জুন ২০১৯ চন। শিক্ষক সন্মিলনীৰ অধিৱেশনৰ স্থান আছিল শিৱসাগৰ নাট্য মন্দিৰ আৰু শিক্ষক ভৱন। বিষয় বাছনি সভাৰ সভাপতি পদৰ প্ৰাৰ্থী আছিল তিনিগৰাকী। ভোট যুদ্ধৰ তুমুল প্ৰতিদ্বন্দ্বিতাৰ মাজত ৰবীন দিহিঙীয়াৰ স্থান আছিল প্ৰথম। প্ৰথমবাৰৰ বাবে বিপুল ভোটত জয়ী হয় ৰবীন দিহিঙীয়া। এজন দক্ষ আৰু সং ব্যক্তিক সভাপতি হিচাপে পাই শিক্ষক সমাজে আত্মসন্তুষ্টি লভে। সেয়া আছিল ৰবীন দিহিঙীয়াৰ বাবে প্ৰবল প্ৰত্যাহ্বান। শিৱসাগৰ মহকুমা শিক্ষক সন্মিলনীৰ সভাপতি হিচাপে শিক্ষক ভৱনত মজিয়াত থিয় হৈ তেখেতে শপত বাক্য পাঠ কৰে শতাধিক শিক্ষক-কৰ্মচাৰীৰ উপস্থিতিত ৪ জুলাই ২০১৯ তাৰিখে। শপত বাক্য পাঠ কৰায় শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সভাপতি প্ৰফুল্ল নেওগে। বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল প্ৰাক্তন সম্পাদক সুৰেশ বৰদলৈ আৰু প্ৰাক্তন হিচাপ পৰীক্ষক জোনাকাৰ গগৈদেৱ। ৰবীন দিহিঙীয়াদেৱৰ সোঁ-হাত হিচাপে আছিল বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা সম্পাদক ঘূৰানন্দ কিনন্দ দত্ত। অৱশ্যে নব-নিৰ্বাচিত বিষয়ববীয়াসকলো আছিল এক ধৰুৱা খোঁৱা। সকলোৰে ৰবীন দিহিঙীয়াৰ নেতৃত্বত কাম কৰাৰ সপোন দেখিছিল। সেয়েহে একেটা মাহতে ৮ জুলাইত বহিছিল প্ৰথমখন কৰ্মকৰ্তা সভা। উক্ত সভাতে বহুকেইয়া এক কৰ্মচাচিন যুক্ত কৰা হৈছিল আৰু দাখিল কৰা হৈছিল বহুকেইয়া বাজেট।

১১,১২,১৩ জুলাই ২০১৯ চন। বিশ্বনাথ মহকুমাৰ আতিথ্যত ৰাজ্যিক অধিৱেশন। ৰাজ্যিক অধিৱেশনত সভাপতি হিচাপে ৰবীন দিহিঙীয়াই শিৱসাগৰ মহকুমা শিক্ষক সন্মিলনীৰ মান ৰক্ষাৰ্থে চেষ্টা অব্যাহত ৰাখিছিল। বিশেষকৈ শিৱসাগৰ মহকুমাৰ পৰা কেন্দ্ৰীয় সমিতিত বিষয়বাব ৰাখিব পাৰি নেকি তাৰ বাবে দিহিঙীয়াদেৱে বিভিন্ন মহকুমাৰ প্ৰতিনিধিৰ লগত আলাপ-আলোচনা কৰিছিল। ৰবীন দিহিঙীয়াদেৱৰ প্ৰচেষ্টাত শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে কৰ্মকৰ্তা দীপাংকৰ কোঁৱৰক সৰ্বভাৰতীয় সদস্য হিচাপে পাবলৈ সক্ষম হৈছিল। লাহে লাহে ৰবীন দিহিঙীয়াদেৱৰ জনপ্ৰিয়তা বাঢ়িছিল। সেই সময়ত অসমৰ শিক্ষক সমাজৰ মাজত কেইবাটাও জ্বলন্ত সমস্যাই আওৰি ধৰিছিল। শিৱসাগৰতো শিক্ষকৰ সমস্যাই মহকুমা সন্মিলনীক বাৰুকৈয়ে জুমুৰি দি ধৰিছিল। তাৰ মাজতে অত্যন্ত ধৈৰ্যশীল সভাপতি হিচাপে দিহিঙীয়াদেৱে সম্পাদক বিনন্দ দত্তক সততা আৰু নিষ্ঠাৰে কাম কৰিবলৈ অনুৰোধ কৰিছিল। বিধিয়ে দিলেও বোলে বিধাতাই নিদিয়ে। দুটা বছৰ সম্পূৰ্ণ নহওঁতেই বিশ্বৰ লগতে অসমত আহিল কৰ'না মহামাৰী। তাৰ মাজতেই ক্ৰমাগতে ঘূণে ধৰা শিৱসাগৰৰ প্ৰাথমিক শিক্ষক সমাজৰ সাংগঠনিক ভেটিটো সুদৃঢ় কৰিবলৈ তেখেতে অহোপুৰুষাৰ্থ কৰিছিল। নন্ গেটিং আৰু অতিৰিক্ত শিক্ষকৰ সমস্যা সমাধানৰ বাবে তেখেতৰ নেতৃত্বত দুবাৰকৈ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীৰ লগত মুখামুখি আলোচনা হৈছিল। তেখেতৰ পৃষ্ঠপোষকতাতেই শিৱসাগৰ যুৱ দলত মুখ্যমন্ত্ৰীক নিমন্ত্ৰণ কৰি আনি ৰাইজৰ উপস্থিতিত সভা অনুষ্ঠিত কৰি শিৱসাগৰৰ প্ৰাথমিক শিক্ষকৰ সমস্যা সমাধানৰ বাবে দাবী জনোৱা হৈছিল। আৰু পৰৱৰ্তী সময়ত শিৱসাগৰৰ প্ৰাথমিক শিক্ষকৰ সমস্যা কিছু হ'লেও লাঘৱ হোৱা পৰিলক্ষিত হৈছিল। তেখেতে শিক্ষক সন্মিলনীৰ ভৱনটোৰ নব-নিৰ্মাণ কৰাৰ কথাও ভাবিছিল। বহু কাম হাতত লৈছিল যদিও সময়ে তেখেতক সুযোগ আৰু সুবিধা নিদিলে। বস্তুতো কাম কৰাৰ হেঁপাহ আছিল তেখেতৰ, কিন্তু কৰ'না মহামাৰীৰ তাণ্ডৱৰ ফলত দুটা বছৰৰ বহু কামেই বাকী ৰৈ গৈছিল।

২০২১ চনৰ ডিচেম্বৰ মাহৰ ৪-৫ তাৰিখ। আকৌ আহিল শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধিৱেশন। স্থান আছিল ৰকতা খামুনগাঁও। সভাপতি দিহিঙীয়াদেৱৰ পৃষ্ঠপোষকতাত আয়োজন হৈছিল বিশাল প্ৰতিনিধি সভা। দুদিনীয়াকৈ অনুষ্ঠিত হোৱা এই অধিৱেশনত ছাত্ৰ-ছাত্ৰীৰ মাজত কেইবাটাও প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। দ্বিতীয় দিনা হোৱা প্ৰতিনিধি সভাই পূৰ্বৰ সমিতিখনকে বাহাল ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। প্ৰতিনিধি সভাৰ সিদ্ধান্ত মৰ্মে দুই এটা পদৰী ইফাল-সিফাল কৰা হ'ল যদিও সভাপতি হিচাপে ৰবীন দিহিঙীয়াদেৱেই পৰৱৰ্তী দুটা বছৰৰ বাবে নিৰ্বাচিত হৈছিল। অতি দুখৰ কথা আছিল যে প্ৰথমখন কৰ্মকৰ্তা সভাৰ পিছৰ পৰাই বহু দিন ধৰি বৃক্কৰোগত আক্ৰান্ত হৈ থকা দিহিঙীয়াদেৱৰ স্বাস্থ্যৰ দিহুৰ অৱনতি ঘটা পৰিলক্ষিত হৈছিল। সন্মিলনীৰ কামকাজবোৰ চলাবলৈ সভাপতি হিচাপে উপ-সভাপতি বিমল গগৈদেৱক দায়িত্ব তেখেতে নিজেই অৰ্পণ কৰিছিল। নিষ্ঠুৰ নিয়তিৰ বিধান মতে ১৬ জুন ২০২২ তাৰিখে তেখেতে পত্নী-পুত্ৰ-বোৱাৰী, জী, নাতি-নাতিনী, ইষ্ট-কুটুম্বক শোক সাগৰত পেলাই চিৰদিনৰ বাবে বিদায় মাগিলে। তেখেতৰ মৃত্যুত নিজ অঞ্চল লগতে শিৱসাগৰ জিলাখনতেই শোকৰ ছাঁ পৰিল। শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীয়েও হেৰুৱালে এগৰাকী সুদক্ষ সৈনিকক। নিজৰ পৰিৱ কৰতা খামুন দিহিঙীয়া গাঁও, নিজান পৰিল এক জাতীয় সত্তা আৰু এজন কৃতী শিক্ষকৰ লগতে এজন সু-সংগঠকৰ। ৰবীন দিহিঙীয়াদেৱৰ বিষয়ে লিখিবলৈ গৈ মনত পৰিছে কোনোবা ফৰাচী দাৰ্শনিকে লিখা তলৰ কথাখিনি— 'The great thinker Whose absence we will remain for me. I am certain, forever, unthinkable.'

মৃত্যু যেন এক আহ্বান। চিৰ নবীনৰ মুক্তি, ভূমিৰ পৰা ভূমালৈ। মুক্তি জীৱনৰ মোক্ষ লাভ। মৃত্যুৰ অৰ্থ হ'লো পৰম প্ৰাপ্তি। তথাপি মানুহে জানো মৃত্যুক কামনা কৰে। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ভাষাত—

"মৰিতে চাহিনা আমি সুন্দৰ ভুবনে
মানৱৰ মাঝে আমি বাচিবাৰ চাই।'

ৰবীন দিহিঙীয়াদেৱ প্ৰকৃততে এজন সিদ্ধ পুৰুষ আছিল। তেখেতৰ কোনো শত্ৰু নাছিল, আছিল মাত্ৰ কেৱল মিত্ৰ আৰু বিচাৰিছিল মাথোঁ নীতি-আদৰ্শৰে গঢ়া এখন বহল সমাজ। তেখেতে আধ্যাত্মিক দিশটোৰ লগত গভীৰ সম্পৰ্ক স্থাপন কৰি খুবেই সুখ পাইছিল। সময়ৰ বৰ নিষ্ঠৰ। কাঢ়ি নিয়ে কেতিয়াবা অকালতে শিৱৰ ডগমগীয়া তেজৰঙা সেন্দুৰ, কাৰোবাৰ পিতৃ, কাৰোবাৰ বন্ধুক আৰু আত্মীয়-স্বজনক। আত্মীয়-স্বজনৰ মতে— হঠাতে গুচি যাব বুলি হয়তু তেখেতৰ ভবাই নাছিল। আমিও ভবা নাছিলো। তেখেতে যদিও গ'লগৈ আমাৰ মুলুকলৈ, তেখেতৰ সান্নিধ্যৰ কথাবোৰে আমাৰ হৃদয়ত জীৱনজুৰি ক্ৰিয়া কৰি থাকিব। এই পবিত্ৰ ক্ষণত মাত্ৰ ভগৱানৰ প্ৰাৰ্থনা কৰিছো, যেন তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক। শোকত পৰিয়ালবৰ্গলৈ যাচিছোঁ এক্কাজলি সমবেদনা।

*ব্ৰজেন দাস*
*ভাৰপ্ৰাপ্ত সম্পাদক, শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী*
*ফোন ঃ ৮৬৩৮৭-৫৯৬৭৯*

কবিৰ জন্মদিন উপলক্ষে বঙাইগাঁৱত কবি সন্মিলন

# দুকুৰি কবিৰ কবিতাৰ বৰষুণত জীপাল ৰামধেনুৰ বাকৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১ জুলাই ঃ** কবি, সাহিত্যিক, শিক্ষাবিদ ড° মৰমী বৰঠাকুৰ তালুকদাৰৰ



ওপজা দিন উপলক্ষে 'অসম বহুভাষিক কবি সন্মিলন'ৰ উদ্যোগত বঙাইগাঁৱৰ 'ৰামধেনু ধাবা'ত বুধবাৰৰ বিয়লি এখন বহুভাষিক কবি সন্মিলন অনুষ্ঠিত কৰা হয়। ইয়াৰ পূৰ্বে বঙাইগাঁৱত অনুষ্ঠিত হৈ যোৱা অসম বহুভাষিক কবি সন্মিলনৰ বাৰ্ষিক অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ এখন সভা অনুষ্ঠিত হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি কাজী শ্বমীমৰ সভাপতিত্বত বহা সভাখনত সম্পাদক শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। আনহাতে, কোষাধ্যক্ষ অপূৰ্ব গোস্বামীয়ে অধিৱেশনৰ হিচাপ-নিকাচৰ প্ৰতিবেদন দাখিল কৰাৰ পিছত সভাই প্ৰতিবেদনখন সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰে আৰু সভাপতিয়ে সভাখন ভংগ কৰাৰ লগে লগে অভ্যৰ্থনা সমিতিখনো ভংগ হয়। ইয়াৰ পিছতে 'ৰামধেনু ধাবা'ৰ স্বত্বাধিকাৰী মৃণাল সিংহই কবিৰ ওপজা দিন উপলক্ষে ৰং-বিৰঙেৰে সজাই তোলা এটি ডাঙৰ কোঠালৈ ড° মৰমী বৰঠাকুৰ তালুকদাৰ, তেওঁৰ স্বামী আৰু পুত্ৰক আদৰণি জনোৱা হয়। লগতে অৰ্ধশতাধিক কবি-শুভাকাংক্ষীয়ে অসম বহুভাষিক কবি সন্মিলনে উপহাৰ হিচাপে অনা কেক কাটি জন্মদিন উদযাপন কৰে। অনুষ্ঠানত বাণী দেৱী আৰু হৰি প্ৰসাদ নাথে গীত পৰিবেশন কৰে। সকলোৱে তেওঁক আন্তৰিকতাৰে শুভেচ্ছা জনায় আৰু সু-স্বাস্থ্যৰ লগতে দীৰ্ঘায়ু কামনা কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন বহুভাষিক কবি সন্মিলন অনুষ্ঠিত কৰা হয়। অসম বহুভাষিক কবি সন্মিলনৰ প্ৰধান সম্পাদক শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাই আঁত ধৰা কবি সন্মিলনখন উদ্বোধন কৰে অসম বহুভাষিক কবি সন্মিলনৰ উপদেষ্টা বিচিত্ৰ শৰ্মাই। সঞ্চালনা কৰে অসম বহুভাষিক কবি সন্মিলনৰ কাৰ্যকৰী সভাপতিদ্বয় ক্ৰমে ড° মৰমী বৰঠাকুৰ তালুকদাৰ আৰু কাজী শ্বমীমে। কবি সন্মিলনত দুকুৰি কবিয়ে অসমীয়া, বাংলা, হিন্দী আৰু ইংৰাজী ভাষাত দুকুৰি কবিৰ কবিতাৰ বৰষুণত জীপাল ৰামধেনু ধাবাৰ বাকৰি।



# চেঙাৰ কাছুমাৰাত সাংসদ আব্দুল খালেকৰ খহনীয়াত ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১ জুলাই ঃ** চেঙাৰ চৰাঞ্চলৰ বানাক্ৰান্তৰ দুখ-দুৰ্দশাৰ বুজ ল'বলৈ ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰিলে সাংসদ আব্দুল খালেকে। কালি ৬নং বৰপেটা লোকসভা সমষ্টিৰ সাংসদ আব্দুল খালেকে অসম ৰাজ্যিক এন এছ ইউ আইৰ উপ-সভাপতি তথা চেঙাৰ যুৱ নেতা আনোৱাৰ হুছেইন আৰু যুৱ কংগ্ৰেছৰ বিষয়ববীয়াসকলক লগত লৈ চেঙা সমষ্টিৰ ম'হচৰা, কাছুমাৰা, আগুভাঙা, কাশীমপুৰ আদি অঞ্চলত খহনীয়াই ক্ষতিগ্ৰস্ত কৰা ঠাইসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। পৰিদৰ্শন কালত সাংসদগৰাকীয়ে জলসম্পদ বিভাগৰ বিষয়াসকলক ফোনযোগে শীঘ্ৰে এই খহনীয়া সমস্যাৰ ফলপ্ৰসু সমাধানৰ কথা কয় আৰু নিজে খহনীয়া ৰোধৰ কাৰণে তাৎক্ষণিকভাৱে পাঁচ লাখ টকাৰ অনুদান আগবঢ়োৱাৰো আশ্বাস দিয়ে ৰাইজক। খহনীয়া অঞ্চল পৰিদৰ্শন কৰি গাঁও পঞ্চায়তৰ প্ৰতিনিধি, কাছুমাৰা, ম'হচৰা, আগুভাঙা বজাৰ কমিটীৰ বিষয়ববীয়াসকল, স্থানীয় জ্যেষ্ঠ আৰু যুৱকসকলক লগত লৈ বজাৰ কমিটীৰ কাৰ্যালয়ত বিভিন্ন সমস্যাৰ সমাধান বাবে মন বিনিময় কৰে। মত বিনিময়ৰ সময়ত ৰাইজে সাংসদগৰাকীক জবাবদিহি কৰে লগতে খহনীয়া সমস্যাৰ এটা স্থায়ী সমাধানৰ দাবীও জনায়। উল্লেখ্য যে সংসদগৰাকীয়ে চৰকাৰক সমালোচনা কৰি কয় যে আজিলৈকে চৰকাৰে খহনীয়া প্ৰতিৰোধৰ বাবে দীৰ্ঘম্যাদী ব্যৱস্থা লোৱা নাই, বিজ্ঞানসন্মত ব্যৱস্থা গ্ৰহণ কৰা নাই কিয়? খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰিব পৰা নাই, মুঠতে বিজেপি চৰকাৰ ব্যৰ্থ হৈছে বুলিও মন্তব্য কৰে সাংসদগৰাকীয়ে।

# কাকজান মহাবিদ্যালয়ত বুজাবুজি চুক্তি সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১ জুলাই ঃ** জীৱনত আত্মপ্ৰতিষ্ঠাৰ বাবে চাকৰিমুখী নহৈ ছাত্ৰ-ছাত্ৰীসকলে কৃষি অৰ্থনীতিৰ উদ্যোগ স্থাপনৰ প্ৰাৰম্ভিক প্ৰস্তুতি, উদ্ভাৱনীমূলক চিন্তাৰ প্ৰসাৰ আৰু মানসিক, প্ৰায়োগিক সহযোগিতাৰ বাবে বৃহস্পতিবাৰে কাকজান মহাবিদ্যালয়ৰ সৈতে অসম কৃষি বিশ্ববিদ্যালয়ৰ উত্তৰ-পূৰ্বাঞ্চল কৃষি প্ৰযুক্তি কেন্দ্ৰৰ (নীট হাব) এক বুজাবুজি চুক্তি সম্পাদিত হয়। কাকজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠানিক উদ্ভাৱনী পৰিষদৰ উদ্যোগত আয়োজিত এক অনুষ্ঠানত কাকজান মহাবিদ্যালয়ৰ হৈ অধ্যক্ষ ড° ৰূপৰেখা বৰদলৈ আৰু নীট হাবৰ হৈ ড° কে কাৰ্তিকায়নে চুক্তিত স্বাক্ষৰ কৰে। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত উপাধ্যক্ষ ড° বিজয়লক্ষ্মী নেওগ, নীট হাবৰ জনসম্পৰ্কৰক্ষী বিষয়া নিবিৰ বৰুৱা, আৰু মহাবিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত এই চুক্তি সম্পাদিত অনুষ্ঠানৰ আঁত ধৰে আই আই চিৰ সমন্বয়ক ৰাজদীপ বৰাই। কাকজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰূপৰেখা বৰদলৈয়ে এই চুক্তিৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱসায়িক উদ্যমিতাৰ লগতে কৃষি অৰ্থনীতি সম্ভাৱনী ব্যৱসায়িক বুনিয়াদ এটা নিৰ্মাণ কৰাত নীট হাবৰ দ্বাৰা সহযোগিতাৰ স্বাক্ষৰিত চুক্তিৰ সম্পৰ্কত এক ব্যাখ্যা আগবঢ়ায়। নীট হাবৰ সঞ্চালক ড° কে কাৰ্তিকায়নে ছাত্ৰ-ছাত্ৰীসকলক কৃষি অৰ্থনীতিক আধাৰ হিচাপে লৈ ব্যৱসায়িক উদ্যমিতাৰ ক্ষেত্ৰত আগবাঢ়ি আহিবলৈ আহ্বান জনায়। অধ্যাপক ড° ক্ষিৰোদ শইকীয়াই অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে।

## কাকজানত শিশু গীতৰ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা কাকজান, ১ জুলাই ঃ** পূব যোৰহাটৰ ৪১৮নং তিনিকুৰীয়া প্ৰাথমিক বিদ্যালয়ত ২৯ জুনত শিশু গীতৰ কৰ্মশালাৰ শুভাৰম্ভ হয়। গ্ৰীষ্ম বন্ধৰ লগত সংগতি ৰাখি আয়োজন কৰা কৰ্মশালাৰ বন্তি প্ৰজ্বলন কৰে নামঘৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ভোলা তামুলীয়ে আৰু গুৰু বাদ্য সংগত কৰে সৰুল'ৰা হাজৰিকা, দিগন্ত তামুলীয়ে। দ্বাৰ উন্মোচন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পাৰ্থপ্ৰতিম হাজৰিকাই কৰ্মশালা গৃহৰ দ্বাৰ উন্মোচন কৰা অনুষ্ঠানত কৰ্মশালা উদ্বোধন কৰে নাট্যকাৰ তথা প্ৰশিক্ষক অৰুণ চন্দ্ৰ দাসে।

# ৰাজস্থানৰ উদয়পুৰৰ হত্যাকাণ্ডক কুটুম্ব সুৰক্ষা পৰিষদৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ গৰিহণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১ জুলাই ঃ** ৰাজস্থানৰ উদয়পুৰত নূপুৰ শৰ্মাৰ সমৰ্থনত ফেচবুকত এটা পোষ্ট দিয়া বাবে কানহাইয়া লাল নামৰ হিন্দু ধৰ্মাৱলম্বী দৰ্জী এজনক তেওঁৰ দোকানৰ ভিতৰত চোকা অস্ত্ৰৰে শিৰশ্চেদ কৰি হত্যা কৰা কাৰ্যক দক্ষিণ কামৰূপ জিলা কুটুম্ব সুৰক্ষা পৰিষদে তীব্ৰ নিন্দা কৰাৰ লগতে গৰিহণা দিছে। পৰিষদৰ সভাপতি ৰাহুল ৰাভা আৰু সাধাৰণ সম্পাদক জিতু ৰাভা স্বাক্ষৰিত দৈনন্দিন বাৰ্তালৈ প্ৰেৰণ কৰা এটি প্ৰেছ টোকাত উল্লেখ কৰিছে যে সামান্য এটা ফেচবুক পোষ্টক লৈ চোকা অস্ত্ৰৰে ডিঙি কাটি হত্যা কৰা আৰু অডিঅ'-ভিডিঅ' কৰি ভাইৰেল কৰাৰ লগতে দেশৰ প্ৰধানমন্ত্ৰীকো হত্যা কৰাৰ ভাবুকি দিয়া কাৰ্যটো এটা জঘন্য, অমানৱীয় আৰু অক্ষমণীয় অপৰাধ। এই ঘটনাটো এটা চিন্তা কৰিবলগীয়া ঘটনা। এই অপৰাধৰ শাস্তি ফাঁচীৰ বাহিৰে আন একো নহয়। নূপুৰ শৰ্মাৰ মন্তব্যৰ প্ৰতিক্ৰিয়া যেতিয়া শাম কাটিছে, মানুহ যেতিয়া স্বাভাৱিক অৱস্থালৈ উভতি আহি আছে ঠিক সেই সময়ত সামান্য এটি ফেচবুক পোষ্টক লৈ উগ্ৰ মুছলিম কিছু মানসিক ৰোগীৰ দ্বাৰা সংঘটিত কৰা এই জঘন্য কাৰ্যটোৱে সমাজত আকৌ অশান্তিৰ সৃষ্টি কৰিব আৰু উগ্ৰ-সাম্প্ৰদায়িক শক্তিসমূহক সাৰ-পানী যোগাব, লগতে সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ক সংখ্যালঘুৰ বিৰুদ্ধে আক্ৰমণ সংঘটিত কৰাত উৎসাহ যোগাব। সংগঠনটোৱে এই হত্যাকাণ্ডৰ লগত জড়িত ব্যক্তিক কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদান কৰাৰ বাবে ৰাজস্থান চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাইছে।


**Name change**

My wifes name is recorded as DURGAISRI DEVI in My-service/ pension documents I.e in the kindred Roll portion of Sheet Roll being maintained in the Records, The JAR Regiment, Bareilly (UP). But her actual and correct name is DURGAISRI BORO.So I declared by an affidavit/ self Declaration before Executive Magistrate Amingaon, Kamrup that DURGAISRI BORO and DURGAISRI DEVI is the same person.

HARI CHANDRA BORO
Kekeri kuchi,
P.O. -Dwarkuchi.
P.S. & Dist-Tamulpur

**LOST**

I HAVE LOST MY H.S.L.C Admit, PASS CERTIFICATE, MARKSHIT BEARING ROLL -B09-075 No-0395 and Registration cert. no.03v/0998/010157/07-YEAR-2009.
H.S. Admit Roll-0454 No.10157, Passed certificate, Marksheet, Registration certificate No.179653 ( 2009-10)etc.
Degree Admit, passed certificate, marksheet Bering Roll-11028 No.-0317(2014) and Registration certificate No. 022481 of 2012-2012
D.EL.ED-ADMIT & MARKSHEET&

Son Maina Deka
D/O: Bipin Chandra Deka
Vill: Makundapur
P:o- Bhogpur
PS.- Goreswar
Dist:- Tamulpur

**LOST**

I have lost my original H. S. Registration certificate bearing Reg. No.221316 of session 2017-18.

Address
Sri Macdon Islary
s/o- Manik ch Islary
vill/p.o:-Maktaigaon
PS-Gossaigaon
Dist-kokrajhar
BTR(Assam)
Ph.-6000934452

**LOST**

I have lost my HSLC Passed Admit, Registration, Marksheet and Passed Certificate bearing Roll- B-17-569, No-0405 & Regd No-19/PR/0010/259053/15 and H.S. Passed Admit, Regd. Certificate, Marksheet, Certificate bearing Roll-0685, No-10022 & Regd No-157210/2017-18.

Miss- Mofida Khatun
D/o- Abdul Gafur
vill-Udkati
Dist-Morigaon
Ph.-600824492


# কুমাৰীকাটাত আদিবাসী চেংগেল অভিযানৰ 'হুল দিৱস' পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১ জুলাই ঃ** তামুলপুৰ জিলাৰ কুমাৰীকাটাৰ বালাহাটীত আজি তামুলপুৰ জিলা চেংগেল অভিযানৰ অন্তৰ্গত কুমাৰীকাটা আঞ্চলিক চেংগেল অভিযানৰ উদ্যোগত চানতাল জনগোষ্ঠীৰ বীৰ পুৰুষ চিদু মুৰ্মু, কানু মুৰ্মুৰ স্মৃতিত-১৬৭সংখ্যক 'হুল দিৱস' পালন কৰা হয়। উল্লেখ্য ১৮৫৫ চনৰ ৩০ জুনত ঝাৰখণ্ডৰ চাহেবগঞ্জ জিলাৰ ভুগনা ডি গাঁৱত চিদু, কানুৰ নেতৃত্বত ত্ৰিশ হাজাৰ লোক সন্মিলিত হৈ চানতালসকলৰ ওপৰত ইংৰাজসকলে কৰা অত্যাচাৰৰ বিপক্ষে বিদ্ৰোহ আৰম্ভ কৰিছিল। সেই বীৰ পুৰুষৰ পূৰ্ণ স্মৃতিত প্ৰতি বছৰে ৩০ জুনত চানতালসকলে 'হুল দিৱস' পালন কৰে। এই সম্পৰ্কে দুপৰীয়াৰ ভাগত অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে কুমাৰীকাটা আঞ্চলিক আদিবাসী চেংগেল অভিযানৰ সভাপতি ৰবিৰাম খেৰুৱাই। আদিবাসী চেংগেল অভিযানৰ কুমাৰীকাটা আঞ্চলিক সমিতিৰ সম্পাদক মংগল মুৰ্মুৱে আঁত ধৰা আৰু পাঁচ শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাত অল ইণ্ডিয়া আদিবাসী চেংগেল অভিযানৰ কো-অৰ্ডিনেটৰ ৰামলাল হেমৰম, তামুলপুৰ জিলা আদিবাসী চেংগেল অভিযানৰ সভাপতি চিদিউল মুৰ্মু, সম্পাদক বাবুৰাম হেমৰমৰ উপৰি বহুসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে।

# সীমান্ত চেতনা মঞ্চৰ উদ্যোগত ওদালগুৰিত অগ্নিপথৰ প্ৰাক্ প্ৰশিক্ষণ শিবিৰৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১ জুলাই ঃ** সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ নিৰ্দেশ মৰ্মে ওদালগুৰি জিলা আৰু নগৰ সমিতিৰ উদ্যোগত যোৱা ২৬ জুনৰ পৰা



ওদালগুৰি মনপুৰ মিনি ষ্টেডিয়ামত তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা অগ্নিপথ আঁচনিৰ বিশেষ প্ৰশিক্ষণ শিবিৰৰ সামৰণি পৰে। এই শিবিৰত জিলাখনৰ প্ৰায় ১৮০গৰাকীৰো অধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰিবলৈ নাম পঞ্জীয়ন কৰে। ২৬ জুনৰ পুৱা ৯ বজাৰ পৰা আৰম্ভ হোৱা এই প্ৰশিক্ষণ শিবিৰ পতাকা উত্তোলনেৰে আৰম্ভ কৰি যুৱক-যুৱতীসকলক অগ্নিপথ আঁচনিৰ বিষয়ে সবিশেষ জনাবলৈ পুৱাৰ ভাগত এখন সজাগতা সভাৰো আয়োজন কৰা হয়। এই সভাত ৰাজ্যিক সমিতিৰ সদস্য ফলিন চাহু, উপ-সভাপতি মেনন মুছাহাৰী আৰু এছ এছ বিৰ মহাবীৰ প্ৰসাদ, দীপক ছেত্ৰী, জন বৰুৱা আদিয়ে অগ্নিপথ সম্পৰ্কে বিশদভাৱে আলোচনা কৰে। সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ ওদালগুৰি নগৰ সমিতিৰ সভাপতি ধীৰেন বৈশ্যই আঁত ধৰা সভাখনত সংগঠনটোৰ সৎ সংগ প্ৰমুখ প্ৰদীপ ৰাভা, বলেন ব্ৰহ্মৰ লগতে জিলা সম্পাদক অনিল মহন্ত, সভাপতি লীলা বাহাদুৰ গুৰুং প্ৰমুখ্যে সীমান্ত চেতনা মঞ্চৰ জিলা, চেক্টৰ আৰু নগৰ সমিতিৰ সকলো কৰ্মকৰ্তা উপস্থিত থাকে। এছ এছ বিৰ মহাবীৰ প্ৰসাদ, দীনেশ্বৰ সন্দিকৈ আৰু প্ৰভাকৰ চোৰেই প্ৰশিক্ষক হিচাপে প্ৰশিক্ষণ দিয়ে। ২৮ জুনৰ সামৰণী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে অসম প্ৰদেশৰ সভাপতি ড° বিনীতা ভাগৱতীয়ে। অনুষ্ঠানত সমল ব্যক্তি হিচাপে সামৰিক বাহিনীৰ অৱসৰপ্ৰাপ্ত কেপ্টেইন কে বি ছেত্ৰীয়ে প্ৰশিক্ষাৰ্থীসকলক কষ্টসহিষ্ণু হৈ নিতৌ প্ৰশিক্ষণৰ অভ্যাস অব্যাহত ৰাখিবলৈ পৰামৰ্শ দিয়ে। মুখ্য অতিথিৰ ভাষণত ড° বিনীতা ভাগৱতীয়ে সীমান্ত চেতনা মঞ্চৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে বিশদভাৱে আলোচনা কৰে।

# অসমৰ বানপানী সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ দাবীত যুৱ-ছাত্ৰ পৰিষদৰ অৱস্থান ধৰ্মঘট

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে আজি সমগ্ৰ অসমৰ লগতে শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত অসমৰ বানপানী আৰু খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা, অসমৰ শেহতীয়া বানত




ক্ষতিগ্ৰস্ত ৰাইজক পুনৰ সংস্থাপনৰ লগতে ক্ষতিপূৰণৰ ব্যৱস্থা কৰা আৰু বৃহৎ নদীবান্ধ বন্ধ কৰা আদিৰ দাবীত নাজিৰাৰ মাজমজিয়াত নাট্য মন্দিৰৰ সন্মুখত ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰে। উক্ত কাৰ্যসূচীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ শিৱসাগৰ জিলা সমিতিৰ সভাপতি উৎপল কোঁৱৰ, উপ-সভাপতি দাদুল নেওগ, সম্পাদক পলাশ ৰাজকোঁৱৰ, সাংগঠনিক সম্পাদক অভিজিত গগৈ, সমাজসেৱা সম্পাদক ভাস্কৰজ্যোতি মহন্তৰ লগতে সমূহ আঞ্চলিক সমিতি উপস্থিত থাকি সহায়-সহযোগ কৰে। পিছত উক্ত দাবী জনাই পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি উৎপল কোঁৱৰ আৰু সাধাৰণ সম্পাদক পলাশ ৰাজকোঁৱৰৰ স্বাক্ষৰেৰে অসমৰ মুখ্যমন্ত্ৰীলৈ নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতিৰ যোগেদি এখন স্মাৰক-পত্ৰ প্ৰদান কৰে।

# ৰাশিফলত আজিৰ দিনটো

**১৭ আহাৰ, শনিবাৰ, ২ জুলাই, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ শুক্লা তৃতীয়া, নক্ষত্ৰ ঃ অশ্লেষা, জন্ম ৰাশি ঃ কৰ্কট**
**সূৰ্যোদয়- ৪-৩৮-৫৬ সূৰ্যাস্ত- ৬-১৫-৭**



■ **মেষ** ঃ শিল্পীৰ সুনাম ■ **বৃষ** ঃ সন্তানৰ সুখ ■ **মিথুন** ঃ পদোন্নতি ■ **কৰ্কট** ঃ সমস্যাৰ উদ্ভৱ ■ **সিংহ** ঃ বিদ্যাৎ সফলতা ■ **কন্যা** ঃ গৃহ নিৰ্মাণ ■ **তুলা** ঃ সামাজিক ব্যস্ততা ■ **বৃশ্চিক** ঃ পিতৃ-মাতৃৰ ৰোগ ■ **ধনু** ঃ সুনৃগ পৰিৱেশ ■ **মকৰ** ঃ আত্মীয়ৰ আগমন ■ **কুম্ভ** ঃ স্থান পৰিৱৰ্তন ■ **মীন** ঃ দাম্পত্য সুখ।

# বিশ্বনাথত সাহিত্য অকাদেমি বঁটা প্ৰাপক ড° সঞ্জীৱ উপাধ্যায়ক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১ জুলাই ঃ** আজি বিশ্বনাথ চাৰিআলিৰ হাটখোলাস্থিত আকাশ ভৱনত ২০২১ চনৰ সাহিত্য অকাদেমিৰ অনুবাদ সাহিত্য শিতানত নেপালী ভাষাৰ বঁটাৰ বাবে নিৰ্বাচিত হোৱা ড° সঞ্জীৱ উপাধ্যায়ক সম্বৰ্ধনা জনোৱা হয়। আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষা কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সভাপতি ক্ষীৰধৰ বৰুৱাই সভাপতিত্ব কৰা সম্বৰ্ধনা সভাখনত অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ সভাপতি ড° প্ৰদীপ মহন্ত, ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ বিশ্বনাথ জিলাৰ কাৰ্যকৰী সভাপতি ৰাণা প্ৰসাদ হাজৰিকা, বিশ্বনাথ পৌৰ সভাৰ পৌৰপতি অৱসৰপ্ৰাপ্ত অধ্যাপক অমৰজ্যোতি বৰঠাকুৰ, বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ সহযোগী দীক্ষাগুৰু ড° ৰণেন্দ্ৰ নাথ বৰ্মন, ইলোৰা বিজ্ঞান মঞ্চৰ ধনেশ্বৰ বৰা, ৰিপুঞ্জয় নলেজ হাবৰ তত্ত্বাৱধায়িকা জ্যোতিকণা দাস তামুলী বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষা কেন্দ্ৰৰ সম্পাদক ৰিপুঞ্জয় বৰদলৈয়ে আঁত ধৰা সম্বৰ্ধনা সভাখনত ড° সঞ্জীৱ উপাধ্যায়ক আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষা কেন্দ্ৰ, অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ জৰিয়তে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত অসমীয়া আৰু নেপালী ভাষাৰ অনুবাদ সাহিত্যৰ ওপৰত বিশদ আলোচনা কৰা হয়। ড° সঞ্জীৱ উপাধ্যায়ে নিজৰ বক্তব্যত বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিৰ জনপ্ৰিয় কালজয়ী উপন্যাস 'পিতা-পুত্ৰ'ৰ নেপালী অনুবাদ 'বাবু-ছোৰা' অনুবাদ কৰাৰ আঁৰৰ বিভিন্ন বিষয় সম্পৰ্কে সমজুৱাকৈ অৱগত কৰে। সভাত উপস্থিত ড° ৰত্ন কিংকৰ গোস্বামী, ড° মনোজ কুমাৰ শৰ্মা, বিদ্যাধৰ ত্ৰিপাঠী, ড° প্ৰশান্ত নেওগ, ড° হেমেন্দ্ৰ চৌধুৰী, বিজ্ঞান শিক্ষক গিৰীশ ফুকন, সঞ্জীৱ গগৈ, প্ৰস্তুতি কলা কাননৰ সম্পাদক ড° ভক্ত প্ৰসাদ গৌতম, গণিতৰ শিক্ষক দুৰ্গা নেপালৰ দৰে বিশিষ্ট বিজ্ঞান কৰ্মীয়ে উপধ্যায়ৰ সফলতাত মত ব্যক্ত কৰে।



## ভৱানীপুৰৰ মেধিকুছিত বিভা-হিমাংশু মেম'ৰিয়েল ট্ৰাষ্টৰ বন্যাৰ্তৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ




**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ জুলাইঃ** ৰাজ্যখনত হোৱা এইবাৰৰ বানপানীয়ে সৰ্বত্ৰ ধ্বংসলীলা চলোৱা ভৱানীপুৰ বিধানসভা সমষ্টিৰ মেধিকুছি অঞ্চলত বন্যাৰ্ত ক্ষতিগ্ৰস্ত ৰাইজৰ মাজত বন্যাৰ্ত ক্ষতিগ্ৰস্ত ৰাইজক সহায়ৰ বাবে আজি উপস্থিত হয় গুৱাহাটীৰ বিভা-হিমাংশু মেম'ৰিয়েল ট্ৰাষ্টৰ বিষয়ববীয়াসকল। উল্লেখ্য যে গুৱাহাটীৰ বিভা-হিমাংশু মেম'ৰিয়েল ট্ৰাষ্টৰ ন্যাসৰক্ষী সঞ্জয় গোস্বামী আৰু নন্দিতা শৰ্মাৰ পৃষ্ঠপোষকতাত ট্ৰাষ্টৰ মুখ্য সমন্বয়ক ধনজিৎ চৌধুৰী আৰু মিডিয়া কোষৰ উপদেষ্টা চন্দন শইকীয়াই মেধিকুছিৰ বন্যাৰ্ত ক্ষতিগ্ৰস্ত ৰাইজৰ মাজত বহু পৰিমাণে খাদ্য-সামগ্ৰী বিতৰণ কৰে। মেধিকুছিৰ ৭০০ বন্যাৰ্ত ক্ষতিগ্ৰস্ত লোকক মুঠ ১৫০ টা পৰিয়ালৰ মাজত প্ৰতিটো পৰিয়ালক ১০ কিলোগ্ৰামকৈ চিৰা, তিনি কিলোগ্ৰামকৈ গুড়, দুই লিটাৰকৈ গাখীৰ আৰু ছয় লিটাৰকৈ খোৱাপানী বিতৰণ কৰে। বিভা-হিমাংশু মেম'ৰিয়েল ট্ৰাষ্টৰ হৈ মিডিয়া কোষৰ উপদেষ্টা চন্দন শইকীয়াই মেধিকুছি গাঁৱৰ লগতে অসমৰ ভিন্ন প্ৰান্তত বানে ধ্বংসলীলা চলোৱাৰ প্ৰতি গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে চৰকাৰীভাৱে বানত ক্ষতিগ্ৰস্ত ৰাইজক উপযুক্ত আৰ্থিক সাহায্য প্ৰদানৰ বাবে সংবাদ মাধ্যমযোগে আহ্বান জনায়। অসমৰ ভিন্ন প্ৰান্তত বানাক্ৰান্ত ৰাইজৰ মাজত বিভা-হিমাংশু মেম'ৰিয়েল ট্ৰাষ্টৰ খাদ্য-সামগ্ৰী বিতৰণ প্ৰক্ৰিয়া অব্যাহত ৰাখিব বুলিও ট্ৰাষ্টৰ মিডিয়া কোষৰ উপদেষ্টা চন্দন শইকীয়াই সংবাদ মাধ্যমক আগত সদৰী কৰে।

## কুমাৰীকাটাত আছু নেতাক আৰক্ষীৰ শাৰীৰিক-মানসিক নিৰ্যাতনৰ অভিযোগ

### আজিৰে পৰা বাক্সা জিলা আছুৰ এলানি আন্দোলনৰ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১ জুলাইঃ** বিগত ২৪ জুলাইৰ নিশা সুবাসত আৰক্ষীৰ দ্বাৰা শাৰীৰিক আৰু মানসিকভাৱে নিৰ্যাতিত হৈছিল বাক্সা জিলা আছুৰ ভাৱপ্ৰাপ্ত সাধাৰণ সম্পাদক ডুবজ্যোতি গগৈ। অকল সেয়াই নহয়, ছাত্ৰ নেতাগৰাকীয়ে মদ্যপান কৰাৰ অভিযোগ তুলি চিকিৎসকৰ দ্বাৰা স্বাস্থ্য পৰীক্ষাও কৰা হৈছিল। পৰৱৰ্তী পৰ্যায়ত এই বিষয় লৈ আছু আৰু আৰক্ষী প্ৰশাসনৰ মাজত আলোচনাও হৈছিল। আলোচনাৰ সিদ্ধান্তমৰ্মে সিদিনাৰ ঘটনা সংক্ৰান্তত তদন্ত কৰি ৭২ ঘণ্টাৰ ভিতৰত বিহিত ব্যৱস্থাৰ দিহা কৰাৰ আশ্বাস দিছিল আৰক্ষী বিষয়াসকলে। কিন্তু ৭২ ঘণ্টা উকলি যোৱাৰ পাছতো আৰক্ষীয়ে আছু নেতাক নিৰ্যাতন চলোৱা ঘটনা সন্দৰ্ভত কোনোধৰণৰ ব্যৱস্থা হাতত নোলোৱাত বাক্সা জিলা ছাত্ৰ সন্থাই ক্ষোভত ফাটি পৰিছে। বৃহস্পতিবাৰে তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয় ছাত্ৰ সন্থাৰ এক বৈঠক। বৈঠকৰ সিদ্ধান্ত অনুসৰি কাইলৈৰ পৰা বাক্সা জিলা ছাত্ৰ সন্থাৰ আহ্বান আৰু সদৌ তামুলপুৰ মহকুমা ছাত্ৰ সন্থাৰ উদ্যোগত কুমাৰীকাটাৰ আঞ্চলিক ছাত্ৰ সন্থা আৰু বিভিন্ন দল-সংগঠন, কুমাৰীকাটাবাসী ৰাইজৰ সহযোগত এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব। তদুপৰি অহা ৫ জুলাইত বাক্সা জিলা আছুৰ আহ্বানত প্ৰতিখন আঞ্চলিক ছাত্ৰ সন্থাই মুখত ক'লা কাপোৰ পৰিধান কৰি 'বিক্ষোভ প্ৰদৰ্শন' কাৰ্যসূচী গ্ৰহণ কৰিব। আনহাতে, বাক্সা জিলা আছুৰ সভাপতি গোবিন্দ শৰ্মাই ৭ জুলাইত কুমাৰীকাটাত এখন জৰুৰী কাৰ্যনিৰ্বাহক সভাৰ আয়োজন কৰিছে। যেতিয়ালৈকে দুয়োগৰাকী আৰক্ষী বিষয়াৰ ওপৰত কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়ালৈকে সদৌ বাক্সা জিলা ছাত্ৰ সন্থাই ধাৰাবাহিকভাৱে আন্দোলনৰ কাৰ্যসূচী অব্যাহত ৰাখিব বুলি সভাপতি গোবিন্দ শৰ্মাই সদৰী কৰিছে।

## আমগুৰিত শিৱসাগৰ জিলা প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা আমগুৰি, ১ জুলাইঃ** শিৱসাগৰ জিলা প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি আমগুৰি শিক্ষাখণ্ডৰ অধীনস্থ ৪২৯নং হাতীমুৰীয়া হালোৱা প্ৰাথমিক বিদ্যালয়ে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষক নৱোত্তম ফুকনে আঁত ধৰা অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী অকুণ্ঠৰাণী বৰুৱা, অনিমেষ গগৈ, কুঁহি গগৈ, নন্দিনী ফুকন, বঙ্কিম গগৈ, পুনমজ্যোতি গগৈয়ে শিৱসাগৰ জিলা সন্দৰ্ভত বক্তৃতা প্ৰদান কৰে। উল্লেখ্য যে আজি শিৱসাগৰ জিলা প্ৰতিষ্ঠা দিৱস উপলক্ষে জিলা উপায়ুক্ত আৰু জিলা শিক্ষা বিষয়াৰ নিৰ্দেশমৰ্মে ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে শিৱসাগৰ জিলাৰ পৌৰাণিক কীৰ্তিচিহ্ন অংকন কৰি প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰে।

### ধুবুৰী চলাকুৰা অঞ্চলত সংঘটিত হৈছে এক অঘটন

## দুই ভাতৃয়ে মহিবুলৰ ঘৰত প্ৰৱেশ কৰি পৰিয়ালৰ লোকক ভাবুকি প্ৰদানৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১ জুলাইঃ** ধুবুৰী জিলাৰ ফকিৰগঞ্জ আৰক্ষী চকীৰ অন্তৰ্গত চলাকুৰা ৪ৰ্থ খণ্ডৰ বাসিন্দা মহিবুল হকৰ ঘৰত আবেলি ৪.৩০ বজাত হঠাৎ একে গাঁৱৰে দুগৰাকী বাসিন্দাই আক্ৰমণ কৰাৰ অভিযোগ। উল্লেখ্য যে মহিবুল হকৰ ঘৰত একে গাঁৱৰ বাসিন্দা সৰবেশ আলী মোল্লা আৰু তেওঁৰ ভাতৃ ৰজব আলী মোল্লাই হঠাৎ প্ৰৱেশ কৰি পৰিয়ালৰ মানুহক নানাধৰণৰ ভয় ভাবুকি দি ঘৰৰ পৰা উলিয়াই দিয়ে। ইয়াৰ পাছত ঘৰৰ ভিতৰত থকা আচবাব পত্ৰ ভাঙচুৰ কৰি লণ্ডভণ্ড কৰে দুই ভাতৃয়ে। অকল এয়াই নহয়, এজাহাৰত উল্লেখ কৰা মতে ঘৰৰ দৰ্জাত তলা লগাই



ঘৰখন বন্ধ কৰি দিয়াৰ পাছত অঞ্চলত এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। মহিবুল হকৰ পৰিয়ালৰ লোকসকলে চিঞৰ-বাখৰ কৰাত প্ৰতিবেশীয়ে আগবাঢ়ি অহাত দুই ভাতৃ সৰবেশ আলী মোল্লা আৰু ৰজব আলী মোল্লাই ঘটনাস্থলীৰ পৰা পলায়ন কৰে। অৱশেষত ফকিৰগঞ্জ আৰক্ষী চকীত দুই ভাতৃৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে ভুক্তভোগী পৰিয়ালৰ লোকে। আৰক্ষীৰ তদন্তৰ পিছতহে ওলাব প্ৰকৃত ৰহস্য—কোন সঁচা, কোন মিছা।

## উদয়পুৰৰ ঘটনা সম্পূৰ্ণ অমানৱীয় আৰু ইছলামবিৰোধী


### *মৌলানা মস্তাক আনফৰ*

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ১ জুলাইঃ** ৰাজস্থানৰ উদয়পুৰত হজৰত মহম্মদ (ছঃ)ৰ প্ৰতি অশালীন মন্তব্যৰ সমৰ্থন কৰাৰ আলম লৈ সংঘটিত হত্যাকাণ্ড যিমানেই গৰিহণা-নিন্দা কৰা হ'ব, সিমানেই কমেই হ'ব। এয়া অমানৱীয় আৰু ইছলাম ধৰ্মৰ বিৰোধী হোৱাৰ উপৰিও আমাৰ দেশৰ সংবিধানৰ পৰিপন্থী। তেনে কাৰ্যক ইছলাম ধৰ্মই কদাপি সমৰ্থন নকৰে। পৱিত্ৰ কোৰআনত কোৱা হৈছে-'তোমালোকে পৃথিৱীত কোনো প্ৰকাৰে অশান্তি সৃষ্টি নকৰিবা।' এক প্ৰেছ বিবৃতিযোগে এই মন্তব্য কৰে অসম ৰাজ্যিক জমিয়ত উলামাৰ সভাপতি মৌলানা মস্তাক আনফৰে। ভাৰতৰ সকলো মুছলমানে উক্ত নৃশংস হত্যাৰ বিৰোধ কৰিছে আৰু কৰিবই, কাৰণ তেনে কাৰ্যৰ ইছলাম ধৰ্মত কোনো স্থান নাই বুলিও জমিয়ত নেতাগৰাকীয়ে কয়। অসম ৰাজ্যিক জমিয়ত উলামাৰ তৰফৰ পৰা উক্ত নৃশংস হত্যাকাণ্ডৰ তীব্ৰ গৰিহণা দিছে আৰু লগতে চৰকাৰৰ ওচৰত আবেদন জনায় যে এই নিৰ্মম হত্যাৰ লগত জড়িত অপৰাধীসকলক ভাৰতীয় দণ্ডবিধি অনুযায়ী দ্ৰুত শাস্তি প্ৰদান কৰিব লাগে যাতে আগলৈ তেনে ঘটনাৰ পুনৰাবৃত্তি নহয়। লগতে সকলো দেশবাসীলৈ অনুৰোধ জনায় যে দেশৰ সৰ্বত্ৰ শান্তি-সম্প্ৰীতি বৰ্তাই ৰখাত সকলো আগবাঢ়ি আহে আৰু কোনেও আইন-কানুন নিজৰ হাতত তুলি নল'বলৈ আহ্বান জনায় জমিয়ত নেতাগৰাকীয়ে।

## বানত বিধ্বস্ত কামপুৰ-বৰকলা পথৰ বাঁহৰ দলঙেৰে চলিছে যাতায়াত

### পথ মেৰামতিৰ দাবী জনাইছে ৰাইজে

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰ্হমপুৰ, ১ জুলাইঃ** চলিত বৰ্ষত দুটাকৈ প্ৰলয়ংকৰী বানে তচ্‌নচ্ কৰাৰ পিছত এতিয়া সকলো ক্ষেত্ৰতে হাহাকাৰ কৰিব লগা হৈছে কামপুৰবাসীয়ে। বিশেষকৈ কামপুৰৰ যাতায়াত ব্যৱস্থা বিধ্বস্ত হৈ পৰাত সীমাহীন দুৰ্যোগ ভুগিব লগা হৈছে জনসাধাৰণে। বানপানীৰ ফলত বহিঃজগতৰে সংযোগ কৰা কামপুৰ-কঠীয়াতলী, কামপুৰ-বৈঠালাংছ', কামপুৰ -ৰহা আৰু কামপুৰ-বৰক'লা পথৰে যাতায়াত বন্ধ হৈ পৰিছে। ইতিমধ্যে এই পথকেইটাৰে গধুৰ যান-বাহনৰ চলাচল বন্ধ হোৱাত অঞ্চলটোত ইন্ধনকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনি হোৱা দেখা গৈছে। কামপুৰ বৰকলা পথটোৰ নগাঁও সদৰ আৰু বৰ্হমপুৰ সমষ্টিৰ সীমামূৰীয়া বৰকলা দলঙৰ কাষৰ এটা অংশ এইবাৰ বানত খহি বৰ্তমানেও পানী বৈ থকাত যাতায়াত সমস্যাৰ সৃষ্টি হৈছে। উল্লেখ্য যে নগাঁও জিলাৰ কামপুৰকে ধৰি পশ্চিম কাৰ্বি আংলং জিলাৰ লগত সংযোগ থকা এই পথছোৱা খহাই নিয়াত ভীষণ সমস্যাৰ সৃষ্টি হৈছে কামপুৰ অঞ্চলত। বছৰৰ প্ৰথমটো বানত এই ঠাইখিনি খহাই নিয়াৰ পিছত লোক নিৰ্মাণ বিভাগে মেৰামতি কৰিছিল যদিও দ্বিতীয়টো বানে পুনৰ খহাই নিয়ে। যাৰ বাবে যাতায়াত বন্ধ হৈ



পৰে পথটোৰে। অৱশ্যে কেইজনমান যুৱকে এখন বাঁহৰ চাং দি দুচকীয়া বাহন পাৰ হ'ব পৰাৰ ব্যৱস্থা কৰিছে। নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত এই পথটো শীঘ্ৰে মেৰামতিৰ ব্যৱস্থা কৰিবলৈ বিধায়কৰ লগতে চৰকাৰলৈ দাবী জনাইছে ৰাইজে।

## অচিন ৰোগত আক্ৰান্ত কণমানি মুহিতৰ চিকিৎসাৰ বাবে নাই ধন

### অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সহায়ৰ আহ্বান পিতৃৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১ জুলাইঃ** গোলাঘাট জিলা বোকাখাত বিধানসভাৰ দুসুঁতিমুখ গাঁও পঞ্চায়তৰ অন্তৰ্গত ১নং ভকত চাপৰি গাঁৱৰ হৰেন দলে আৰু ৰাণী দলেৰ একমাত্ৰ পুত্ৰ সন্তান (১১ মহীয়া) আজি ন মাহ ধৰি দুৰাৰোগ্য ৰোগত ভুগি আছে। কণমানি মুহিত জন্মৰ দুমাহৰ পিছতে সৰ্বশৰীৰত সৰু সৰু গুটি উঠাৰ পিছত সোঁফালৰ ডিঙি আৰু গালৰ মাজৰ অংশটো লাহে লাহে ফুলি উঠে। পৰৱৰ্তী সময়ত যোৰহাট মেডিকেল কলেজ হাস্পতালত আৰু পিছত গুৱাহাটী মেডিকেল কলেজত চিকিৎসা কৰায়। দুবাৰকৈ গুৱাহাটীলৈ চিকিৎসাৰ বাবে নিয়াৰ পিছত টকাৰ অভাৱৰ বাবে পুনৰ নিব নোৱাৰা হয়। শিশুটিৰ চিকিৎসাৰ বাবে অতি দুখীয়া পৰিয়লটিয়ে টকাৰ অভাৱৰ বাবে থমকি ৰ'ব লগা হৈছে। কৃষিৰ ওপৰত নিৰ্ভৰ কৰি চলা পৰিয়ালটো কণমানি পুত্ৰ মুহিতক কেনেদৰে চিকিৎসা কৰাব সেই লৈ চিন্তিত হৈ পৰিছে ভুক্তভোগী পৰিয়ালে। সেয়ে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে সদাশয় ব্যক্তি, দল-সংগঠন তথা চৰকাৰক সহায়ৰ হাত আগবঢ়াবলৈ অনুৰোধ জনাইছে। কোনো ব্যক্তি, দল-সংগঠনে সহায় কৰিব বিচাৰিলে হৰেন দলেৰ নামতএছবিআই কৃষক বেমকিঙৰ ৰঙাগড়া শাখাত থকা একাউণ্ট নম্বৰ ৪০৬৬১২৬৩৪৭১ আইএফএছচি-এছবিআইএন ০০০২০৪৮ নম্বৰত সহায় কৰিব পাৰিব অথবা ৬০০২৮৮৫৬০৩ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

### গোসাঁইগাঁও মহকুমাৰ ১নম্বৰ চেকাদানী (কাশিমাৰী) গাঁৱত অঘটন

## বজ্ৰপাতৰ ফলত ৬টা গৰু, ২টা ছাগলীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১ জুলাইঃ** গোসাঁইগাঁও মহকুমাৰ ১ নম্বৰ চেকাদানী (কাশিমাৰী) গাঁৱৰ নিৰাসী কাৰ্ঃ টুডুৰ ঘৰত আজি ৰাতিপুৱা ৫মান বজাত আকস্মিকভাৱে বজ্ৰপাত পৰি পশুধনৰ মৃত্যু। পৰিয়ালৰ লোকে জানিব দিয়া মতে বজ্ৰপাতৰ ফলত ৬টা গৰু আৰু ২টা ছাগলীৰ মৃত্যু হয়। তদুপৰি ২টা গৰু আৰু ২টা ছাগলী আঘাতপ্ৰাপ্ত হয়। উল্লেখনীয় বিষয় যে গৰুৰে হাল ৰাই আৰু গাখীৰ বিক্ৰী কৰি পৰিয়াল পোহ-পাল দিয়া অতিকৈ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালটোৰ পশুধনৰ মৃত্যু হোৱাত এতিয়া পানীত হাঁহ নচৰা অৱস্থা হৈছে এঘাৰজন সদস্য থকা পৰিয়ালটোৰ। উক্ত ঘৰতে বজ্ৰপাতৰ ফলত ঘৰখনত থকা বিদ্যুতৰ মিটাৰ জ্বলি যোৱাৰ উপৰি ঘৰৰ সা-সামগ্ৰী ক্ষতি হয়। কথমপি প্ৰাণৰক্ষা পৰিয়ালৰ সদস্যৰ। উপায়ান্তৰ হৈ সহায় বিচাৰি বিটিআৰ চৰকাৰ তথা অসম চৰকাৰক অনুৰোধ দুৰ্ভগীয়া পৰিয়ালৰ।

## মাজবাট থানাৰ কাষত ভোটাৰ পাৰ্টী ইণ্টাৰনেচনেলৰ ধৰ্ণা কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ১ জুলাইঃ** ওদালগুৰি জিলাৰ মাজবাট থানাৰ কাষত আজি ভোটাৰ পাৰ্টী ইন্টাৰনেচনেলৰ বিভিন্ন সমস্যা লৈ এঘন্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। জানিব পৰা মতে, আজি ভোটাৰ পাৰ্টী ইন্টাৰনেচনেলৰ বিভিন্ন সমস্যা লৈ অসম ৰাজ্যিক কমিটীয়ে দিছপুৰত ধৰ্ণা কাৰ্যসূচীৰ আহ্বান কৰিছিল। ভোটাৰ পাৰ্টী ইন্টাৰনেচনেলৰ আহ্বানমৰ্মে মাজবাট মণ্ডল ভোটাৰ পাৰ্টী ইন্টাৰনেচনেলৰ কৰ্মকৰ্তাসকলে ৰাতিপুৱা ৮ মান বজাত মাজবাটৰ পৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ গৈ থকা অৱস্থাতে মাজবাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জে পি শৰ্মাই ভোটাৰ পাৰ্টী ইন্টাৰনেচনেলৰ কৰ্মকৰ্তাসকলক গাড়ীসহ থানালৈ লৈ আনি থানাতে আবদ্ধ কৰি ৰাখে। মাজবাট মণ্ডল ভোটাৰ পাৰ্টী ইন্টাৰনেচনেলৰ কৰ্তাসকলে ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব নোৱাৰি মাজবাট থানাৰ কাষতে এঘন্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। ধৰ্ণা কাৰ্যসূচীৰ শেষত এখন স্মাৰক-পত্ৰ প্ৰদান কৰে মাজবাট খণ্ড উন্নয়ন বিষয়া চম্পক শৰ্মাৰ হাতত। স্মাৰক-পত্ৰখনত উল্লেখ কৰে যে অসমৰ বানপানীৰ সমস্যা চৰকাৰে অতি সোনকালে নিৰ্মূল কৰক, বানপানীত খতিগ্ৰস্ত লোকসকলক এককালীন সাহায্য কৰা, ভোটাৰসকলক মাহে ৮,০০০ টকাকৈ প্ৰদান কৰক। বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰা, লগতে দুখীয়া শ্ৰেণীৰ লোকক চিকিৎসাৰ সু ব্যৱস্থা কৰা আদি। মাজবাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই সাংবাদিক জানিবলৈ দিয়ে যে আবেলি ২ বজাত মাজবাট থানাত আবদ্ধ কৰি ৰখা লোকসকলক থানাৰ পৰা মুকলি কৰি দিয়ে। আজিৰ কাৰ্যসূচীত উপস্থিত থাকে ভোটাৰ পাৰ্টী ইন্টাৰনেচনেলৰ ওদালগুৰি জিলাৰ উপ-সভাপতি ভৰত গয়াৰী, মাজবাট ব্লক ভোটাৰ পাৰ্টী ইন্টাৰনেচনেলৰ উপ-সভাপতি বাবুৰাম দৈমাৰী, সম্পাদিকা দীপা ৰাভা, কাৰ্যালয় সম্পাদক হলিৰাম বড়ো আদি।



## উদমাৰী গাঁৱত দিনক দিনে বৃদ্ধি পাইছে ড্ৰাগ্‌ছ সৰবৰাহকাৰীৰ লগতে আসক্তৰ সংখ্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰূপহীহাট, ১ জুলাইঃ** নগাঁও জিলাৰ আৰক্ষী প্ৰশাসনে ধাৰাবাহিকভাৱে ড্ৰাগ্‌ছৰ বিৰুদ্ধে অব্যাহত ৰাখিছে যদিও ড্ৰাগ্‌ছবিৰোধী অভিযান কিন্তু জুৰীয়া থানাৰ অন্তৰ্গত উদমাৰী গাঁৱত বৰ্তমানেও ড্ৰাগ্‌ছ সৰবৰাহকাৰীৰ টিঘিলঘিলনি বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে নগাঁও জিলাৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰ নগাঁও এৰি যোৱাৰে পৰা এই অঞ্চলত ড্ৰাগ্‌ছ সৰবৰাহকাৰী তথা ড্ৰাগ্‌ছ আসক্তৰ সংখ্যা বৃদ্ধি পাইছে। প্ৰায় প্ৰতিদিনেই নগাঁৱৰ বিভিন্ন আৰক্ষী থানাৰ আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হৈছে ড্ৰাগ্‌ছ সৰবৰাহকাৰীক। উদমাৰী আৰু ইয়াৰ ওচৰ-চুবুৰীয়া গাঁৱৰ কিছুমান উঠি অহা ডেকা এই নিষিদ্ধ কামত জড়িত হোৱা দেখা গৈছে। উদমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, ইউনিটেৰিয়ান জাতীয় বিদ্যালয়, শংকৰ-আজান জাতীয় বিদ্যালয়, এ কে জাতীয় বিদ্যালয়ৰ উপৰিও বিভিন্ন ধৰ্মীয় শিক্ষানুষ্ঠানে ভৰি থকা এই অঞ্চলত এনেকুৱা কাৰ্যই সচেতন মহলৰ চকু কপালত তুলিছে। শিক্ষাৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰা এই অঞ্চলৰ কিছুমান যুৱকৰ দ্বাৰা গঠিত উদমাৰী ক্ৰীড়া সংস্থা তথা প্ৰতীক্ষা নামৰ বেচৰকাৰী সংস্থাৰ উদ্যোগত কে'বাবাৰো সজাগতা সভা কৰাৰ পিছতো কোনো ফল ধৰা নাই । এই সংস্থা দুটাই নগাঁও জিলা প্ৰশাসন তথা আৰক্ষী অধীক্ষকক উমৈহতীয়া দাবী উত্থাপন কৰি কয় যে এই অঞ্চলত অতিশীঘ্ৰে অতিৰিক্ত আৰক্ষী ছাউনী স্থাপন কৰি গাঁওৰক্ষী বাহিনীক সক্ষম কৰি উঠি অহা প্ৰজন্মক ৰক্ষা কৰিব লাগে।

## কামৰূপ জিলাৰ ১৬গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক অৱসৰকালীন লাভালাভৰ মঞ্জুৰী-পত্ৰ প্ৰদান

**দুগৰাকী মৃত শিক্ষকৰ পৰিয়ালক অনুকম্পমূলক পৰিয়াল পেন্সনৰ মঞ্জুৰী-পত্ৰ প্ৰদান**

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১ জুলাইঃ** আজি আমিনগাঁৱস্থিত কামৰূপ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ উদ্যোগত অনুষ্ঠিত এক অনুষ্ঠানত জিলাখনৰ বিভিন্ন উচ্চতৰ, উচ্চ আৰু এম ই স্কুলৰ সৰ্বমুঠ ১৬গৰাকী কালি অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক তেওঁলোকৰ অৱসৰৰ লিভ এনকেচমেন্টৰ মঞ্জুৰী-পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰাৰ উপৰি তেওঁলোকক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। তদুপৰি এই একেটা অনুষ্ঠানতে দুগৰাকী মৃত শিক্ষকৰ পৰিয়ালৈ অনুকম্পামূলক পেন্সনৰ মঞ্জুৰী-পত্ৰও প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই ২০১৯ বৰ্ষৰ ৩১ মাৰ্চৰ পৰা এম ই স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে আৰম্ভ কৰা এই প্ৰক্ৰিয়া পৰৱৰ্তী সময়ত হাইস্কুল তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ সম্প্ৰসাৰিত কৰি এতিয়ালৈকে অবিৰত ৰূপত ৰূপায়ণ কৰি থকা হৈছে বুলি কয়। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি অতিৰিক্ত উপায়ুক্ত কমল বৰুৱাই অৱসৰপ্ৰাপ্ত শিক্ষকসকলক সমাজলৈ ইতিবাচক বৰঙণি যোগাই যাবলৈ আহ্বান জনায়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি প্ৰদান কৰা ভাষণত দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যই অৱসৰী শিক্ষক সমাজক কামৰূপ জিলাই আৰম্ভ কৰা অৱসৰী আৰু প্ৰক্তন ছাত্ৰ-ছাত্ৰীৰ শিক্ষামূলক স্বেচ্ছাসেৱা আঁচনিৰ লগত নিজকে জড়িত কৰাই ওচৰৰ যিকোনো বিদ্যালয়ত শিক্ষাদান কৰাৰ বাবে আহ্বান জনায়। অনুষ্ঠানত কামৰূপ জিলাৰ জিলা তথ্য আৰু জনসংযোগ বিষয়া বংকিম ভাগৱতী, কামৰূপ জিলা অধিবিদ্যা পৰিষদৰ সম্পাদক ৰফিকুদ্দিন আহমেদেও অৱসৰপ্ৰাপ্ত শিক্ষকসকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত অৱসৰী শিক্ষক-শিক্ষয়িত্ৰীসকলেও কামৰূপ জিলাৰ শিক্ষা বিভাগে লোৱা এনে পদক্ষেপৰ শলাগ লৈ বক্তব্য প্ৰদান কৰে বুলি জানিব পৰা গৈছে।




## জামুগুৰি প্ৰেছ ক্লাবৰ উদ্যাগত শুভাংকুশ কাশ্যপ শৰ্মাক বীৰ বিৰোচন চুতীয়া, নিশিতা বৰাক সুৰেন শইকীয়া আৰু অংকুৰ ছেত্ৰীক খগেশ্বৰ শইকীয়া সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান

**ষ্টাৰ আৰু ডিষ্টিংচনপ্ৰাপ্ত ৭০জন ছাত্ৰ-ছাত্ৰীক অভিনন্দন ঃ ৰাষ্ট্ৰীয় পৰ্যায়ৰ নৃত্যশিল্পী নৱজিৎ নাৰ্জাৰীক সম্বৰ্ধনা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰি, ১ জুলাইঃ** গোলাঘাট জিলাৰ জামুগুৰি প্ৰেছ ক্লাবৰ উদ্যোগত জামুগুৰি বজাৰ ৰংগমঞ্চত বীৰ বিৰোচন চুতীয়া, সুৰেন শইকীয়া আৰু খগেশ্বৰ শইকীয়া সোঁৱৰণী তিনিটাকৈ শৈক্ষিক বঁটা প্ৰদান কৰাৰ লগতে জামুগুৰি থানা এলেকা আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলৰ ৭০জন কীৰ্তিমান তথা ষ্টাৰ আৰু ডিষ্টিংচনপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। সেই উপলক্ষে জামুগুৰি প্ৰেছ ক্লাবৰ উপ-সভাপতি খগেন বৰাৰ সঞ্চলনাত অনুষ্ঠিত অভিনন্দন আৰু বঁটা প্ৰদান অনুষ্ঠানটো উদ্বোধন কৰে জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কল্পনা দেৱীয়ে। বিশিষ্ট শিক্ষাবিদ তথা ফৰকাটিং ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সঞ্চালক ড° লাচিত বৰুৱাই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি 'কেৰিয়াৰ গাইডৰ ওপৰত ৰসাল ভাষণেৰে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰাৰ লগতে প্ৰতিজন কীৰ্তিমানক প্ৰথমে মানুহ হ'বলৈ আহ্বান জনোৱাৰ উপৰি সামাজিক দায়বদ্ধতাৰ মাজেৰে নিজকে সংস্থাপিত হ'বলৈ আহ্বান জনোৱাৰ লগতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ সমানন্তাৰলভাৱে সামাজিক, সাংস্কৃতিক, ক্ৰীড়াৰ লগতে অন্যান্য দিশত আগবাঢ়ি যাবলৈ অনুৰোধ জনায়। আনহাতে, উক্ত সভাতে জামুগুৰি পৰীক্ষা কেন্দ্ৰৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা জামুগুৰি জাতীয় বিদ্যালয় ছাত্ৰ তথা নোগোৱাৰ নিৱাসী গুণীন শৰ্মা আৰু পপাহাৰী শৰ্মাৰ সুযোগ্য সন্তান শুভাংকুশ কাশ্যপ শৰ্মাক বীৰ বিৰোচন চুতীয়া সোঁৱৰণী শৈক্ষিক বঁটা, জামুগুৰি থানা এলেকাক সামৰি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত সৰ্বোচ্চ নম্বৰ লাভ কৰা ২ নং বৰজান গাঁৱৰ নিত্যা বৰা ৰুমীৰ বৰাৰ সুযোগ্য সন্তান তথা ফৰকাটিং ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ নিশিতা বৰাক সুৰেন শইকীয়া সোঁৱৰণী শৈক্ষিক বঁটা, বিজ্ঞান শাখাত আইটনীয়া মিৰি গাঁৱৰ নিৱাসী প্ৰকাশ ছেত্ৰী আৰু বন্তি হাজৰিকাৰ সুযোগ্য সন্তান তথা নগাঁও ৰামানুজন মহাবিদ্যালয় ছাত্ৰ অংকুৰ ছেত্ৰীক খগেশ্বৰ শইকীয়া সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান কৰা হয়। উক্ত কেউটা বঁটাত এখন ফুলাম গামোচা, এটা জাপি, গ্ৰন্থৰ টোপোলা, এটা ট্ৰফী, এটা স্মাৰক, এটা গছপুলি, অভিনন্দন পত্ৰ, কলম আৰু নগদ ধন প্ৰদান কৰা হয়। লগতে অনুষ্ঠানত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰত নৱম স্থানপ্ৰাপ্ত ৰাস্না গগৈক বিপুলভাৱে সম্বৰ্ধনা জনোৱা হয়। লগতে জামুগুৰি থানা এলেকাৰ ষ্টাৰ আৰু ডিষ্টিংচনপ্ৰাপ্ত ৭০গৰাকী ছাত্ৰ-ছাত্ৰীক এখন ফুলাম গামোচা, গ্ৰন্থৰ টোপোলা, এটা মূল্যৱান গছপুলি, অভিনন্দন-পত্ৰ, কলমেৰে অভিনন্দন জনোৱা হয়। সভাত চুতীয়া জাতি যুৱ সন্মিলন, অসমৰ উপদেষ্টা বিতোপন শইকীয়া, সোণোৱাল কছাৰী স্বায়ত্তপৰিষদৰ কাৰ্যবাহী সদস্য ৰাজু সোণোৱালে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। তদুপৰি অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ মোহন চন্দ্ৰ শইকীয়া, খগেশ্বৰ শইকীয়া সোঁৱৰণী শৈক্ষিক বঁটাৰ দাতা প্ৰেমলতা শইকীয়া, সুৰেন শইকীয়া সোঁৱৰণী শৈক্ষিক বঁটাৰ দাঁতাৰ পৰিয়ালবৰ্গৰ হৈ কৃষ্ণা বাইলুং, বিশিষ্ট ব্যৱসায়ী ৰাজুমণি গগৈ, শিক্ষয়িত্ৰী পৰী গগৈয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানসমূহ পৰিচালনা কৰে জামুগুৰি প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক পাৰ্থপ্ৰতিম শইকীয়া, যুটীয়া সম্পাদক ৰিতুপন দত্ত, ৰিতু শইকীয়াই ইফালে, পুৱা পতাকা উত্তোলন কৰে জামুগুৰি প্ৰেছ ক্লাবৰ সভাপতি প্ৰসেনজিৎ শইকীয়াই, স্মৃতি তৰ্পণ কৰে জামুগুৰি প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি মৃদুল বৰা আৰু উপ-সভাপতি নোমল শইকীয়াই। ছাত্ৰ-ছাত্ৰীৰ মাজত দুটা শাখাত অনুষ্ঠিত চিত্ৰাংকণ প্ৰতিযোগিতা উদ্বোধন কৰে বিশিষ্ট চিত্ৰশিল্পী মনোজ নেওগে। উক্ত প্ৰতিযোগিতাত নিম্ন শাখাত প্ৰথম স্থান অধিকাৰ কৰে বিকি দাসে, দ্বিতীয় স্থান অধিকাৰ কৰে জ্যোতিষ্ক বৰাই আৰু তৃতীয় স্থান অধিকাৰ কৰে জামুগুৰি লোকপ্ৰিয় জাতীয় বিদ্যালয়ৰ গৰিমা শইকীয়াই, উচ্চ শাখাত জামুগুৰি আদৰ্শ জাতীয় বিদ্যাপীঠৰ বিপ্লৱ ভূঞাই প্ৰথম, নৱদীপ শইকীয়া দ্বিতীয়,অভিজিৎ শইকীয়াই তৃতীয় স্থান লাভ কৰে। আনহাতে, সন্ধিয়া সদৌ অসম ভিত্তিত অনুষ্ঠিত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰে সোণোৱাল কছাৰী জাতীয় পৰিষদৰ গোলাঘাট জিলা সমিতিৰ সাংস্কৃতিক সচিব লীলা সোণোৱালে। উক্ত অনুষ্ঠানতে জি টিটিভিৰ ডি আই ডি লিট্‌ল মাষ্টাৰ চিজন-৫ ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ নৃত্য প্ৰতিযোগিতা চেম্পিয়ন খিতাপ অৰ্জন কৰা নৱজিৎ নাৰ্জাৰীক জামুগুৰি প্ৰেছ ক্লাবৰ উদ্যোগত ৰাজহুৱাভাৱে বিপুলভাৱে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে নৱজিতৰ পিতৃ উপেন নাৰ্জৰী, মাতৃ অনু নাৰ্জাৰী আৰু মোমায়েক নীলকান্ত নাৰ্জাৰীকো আদৰণি জনোৱা হয়। ইফালে, সৃষ্টিশীল প্ৰতিযোগিতাত নিম্ন শাখাত প্ৰথম স্থান অধিকাৰ কৰে যুটীয়াভাৱে ৰূপকলীয়াৰ নিশিতা দত্ত, তৰাণিৰ স্নিগ্ধাৰাণী চুতীয়া প্ৰথম স্থান, যোৰহাটৰ অংকিতা শইকীয়া, প্ৰাণজিতে যুটীয়াভাৱে দ্বিতীয় স্থান, ৰূপকলীয়াৰ প্ৰাঞ্জনা শইকীয়া, তামুলীগাঁৱৰ সিদ্ধাৰ্থ শংকৰ দত্তই যুটীয়াভাৱে তৃতীয়, বিচাৰকৰ বিশেষ বঁটা লাভ কৰে ঢেঁকীয়ালৰ সুপ্ৰীতি বৰা, তামুলী গাঁৱৰ অনুক্ষা বৰা, কাছমাৰীৰ মৌচুমী তাংমাং আৰু ৰূপকলীয়াৰ মেঘস্পৃহা দত্তই। সেই অনুসৰি উচ্চ শাখাত প্ৰথম স্থান অধিকাৰ কৰে যুটীয়াভাৱে ইকৰাণীৰ দৃষ্টিপ্ৰিয়া কলিতা, বৰ মিচিং গাঁৱৰ বিতোপন চহে, ছেৰাগুৰিৰ অৰ্চিতা বৰদলৈ, সৰুপথাৰৰ শান্তনু শইকীয়াই যুটীয়াভাৱে দ্বিতীয় স্থান, ৰূপকলীয়াৰ ৰুচিকা কাশ্যপে, নাওজানৰ অপূৰ্ব চুতীয়াই তৃতীয় স্থান, বিচাৰক বিশেষ বঁটা লাভ কৰে উলুতলিৰ ঈশান দত্ত, বোকাখাতৰ মুক্তি নৰহে। সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা পৰিচালনা কৰে ছবিন দত্তই।


পত্ৰ নং-এফ এন এছ টি/বি/ঘৰচীয়া হাতী/২০২২/২৫৮১

**জাননী**

ইয়াৰ দ্বাৰা জনোৱা হয় যে অসমৰ বহুসংখ্যক ঘৰচীয়া হাতী বিনা অনুমতিত বহিঃৰাজ্যলৈ সৰবৰাহ কৰি কিছুমান অনৈতিক কাৰ্যত ব্যৱহাৰ কৰাৰ তথ্য অসম বন বিভাগৰ দ্বাৰা উমান পোৱা গৈছে। সেয়েহে অসমৰ প্ৰধান মুখ্য বন সংৰক্ষক মহোদয়ৰ পত্ৰ নং WL/FG.7/16/Domestic Elephant/09-14.dt. 24-06-2022, নিৰ্দেশ ক্ৰমে দক্ষিণ নগাঁও বন সংমণ্ডল, হোজাইৰ অধীনত পঞ্জীয়ন হৈ থকা আৰু দক্ষিণ নগাঁও বন সংমণ্ডল, হোজাইৰ পৰা নি বৰ্তমান অসম ৰাজ্যৰ কাষৰীয়া ৰাজ্য অৰুণাচল, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয় ৰাজ্যত নিয়োগ কৰি ৰখা সকলো ঘৰচীয়া হাতীৰ মালিক তথা তত্বাৱধায়কক এই জাননী প্ৰকাশ হোৱাৰ পৰা ৮০ (আশী) দিনৰ ভিতৰত, নিজ নিজ ঘৰচীয়া হাতীসমূহ মাইক্ৰচিপ পৰীক্ষাৰ বাবে দক্ষিণ নগাঁও বন সংমণ্ডল, হোজাইৰ অধীনস্থ নিকটৱৰ্তী বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত নিশ্চিতভাৱে হাজিৰ কৰাবলৈ নিৰ্দেশ প্ৰদান কৰা হ'ল। যদি কোনো হাতীৰ গৰাকীয়ে এই নিৰ্দেশ অমান্য কৰে, সেইসমূহ ঘৰচীয়া হাতী বিভাগীয় নীতি-নিয়ম অনুসৰি জব্দ কৰা হ'ব।

**স্বাক্ষৰ**
**বন সংমণ্ডল প্ৰাধিকাৰী**
**দক্ষিণ নগাঁও বন সংমণ্ডল, হোজাই।**

Janasanyog /D/6655/22

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২ জুলাই ■ ২০২২ ■ ১৭ আহাৰ ■ গুৱাহাটী

## প্ৰলয়ংকৰী বানত পশুধনৰ উজান

বান-খহনীয়াৰ ভয়াবহ ৰূপ ধাৰণ কৰাৰ কথা বাতৰিৰ শিৰোনাম দখল কৰি থকাৰ সময়তেই অসমত গো-সুৰক্ষা আইন বলবৎ হোৱাৰ পিছত গৰুৰ চোৰাং চালান বহু পৰিমাণে নিয়ন্ত্ৰণলৈ আহিছে। প্ৰলয়ংকৰী বানে অসমৰ কেইবা লক্ষ লোকৰ জীৱনলৈ নমাই অনা সৰ্বনাশৰ বিপৰীতে এইখন আন্তঃৰাষ্ট্ৰীয় গৰু মাফিয়া চক্ৰৰ বাবে হৈ পৰিছে কোটিকটীয়া মুনাফা ঘটোৱাৰ মাধ্যম। সংবাদ মাধ্যমত প্ৰকাশ পোৱা মতে এনে পৰিস্থিতিত ভয়াবহ বানৰ সুযোগ লৈ অসমৰ দিশৰ পৰা সম্প্ৰতি বাংলাদেশলৈ উটুৱাই দিয়া হৈছে জাক জাক গৰু-ম'হ। শেহতীয়া এটা মাহত আন্তঃৰাষ্ট্ৰীয় নদী সীমান্তত বিজিবিৰ তথ্য মতে অসমৰ দিশৰ পৰা উটুৱাই দিয়া জাক জাক গৰু-ম'হ প্ৰত্যক্ষ কৰি হতচকিত হৈছে। কোবাল সোঁতৰ মাজৰ পৰা গৰু-ম'হৰ জাক বিজিবিয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে যদিও এই পৰিসংখ্যা তেনেই নগণ্য। কাৰণ অসমৰ দিশৰ পৰা প্ৰতি নিশা ডেৰ-দুহাজাৰ গৰু-ম'হ বাঢ়নী পানীত উটুৱাই দিয়া হয় বাংলাদেশলৈ। কলগছৰ টুকুৰাত বান্ধি গৰুৰ জাক উটুৱাই দিয়াৰ সমান্তৰালভাৱে আন্তঃৰাষ্ট্ৰীয় সীমাৰ যিবোৰ স্থানত নৈৰ সুঁতি ঠেক সেইবোৰ স্থানেৰে গৰু-ম'হৰ জাক অনায়াসে বাংলাদেশলৈ উটুৱাই দিয়া হৈছে। বানৰ সুযোগ লৈ অসমৰ দিশৰ পৰা গো-ধনৰ চোৰাং চালান ইমানেই বৃদ্ধি পাইছে যে আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী ছিলেট, ছুনামগঞ্জ আৰু কুৰিগ্ৰাম জিলাৰ কেতবোৰ অঞ্চল গৰু-ম'হেৰে ভৰি পৰিছে। জুলাইত পালন কৰিবলগীয়া ঈদ উপলক্ষে বাৰিষাৰ সুযোগ লৈ এইবাৰ গৰুৰ চালান বৃদ্ধি পাইছে। বিজিবিয়ে জানিবলৈ দিয়া মতে বাৰিষাৰ এই সময়ত দুয়োখন দেশৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত নদী আৰু স্থলৰ চিন-মোকাম নাইকিয়া হৈছে। জলপৃষ্ঠ ভয় লগাকৈ বৃদ্ধি পাইছে। কোবাল সোঁতত মেটেকা বা সামগ্ৰী উটি অহা দেখা গৈছে। ইয়াৰ মাজতে গৰু-ম'হৰ জাকবোৰ চালান হৈছে। পৰিস্থিতি মোকাবিলা কৰিবলৈ বিজিবিয়ে যন্ত্ৰচালিত নাৱেৰে টহল বৃদ্ধি কৰিছে যদিও কোবাল সোঁতৰ মাজৰ পৰা গৰু-ম'হৰ জাক পাৰলৈ টানি অনাটো সম্ভৱ নহয়। অথচ ব্যৱসায়ীয়ে নিৰ্দিষ্ট স্থানত জাক পোৱাৰ লগে লগে পাৰলৈ নি নীতিকাৰবীয়া অঞ্চলত বান্ধি থয় আৰু পিছত বজাৰত বিক্ৰী কৰে। অসমৰ পৰা চালান দিয়া প্ৰতিটো গৰুৰ শৰীৰত একোটা নম্বৰ লিখা থাকে। এই নম্বৰৰ পৰাই কোনজন চোৰাং ব্যৱসায়ীয়ে কিমানটা গৰু চালান দিছে আৰু ইটো পাৰে সেই নম্বৰৰ কিমানটা গৰু পাৰত উঠিছে, সেই হিচাব ৰখা হয়। ইয়াৰ পিছত হাৱালাযোগে প্ৰেৰণ কৰা হয় ধন। এনেকৈ চালান দিয়াত সৰবৰাহকাৰীসকলক 'লাইনমেন' হিচাপে জনা যায়। সুৰক্ষিতভাৱে পাৰলৈ তুলিবলৈ সক্ষম লাইনমেনক প্ৰতিটো গৰুৰ বাবে দিয়া হয় এহাজাৰ টকা। সেয়ে এই সময়ছোৱাত গৰু সৰবৰাহত নামি পৰিছে বহু বাংলাদেশী লোক। সম্প্ৰতি সীমান্তৱৰ্তী বহুকেইটা স্থানেৰে বাঢ়নী পানীৰ মাজেৰে গৰু-ম'হৰ জাক বাংলাদেশলৈ সৰবৰাহৰ অবৈধ ব্যৱসায় চলিছে। এনেকৈ এটা মাহত কমেও ৫০ হাজাৰ গৰু-ম'হ আমদানি কৰাত সফল হৈছে বাংলাদেশৰ মাফিয়া বাহিনী। মন কৰিবলগীয়া কথাটো হৈছে, এনে মাফিয়া চক্ৰই কেইবা কোটি টকা লেনদেনত সফল হৈছে। ইফালে বাংলাদেশৰ বজাৰত ভাৰতীয় গৰু-ম'হৰ চাহিদা বৃদ্ধি পোৱাৰ বাবে স্থানীয় গো-পালকে উচিত মূল্য হেৰুৱাইছে। চৰকাৰেও ৰাজহ হেৰুৱাইছে। বাংলাদেশে এইক্ষেত্ৰত কোনো নিষেধাজ্ঞা আৰোপ কৰা নাই। বানে সীমান্ত অঞ্চল বুৰাই পেলাইছে। সীমান্তৰ ৰাইজে সেয়ে তাত দেখিছে গৰুৰ উজান। চৰকাৰৰ সোপা-চিলা নীতিৰ বাবে সীমান্তৰে গৰু-ম'হৰ সৰবৰাহ বৃদ্ধি পাইছে। বানৰ কৰাল মূৰ্তিত এইসকল মাফিয়াৰ চোৰাং ব্যৱসায় ৰমৰমীয়া হৈ উঠাহে পৰিলক্ষিত হৈছে।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### শিশু উপযোগী লেখা আৰু আমি

শিশু উপযোগী লেখা (গল্প, কবিতা, সাধুকথা, কাহিনী) আদি বিভিন্ন সময়ত বিভিন্নজনে লিখি আহিছে। সাহিত্য জগতত শিশু সাহিত্যৰ এক সুকীয়া স্থান আছে। নৱকান্ত বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, ভবেন্দ্ৰনাথ শইকীয়া আদি (এইকেইজন উদাহৰণ মাত্ৰ) মহামনীষীসকলে তেখেতসকলৰ সৃষ্টিৰ যোগেদি আমাৰ শিশু সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। এতিয়া কথাটো হ'ল, আগৰ দিনত কিতাপ-আলোচনী আদি প্ৰায়ভাগ মানুহে পঢ়িছিল। বৰ্তমান সময়তো একসংখ্যক মানুহে পঢ়ে যদিও আগৰ দিনৰ তুলনাত কম। বৰ্তমান সকলোফালে ডিজিটেল পৃথিৱী হোৱাৰ ফলত বহুতে কিতাপ-আলোচনী পঢ়াতো কমাই দিছে। আগৰ দিনত অভিভাৱকে বা শিক্ষাগুৰুৱে শিশুসকলক সাধুকথাৰ কিতাপ পঢ়িব দিছিল বা পঢ়াই শুনাইছিল। লগতে ককাক-আইতাকৰ পৰাও সাধু শুনিবলৈ পাইছিল। যৌথ পৰিয়ালৰ মাত্ৰা হ্ৰাস পোৱাৰ পৰা শিশুসকলে সাধুকথা, পুৰণি কথা আদি শুনিবলৈ নোপোৱা হৈছে। লগতে মোবাইল ফোনৰ অধিক ব্যৱহাৰৰ ফলতো শিশুসকলৰ সাহিত্যৰ প্ৰতি ধাউতি নোহোৱা হৈছে বুলিয়েই ক'ব পাৰি। এইক্ষেত্ৰত কিন্তু ইয়াৰ মাজতো কিছুসংখ্যক মানুহ আছে এতিয়াও সম্পূৰ্ণভাৱে সাহিত্যৰ লগত জড়িত হৈ আছে, সাধনা কৰি আছে, কিতাপ পঢ়ি আছে, পঢ়ুৱাই আছে, লিখি আছে। তেওঁলোকে ভালকৈয়ে ডিজিটেল যুগৰ লগত সাহিত্যৰ দিশটোও আগুৱাই নিছে, লগতে নিজৰ শিশুটোকো সাহিত্যৰ প্ৰতি আগ্ৰহী কৰি তুলিছে। ডিজিটেল যুগত সময়ৰ খোজৰ লগত খোজ আমি অৱশ্যেই দিব লাগিব, তথাপি আমি পুৰণিক বাদ দি বা এৰি চলি আগুৱাই যাব কেতিয়াও নোৱাৰোঁ। সেয়েহে অভিভাৱক-অভিভাৱিকা, শিক্ষাগুৰুৰ লগতে সমাজৰ সচেতন লোকসকললৈ অনুৰোধ— শিশুসকলক শিশু উপযোগী লেখা যোগান ধৰক লগতে সাম্প্ৰতিক সময়ত প্ৰকাশ হৈ থকা লেখাবোৰ আলোচনী বা বাতৰি-কাকতৰ পাতত উঁৰলি যাবলৈ নিদি পঢ়ুৱাই শুনাওক অথবা শিশুটিক পঢ়িবলৈ দিয়ক। নহ'লে লেখাবোৰ, বাতৰি কাকত, আলোচনীত সীমাবদ্ধ হৈ থাকিব অথবা ডাঙৰ মানুহ দুই-এজনে পঢ়ি সামৰি থ'ব। কিন্তু আচলতে শিশু উপযোগী লেখা শিশুৱেই পঢ়িব পাব লাগে, শুনিব পাব লাগে। সকলোৱে বাতৰি-কাকত বা আলোচনীত শিশু উপযোগী লেখা পালে নিজৰ শিশুটিক লগতে আন শিশুকো পঢ়ুৱাই শুনাব লাগে অথবা পঢ়িব দিব লগে। তাৰ ফলত শিশুটি সাহিত্যৰ প্ৰতি আকৰ্ষিত হ'ব, লগতে সাম্প্ৰতিক সময়ত যিমানখিনি শিশু উপযোগী লেখা প্ৰকাশ হৈ আহিছে বা প্ৰকাশ হৈ আছে সেইখিনি প্ৰকৃতাৰ্থত শিশুসকলে পঢ়িব পাব।

**পপী ডেকা**
**গড়পোট, কামৰূপ**
*ফোন ঃ ৭০৮৬২-১০১২৭*

### লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩



# চৰ্চিত আৰু উপেক্ষিত কীৰ্তিমান



**হিমাংশু ৰঞ্জন ভূঞা**

বৰ্তমান চৰ্চাৰ শীৰ্ষত থকা এটি নাম ধৃতিৰাজ বাস্তৱ কলিতা। ২৭ জুনত ঘোষিত উঃ মাঃ চূড়ান্ত পৰীক্ষাত বিজ্ঞান শাখাত প্ৰথম স্থান লাভেৰে উজলিল ধৃতিৰাজ। ধৃতিৰাজৰ মাৰ্জিত, পৰিপক্ক, নম্ৰ কথা-বতৰাই ইতিমধ্যেই অসমবাসীৰ মন জয় কৰিছে। তাৰ সমান্তৰালভাৱে যোৱাকেইদিন বিভিন্ন নিউজ চেনেল, সামাজিক প্ৰচাৰ মাধ্যমত তেওঁৰ কণ্ঠৰ গীতবোৰেও মানুহক মুগ্ধ কৰিছে। লগতে ফলাফল ঘোষণাৰ পাছদিনা এন কে টিভিত অনুপম চক্ৰৱৰ্তী ডাঙৰীয়াৰ সৈতে হোৱা সাক্ষাৎকাৰটো যিসকলে চাইছে, নিশ্চয় অনুভৱ কৰিছে তাৰ সৰল তথা ব্যতিক্ৰমী ব্যক্তিত্ব আৰু জ্ঞানৰ পৰিপক্কতা। কণমানি ল'ৰাটোৰ যি সমাজিক দায়বদ্ধতা সেয়াও স্পষ্ট হৈ পৰিছে উক্ত সাক্ষাৎকাৰটোত। তেওঁ কিদৰে উঃ মাধ্যমিকৰ পাছৰ শিক্ষা লাভৰ বাবে নিজকে দ্বাদশ শ্ৰেণী পোৱাৰ পৰাই প্ৰস্তুত কৰিছে, কিদৰে নিজে নিজে ইণ্টাৰনেটত চাৰ্চ কৰি ভাৰতৰ শীৰ্ষস্থানীয় বিজ্ঞান শিক্ষাৰ প্ৰতিষ্ঠান বিচাৰি, সেইবোৰ প্ৰতিষ্ঠানৰ ৰেংকিং সম্পৰ্কে তথ্য উলিয়াই IISERৰ দৰে দেশৰ আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠানত শিক্ষাগ্ৰহণৰ বাবে নিজকে প্ৰস্তুত কৰিছিল সেই কথা তেওঁ অকণমানো লুক-ঢাক নকৰাকৈ বিনা দ্বিধাৰে প্ৰকাশ কৰিছে। আমাৰ অনুভৱ হৈছে, এই সাক্ষাৎকাৰটোৱে আমাৰ হাজাৰ হাজাৰ উঠি অহা চামক অলপ হ'লেও প্ৰেৰণা দিব। ইউটিউব আৰু ফেচবুকত ইতিমধ্যে ভাইৰেল হৈ পৰিছে ধৃতিৰাজৰ এই সাক্ষাৎকাৰটো। অভিভাৱকসকলে এই সাক্ষাৎকাৰটো চোৱা উচিত আৰু নিজৰ সন্তানসকলকো দেখুওৱা উচিত। ধৃতিৰাজ নিশ্চিতভাৱেই মৰম পাবৰ যোগ্য, তেওঁক যিদৰে প্ৰতিটো সংবাদ মাধ্যমে গুৰুত্ব দিছে, যিদৰে 'ফ'কাচ্' কৰিছে, সেয়া তেওঁৰ প্ৰাপ্য। কিন্তু সততে দেখা যায়, মেট্ৰিক বা উঃ মাঃ পৰীক্ষাত স্থান লাভ কৰা বহুসংখ্যক সময়ৰ সোঁতত হেৰাই যায়, খুব কমসংখ্যকহে সমাজৰ দৃষ্টিত জিলিকি থাকে। কিয় নাজানো, মনে কৈছে, ধৃতিৰাজ যেন সেইদৰে হেৰাই নাযাব! তেওঁৰ দৃঢ়মনা, আত্মবিশ্বাসী দুচকুত অসমৰ হকে, সৰ্বসাধাৰণ ৰাইজৰ বাবে ভৱিষ্যৎ দিনত কাম কৰাৰ তীব্ৰ হাবিয়াস দেখা পাইছো। কিবা এটা যেন কৰিব সমাজখনৰ বাবে তেওঁ আহি থকা দিনবোৰত। সময়ে সেয়া নিশ্চিতভাৱে নিৰ্ধাৰণ কৰিব।



সাধনা দেৱী নামৰ ছাত্ৰীগৰাকীয়ে কলা শাখাত প্ৰথম স্থান লাভ কৰিছে। কিন্তু ছোৱালীজনীয়ে সাংঘাতিক 'ট্ৰ'ল'ৰ সন্মুখীন হৈছে। কিয় হৈছে বা ৰাইজে তাইক কিয় গ্ৰহণ কৰিব পৰা নাই, সেয়া নতুনকৈ ব্যাখ্যা কৰাৰ প্ৰয়োজন নিশ্চয় নাই। তাইৰ কথা-বতৰাবোৰত ৰাইজে বিচাৰি থকাখিনি পোৱা নাই। কিন্তু এটা কথা থিক যে, সাধনাও আমাৰ সম্পদ। তাই নিশ্চয় কষ্ট নকৰাকৈ বা অধ্যৱসায় আৰু সাধনা অবিহনে প্ৰথম স্থান পোৱা নাই। কিন্তু তাইৰ কথা-বতৰা, বডী লেংগুৱেজ, ব্যক্তিত্ব বা আচৰণ ধৃতিৰাজৰ দৰে মৰম লগা নহয়, কিবা যেন অহং ভাব ৰাইজে বিচাৰি পাইছে। কিবা এটা 'অভাৰ কনফিডেণ্ট' ভাব দেখা পোৱা গৈছে সাধনাৰ মাজত। আমি আশা কৰিছো সেয়া ভালৰ বাবেই হওক। এইখিনিতে আন এটা কথা উল্লেখ কৰিব খুজিছো, প্ৰতিদিন টাইম চেনেলত অলপতে





সম্প্ৰচাৰিত হোৱা নিতুমণি শইকীয়াদেৱৰ 'অভিমত'ত ধৃতিৰাজ আৰু সাধনা দুয়োগৰাকী উপস্থিত আছিল। দুয়োগৰাকীৰে মনৰ কথাৰে অনুষ্ঠানটি সজাই তোলা হৈছিল। কিন্তু সামাজিক মাধ্যম ফেচবুকত প্ৰচাৰ হোৱা অনুষ্ঠানটোৰ ভিডিঅ'বোৰৰ প্ৰতিটো মন্তব্যত মৰম বুটলিলে কেৱল ধৃতিৰাজে। তাই মাত্ৰ ট্ৰ'লহে খালে। সমালোচিতহে হ'ল। মেধা আৰু প্ৰজ্ঞা নিশ্চিতভাৱে তাইৰো আছে। কেৱল পাঠ্যপুথিৰ সীমিত জ্ঞানেৰে, পুথিগত শিক্ষাৰে যে সমাজত প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰি সেয়া যেন প্ৰমাণিত হ'ল।

এতিয়া আহো আন এগৰাকী প্ৰথম স্থানপ্ৰাপ্ত ছাত্ৰী চেৰী গোহাঁইৰ প্ৰসংগলৈ। ধৃতিৰাজ আৰু সাধনা নিজৰ নিজৰ কথা আৰু কামৰে চৰ্চিত হ'ল। কিন্তু প্ৰথম স্থান লাভ কৰিও চেৰী গোহাঁই উপেক্ষিত হৈ ৰ'ল। তিনিচুকীয়া জিলাৰ এখন সৰু গাঁও লাইপুলিৰ পৰা বোকা-পানী খচকি এখন চৰকাৰী মাধ্যমৰ কলেজত অধ্যয়ন কৰি তাই অসমৰ ভিতৰতে প্ৰথম স্থান পাইছে। ই কম কথা নহয়। কিন্তু ধৃতিৰাজ বা সাধনাৰ চৰ্চাত ব্যস্ত কাৰো সময়েই নাই চেৰীৰ মনৰ খবৰ লোৱাৰ। সংবাদ মাধ্যমবোৰেও তাইক উপেক্ষিত কৰা দেখা গ'ল। বাণিজ্য শাখাত প্ৰথম স্থান দখল কৰা কাছাৰ জিলাৰ সাগৰ আগৰৱালাও উপেক্ষিত হৈ পৰিল সংবাদ মাধ্যমৰ পৰা। এইটো জানো যুক্তিসংগত হৈছে? মন কৰিছো, কেৱল চেৰী গোহাঁই বা সাগৰ আগৰৱালা বুলিয়েই নহয়, স্থানপ্ৰাপ্ত তেৰজনগৰাকীৰ বাকীসকলো মেধাৰী কীৰ্তিমান ছাত্ৰ-ছাত্ৰীয়েই যেন এইবেলি উপেক্ষিত হৈ পৰিল। হয়তো আমাৰ বহুতেই তেওঁলোকৰ নামেই মনত ৰখা নাই। এয়া কেনে কথা! তেওঁলোকেও জানো সমানেই কষ্ট কৰি, মেধা, প্ৰজ্ঞা, অধ্যৱসায় আৰু সাধনাৰ বলত ৰাজ্যখনৰ ভিতৰতে শীৰ্ষস্থান দখল কৰা নাই ? তেওঁলোক প্ৰতিগৰাকীয়েই ৰাইজৰ মৰম, আশীৰ্বাদ বা চৰ্চাৰ যোগ্য। প্ৰতিগৰাকীয়েই আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ অমল উৎস।

শেষত ক'ব খোজো, প্ৰত্যেকগৰাকী প্ৰতিভাৱান স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীয়েই আমাৰ ভৱিষ্যৎ। তেওঁলোকৰ পৰা জাতিটোৱে, সমাজখনে বহু আশা কৰে। তেওঁলোকৰ প্ৰতিগৰাকীকে আমি আগবঢ়াই দিব লাগিব অনাগত ভৱিষ্যতৰ দিশে। ধৃতিৰাজৰ পৰা আশা কৰাৰ নিচিনাকৈ, আমি সাধনাৰ পৰাও বহু আশা কৰিছো, চেৰী গোহাঁই, সাগৰ আগৰৱালা বা অন্য প্ৰতিগৰাকীৰ পৰাই আশা কৰিছো তেওঁলোক উজলি থাকক প্ৰতিনিয়ত অসমৰ একো একোটি উজ্জ্বল নক্ষত্ৰ হৈ। আমাৰ অকৃত্ৰিম মৰম আৰু আশীৰ্বাদ সদায় আছে তেওঁলোকৰ সৈতে।

# শৈশৱৰ সৰু সৰু অভিজ্ঞতাৰ পৰাই জীৱনটো সজাবলৈ শিকিব লাগে

**বিজু খাউণ্ড**

সৰু কালটো এখন চিন্তামুক্ত পৃথিৱীত বাস কৰা হয়। য'ত একো সমস্যাই নাই যেন অনুভৱ হয়। পৰিৱেশ অনুসৰি বিভিন্ন অভিজ্ঞতা বুটলিবলৈ আৰম্ভ কৰা হয়। বিদ্যালয়লৈ যোৱা, পঢ়া-শুনা, খেলা-ধূলা লগতে জ্যেষ্ঠবিলাকৰ সৈতে মাছ ধৰা, খেতিপথাৰলৈ চাহ-জলপান দিবলৈ যোৱা, আম, কঁঠাল, পনিয়ল, লেটেকু আদি গছৰ পৰা পাৰি লগে লগে খোৱা আদি কৰি ইটো-সিটো বহুতো কামৰ মাজেৰে বিভিন্ন ধৰণৰ অভিজ্ঞতা হয়। সৰু সৰু হ'লেও কিছুমান কামে বহুতো অভিজ্ঞতা আনি দিয়ে। সেই সময়ত বিদ্যালয়ত প্ৰায় পাঁচ-ছয় বছৰত নাম লগাই দিয়াৰ পাছত হাতত চিলথ, কিতাপ, মাটিৰ পেঞ্চিল লৈ পঢ়িবলৈ যোৱাৰ দিনাৰ পৰা শৈক্ষিক যাত্ৰা আৰম্ভ হয়। প্ৰাথমিক বিদ্যালয়ত পঢ়াৰ সময়ছোৱাত পঢ়াৰ লগতে বিভিন্ন কাৰ্যৰ দ্বাৰা অভিজ্ঞতা আৰম্ভণি হয়। উদাহৰণ স্বৰূপে- শৈশৱত আমি পূৰঠ নোহোৱা ৰবাব টেঙা লৈ লগৰীয়াৰ সৈতে ফুটবল হিচাপে খেলিছিলোঁ। ফুটবল খেলৰ অনা আনুষ্ঠানিক এক প্ৰাক্ শিক্ষা পাইছিলোঁ। শৈশৱত লগৰ এটাই চোঁচৰাই নিয়া তামোলৰ ঢকুৱাকে গাড়ী বুলি উঠা এক অভিজ্ঞতাও হৈছিল। সেই দিনবিলাকত আজিৰ দৰে আমি বিচাৰিলেই খেলনা বস্তু পোৱা নাছিলোঁ। বিচৰা বস্তু নাপালেও জেদ ধৰা নাছিলোঁ। ঘৰৰ আৰ্থিক দিশৰ কথা ভাবি সহজেই মানি লৈছিলোঁ। সেই কাৰণে বাঁহৰ, তামোলৰ ঢকুৱা, ৰবাব টেঙা আদিকেই খেলনা সামগ্ৰী হিচাপে লোৱা হৈছিল। ঘৰৰ কিছুমান সমস্যা সৰুৰে পৰাই বুজিবলৈ চেষ্টা কৰিছিলোঁ। আকৌ বাৰিষা দিনত ককাদেউতাৰ লগত পথাৰত থোৰা পাতি মাছ ধৰাৰ অভিজ্ঞতা হৈছিল। পুৱা সোনকালে শুই উঠি আৰু ককাৰ পাছে পাছে পথাৰলৈ গৈ থোৰাত সোমাই থকা সৰু সৰু মাছবিলাক ধৰিছিলো। তেনেকৈও পুৱা সোনকালে শুই উঠা অভ্যাসত পৰিণত হোৱা অভিজ্ঞতা হৈছিল। তেতিয়াই জানিছিলোঁ থোৰা কেনেকৈ বনায়। বাঁহৰ আগ ডোখৰ দুই বা তিনি ফুট দীঘলকৈ কাটি তাৰে আধা অংশ সৰু সৰুকৈ ফালি ডাঠ টঙালেৰে ঘূৰণীয়াকৈ গঁথা হয়। মাছ সোমোৱাৰ ফালে ডাঙৰ কৰি পিছৰ ফালে সৰু কৰি থোৰা বনাইছিল। তেনেকৈও থোৰা বনোৱা দেখি শিকিছিলোঁ, সেয়া হাতৰ কামৰ অন্য এক অভিজ্ঞতা। তাৰ পাছত পথাৰত থকা সৰু আলিটো প্ৰায় আধা ফুট কাটি দিলে যি ফালে পানীৰ সোঁত বয়, সেই সোঁতৰ বিপৰীতে থোৰাটো পাতি দিয়া হয়। তেনেদৰে হালোৱাক চাহ-জলপান দিবলৈ যোৱাৰ দিনা পথাৰত ভুঁই ৰুবলৈ গৰুৱে হাল বাই যেতিয়া মৈ দিয়ে তেতিয়া মৈৰ পাছে পাছে মাছ ধৰা আমেজো বেলেগ আছিল। থোৰা পাতি আৰু মৈৰ পাছে পাছে মাছ ধৰাতো শৈশৱৰ বোকা-পানীৰ লগত হোৱা এক অভিজ্ঞতা। আকৌ কেতিয়াবা পুখুৰীত বা নদীত বৰশী টোপাবলৈ যোৱাটো ধৈৰ্যৰ অন্য এক পৰীক্ষা বুলি ক'লেও ভুল নহয়। হাতত বৰশী লৈ পুখুৰী পাৰত বহি মাছৰ বাবে দলিয়াই দিয়া বৰশীকেইটা একেলেথাৰিয়ে চাই থকাটো সহজ নহয়। মাছে যেতিয়া বৰশী গিলি দিয়ে তেতিয়া বৰশী টানি দিলে মাছ আহে। তেতিয়া সেই একেথৰে বৰশীলৈ চাই থকা কষ্টকৰ সময়খিনি পাহৰি যোৱা হয়। বৰশীত মাছ কেতিয়াবা আহিব আৰু নাহিবও পাৰে। তেনেদৰে আমি কিবা এটা আশা কৰিলে পাবও পাৰো কেতিয়াবা নাপাবও পাৰো। তথাপি আশাৰে ধৈৰ্য ধৰি থকাটো ভাল। যিদৰে আন্ধাৰ গ'লে পোহৰ ভাল লাগে, সেইদৰে কষ্ট কৰাৰ পিছত সফলতাই মনলৈ আনন্দ আনে। সেয়েহে কিছুমান কাম কৰিবলৈও ধৈৰ্য শক্তি লাগিব। ধৈৰ্য থাকিলে যিকোনো কাম সফলভাৱে সমাপ্ত কৰিব পাৰি। বৰ্তমান প্ৰায়েই হেৰাই গ'ল শৈশৱৰ সেই চিনাকি গাঁৱলীয়া বোকা-মাটি, পানীৰ সৈতে প্ৰত্যক্ষভাৱে খেলি অভিজ্ঞতা আহৰণ কৰা দিনবিলাক। বৰ্তমান সৰু সৰু ল'ৰাবিলাকক বোকা-পানীৰ লগত খেলা কৰা বহু কম দেখা যায়। শৈশৱৰ সেই কথাবিলাক সৰু সৰু কিন্তু তাতেই লুকাই আছে জীৱনটোৰ আৰম্ভণিৰ কিছু গুৰুত্বপূৰ্ণ অভিজ্ঞতা। বিদ্যালয়ৰ শিক্ষা সাং কৰাৰ পিছতেই উচ্চ শিক্ষা আৰু জীৱন সংগ্ৰামৰ কথা আহি পৰে। লক্ষ্যত উপনীত হ'বলৈ অহৰহ চেষ্টা কৰিব লগা হয়। চাৰিওফালৰ অভিজ্ঞতা প্ৰয়োজন হয় জীৱন সংগ্ৰামখন আগুৱাই নিবলৈ। অপ্ৰয়োজনীয় অভিজ্ঞতাবিলাক দলিয়াই পেলাই প্ৰয়োজনীয়বিলাক গ্ৰহণ কৰিলে যথেষ্ট উপকৃত হ'ব পাৰি। কথাতে কয়— 'দেখি শিকা, ঠেকি শিকা'। কিছুমান আমি চকুৰে প্ৰত্যক্ষ কৰি শিকিছো। কেতিয়াবা বাধ্যত পৰি শিকিবলগীয়া হৈছে, যাক ঠেকি শিকা বুলি ক'ব পাৰি। সৰুৰে পৰা যিবিলাক অভিজ্ঞতা আহৰণ কৰিছো সেইবিলাকেই জীৱনটোৰ বাবে প্ৰায়েই প্ৰয়োজন হৈ পৰে। মানুহৰ জীৱনটো পোৱা-নোপোৱা, আনন্দ-বেদনাৰে ভৰপূৰ। গতিকে আমি পোৱাখিনিক সাদৰেৰে আঁকোৱালি ল'ব লাগে আৰু নোপোৱাক লৈ বেদনাও কৰিব নালাগে। যিমানখিনি পোৱা হয় সিমানখিনিতেই সন্তুষ্ট থাকিব পাৰিলে নোপোৱাৰ বেদনাত দহি দহি ছট্‌ফটাই থাকিব নালাগে। সেয়েহে শৈশৱৰ সেই সৰু সৰু অভিজ্ঞতাৰ পৰাই জীৱনটো সজাবলৈ শিকিলে যিকোনো কামৰ দ্বাৰাই লক্ষ্যত উপনীত হোৱাৰ লগতে সফলতাৰ মুখ দেখাৰ সম্ভাৱনা থাকে।

*ফোন ঃ৭৮৯৬৫-৮৯১৯২*

## নলবাৰী সমষ্টিৰ স্থানীয় বিধায়ক মহোদয়ৰ প্ৰতি এখন মুকলি পত্ৰ

# মই ভালুকমাৰা জানে কৈছো...

মোৰ গৃহ জিলা-চহৰ নলবাৰী। উজনিৰ নহয়। নামনিৰ মই। বানপানী মোৰ বাবে অচিনাকি নহয়। কুৰি শতিকাৰ আশীৰ দশকৰ সময়-সীমালৈকে বানপানী বিপদ নাছিল। সম্পদহে আছিল। কোলাৰ কেঁচুৱাৰ দৰে আছিল। মাকৰ কোলাত কেঁচুৱাই প্ৰস্ৰাৱ কৰিলে যিটো স্বাভাৱিক অৱস্থা বা পৰিৱেশৰ সৃষ্টি হয়। তাহানিৰ বানপানীৰ সমস্যা সিমানখিনিয়ে নাছিল। আজিৰ বানপানীৰ সমস্যা বাৰ্ষিক উৎসৱ। দুখৰ উৎসৱ। ব'হাগ-জেঠমহীয়া বানৰ তাণ্ডৱ। এয়া স্বাভাৱিক বানপানী নহয়। কৃত্ৰিম বানপানী। বৰষুণৰ পানী সংস্থাপনৰ অভাৱ। Save the water resirver. এটা সময়ত এইখিনি সেৱা কাৰ্য মই নিজেই কৰিছিলোঁ। কৃত্ৰিম বানপানী মানেই অস্বচ্ছ পৰিৱেশ। এচিড পানীৰ দৰে ভয়াবহ সমস্যা। অচিন ৰোগৰ উদ্ভৱ। ইত্যাদি একুৰি এটা সমস্যা।

কৃত্ৰিম বানপানীৰ স্বাভাৱিক সোঁত নাথাকে। এই পানীভাগ যি ঠাইত ৰৈ থাকিব তাৰ উৰ্ব্বৰতাখিনিও হ্ৰাস পায়। গৃহ, চোতালৰ ফুলনি, বস্তি-বাৰী, খেতিপথাৰ সকলোতে ইয়াৰ প্ৰভাৱ পৰে। নলবাৰী চহৰৰ কৃত্ৰিম বানৰ সমস্যা সাধাৰণতে মই ভালুকমাৰা জানে সৃষ্টি কৰা নহয়। চহৰীয়া মানুহৰ সংযমহীন, সস্তীয়া আধুনিক জীৱন-যাপনৰ কু-ফল। জীৱনবোৰ প্ৰকৃতি-পাৰিপাৰ্শ্বিকতাৰ স'তে সমতা ৰক্ষা কৰি উদ্‌যাপনহে কৰিব লাগে। নঙলামুখত মাছ কিনিলেও দুই-তিনিটা পলিথিন বেগ ব্যৱহাৰ কৰা হয়। এটি ষ্টিলৰ বাচন বা এখন বাঁহৰ চালনীত মাছখিনি কঢ়িয়াই নঙলাৰ মুখৰ পৰা ঘৰলৈকে অহা-যোৱা অনুশীলখিনি কৰিবলৈকে আমি সবে পাহৰিয়ে থাকিলোঁ। সুলভ হাৰত ব্যৱহাৰিত পাতল কিম্বা গোটা পলিথিন-প্লাষ্টিক সামগ্ৰীখিনিক সহজলভ্য ডাষ্টবিন হিচাপে মোৰ বক্ষতে প্ৰক্ষেপ কৰিছে। আধুনিক জীৱন। অতি আধুনিক জীৱন-যাপন শৈলীয়ে ধুনীয়া পৃথিৱী গৃহটোৰ জনস্বাস্থলৈ ভাবুকি মাতি আনিছে। অকল কৃত্ৰিম বানপানীয়ে নহয়, কৰ'না ভাইৰাছ (Covid-19) তাৰে ফল। এবেলা সূৰ্যই ৰ'দ দিলেই পূৰ্বৰ সমস্ত ভুলৰ কথা পাহৰি যাওঁ। অতি দুৰ্ভাগ্যজনক পৰিস্থিতি সেইখিনিতে। নলবাৰী জিলা-প্ৰশাসনযন্ত্ৰ সম্প্ৰতি কিছু শতাংশ সচেতন হোৱা যেন লাগে। আদৰণীয় পদক্ষেপ। ১৯৮৫ চনত জিলা ঘোষণা হোৱাৰ পৰাই বহুকেইগৰাকী উপায়ুক্ত আহিল। অহা-বাটেৰে গ'ল।

দুই-এগৰাকী বহিঃ ৰাজ্যৰ আই এছ বিষয়াই নিজৰ গৃহ-জিলাৰ দৰে ভাবি কিছু কাম আন্তৰিকতাৰ মাজেৰে কৰি ল'ব। পূৰ্বৰ উপায়ুক্ত ত্ৰিপাঠী, ওম্ প্ৰকাশে জিলাখনৰ সমস্যাৰ স'তে মোকাবিলা কৰিছিল। বিজ্ঞানসন্মত দৃষ্টিভংগীৰ মাজেৰে মোৰ সমস্যাখিনি আঁতৰ কৰাৰ চিন্তা-চৰ্চা কৰিছিল। কিছু জ্বলন্ত সমস্যা চিনাক্ত কৰি দীৰ্ঘম্যাদী আঁচনি আৰু পৰিকল্পনাৰ মাজেৰে আগবাঢ়িব লাগে। তেতিয়া কৃত্ৰিম বানত ৰাষ্ট্ৰৰ সম্পত্তিৰ অপচয় নহয়। মই ভালুকমাৰা জান নলবাৰী জিলাখনৰ বাবে সম্পদ। চহৰীয়া মানুহখিনিয়ে মোক উপলব্ধি কৰাৰ চেষ্টা নকৰিলে। কৃত্ৰিম বান প্ৰতিৰোধৰ বেলিকা মই সহায়ক আছিলো। ক্ষমতাৰ ৰাগিত নতুবা দেৱতাৰ পা-পইচা থকা এচামৰ গৃহ-অট্টালিকা-প্ৰতিষ্ঠানসমূহ মোৰ দুয়ো পাৰৰ দাঁতিতে নিৰ্মাণ। এক গধুৰ আৱৰ্জনাৰ বোজা। আৱৰ্জনাৰ ইমানখিনি গধুৰ বোজা বহন কৰিব পৰা অৱস্থাত মই নাই। মোৰ পূৰ্বৰ পৰিচয় আছিল মানুহৰ কল্যাণকামী ভালুকমাৰা জান। এতিয়া মই অস্তিত্বহীন। মোৰ নিজ পৰিচয় বুলি একো নাই। অনিয়মকে নিয়ম কৰি লৈ নিজৰ ম্যাদী পট্টাৰ মাটি বুলি এচাম দুষ্ট লোকে মোৰ সীমা-পৰিসীমাৰ মাটি ঠেলি-হেঁচি মোক এটা ক্ষুদ্ৰ নলাত পৰিণত কৰিলে। মোৰ ভৌগোলিক এলেকাৰ কিছু চিনাকি ঠাই চ'কবজাৰ, পাণ্ডুৱথান, হাজো পথছোৱাৰ দুৰ্বল কালভাৰ্টটো ইত্যাদি। এইকেইটা স্থানৰ উৎসৰ পৰাই জিলা প্ৰশাসনে মোৰ বৰ্তমানৰ জীৱনটো জানিব পাৰিব। বৰ অসহায় অৱস্থা। মই ভালুকমাৰা জানে কৈছো। মোৰ দেহত এতিয়া কৰ্কট ৰোগসদৃশ সমস্যা। এই কৰ্কট ৰোগৰ আৰম্ভণি আজিৰ পৰা ডেৰ দশক আগৰ পৰাই আৰম্ভ হৈছে। আহিছে চৰকাৰ, গৈছে চৰকাৰ। মোৰ ৰোগ নিৰাময় নহ'ল। মই ভালুকমাৰা জানে কৈছো। মোৰ এই ভয়াৱহ জ্বলন্ত সমস্যাই এদিন সকলোকে চুই যাব। এইবেলিৰ কৃত্ৰিম বান তাৰেই ফল। এয়া স্বাভাৱিক বানপানী নহয়। কৃত্ৰিম বানৰ ভয়াৱহ সমস্যা। পূৰ্বৰ কল্যাণকামী মই ভালুকমাৰা জানে আজি বাৰু কি সেৱা আগবঢ়াব পাৰিম! ৭০ শতাংশই মই সংকুচিত হ'লো। যিখিনি আছে



তাৰে পৰাই মোৰ গতি-প্ৰগতিৰ কথা স্থানীয় বিধায়ক আৰু জিলা প্ৰশাসনে পুনৰ ভাবক। গুৱাহাটীবাসীয়ে ভৰলুক যিদৰে হত্যা কৰিলে, চহৰীয়া নলবাৰীবাসীসকলে মোৰ জীৱনটোকো ঠিক তেনেদৰেই হত্যা কৰিলে। তথাপি আমি মৰি মৰি জীয়াই আছো মানুহৰ সেৱাত।

স্থানীয় বিধায়কগৰাকীয়ে নলবাৰী জিলা-প্ৰশাসন, ৰাজহ চক্ৰ আৰু পৌৰ সভাৰ সৈতে মিলি এক অন্তৰংগ আলোচনাত বহক। আলোচনাৰ মাজেৰে মণ্ডলৰ চিথাৰ বহীৰ পৰা মোৰ পূৰ্বৰ জীৱন নক্সাৰ সীমা-পৰিসীমা নিৰ্ধাৰণ কৰি বিজ্ঞান-প্ৰযুক্তি, চিন্তা-ভাৱনাৰ মাজেৰে হ্ৰস্ব বা দীৰ্ঘকালীন পুঁজি শিতান-আঁচনি প্ৰকল্প হাতত লওক। এনে কৰ্ম-সংস্কৃতিৰ মাজেৰে মোক পুনৰ উদ্ধাৰ কৰা সম্ভৱ হ'ব। মই যাতে চহৰখনৰ কৃত্ৰিম বান বিনাশ কৰিব পাৰো। পূৰ্বৰ দৰে চহৰখনৰ অতিৰিক্ত পানীভাগ পূৰ্বৰ দৰে চহৰবাসীৰ স্বাৰ্থত কঢ়িয়াই নিব পাৰো। মই ৰাইজৰ সেৱাত। ময়ে কৃত্ৰিম বানৰ ধাৰক। ময়ে স্বচ্ছতা। উপলব্ধি কৰাৰ সময় সমাগত।

আগন্তুক দিনবোৰত ইয়াতকৈয়ো হয়তো জ্বলন্ত কৃত্ৰিম বানৰ সমস্যাৰ সন্মুখীন হ'ব লাগিব। সভ্য চহৰীয়া মানুহবোৰে বছৰটোৰ বেছি সময় শৌচালয়-প্ৰস্ৰাৱাগাৰৰ গেলা-পচা পানীৰ স'তে সহাৱস্থান কৰিব লাগিব। নেদেখা আল্লা-ঈশ্বৰৰ নামত জিলাখনৰ ভৌগোলিক এলাকাধীন জলাশয়, খাৰৈ, প্ৰাচীন পুখুৰীবোৰ পুতি-মাৰি তাৰ স্থানত নতুনকৈ মন্দিৰ-মছজিদ নিৰ্মাণ কৰাটো এক পৰিৱেশীয় জ্বলন্ত সমস্যা। এয়া নতুন সমস্যাৰ উদ্ভৱ। তেনে ধৰণৰ চৰকাৰী পতিত মাটিত গৃহ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ নামত মাটি আবণ্টন দি থাকিলে এটা সময়ত জিলাখনৰ পৰিস্থিতিতন্ত্ৰসমূহ নাইকিয়া হৈ যাব। পৰিস্থিতিতন্ত্ৰসমূহ এক প্ৰকাৰ জৈৱ-বৈচিত্ৰ্যৰ ভাণ্ডাৰ। মানুহ-দুনুহ, পশু-পক্ষী উভয়ৰে উপকাৰী। খাদ্যৰ সন্ধান। পানী সংস্থাপনৰ লগতে প্ৰাকৃতিক ভাৰসাম্যতা বজাই ৰাখে। এই আটাইবোৰ পৰিস্থিতিতন্ত্ৰৰ স'তে মোৰ ভাল চিনাকি। মই ভালুকমাৰা জানে কৈছো। মই চহৰখনৰ স্বচ্ছতা। সুস্থ পৰিৱেশ, পাৰিপাৰ্শ্বিকতা। এয়াই পৰিৱেশ বিজ্ঞানৰ পৰিভাষা। বাপুজীৰ কথাৰে ক'বলৈ গ'লে— স্বচ্ছতা য'ত ভগৱান ত'ত। ভাৰত স্বচ্ছতাৰ পিনে এখোজ। ৰাষ্ট্ৰৰ আদৰণীয় পদক্ষেপ। ৰাষ্ট্ৰসংঘৰো একে আহ্বান পৰিস্থিতিতন্ত্ৰসমূহ আমি ভৱিষ্যৎ দিনৰ বাবে ৰক্ষা কৰো আহা। Save the Ecological System.

*ভূপেন কুমাৰ দাস*
*ঠিকনা ঃ বৈকুণ্ঠ ভৱন (পঁজাঘৰ), জাপাৰকুছি, নলবাৰী (অসম)*
*ফোন ঃ ৯৭০৬২-৭৩৩০৭*

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

# সাফল্যৰ শীৰ্ষত ধৃতিৰাজ বাস্তৱ কলিতা



সাম্প্ৰতিক ৰাজ্যত সদ্যঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত প্ৰথম স্থান দখল কৰা ধৃতিৰাজ বাস্তৱ কলিতাই দৰং জিলাৰ বাবে কঢ়িয়াই আনিছে অনন্য সুখৰ বাৰ্তা। নৱপ্ৰজন্মৰ প্ৰেৰণাৰ অন্য এক জনপ্ৰিয় নাম ধৃতিৰাজ কলিতা। বিগত ২০২০ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যৰ ভিতৰতে সৰ্বপ্ৰথম স্থান দখল কৰি উত্তীৰ্ণ হৈছিল। উল্লেখ্য যে পৰৱৰ্তী বৰ্তমান ২০২২ বৰ্ষতো উচ্চতৰ মাধ্যমিক পৰ্যায়ত তেওঁ একেই ধাৰাবাহিকতা ৰক্ষা কৰি নিজস্ব নাম জাকত জিলিকা কৰি অসমৰ লগতে দৰং জিলাৰ নাম উজলাবলৈ সক্ষম হৈছে। আনহাতে, নিজৰ এই সফলতাত ধৃতিৰাজ বাস্তৱ কলিতাই কয়, সৰ্বশ্ৰেষ্ঠ উজাৰি অধ্যয়ন কৰিলে ভাল বিজ্ঞাপ্তি আহিবই। কষ্ট কৰিলে ফল পাবই। জীৱনৰ প্ৰাপ্তি ভাল কামৰ জৰিয়তে লাভ কৰিব পাৰি। সাম্প্ৰতিক সময়ৰ আধুনিকতাৰ পৃথিবীত এয়াই হয়তো এক জ্বলন্ত উদাহৰণ। ধৃতিৰাজ সঁচাই অনন্য, অসাধাৰণ প্ৰতিভাসম্পন্ন ব্যক্তিত্বৰ অধিকাৰী। সমাজ, দেশ তথা ৰাজ্যৰ প্ৰতিজন ব্যক্তিৰ হৃদয়ত অকণমানি ল'ৰাজনৰ উক্তিয়ে সঁচা বহুৱাইছে—'দহৰ হিতৰ কাৰণে আত্মনিয়োগ কৰি মৃত্যুৰ পাছতো দহৰ মনত সাঁচ বহুৱাব পৰাই জীৱনৰ চৰম প্ৰাপ্তি।' দৰাচলতে প্ৰতি বছৰে ভিন্ন বহু মেধাবী ছাত্ৰ-ছাত্ৰীয়ে স্থান দখল কৰি আহিছে। আনহাতে, পৰৱৰ্তী পৰ্যায়তো কৰিব। কিন্তু ধৃতিৰাজৰ দৰে অমায়িক দৃষ্টিভংগী, বাকপটুতা স্বভাৱৰ শিক্ষাৰ্থী বহু কম দেখিছোঁ। সেয়ে ধৃতিৰাজ নৱপ্ৰজন্মৰ শিক্ষাৰ্থীসকলৰ প্ৰেৰণাৰ উৎস হৈ ৰ'ব। প্ৰতিভাধৰ ধৃতিৰাজৰ কথাই-কামে অনন্য। ভৱিষ্যতে এগৰাকী সুনাগৰিক হোৱাৰ লগতে এগৰাকী শিক্ষাগুৰু হোৱাৰ লক্ষ্য বান্ধি লৈছে ধৃতিৰাজ বাস্তৱ কলিতাই। আইআইটিৰ অধ্যাপক হোৱাৰ আশা মনত পুহি ৰাখিছে ধৃতিৰাজে। সঁচাকৈ আদৰণীয়। ৰাজ্যৰ আন শতাধিক শিক্ষাৰ্থীৰ প্ৰেৰণা হওক ধৃতিৰাজ।

■ **চিন্ময় ডেকা**
*জলাহ, টংলা, ওদালগুৰি*
*ফোন ঃ ৬০০২৬৬৬৫৯৩*

# নাও দুৰ্ঘটনাত সন্ধানহীন ব্যক্তি

যোৱা ২৫ জুলাই তাৰিখে ছিপাঝাৰৰ কুৰুৱাত ভয়ংকৰ নাও দুৰ্ঘটনা সংঘটিত হয়। প্ৰাপ্ত খবৰ অনুসৰি, এই নাও দুৰ্ঘটনাৰ সময়ছোৱাত উক্ত নাওখনত তিনিজন ব্যক্তি আছিলে আৰু সেই সময়ত ইয়াৰে দুজন ব্যক্তিয়ে প্ৰাণ বচাই নিজকে ৰক্ষা কৰিবলৈ সক্ষম হয়। কিন্তু এজন ব্যক্তি যাৰ নাম তৌফিক আলী তেওঁ ব্ৰহ্মপুত্ৰৰ প্ৰবল সোঁতত উটি যোৱাৰ ফলত এতিয়াও তেওঁৰ মৃতদেহ সন্ধানহীন হৈ আছে। তথ্য অনুসৰি, তৌফিক আলীৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ এছডিআৰএফ বাহিনীয়ে দিনে-নিশাই অভিযান চলাই আছে যদিও বৰ্তমানলৈকে মৃতদেহটো উদ্ধাৰ কৰিব পৰা নাই। তৌফিক আলীৰ ঘৰত এতিয়া কান্দোনৰ পৰিৱেশ। তেওঁৰ পৰিয়ালত ৮ বছৰীয়া ল'ৰা সন্তান আৰু ৭ মহীয়া কন্যা সন্তান আছে বুলি জানিব পৰা গৈছে। এতিয়া তৌফিক আলীৰ পৰিয়ালবৰ্গৰ ফালৰ পৰা অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়ালৈ কাতৰ সেৱা জনাই তৌফিক আলীৰ পত্নীয়ে কয় যে অতিশীঘ্ৰে যেন তেওঁৰ স্বামী তৌফিক আলীৰ মৃতদেহ উদ্ধাৰ কৰি শেষবাৰৰ বাবে পৰিয়ালবৰ্গৰ মাজত আনি দিয়ে। আশা কৰোঁ মুখ্যমন্ত্ৰী ডাঙৰীয়াই উক্ত বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰিব।

■ **চন্দন কুমাৰ নাথ**
*সৰভোগ*
*ফোন ঃ ৯১৩২৮-৪৯৭২৬*

# অক্ষুণ্ণ থাকিবনে কটনৰ পূৰ্বৰ গৌৰৱ

কটন বিশ্ববিদ্যালয়,,যি কাৰোবাৰ আৱেগ, যি কাৰোবাৰ বাবে সপোন। সেই কটন বিশ্ববিদ্যালয়ৰ গুণ-গৰিমা অসমৰ ইতিহাসত আজিও লিপিবদ্ধ হৈ আছে। কটনক ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহৰ কেন্দ্ৰবিন্দু বুলি ধৰা হয়। সেয়েহে এই শিক্ষানুষ্ঠানখনৰ প্ৰত্যেক ফলাফলৰ ওপৰত দৃষ্টি থাকে সকলোৰে। এতিয়া ৰাজ্যৰ উচ্চ শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ কটন বিশ্ববিদ্যালয়ৰ ইতিহাসত এক নতুন দিশৰ সংযোজন ঘটিছে। অসমৰ ৰাজনীতিত কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ ৰাজনীতিৰ প্ৰভাৱ আগৰে পৰা আছে। অসমত সদায় কটনৰ ছাত্ৰ সমাজে ৰাজনীতিত সক্ৰিয়ভাৱে জড়িত নাথাকিও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু কটনক প্ৰতিনিধিত্ব কৰি অহা ছাত্ৰ নেতাই অসমৰ ৰাজনীতিত নিজৰ স্থান দখল কৰিবলৈও সক্ষম হৈছে। সেয়া আজিৰ নহয়, অতীতৰে পৰা চলি আহিছে। কিন্তু কটনৰ ছাত্ৰ একতা সভাৰ লগত জড়িত হৈ থকা সময়তে সাঃ সম্পাদক অভিষেক মহন্তই ৰাজনৈতিক দলত যোগদান কৰা কথাটো অসমৰ বাবে ভাল খবৰ নে বেয়া খবৰ?

অসমৰ বাকী বিশ্ববিদ্যালয় বা মহাবিদ্যালয়ৰ তুলনাত কটন সদায় সুকীয়া। কটনিয়ানে যি ভাবে, অসমৰ ৰাইজে সেয়া আদৰি লয়। প্ৰত্যেকজন কটনিয়ানে নিৰ্বাচনৰ সময়ত এনে এজন ছাত্ৰনেতা নিৰ্বাচন কৰে যিয়ে অসমৰ প্ৰতিটো সমস্যাত মাত মাতে, শাসকপক্ষক ভুলবোৰ দেখুৱাই দিয়ে। তেনেস্থলত কটনক প্ৰতিনিধিত্ব কৰি ছাত্ৰ একতা সভাত কাৰ্যনিৰ্বাহ কৰি থকা সাঃ সম্পাদকগৰাকীয়ে শাসকীয় দলত যোগদান কৰাটো কটন তথা ৰাজ্যবাসীৰ বাবে অশনি সংকেত নহয়নে বাৰু? কটনৰ ছাত্ৰ সমাজৰ লগতে অসমৰ ছাত্ৰ সমাজক অৰাজনৈতিকভাৱে জাতীয়তাবাদ, জাতিৰ সমস্যাৰ বাবে মাত মতাৰ আদৰ্শ দেখুওৱাৰ বিপৰীতে সাঃ সম্পাদকে নিজেই ৰাজনৈতিকভাৱে শৰণাপন্ন হোৱাটো বৰ দুঃখজনক। কটনৰ ছাত্ৰ নেতাই ক্ৰমাগতভাৱে নিজৰ সুনাম অক্ষুণ্ণ ৰখাত ব্যৰ্থ হৈ পৰিছে, য'ত ছাত্ৰনেতাই নিজৰ যুক্তিনিষ্ঠতা হেৰুৱাই প্ৰত্যক্ষ ৰাজনীতিত জড়িত হৈ পৰিছে। এতিয়া প্ৰশ্ন উত্থাপিত হৈছে যে পূৰ্বৰ তুলনাত কটনে বৰ্তমান নিজৰ গৌৰৱ অক্ষুণ্ণ ৰাখিব পাৰিবনে? নে কটনৰ ছাত্ৰ সমাজক প্ৰতিনিধিত্ব




ৰাজনীতি কৰিম বুলি ওলাই অহা এনে নেতাবোৰক কটনে ভৱিষ্যতেও আশ্ৰয় দি থাকিব তথা কটনিয়ানে সমৰ্থন কৰি যাব। কিজানি কটনৰ গুণ-গৰিমা এতিয়া শুনিবলৈহে ভাল লগা শব্দ হৈ থাকিব।

■ **জনাৰ্দন তালুকদাৰ**
*প্ৰজন্ম এক অবিৰত যাত্ৰা*
*(সাহিত্য-সাংস্কৃতিক অনুষ্ঠান)*
*জিলা ঃ নলবাৰী (অসম)*
*ফোন ঃ ৬৯০০৭৮৮৮৭০*

# গুৱাহাটী বিশ্ববিদ্যালয়ে বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলিব নেকি ?



গুৱাহাটী বিশ্ববিদ্যালয় মানেই বিতৰ্ক। গুৱাহাটী বিশ্ববিদ্যালয় মানেই যেন হঠকাৰী সিদ্ধান্তৰে ছাত্ৰ-ছাত্ৰীক মানসিক ৰোগৰ সৃষ্টিকাৰী, গুৱাহাটী বিশ্ববিদ্যালয় মানেই যেন ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলিবলৈ কুণ্ঠাবোধ নকৰা অদ্বিতীয় প্ৰতিষ্ঠান। বিশ্ববিদ্যালয়খনৰ অধীনস্থ শিক্ষাগ্ৰহণ কৰা কোনো প্ৰাক্তন ছাত্ৰী-ছাত্ৰীৰ অথবা অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ ইতিবাচক ধাৰণা নাই। ছেমিষ্টাৰ ছিষ্টেমৰ ছমহীয়া পাঠ্যক্ৰমৰ মাজত কেৱল মাত্ৰ ৩০-৪৫ দিনৰ ভিতৰতে ছিলেবাছ ক্লিয়াৰ নকৰাকৈ আকস্মিক পৰীক্ষাৰ দিন ঘোষণা কৰা আৰু নিজেই তেনেকৈয়ে পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বহু প্ৰমাণ হ'ল। সম্প্ৰতি ষষ্ঠ ষান্মাসিকৰ চূড়ান্ত পৰীক্ষালৈ আকৌ উদাৰহীন পৰিচয় দাঙি ধৰিবলৈ আগবাঢ়িছে। বাৰিষাৰ বানে চহৰৰ বাদে বহুকেইখন জিলা বানৰ কবলত। বানত বুৰ গৈছে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ বাসগৃহ, অধিকাংশই অস্থায়ী শিবিৰত আশ্ৰয় লৈছে। কোনোমতে হাহাকাৰময় পৰিস্থিতিৰ মাজতে দিনবোৰ কোনোমতে পাৰ কৰি আছে। পৰীক্ষাৰ বাবে অধ্যয়ন কৰাৰ কোনো ধৰণৰ পৰিৱেশ-পৰিস্থিতি নাই। অসমৰ মুঠ জনসংখ্যাৰ ৫৪ লাখ জনসাধাৰণ বানৰ কবলত কক্‌বকাই আছে আৰু ইতিমধ্যে প্ৰায় ২০০জন ব্যক্তিয়ে ভয়াৱহ বানত প্ৰাণ হেৰুৱাব লগা হ'ল। এনে এক জটিল প্ৰেক্ষাপটত গুৱাহাটী বিশ্ববিদ্যালয়ে তিনি জুলাইৰ পৰা স্নাতক ষষ্ঠ ষান্মাসিকৰ চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰিবলৈ বধ্যপৰিকৰ। বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিব বুলি সামাজিক মাধ্যমেই হওক বা স্মাৰক-পত্ৰৰ যোগেদি অৱগত কৰিছে। বৰপেটাৰ ঐতিহ্যমণ্ডিত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা, নগাঁও ছোৱালী কলেজ ছাত্ৰী একটা সভায়ো ইতিমধ্যে আবেদন জনোৱা পৰিলক্ষিত হৈছে। মহানগৰীৰ এচি কোঠাত বহি ভাগ্য নিৰ্ধাৰণ কৰা গুৱাহাটী বিশ্ববিদ্যালয়ে বুজি পাবনে গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ পৰিস্থিতি। যদি পৰীক্ষা নিৰ্ধাৰিত সূচীমতে অনুষ্ঠিত কৰে তেতিয়াহ'লে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ জীৱন অন্ধকাৰলৈ যে গতি কৰিব সেয়া এশ শতাংশ নিশ্চিত। আনকি ইতিমধ্যে বিশ্ববিদ্যালয়খনে স্নাতকোত্তৰ নামভৰ্তিৰ বাবে পিজিয়েটৰ দিন ঘোষণা কৰিছে। এনে পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীয়ে বিমোৰত পৰিছে—আচলতে কোনটোৰ বাবে প্ৰস্তুতি চলাব। সমসাময়িক পৰিস্থিতিৰ ওপৰত লক্ষ্য কৰি ষষ্ঠ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষা অলতাৰনেটিভ মুডত (অনলাইন) অথবা এছাইনমেণ্ট বেছত অনুষ্ঠিত কৰাৰ দাবী উত্থাপন কৰিছে বহুসংখ্যক কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে। বিশ্ববিদ্যালয়ে অসমৰ এনে এক বানৰ জটিল পৰিস্থিতিত উদৰতাৰ মনোভাব পোষণ কৰা উচিত।

■ **ৰফিকুল ইছলাম**
*ছাত্ৰ স্নাতক ষষ্ঠ বৰ্ষ*
*ফোন ঃ ৮১৩৩০২৯২৩৩*

# হাতী-মানুহৰ সংঘাত দূৰ হ'ব কেতিয়া ?

সমগ্ৰ ৰাজ্যতে হাতী-মানুহৰ সংঘাতে কৃষিজীৱী জনতাৰ জ্বলন্ত সমস্যা হৈ পৰিছে। মোৰবোধেৰে চৰকাৰৰ 'পথাৰো আমাৰ বজাৰো আমাৰ' এই আপ্তবাক্যশাৰীৰ তেতিয়াহে সফল ৰূপায়ণ হ'ব, যেতিয়া এনেবোৰ সমস্যা সমাধানত অসম চৰকাৰে গুৰুত্ব দিব। কিছুদিনৰ পূৰ্বে চতিয়া সমষ্টিৰ বিধায়ক মাননীয় পদ্ম হাজৰিকাদেৱৰ বনকৰ্মীৰ সৈতে বনৰীয়া হাতী খেদা দৃশ্য সংবাদ মাধ্যমত অতিকৈ চৰ্চা লাভ কৰিছিল।

কেতিয়াবা প্ৰশ্নৰ উদয় হয়, ৰাজ্যৰ আন আন জিলাৰ প্ৰতিনিধি বা বিধায়কৰ ভূমিকা কিয় তেখেতৰ দৰে নহয়? বানপানীৰ দৰেই হাতী-মানুহৰ সংঘাতো অতিকৈ গুৰুত্বপূৰ্ণ বিষয়। বিশেষকৈ উজনি মাজুলীৰ লুইতপৰীয়া গাঁও পঞ্চায়ত, ৰতনপুৰ, গেজেৰা গাঁও পঞ্চায়ত আৰু গায়ন পঞ্চায়তৰ অন্তৰ্গত ৩০খনৰো অধিক গাঁৱত ১৯৯৬ চনৰ পৰাই হাতী-মানুহৰ সংঘাত চলি আহিছে। এই সংঘাতত ৩০০জনৰো অধিক ব্যক্তিয়ে মৃত্যুক আঁকোৱালি লৈছে। বহু ব্যক্তি আঘাতপ্ৰাপ্ত হৈ পংগু জীৱন-যাপন কৰিব লগা হৈছে। অতি পৰিতাপৰ কথা, বন্যহস্তীৰ বাবেই পূৰ্বৰ লখিমী মাজুলীৰ (সোণগুটি) সোণোৱালী ধাননি, ঘেঁহু, কুঁহিয়াৰ খেতি, জাতিলাও, ৰঙালাও, বেঙেনা খেতি আদি নকৰা হ'ল। পৰিয়াল পোহপাল দিবৰ বাবে একাংশ যুৱক-যুৱতীয়ে নিবনুৱা হৈ কেৰালা, বেংগালুৰু, (চেন্নাই) তামিলনাডু আদি বিভিন্ন ৰাজ্যত কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰিবলৈ গৈ কেতিয়াবা কিছু ব্যক্তিৰ জীৱনো হেৰুৱাব লগা হৈছে। সেয়ে অসম চৰকাৰৰ প্ৰতি আহ্বান— হাতী-মানুহৰ সংঘাতক গুৰুত্বসহকাৰে সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰক, তাৰে দৃষ্টিগোচৰ কৰিলোঁ।

■ **প্ৰাঞ্জল গাৰে**
*লাচন বালিগাঁও, মাজুলী*
*ফোন ঃ ৯১২৭৫০৫৭৫৬*



# অটোচালকৰ পৰা মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হ'ল একনাথ সিন্দে

একনাথ সিন্দে থাকৰে পৰিয়ালৰ বাহিৰে শিৱসেনাৰ সকলোতকৈ ডাঙৰ নেতা আছিল। শীৰ্ষত উদ্ধৱ থাকৰে, তাৰপিছত তেওঁৰ ল'ৰা আদিত্য থাকৰে আৰু তিনি নম্বৰত একনাথ সিন্ধে। দলত তাৰ নিজস্ব লবী আছে, সকলো সময়ত তেওঁ ১০-১৫জন বিধায়ক লগত লৈ ঘূৰি ফুৰে। যিটো শিৱসেনাৰ অন্য কোনো নেতাই নকৰে। মুম্বাইৰ থানে অঞ্চলৰ পৰা উঠি অহা এই ৰাজনৈতিক নেতাজন এটা সময়ত অটোচালক আছিল। প্ৰয়াত শিৱসেনা নেতা আনন্দ দীঘে তেওঁক গঢ় দিছিল। আনন্দ দীঘেই প্ৰথম বালাসাহেব থাকৰেৰ ওচৰত লৈ গৈছিল সিন্দেক।

উচ্চাকাংক্ষী একনাথ সিন্দে মুখত যিয়ে নকওক কিয় আচলতে তেওঁ ভয় কৰিছিল উদ্ধৱপুত্ৰ আদিত্য থাকৰেক। শিৱসেনাত যিদৰে উদ্ধৱপুত্ৰ আদিত্য থাকৰেৰ গুৰুত্ব বাঢ়ি গৈ আছিল তাত একনাথ সিন্দেৰ দৰে প্ৰবীণ নেতাসকলৰ মনত সিঁহতৰ ৰাজনৈতিক ভৱিষ্যতক লৈ শংকা হৈছিল যে কেতিয়াও সিঁহতে শীৰ্ষস্থানত উপনীত হ'ব নোৱাৰিব। চৰকাৰৰ কেবিনেটতো আদিত্য থাকৰে যিদৰে সক্ৰিয় ভূমিকা লৈছিল আনকি



তেওঁক নানা ধৰণৰ গুৰুত্বপূৰ্ণ দায়িত্ব দিয়া হৈছিল। তাৰ পৰা ক্ৰমান্বয়ে স্পষ্ট হৈ পৰিছিল উদ্ধৱ থাকৰেৰ পিছত আদিত্য থাকৰেই মুখ্যমন্ত্ৰীৰ শিৱসেনাৰ মুখ। যিটো অসমত তৰুণ গগৈ আৰু হিমন্ত বিশ্ব শৰ্মাৰ মাজত বিসম্বাদ হৈছিল তৰুণপুত্ৰ গৌৰৱ গগৈক লৈ।

'মহাৰাষ্ট্ৰ কেৱল মাৰাঠীসকলৰ' শ্ল'গানেৰে আৰম্ভ কৰি শেষলকৈ সিঁহতৰ শ্ল'গান হৈছিল 'হিন্দুস্থান হিন্দুসকলৰ'। গোটেই ভাৰতবৰ্ষ প্ৰত্যক্ষ কৰিছে আজি গেৰুৱাধাৰী বালাসাহেবৰ শিৱসেনা দলটোৰ ভিতৰৰ মূল যুদ্ধ হৈছে ধৰ্মনিৰপেক্ষতা বনাম হিন্দুত্ববাদ। হিন্দুত্ববাদৰ বাহানা কৰি আদিত্য থাকৰেক ৰোধ কৰাৰ বাবে বিজেপিৰ শৰণাপন্ন হৈ একনাথ সিন্দে উদ্ধৱ ঠাকৰেৰ বিৰুদ্ধে বিসম্বাদ আৰম্ভ কৰি আজি মুখ্যমন্ত্ৰী আসনত বহিবলৈ সক্ষম হ'ল।

কংগ্ৰেছ-এনচিপিৰ স'তে শিৱসেনাই মহাবিকাশ আঘাডী জোঁট গঠন কৰি ২০১৯ চনত চৰকাৰ গঠন কৰাৰ পিছৰ পৰা উদ্ধৱ থাকৰে উগ্ৰ হিন্দুত্ববাদ ত্যাগ কৰি ধৰ্মনিৰপেক্ষতাৰ বাটত খোজ কঢ়া আৰম্ভ কৰিছিল। আদিত্য ঠাকৰেও সেই পথত ধাৱিত হৈছিল। কিন্তু একনাথ সিন্দে বালাসাহেব থাকৰেৰ উগ্ৰ হিন্দুত্ববাদৰ ৰাজনীতিৰ কথা কৈ দলৰ তৃনমূল পৰ্যায়ৰ কৰ্মীৰ লগতে বিধায়কসকলৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম হয়। সিন্দে বুজাইছিল উগ্ৰ হিন্দুত্ববাদৰ ৰাজনীতিত উভতি নগ'লে দলৰ অস্তিত্ব জীয়াই ৰখা টান হৈ পৰিব। সেয়ে এনডিএত চামিল হোৱাৰ প্ৰস্তাৱ দিছিল। এতিয়া লক্ষণীয় হ'ব বিজেপিৰ সমৰ্থনত মুখ্যমন্ত্ৰী হোৱা সিন্দে বিজেপিত বিলীন হৈ যাব নে নিজস্বতা বজায় ৰাখি চৰকাৰ চলাই যাব।

■ **আনিছুৰ ৰহমান**
*ফোন ঃ ৭০০২৯৯৯৭৩৮*

# শ্বহীদ মদন-মাধৱৰ স্মৃতিত

আজি ২ জুলাই। ১৯৮০ চনৰ এই দিনটোতে বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ত কমৰেড মদন ডেকা আৰু কমৰেড মাধৱ বৰ্মনক আন্দোলনৰ একাংশ উগ্ৰ সমৰ্থকে নিৰ্মমভাৱে হত্যা কৰিছিল। তেখেতসকলক সুঁৱৰি প্ৰতিবছৰে ২ জুলাইৰ দিনটো 'জাতীয় সংহতি দিৱস' হিচাপে পালন কৰি আহিছে। সেই হত্যাকাণ্ড যে কিমান নিৰ্মম আছিল সেয়া হয়তো আমি নতুন প্ৰজন্মই কল্পনা কৰাটো টান। আজিৰ এই এই সংহতি দিৱসত ছহিদ কমৰেড মদন ডেকা আৰু কমৰেড মাধৱ বৰ্মনক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।





মদন ডেকা আৰু মাধৱ বৰ্মনৰ ঘৰ আছিল ক্ৰমে—নলবাৰী জিলাৰ বলোৱা আৰু গোৱালপাৰা গাঁৱত। জৰুৰীকালীন অৱস্থাৰ পাছৰ সময়ছোৱাত অসমত বাঢ়ি অহা কমিউনিষ্ট পাৰ্টীৰ অগ্ৰগতিৰ সময়ছোৱাত জাগাৰা অঞ্চলত প্ৰবল উৎসাহ উদ্দীপনাৰে কৃষক সংগঠন, ছাত্ৰ সংগঠনৰ কাম আৰম্ভ হৈছিল। এছ এফ আইৰ কৰ্মী মদন ডেকা আৰু কৃষক আন্দোলনৰ নেতা মাধৱ বৰ্মনকে ধৰি বহুতো বাঁওপন্থী কৰ্মীৰ নেতৃত্বত জাগাৰা, বলোৱা, গোৱালপাৰা আদি বহুতো গাঁৱত বাঁওপন্থী আন্দোলনৰ কাম-কাজ গা কৰি উঠে আৰু কৃষক আন্দোলনৰ ঐতিহ্যবাহী জাগাৰা হৈ পৰিছিল বাঁওপন্থীৰ এটা মূল কেন্দ্ৰ। ১৯৭৮ চনত নৰেন দত্ত নলবাৰী সমষ্টিৰ পৰা বিধানসভা নিৰ্বাচনত বিজয়ী হয়। অসম আন্দোলনৰ আৰম্ভণিৰে পৰা বাঁওপন্থীসকলে দাবী উত্থাপন কৰি আহিছিল ১৯৭১ চনৰ ২৪ মাৰ্চক বিদেশী চিনাক্তকৰণৰ সময়সীমা নিৰ্ধাৰণ কৰি ধৰ্ম নিৰ্বিশেষে সকলো বিদেশীক আইনী প্ৰক্ৰিয়াৰে চিনাক্ত কৰি বহিষ্কাৰ কৰিব লাগে, যিটো অসম আন্দোলনৰ শেষত হোৱা চুক্তিত গ্ৰহণ কৰা হ'ল; যাক আমি 'অসম চুক্তি' বুলি কওঁ। ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈকে চলা অসম আন্দোলনৰ নেতাসকলে ভিত্তিবৰ্ষৰ দাবী উত্থাপন কৰিছিল ১৯৫১ চন। অসম আন্দোলনৰ সময়ত এচাম লোকে আৱেগৰ ঢৌত উটি নগৈ ইয়াৰ ভুল-ত্ৰুটিবোৰ আঙুলিয়াই দিছিল। আন্দোলন যে ক্ৰমশঃ বিপথে পৰিচালিত হৈছে আৰু এচাম মানুহে যে আন্দোলনৰ অছিলা লৈ ব্যক্তিগত স্বাৰ্থ পূৰণৰ চেষ্টা কৰিছে সেই কথা গভীৰভাৱে পৰ্যৱেক্ষণ কৰি সমালোচনা কৰাসকলৰ ভিতৰত বাঁওপন্থী আৰু মানৱতাবাদী ভাবধাৰাৰ লোকসকল অন্যতম আছিল। অসম আন্দোলনৰ সময়ত জাতীয়তাবাদী ভাবধাৰাই কিমান উগ্ৰ ৰূপ লৈছিল আৰু বিপথে পৰিচালিত হৈছিল নিৰুপমা বৰগোহাঞিয়ে তেখেতৰ আত্মজীৱনী 'বিশ্বাস আৰু সংশয়ৰ মাজেদি' উপন্যাসখনত উল্লেখ কৰিছে। উগ্ৰ জাতীয়তাবাদী আন্দোলনকাৰীয়ে কমিউনিষ্টসকলক তীব্ৰ ঘৃণাৰ দৃষ্টিৰে চাইছিল। কমিউনিষ্টসকলক সেই সময়ত সামাজিকভাৱে বৰ্জনো কৰা হৈছিল। শাৰীৰিক আৰু মানসিকভাৱে অপদস্থ কৰিবলৈকে কুণ্ঠাবোধ কৰা নাছিল। এই পৰিৱেশৰ মাজতো কমিউনিষ্টসকলে আৱেগত ভাহি যোৱা নাছিল, কাৰো ওচৰত আত্মসমৰ্পণ কৰিবলৈ ৰাজী হোৱা নাছিল। বৰঞ্চ বাঁওপন্থীসকলে আন্দোলনৰ পদ্ধতি আৰু যুক্তিযুক্ততা সম্পৰ্কে প্ৰশ্ন তুলিছিল। তেওঁলোকে অসমৰ জাতীয় অস্তিত্বৰ প্ৰকৃত শত্ৰুক চিনাক্ত নকৰি খাটি খোৱা মানুহৰ ওপৰত চলোৱা নিৰ্যাতন সমৰ্থন কৰা নাছিল। আন্দোলনৰ সময়ত বহুতো ঠাইত হিংসাত্মক ঘটনা সংঘটিত হৈছিল। জাগাৰাৰ মদন-মাধৱৰ জঘন্য হত্যাকাণ্ড, ১৯৮৩ চনৰ মৰিগাঁও জিলাৰ নেলীত সংখ্যালঘু মুছলমানৰ ওপৰত নৃশংস গণ হত্যাযজ্ঞ আদি আছিল ভয়ংকৰ। নেলীৰ হত্যাযজ্ঞৰ বলি হৈছিল ফুলকুমলীয়া শিশু আৰু গৰ্ভৱতী মহিলাকে আদি কৰি ৩,৩০০তকৈ অধিক নিৰীহ লোক। নিৰ্বিচাৰে সকলোকে হত্যাৰ লগতে হেজাৰ হেজাৰ ঘৰ-বাৰী জ্বলাই দিলে। চাউলখোৱাৰ অগ্নিসংযোগ আদি হিংসাত্মক ঘটনাৰ কথাও উল্লেখ কৰিব পাৰি। অসম আন্দোলনৰ অগণতান্ত্ৰিক দিশৰ কঠোৰ সমালোচনা কৰাৰ বাবে মদন-মাধৱ, দীন কলিতাসহ ৫০জনতকৈ অধিক কমিউনিষ্টক হেৰুৱাব লগা হ'ল। ১৯৮০ চনৰ ২ জুলাইত জাগাৰাত সংঘটিত হৈছিল এক অমানৱীয় ঘটনা। আন্দোলনৰ অন্যতম নেতা মতিউৰ ৰহমান নামৰ এজনক কোনোবা দুষ্কৃতিকাৰী চক্ৰই ইথাৰ(গেছ) দি বেহুচ কৰাই প্ৰফুল্ল গোস্বামী নামৰ লোক এজনৰ ঘৰৰ সমীপত পেলাই থৈ যায় আৰু এই কাণ্ড কমিউনিষ্টসকলে কৰা বুলি আন্দোলনৰ একাংশ উগ্ৰজাতীয়তাবাদীয়ে প্ৰচাৰ চলালে। লগে লগে জাগাৰা অঞ্চলৰ কমিউনিষ্টসকলৰ ঘৰ ঘেৰি ধৰিলে হাজাৰ হাজাৰ আন্দোলনকাৰীয়ে। চলিল কমিউনিষ্টসকলৰ ওপৰত নিৰ্মম অত্যাচাৰ, লুণ্ঠন আনকি হত্যা। ঘটনাৰ ভয়াৱহতা দেখি আৰু নিৰ্দোষী কমিউনিষ্টসকলৰ ওপৰত চলা নিৰ্মম অত্যাচাৰৰ প্ৰতিকাৰ বিচাৰি কমিউনিষ্ট কৰ্মী মদন ডেকা আৰু মাধৱ বৰ্মন আগবাঢ়িল মুকালমুৱা থানালৈ। কিন্তু আগৰ পৰা খাপ পিটি থকা আন্দোলনকাৰীয়ে মাজ ৰাস্তাৰ পৰাই মদন-মাধৱক ৰছীৰে বান্ধি চোঁচৰাই আনিলে জাগাৰাৰ ৰাজহুৱা স্থানলৈ, চলিল নিৰ্মম অত্যাচাৰ। মঙহ কাটি নিমখ ঘঁহি দিলে, আঙুলি কাটি কুকুৰক খাবলৈ দি জঘন্যভাৱে অত্যাচাৰ চলালে। পাছত অচেতন হৈ পৰাত বনমোজা নামৰ গাঁও এখনৰ পথাৰত দুয়োকে শিৰচ্ছেদ কৰি হত্যা কৰিলে। জাতীয় সংহতিৰ লগতে সংগ্ৰামী ঐক্যৰ ৰক্ষাৰ স্বাৰ্থত নিজৰ জীৱন বিপন্ন কৰি মদন-মাধৱে বিদেশী বিতাড়ন আন্দোলনৰ গইনা লৈ গঢ়ি উঠা উগ্ৰ জাতীয়তাবাদী প্ৰতিক্ৰিয়াশীল চক্ৰৰ হাতত জীৱনৰ পৰিসমাপ্তি ঘটালে। তেওঁলোকৰ আদৰ্শ আজিও 'মৃত্যুঞ্জয়ী'। 'অমৰ ছহিদ তুমি মৃত্যু বিজয়ী'।

■ **গাজিউৰ ৰহমান চৌধুৰী**
*স্নাতকোত্তৰ ছাত্ৰ, অসম ৰয়েল গ্লবেল বিশ্ববিদ্যালয়*
*ফোন ঃ ৭০০২২৬২২৭৬*

# গুৱাহাটীৰ কৃত্ৰিম বানৰ বাবে দায়ী কোন ? এক নিৰ্মোহ বিশ্লেষণ

যোৱা কেইদিনমানৰ পৰা গুৱাহাটী মহানগৰীৰ প্ৰায়বোৰ চহৰাঞ্চলতেই কৃত্ৰিম বানে এক নাজল-নাথল অৱস্থাৰ সৃষ্টি কৰিছে। চহৰাঞ্চলৰ প্ৰায় বাট-পথেই জলমগ্ন হৈ পৰিছে। বৰষুণৰ পানী, নলা-নৰ্দমাৰ পানীৰ লগত একাকাৰ হৈ পৰি ৰাস্তা-ঘাট বুৰাই পেলোৱাৰ লগে লগে বহুতো ক্ষেত্ৰত মানুহৰ ঘৰৰ ভিতৰত সোমাই এক অভাৱনীয় পৰিৱেশৰ সৃষ্টি হৈছে। এই অৱস্থাৰ বাবে খেনোৱে চৰকাৰ-প্ৰশাসন, পৌৰ নিগমক দোষী সাব্যস্ত কৰি ককৰ্থনা কৰাৰ লগে লগে আৰম্ভ হৈছে বিৰোধী দলসমূহৰ নেতা-কৰ্মীসকলৰ জলমগ্ন অঞ্চলসমূহত পদযাত্ৰাৰ এক কুচকাৱাজ। যিহেতু সেইসমূহ অঞ্চলত এইকেইদিন শাসকীয় দলৰ নেতা-কৰ্মীসকলৰ পদাৰ্পণ হ'লেই অপদস্থ হোৱাৰ এশ শতাংশই সম্ভাৱনীয়তা নুই কৰিব নোৱাৰি। কিন্তু এইসমূহ নৃত্য-নাটিকাই জানো কৃত্ৰিম-বানৰ কিছু হ'লেও সমাধান আনিব পাৰিব? নিশ্চয় নানে। ইয়াৰ বাবে লাগিব বিজ্ঞানসন্মতভাৱে কৃত্ৰিম-বানৰ প্ৰকৃত কাৰণৰ বিশ্লেষণ আৰু উলিয়াব লাগিব বিজ্ঞানসন্মতভাৱে সমাধানৰ উপায়।

বৰ্তমান সময়ত তীব্ৰগতিত এখন মহানগৰীলৈ ৰূপ লোৱা চহৰ হিচাপে গুৱাহাটীৰ ক্ষেত্ৰত সৰ্বপ্ৰথমে লক্ষ্য ৰাখিব লাগিব ইয়াৰ অৱস্থিতিৰ কথাটো।

গুৱাহাটী মহানগৰীৰ প্ৰায়বোৰ চহৰাঞ্চলেই নীলাচল পাহাৰ, নৰকাসুৰ পাহাৰ, কালাপাহাৰ, চিত্ৰাচল পাহাৰ, শৰণীয়া পাহাৰ আদিৰ নামনিৰ ভূখণ্ডত অৱস্থিত। গতিকে পাহাৰ-অঞ্চলবোৰত অত্যধিক বৰষুণ দিলে নামনি অংশবোৰলৈ পানী বৈ আহি গোট খোৱাটো স্বাভাৱিক কথা। পূৰ্বৰে পৰা এনে পাৰিবেশিক পৰিঘটনা হৈ আহিছে যদিও বৰ্তমান সময়তহে কিয় কৃত্ৰিম-বানৰ হাহাকাৰ পৰিৱেশ? নিশ্চয়কৈ প্ৰকৃতিক মানৱ জাতিয়ে ক্ষতি কৰিছে। পাহাৰৰ পৰা পানী বৈ আহি গোট খোৱা পূৰ্বৰ সেই দ' অঞ্চলবোৰ, পথাৰবোৰ, দ' খাৱৈবোৰ আজি আছেনে? গুৱাহাটী চহৰত বাস কৰাৰ মানসেৰে সেই অঞ্চলবোৰ পুতি ডাঙৰ ডাঙৰ অট্টালিকা মানৱ জাতিয়েই বনোৱা নাই জানো? বসবাসৰ বাবে ডাঙৰ ডাঙৰ অট্টালিকা গঢ়ি উঠাৰ লগে লগে গঢ়ি উঠিছে বৃহৎ বৃহৎ উদ্যোগ। আটাইতকৈ ডাঙৰ কথাটো হ'ল পৰিস্থিতিতন্ত্ৰৰ ভাৰসাম্য ৰক্ষাত সহায়ক এইসমূহ অঞ্চলত অবৈধভাৱেই হওক বা বৈধভাৱেই হওক দখলীকৰণৰ সময়ত চৰকাৰ-প্ৰশাসন আৰু পৌৰ নিগমৰ নীৰৱ ভূমিকা অথবা পৰোক্ষভাৱে সহায়কাৰীৰ ভূমিকা গ্ৰহণ। এনে বৃহৎ অট্টালিকা অথবা উদ্যোগ স্থাপনৰ ক্ষেত্ৰত প্ৰধানকৈ লক্ষ্য কৰিবলগীয়া বিষয়টো হ'ল বৰ্জনীয় পানী আৰু পদাৰ্থসমূহ নিৰ্গমনৰ বাবে বিজ্ঞানসন্মতভাৱে প্ৰয়োজনীয় নলা-নৰ্দমাৰ ব্যৱস্থা কৰা, যিটো ক্ষেত্ৰত কাৰোৰে কোনো গুৰুত্ব দিয়া দেখা নাযায়। আটাইতকৈ ডাঙৰ কথাটো হ'ল গুৱাহাটীৰ মাজমজিয়াৰে বৈ যোৱা যিখন ভৰলু নদীৰে গুৱাহাটীৰ আৱৰ্জনাসমূহ বৈ গৈ ব্ৰহ্মপুত্ৰত পৰি চহৰখন চাফা হৈ থকাত সহায় হৈছিল সেইখনো বৰ্তমান সময়ত আৱৰ্জনাৰে লাহে লাহে পোত খাই অহাৰ লগে লগে কিছু কিছু অংশত মানুহৰ ৰোষত পৰি চেপা খাই আহিছে, যাৰ ফলত ইয়াৰ বহন ক্ষমতাও দিনক দিনে কমি আহিছে। তদুপৰি দেখা গৈছে পাহাৰসমূহৰ বন-জংঘল কাটি তহিলং কৰাৰ লগে লগে গঢ়ি উঠিছে জনবসতি। যাৰ ফলত বৰষুণৰ পানীয়ে সহজতে পাহাৰৰ মাটি খহাই আনি নামনি অঞ্চলৰ নলা-নৰ্দমাসমূহ পুতি পেলাইছেহি।

এনে এক জটিল সময়ত এইক্ষেত্ৰত চহৰখনৰ আন্তঃগাঁথনি প্ৰকৃততে উন্নত কৰিবলৈ চৰকাৰ বা পৌৰ নিগম সমৰ্থ হৈছেনে, নতুবা তেনে কিবা পদক্ষেপ হাতত লোৱা হৈছেনে? নিশ্চয় নাই হোৱা। তেওঁলোকৰ প্ৰথম দায়িত্ব আছিল মহানগৰৰ উপযোগীকৈ নলা-নৰ্দমা নিৰ্মাণ কৰাৰ লগতে সেইসমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা। প্ৰয়োজনত চহৰখন পৰিষ্কাৰ কৰি ৰখাত জনসাধাৰণৰ সহযোগিতা পাবৰ বাবে কঠোৰ নীতি প্ৰণয়ন কৰা, যিহেতু প্ৰায়েই দেখা যায় গুৱাহাটীৰ বহু বাসিন্দাৰ লগতে ভাৰাতীয়াই নিজৰ ঘৰখনহে চাফা হৈ থকাটোত গুৰুত্ব দিয়ে, জাবৰ বা প্লাষ্টিকৰ টোপোলাটো যিকোনো স্থানত, নলা-নৰ্দমাত পেলাবলৈ কোনো কুণ্ঠাবোধ নকৰে। তেওঁলোকে অকণমানো ভাবি নাচায় যে এই টোপোলাটোৱে পৰিৱেশ বিনষ্ট কৰাৰ লগতে নলা-নৰ্দমাবোৰ পুতি পেলোৱাত কিছু হ'লেও অৰিহণা যোগায়।

গুৱাহাটীক এনে কদৰ্যময় পৰিৱেশৰ পৰা ৰক্ষা কৰিবৰ বাবে গুৱাহাটীবাসী নিজেও সদা সচেতন হৈ থকাৰ লগতে আনকো পৰিৱেশৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি সচেতন কৰিব লাগিব। প্ৰয়োজনত সভা-সমিতি পাতি, জন-সচেতনতামূলক প্ৰ'গ্ৰেম কৰিব লাগিব পৰিষ্কাৰ-পৰিচ্ছন্নতা, প্লাষ্টিক বৰ্জন আদিৰ ওপৰত। আনকি পৌৰ নিগমৰ নিৰ্বাচন বা আন যিকোনো নিৰ্বাচনৰ সময়ত প্ৰতিনিধি নিৰ্বাচন নিজা বিবেকেৰে চিন্তা কৰি যোগ্যজনক নিৰ্বাচিত কৰক বৃহৎ স্বাৰ্থ আগত ৰাখি, কিয়নো নিৰ্বাচনৰ সময়ৰ আভুৱা-ভঁৰা কথাত ভোল গ'লে এদিন নিজেই এনে কদৰ্যময় পৰিৱেশত পুনৰ থাকিবলগীয়া হ'ব।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে যেনেদৰে আগশাৰীৰ দেশ তথা চহৰসমূহত আৱৰ্জনা বা জাবৰ-জোঁথৰ বা বৰ্জিত পানীৰ 'ৰিচাইক্লিং' বা পুনৰ-নৱীকৰণ পদ্ধতি অৱলম্বন কৰিছে, সেই পদ্ধতি গুৱাহাটীতো অৱলম্বন কৰাৰ সময় আহি পৰিছে। সময় আহি পৰিছে সকলোৰে হাতে হাত ধৰি গুৱাহাটীক কৃত্ৰিম-বানৰ কদৰ্যময় পৰিৱেশৰ পৰা ৰক্ষা কৰাৰ। লগতে সময় আহি পৰিছে অসমৰ আনবোৰ চহৰ আৰু ইয়াৰ বাসিন্দাই গুৱাহাটীক উদাহৰণ হিচাপে লৈ শিক্ষা তথা জ্ঞান আহৰণ কৰাৰ।

■ **পংকজ ভৰালী**
*গোলাঘাট*
*ফোন ঃ ৭০০২৫৫৪০৫৭*



# ধুবুৰীত চাঞ্চল্য ঃ লম্পট স্বামী ৰাখিদুল হকে তেওঁৰ পত্নীৰ বিবাহিতা ভতিজীক লৈ পলায়ন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১ জুলাই ঃ** এগৰাকী মহিলাই ধুবুৰী সদৰ থানাৰ চৌহদত হিয়া উজাৰি কান্দোনত ভাগি পৰিল। সাংবাদিকৰ কেমেৰাৰ আগত স্বামীৰ বিৰুদ্ধে গাৰ নোম শিয়ৰি উঠা কেতবোৰ বিস্ফোৰক মন্তব্য কৰিলে পত্নীয়ে। দৰাচলতে মানৱ সমাজক লজ্জাৱনত কৰা এক নাভূত-নাশ্ৰুত ঘটনা সংঘটিত হৈছে ধুবুৰী জিলাৰ পোৰাপৰি চৰাঞ্চলত। লম্পট স্বামী ৰাখিদুল হকে তেওঁৰ পত্নীৰ বিবাহিতা ভতিজীক লৈ পলায়ন কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিলে পত্নীয়ে। ইফালে, যুৱক বাবু শ্বেখে অভিযোগ কৰা মতে তেওঁৰ পত্নী ৰেশমী খাতুনে আজি ধুবুৰী চহৰত থকা বেংকৰ একাউণ্টৰ পৰা ধন উঠাবলৈ আহিছিল। ইয়াৰ পাছত বাবু শ্বেখক তেওঁৰ পত্নী ৰেশমী খাতুনে ফোন কৰি অৱগত কৰিছিল যে মোক বলপূৰ্বকভাৱে অপহৰণ কৰি লৈ গৈ আছে, মোক বচাওক। তাৰ পিছৰে পৰাই দুয়োৰে ম'বাইল বন্ধ কৰি ৰাখিছে বুলি জানিবলৈ দিয়ে। ইয়াৰ উপৰিও বাবু শ্বেখৰ অভিযোগ, বিগত কে'বাদিন পূৰ্বেও নৰপিশাচ তথা লম্পট ৰাখিদুল হকে ম'বাইলযোগে তেওঁৰ পত্নীক অপহৰণ কৰাৰ ভাবুকি প্ৰদান কৰিছিল বুলি অভিযোগ উত্থাপন কৰি সন্দেহ প্ৰকাশ কৰে বাবু শ্বেখে। বৰ্তমান বাবু শ্বেখে নিজৰ কণমানি সন্তানক লৈ পত্নীক বিচাৰি হতাশা হৈ পৰিছে। আনফালে, মধ্য বয়সীয়া মহিলাৰ লম্পট স্বামীৰ লগতে নিজৰ ভতিজীক বিচাৰি কান্দোনত ভাগি পৰিল। পিছে দুয়োগৰাকী ভুক্তভোগীয়ে ধুবুৰী সদৰ থানাত এখন এজাহাৰ দাখিল কৰিছে যদিও পৰৱৰ্তী সময়ত আৰক্ষীৰ তদন্ততহে ওলাই পৰিব কোন সঁচা, কোন মিছা।

## নলবাৰীৰ বৰকুৰিহাত শিক্ষক জনাৰ্দন কলিতাক অৱসৰৰ দিনাই ৰাজহুৱা উষ্ম সম্বৰ্ধনা ঃ অভিনন্দন গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামতা, ১ জুলাই ঃ** নলবাৰী জিলাৰ বৰকুৰিহা গাঁও নিৱাসী, শিক্ষক জনাৰ্দন কলিতাক তেওঁৰ অৱসৰৰ দিনটোতে ৰাজহুৱাভাৱে উষ্ম সম্বৰ্ধনা জনোৱা হয়। তদুপৰি ৩০ জুনত শিক্ষকগৰাকীৰ বাসগৃহ চৌহদত বিশিষ্ট শিক্ষাবিদ ড° বীৰেন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত এখন ৰাজহুৱা মুকলি সভাত আদৰ্শ শিক্ষক জনাৰ্দন কলিতাৰ জীৱন-কৃতিত্বক সামৰি এখন অভিনন্দন গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট লেখক অৰুণ কুমাৰ দাসে। সভাত নলবাৰী জিলা মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ সভাপতি লোহিত চন্দ্ৰ ডেকায়ো ব্যক্তব্য ৰাখে। অৰৰা জয়পাল থান মজলীয়া বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা জনাৰ্দন কলিতাৰ ৰাজহুৱা সম্বৰ্ধনা আৰু অভিনন্দন গ্ৰন্থ উন্মোচনী অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক - শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে আনুষ্ঠানিকভাৱে অৱসৰী কলিতাক বিদায়-সম্ভাষণ জনায়। দক্ষিণ নলবাৰী মহাবিদ্যালয়ৰ প্ৰবক্তা অনিল চন্দ্ৰ কলিতাই আঁত ধৰা উক্ত সভাত নলবাৰী জিলাৰ বহুসংখ্যক শিক্ষানুষ্ঠানকে ধৰি গংগাপুখুৰী বৰকুৰিহা গাঁও উন্নয়ন সমিতি, সামাজিক অনুষ্ঠান-সন্থাই শিক্ষগৰাকীক সম্বৰ্ধনা জনায়। সভাত শিক্ষক কলিতাই নিজ অনুভৱ ব্যক্ত কৰি সকলোকে কৃতজ্ঞতা জনায়। ইফালে, বৃহস্পতিবাৰে পুৱাৰ ভাগত অৰৰা জয়পাল থান মজলীয়া বিদ্যালয়ত বিদ্যালয় পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ তৰফৰ পৰাও অৱসৰী প্ৰধান শিক্ষক কলিতাক ফুলাম গামোচা, জাপি, বিদায় সম্ভাষণ-পত্ৰ আদিৰে অভিনন্দন জনোৱা হয়।

## মৰিগাঁৱৰ জাগীৰোডত অতিৰিক্ত মুখ্য সচিব চয়েদিন আব্বাচীয়ে বানপীড়িতৰ বুজ ল'লে



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ১ জুলাই ঃ** অসম চৰকাৰৰ জলসম্পদ বিভাগৰ অতিৰিক্ত মুখ্য সচিব চয়েদিন আব্বাচীয়ে যোৱা ২৯ জুনত জাগীৰোডৰ পৰিদৰ্শন বঙলাত উপস্থিত হৈ মৰিগাঁও জিলাৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ লগত বানপানী সম্পৰ্কীয় এক পৰ্যালোচনা বৈঠকত অংশ গ্ৰহণ কৰে। এই সভাত জিলাখনত বানপানীৰ পৰা হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন, ক্ষতিপূৰণ, সাহায্য বিতৰণ আৰু পৰিচালনা আদি বিভিন্ন দিশ পৰ্যালোচনা কৰে। তাৰ পিছত সচিবগৰাকীয়ে বৰখাল আৰু কুমাৰবড়ী অঞ্চলত থকা বান আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। ৩০ জুনৰ পুৱা ১০.৩০ বজাত জিলা উপায়ুক্তৰ লগত মুখ্যমন্ত্ৰীৰে হোৱা ভিডিঅ' কনফাৰেন্সতো অতিৰিক্ত মুখ্য সচিবগৰাকীয়ে অংশগ্ৰহণ কৰে। তাৰ পাছত অতিৰিক্ত মুখ্য সচিবগৰাকীয়ে চক্ৰ বিষয়াসকলৰ লগত এক আলোচনাত মিলিত হয় আৰু আবেলি মৰিগাঁৱৰ শংকৰ-মাধৱ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা বান আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি পীড়িতসকলৰ সমস্যাৰ বুজ লয়।

## সংগীত গ্ৰুপ অৱ ক্ৰিয়েচনৰ উদ্যোগত সাদিনীয়া অভিনয় কৰ্মশালাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তুলসীবাৰী, ১ জুলাই ঃ** ৰঙিয়াৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান সংগীত গ্ৰুপ অৱ ক্ৰিয়েচনৰ উদ্যোগত অহা ৫ জুলাইৰ পৰা ১১ জুলাইলৈ সাদিনীয়া গ্ৰীষ্মকালীন বিশেষ অভিনয় কৰ্মশালাৰ আয়োজন কৰা হৈছে। অসমৰ চলচ্চিত্ৰ জগতৰ মোহময়ী অভিনেত্ৰী কাশ্মীৰী শইকীয়া বৰুৱাই প্ৰথম দিনৰ কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰিব। অন্যান্য মুখ্য প্ৰশিক্ষক হিচাপে অংশ ল'ব পৰিচালক, অভিনেতা পংকজ পল্লৱ শৰ্মা, প্ৰদীপ শৰ্মা, সঞ্জীৱ কুমাৰ ভাগৱতী আৰু প্ৰদীপ কলিতাই। উক্ত কৰ্মশালাত অংশগ্ৰহণকাৰীৰ বয়সৰ সীমা নাই। প্ৰশিক্ষাৰ্থীসকলক যোগদানৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰাৰ লগতে শ্ৰেষ্ঠ তিনিজনক নিৰ্মীয়মাণ ছবিত অভিনয়ৰ সুযোগ প্ৰদান কৰা তথা যোগ্যজনক ধাৰাবাহিক আৰু চুটি ছবি আদিত অভিনয়ৰ সুযোগ দিয়া হ'ব। ইচ্ছুকসকলে ৬০০১০৩৬৫০৪ বা ৭৫৭৬৮০৩১৪৫ৰ লগত যোগাযোগ কৰিব পাৰে। উল্লেখ্য যে ক'ভিড মহামাৰীৰ সময়ত সাধাৰণ জনতাক সজাগ কৰিবলৈ সংগীত গ্ৰুপ ক্ৰিয়েচনে 'কৰ'ণা', 'অদৃশ্যঘাতক' আদি চুটি ছবি নিৰ্মাণ কৰিছিল। ড্ৰাগছৰ বিৰুদ্ধে বিশিষ্ট সমাজকৰ্মী নিপন ভূঞাৰ প্ৰযোজনাত নিৰ্মাণ কৰিছিল ৱেব ছিৰিজ 'দি চাইলেন্ট কীলাৰ'। অভিনয় কৰ্মশালাৰ পিছতেই নিৰ্মাণ কৰা হ'ব এখন বিগ বাজেটৰ চুটি ছবি, য'ত মুখ্য চৰিত্ৰত অভিনয় কৰিব জনপ্ৰিয় অসমীয়া বোলছবি 'পুতলা ঘৰ'খ্যাত জনপ্ৰিয় অভিনেত্ৰী কাশ্মীৰী শইকীয়া বৰুৱাই। প্ৰদীপ কলিতাই ৰচনা কৰা কাহিনীৰ আধাৰিত চুটি ছবিখন পৰিচালনা কৰিব পংকজ পল্লৱ শৰ্মাই।

## ৰাজস্থানৰ উদয়পুৰত সংঘটিত শিৰশ্ছেদৰ ঘটনা অমানৱীয়

### আইনবিৰোধী ঃ অসম ৰাজ্যিক জমিয়তৰ সভাপতি মোস্তাক আনফৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ১ জুলাই ঃ** অলপতে ৰাজস্থানৰ উদয়পুৰত দিন-দুপৰতে সংঘটিত হত্যাকাণ্ডক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে অসম ৰাজ্যিক জমিয়ত উলামাৰ সভাপতি মৌলানা মুস্তাক আনফৰে। উল্লেখ্য, ৰাজস্থানত কানহায়ালাল নামৰ দৰ্জী এজনক দুজন লোকে শিৰচ্ছেদ কৰি হত্যাকাণ্ড সংঘটিত কৰা কাৰ্য সন্দৰ্ভত এক প্ৰেছ বিবৃতিযোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে উক্ত ঘটনা মানৱ সমাজক লজ্জাৱনত কৰা এক জঘন্য অপৰাধ। বিবৃতিটোত জমিয়তৰ ৰাজ্যিক সভাপতি মৌলানা মুস্তাক আনফৰে উক্ত কাৰ্যৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি কয় যে হত্যাকাৰী দুজন ক্ৰমে ৰিয়াজ আৰু গৌচে এনে ইছলামবিৰোধী, অমানৱীয় আৰু আইনবিৰোধী কাৰ্যৰ দ্বাৰা পৱিত্ৰ ইছলাম ধৰ্ম আৰু ইয়াৰ প্ৰৱৰ্তক হজৰত মহম্মদ (ছঃ)ক বদনাম কৰিছে। উক্ত কাৰ্যক জমিয়তৰ সভাপতিগৰাকীয়ে তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে তেওঁ কয় যে ইছলাম হ'ল শান্তি আৰু ভাতৃত্ববোধৰ ধৰ্ম। হজৰত মহম্মদ (ছঃ)ৰ জীৱনশৈলী মানৱদৰদী, দয়ালু, উদাৰতা, কষ্টসহিষ্ণু, ক্ষমাকাৰী, নম্ৰতা আদি হাজাৰ গুণেৰে ভৰপূৰ বুলি ক'ব পাৰি। এতেকে উক্ত পাশৱিক কৰ্মত লিপ্ত দুগৰাকী ব্যক্তি ক্ৰমে ৰিয়াজ আৰু গৌচক চৰকাৰে কঠোৰতম শাস্তি বিহিব লাগে। দুয়োজনে এই জঘন্য কাণ্ড কৰি সমাজত শান্তি আৰু ভাতৃত্ববোধত ব্যঘাত জন্মাব বিচাৰিছে। জমিয়তৰ সভাপতিজনে বিবৃতিটোৰ জৰিয়তে অসম তথা সমগ্ৰ ভাৰতত সকলোৱেই মিলি ধৈৰ্যসহকাৰে শান্তি-সম্প্ৰীতি বজাই ৰাখিব লাগে বুলি আহ্বান জনায়।

## দলগাঁৱত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী পৰিদৰ্শন কৰিলে নদীত জাহ যোৱা বিদ্যালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ১ জুলাই ঃ** ৰাজ্যত বিগত কেইবাদিন ধৰি নেৰানেপেৰা বৰষুণৰ ফলত ভয়াৱহ বান পৰিস্থিতিৰ বুজ ল'বলৈ দলগাঁৱত উপস্থিত হয় দৰঙৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী। মঙলদৈ সমষ্টিৰ ৰঙামাটি অঞ্চল পৰিদৰ্শন কৰি দলগাঁৱত বান পৰিস্থিতিৰ বুজ লয় মন্ত্ৰীগৰাকীয়ে। দলগাঁও শিয়ালমাৰী প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত ১-২নং বৰুৱাঝাৰ প্ৰাথমিক বিদ্যালয় টাংনী নৈৰ খহনীয়াত উটি যোৱাৰ ফলত বিদ্যালয়খনত পাঠদান ব্যাহত হৈছে। আজি স্থানীয় বিধায়ক মজিবুৰ ৰহমানৰ নেতৃত্বত উক্ত বিদ্যালয় পৰিদৰ্শন কৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়ে মন্ত্ৰী পাটোৱাৰীয়ে। ইফালে, টাংনী নৈৰ ওপৰত ১-২ বৰুৱাঝাৰ আৰু গলন্দি সংযোগী এখন দলং নিৰ্মাণৰ দাবী উঠাত উক্ত ঠাইখনো পৰিদৰ্শন কৰি দলং নিৰ্মাণৰ বাবে যাৱতীয় ব্যৱস্থা ল'ব বুলি আশ্বাস দিয়ে। বিধায়ক মজিবুৰ ৰহমানৰ প্ৰশংসাত পঞ্চমুখ পাটোৱাৰীয়ে বান পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে বন্যাৰ্তৰ কাষত থিয় দিয়াত শলাগ লয়। পৰিদৰ্শন কালত বিধায়কৰ লগতে উপায়ুক্ত, আৰক্ষী অধীক্ষক, দলগাঁও ৰাজহ চক্ৰ বিষয়া তথা শিক্ষা বিভাগৰ বিষয়া উপস্থিত থাকে।

## নলবাৰীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ৩ ঘণ্টীয়া 'অৱস্থান ঘৰ্মঘট' কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১ জুলাইঃ** অসমৰ বানপানী আৰু খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা, অসমৰ শেহতীয়া বানত ক্ষতিগ্ৰস্ত ৰাইজৰ পুনৰ্সংস্থাপন আৰু ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা আৰু বৃহৎ নদীবান্ধ বন্ধ কৰাৰ দাবীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কেন্দ্ৰীয় সমিতিৰ আহ্বানমৰ্মে আজি নলবাৰী চহৰত অৱস্থিত সংগঠনটোৰ মুখ্য কাৰ্যালয়ত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতিয়ে ৩ ঘন্টীয়া 'অৱস্থান ধৰ্মঘট' কাৰ্যসূচী ৰূপায়ণ কৰে। তদুপৰি উক্ত সমস্যাসমূহক সন্নিৱিষ্ট কৰি প্ৰধানমন্ত্ৰীলৈ স্মাৰক-পত্ৰও প্ৰেৰণ কৰে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কেন্দ্ৰীয় সমিতিৰ শিক্ষা সম্পাদক মৃণাল কুমাৰ বৰ্মন, কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য নগেন শালৈ, জিলা সমিতিৰ উপদেষ্টা নিৰোদ দাস, জিলা সমিতিৰ উপ-সভাপতি আচিক আহমেদ, জিলা সমিতিৰ সাধাৰণ সম্পাদক কৌশিক বৰ্মন, জিলা সমিতিৰ যুটীয়া সম্পাদক প্ৰাঞ্জল কলিতা, চিত্তৰঞ্জন তালুকদাৰ, চহৰ সমিতিৰ সভাপতি, সাধাৰণ সম্পাদককে ধৰি বহু বিষয়ববীয়াৰ লগতে সংগঠনটোৰ বহু কাৰ্যকৰ্তা উপস্থিত থাকে।

## নিজ পকোৱাৰ বিশিষ্ট সমাজকৰ্মী ৰমেশ সাউদৰ দেহাৱসান, সমগ্ৰ অঞ্চলজুৰি শোক প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১ জুলাই ঃ** পশ্চিম নলবাৰী অঞ্চলৰ নিজ পকোৱা গাঁৱৰ তাঁতীপাৰা চুবুৰি নিৱাসী, বিশিষ্ট সমাজকৰ্মী ৰমেশ সাউদৰ আজি পুৱা ৯.৪৫ বজাত দেহাৱসান ঘটে। বিগত কিছু বছৰ ধৰি ৰমেশ সাউদ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল। উল্লেখ্য যে সাউদ নিজ পকোৱা ৰাজহুৱা শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ নিষ্ঠাৱান আৰু সক্ৰিয় কৰ্মী হোৱাৰ উপৰি সম্পাদকৰ দায়িত্বও সুচাৰুৰূপে পালন কৰাৰ লগতে নিজ পকোৱা স্প'ৰ্টছ ক্লাবৰ এগৰাকী প্ৰতিষ্ঠাপক সক্ৰিয় সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰি আছিল। ৭২ বছৰ বয়সত ইহলীলা সম্বৰণ কৰা সাউদে মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ আৰু পাঁচগৰাকী জী-জোঁৱাই, নাতি-নাতিনীসহ বহুতো গুণমুগ্ধক ইহ সংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰি মৃতদেহত সেৱা-সন্মান জনাই শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে পকোৱা হাইস্কুলৰ প্ৰাক্তন শিক্ষক উমেশ দত্ত, নিজ পকোৱা স্প'ৰ্টছ ক্লাবৰ সম্পাদক ৰঞ্জন দত্ত, প্ৰতিবেদক লাইভৰ সম্পাদক প্ৰধান ৰূপক বৈশ্য প্ৰমুখ্যে নিজ পকোৱাবাসী আৰু ২৭নং পানীগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত শোকাকুল ৰাইজে সৰবৰহী, নিৰ্জু, অমায়িক স্বভাৱৰ অধিকাৰী বিশিষ্ট ব্যক্তিগৰাকীৰ মৃত্যুত শোকত ম্ৰিয়মাণ হৈ পৰে আৰু বিশিষ্ট সমাজকৰ্মীগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ হকে প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

## বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালকক বিদায় সম্বৰ্ধনা

### ড° ৰাজীৱ কুমাৰ বৰাক সঞ্চালক নিযুক্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১ জুলাইঃ** যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড° আৰ এছ চি জয়ৰাজে সাত বছৰ সঞ্চালকৰ দায়িত্ব পালন কৰাৰ পাছত পুনৰ নিজৰ কৰ্মস্থলীলৈ প্ৰত্যাৱৰ্তন কৰে। কালি প্ৰতিষ্ঠানটোত অনুষ্ঠিত এক অনুষ্ঠানত সঞ্চালকজনক আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনায়। সভাত সঞ্চালকজনৰ কৰ্মৰাজি সম্পৰ্কে বিভিন্নজনে আলোকপাত কৰি তেওঁৰ কৰ্ম দক্ষতা, গৱেষণাৰ সম্প্ৰসাৰণ, প্ৰশাসনিক দক্ষতা আৰু সামাজিক দায়বদ্ধতাৰ প্ৰশংসা কৰে। ভাৰতীয় বন সেৱাৰ ১৯৮৭ বৰ্ষৰ বিষয়াজনে ইতিমধ্যে আন্দামান, কৈম্বাতুৰ, অৰুণাচল আদি স্থানত সেৱা আগবঢ়াই ২০১৫ চনৰ এক জুলাইত বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক পদত অধিষ্ঠিত হৈছিল। উক্ত সভাতে অন্য এগৰাকী বিজ্ঞানী ড° দণ্ডেশ্বৰ দত্তকো বিদায় সম্ভাষণ জনায়। উল্লেখ্য, প্ৰতিষ্ঠানটোৰ মুখ্য বিজ্ঞানী তথা গৱেষণা সমন্বয়ক ড° ৰাজীৱ কুমাৰ বৰাক ইতিমধ্যে সংশ্লিষ্ট বিভাগে অতিৰিক্তভাৱে সঞ্চালকৰূপে নিযুক্তি প্ৰদান কৰিছে।

### নলবাৰীৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ উদ্যোগত চিকিৎসক দিৱস পালন

## যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকসহ ভালেকেইগৰাকীক সম্বৰ্ধনা জ্ঞাপন, গছপুলি ৰোপণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১ জুলাই ঃ** ১ জুলাই অৰ্থাৎ আজি ৰাষ্ট্ৰীয় চিকিৎসক দিৱস। যিকোনো বেমাৰ-আজাৰত ভুগি থকা ৰোগীক নিঃস্বাৰ্থভাৱে চিকিৎসা সেৱা আগবঢ়োৱা চিকিৎসকসকলৰ কাৰণে আজিৰ এই দিনটো উৎসৰ্গিত। সেইমৰ্মে আজিৰ এই বিশেষ দিনটোত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, নলবাৰী গোটৰ তৰফৰ পৰা কাৰ্যসূচী গ্ৰহণ কৰাত পৰিলক্ষিত হয়। নলবাৰীৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ তৰফৰ পৰা নলবাৰীৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ উমেশ ফাংচু, মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া তথা জিলা ধৰ্পাঁত নিয়ন্ত্ৰণ কোষৰ ন'ডেল বিষয়া ডাঃ কৈলাস ডেকা, মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া মধু বৈশ্যসহ ভালেকেইগৰাকী চিকিৎসকক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। নলবাৰী ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ তৰফৰ পৰা জিলা প্ৰবন্ধক মীনাক্ষী বৰপূজাৰীয়ে চিকিৎসককেইগৰাকী ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। আনহাতে, এই বিশেষ দিনটো উপলক্ষে নলবাৰী যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ সন্মুখত গছপুলি ৰোপণ কৰা হয়। আজিৰ এই কাৰ্যসূচীত নলবাৰী ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়ববীয়া-কৰ্মীৰ লগতে যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ বিষয়ববীয়াসহ স্বাস্থ্য কৰ্মীসকল উপস্থিত থাকে।

### চিলাপথাৰত উৎসৱমুখৰ পৰিৱেশ

## নিজ গৃহত উপস্থিত আধ্যাশ্ৰী উপাধ্যায়, বিভিন্ন দল-সংগঠনৰ উষ্ম আদৰণি




**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১ জুলাই ঃ** বুধবাৰে নিশা গৃহ চহৰ চিলাপথাৰত আধ্যাশ্ৰী উপাধ্যায় উপস্থিত হোৱাৰ লগে লগে সমগ্ৰ চিলাপথাৰত এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। আধ্যাশ্ৰীক লৈ সমগ্ৰ চিলাপথাৰবাসীৰ মাজত অপাৰ আনন্দ। ইজনৰ পিছত সিজনে কোলাত লয় কণমানিটিক। সকলোৱে মৰমেৰে ওপচাই পেলাই ZeeTV DID Little Master Season 5ৰ দ্বিতীয় ৰানাৰ্ছ আপ পাবলৈ সক্ষম হোৱা ৫ বছৰীয়া কণমানি আধ্যাশ্ৰীক নিশা পিতৃ-মাতৃ আৰু শুভাকাংক্ষীৰ সৈতে গৃহ চহৰ চিলাপথাৰত উপস্থিত হোৱাৰ লগে লগে ফুলাম গামোচা, জাপি, শৰাই, মানপত্ৰ আদিৰে সম্বৰ্ধনা জনাই কণমানিগৰাকীৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰে আছুকে ধৰি বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া সকলৰ লগতে স্থানীয় ৰাইজে। ইয়াৰ পাছতে শুভাকাংক্ষীসকলে কণমানিজনীক চিলাপথাৰ মালিনীপুৰ পঞ্চায়তৰ অন্তৰ্গত ফুলবাৰী পথাৰৰ নিজা বাসগৃহত আহি থৈ যায়হি।

### মুখ্যমন্ত্ৰীৰ দুৰ্নীতিবিৰোধী অভিযানক ভেঙুচালি ঃ তেজপিয়াৰ ৰূপ লৈছে প্ৰধান শিক্ষক আব্দুল হায়ে

## সংখ্যালঘু ছাত্ৰ বৃত্তিৰ কেলেংকাৰিৰ শীৰ্ষ স্থান টি এন ডি প্ৰী-ছিনিয়ৰ মাদ্ৰাছা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ১ জুলাই ঃ** ছাত্ৰ বৃত্তিৰ কেলেংকাৰিৰ শীৰ্ষস্থান টিএনডি প্ৰী-ছিনিয়ৰ মাদ্ৰাছা। বিগত দুবছৰ ধৰি বন্ধ হৈ থকা মাদ্ৰাছাখনত ৮৬জন ছাত্ৰ-ছাত্ৰীৰ নামত প্ৰধান শিক্ষক আব্দুল হায়ে ভুৱা একাউণ্ট আৰু নিজৰ ফিংগাৰ প্ৰিণ্ট ব্যৱহাৰ কৰি স্কলাৰশ্বিপৰ ধন আত্মসাৎ কৰাৰ ভয়ংকৰ অভিযোগ উত্থাপন কৰিছে সচেতন মহলে। বঙাইগাঁও জিলাৰ টিএনডি প্ৰী-ছিনিয়ৰ মাদ্ৰাছাত ছাত্ৰ বৃত্তিৰ নামত ভয়ংকৰ কেলেংকাৰিৰ তথ্য পোহৰলৈ আহিছে। জানিব পৰা মতে, যোৱা দুটা বছৰ ধৰি বন্ধ হৈ আছিল মাদ্ৰাছাখন। বৰ্তমান ভূত বাংলাত পৰিণত হৈ আছে মাদ্ৰাছাখন। ভুৱা নথি-পত্ৰৰে ৮৬জন ছাত্ৰ-ছাত্ৰীৰ নামত স্কলাৰশ্বিপ সুমুৱাই প্ৰধান শিক্ষক আব্দুল হায়ে আত্মসাৎ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। একাংশ বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বাবে সংখ্যালঘু ছাত্ৰ বৃত্তিৰ ধন আলাউদ্দিনৰ চাকি হৈ পৰিছে। মন কৰিবলগীয়া কথাটো হ'ল যে দুটা বছৰ ধৰি বন্ধ হৈ থকা মাদ্ৰাছাখনত কেনেকৈ ছাত্ৰ- ছাত্ৰীৰ আৱাস দেখুৱাই ১০,৪০০ আৰু ১০,৭০০ টকাকৈ স্কলাৰশ্বিপ সুমুৱাবলৈ সাহস কৰিলে প্ৰধান শিক্ষক আব্দুল হায়ে। যিমানেই মুখ্যমন্ত্ৰীয়ে দুৰ্নীতি-ভ্ৰষ্টাচাৰ, ব্যভিচাৰৰ বিৰুদ্ধে কঠোৰ হৈছে সিমানেই দুৰ্নীতিৰ পাহাৰ গঢ়ি তুলিছে একাংশ বিদ্যালয়ৰ প্ৰধান শিক্ষকে। মুখ্যমন্ত্ৰীয়ে দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ হোৱাৰ পিছতো কেনেকৈ দুৰ্নীতি কৰিবলৈ সাহস গোটালে প্ৰধান শিক্ষক আব্দুল হায়ে। কাৰ বলত বলীয়ান হৈ আছে প্ৰধান শিক্ষক আব্দুল হাই। এই বৃহৎ কেলেংকাৰিৰ লগত কোন কোন জড়িত? কাৰ বলত বলীয়ান প্ৰধান শিক্ষক আব্দুল হাই। পৰৱৰ্তী প্ৰতিবেদন আমি ফাদিল কৰিম এই ভয়ংকৰ কেলেংকাৰিৰ লগত কোন কোন জড়িত।

## চিকিৎসক দিৱসত হেঙালপাৰাত চিকিৎসকক সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১ জুলাই ঃ** চিকিৎসক দিৱস উপলক্ষে হেঙালপাৰা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ চৈয়দ হিজাউল্লা কাজীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। পশ্চিম দৰঙৰ জ্যেষ্ঠ সাংবাদিক লক্ষ্যধৰ শইকীয়া, সাংবাদিক দিবাকৰ বৰুৱা, সমাজকৰ্মী, কৃতী শিক্ষক লক্ষেশ্বৰ বৰুৱাই কৰ্তব্যৰত অৱস্থাত চিকিৎসালয়খনৰ ভাৰপ্ৰাপ্ত বিষয়াৰ দায়িত্বত থকা চিকিৎসকগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰি মানৱ সেৱাৰ সৈতে জড়িত সকলো চিকিৎসকক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনায়। চমু সম্বৰ্ধনা অনুষ্ঠানটোত চিকিৎসা নিদান বিচাৰি অহা ৰোগী আৰু চিকিৎসা কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে।

## হাতীচোং শংকৰদেৱ বিদ্যা নিকেতনত শতাধিক কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা

### গ্ৰীষ্ম বন্ধৰ সাংস্কৃতিক অনুষ্ঠানত গীতে-মাতে জীপাল এজাক কণমানিৰ গীত-নৃত্যৰে মুখৰ নিকেতনৰ বাকৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাজৰি, ১ জুলাই ঃ** আজিৰ ছাত্ৰ কাইলৈ দেশৰ ভৱিষ্যৎ। শিক্ষাৰ ক্ষেত্ৰত বিশেষ স্থান গ্ৰহণ কৰি আহিছে নগাঁও জিলাই। ১৯৯৩ চনতে নগাঁও জিলাৰ হাতীচোং অঞ্চলৰ ফুলনিআটিত প্ৰাণ পাই উঠা বেচৰকাৰী অগ্ৰণী শিক্ষানুষ্ঠান শংকৰদেৱ বিদ্যা নিকেনতৰ বিশেষ পদক্ষেপ। গ্ৰীষ্ম বন্ধৰ প্ৰাকক্ষণত আয়োজিত সাংস্কৃতিক অনুষ্ঠানৰ লগত সংগতি ৰাখি আজি নিকেতনৰ প্ৰাংগণত কৃতী ছাত্ৰ-ছাত্ৰীৰ বিশেষ সম্বৰ্ধনা শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হয়। নিকেতনখনৰ পৰা বিগত সময়ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শতাধিক ছাত্ৰ-ছাত্ৰীক নিকেতনত গণ্যমান্য ব্যক্তিৰ উপস্থিতিত আজি সম্বৰ্ধনা জ্ঞাপন কৰা হয়। নিকেতনৰ প্ৰাক্তন শিক্ষক কেশৱ বৰাই এই সম্বৰ্ধনা অনুষ্ঠানত বিশেষভাৱে সহায়ৰ হাত আগবঢ়াই বুলি জানিব পৰা গৈছে। নিকেতনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু প্ৰায়সংখ্যক অভিভাৱক উপস্থিত থকা সাংস্কৃতিক অনুষ্ঠানৰ আৰম্ভণিতে বৰগীত পৰিৱেশন হোৱাৰ পাছতে নিকেতনৰ কণ কণ শিক্ষাৰ্থীৰ গীত-নৃত্যৰ সমাহাৰেৰে এক সুন্দৰ পৰিৱেশৰ সৃষ্টি হয়। উক্ত অনুষ্ঠানত শিক্ষাবিদ ৰাণাপ্ৰকাশ বৰা, ত্ৰৈলোক্য ভট্টাচাৰ্য, জোতিপ্ৰসাদ বৰা, বিচিত্ৰ শইকীয়া, মুনিন্দ্ৰ মোহন মহন্তকে প্ৰমুখ্য কৰি বহুসংখ্যক অঞ্চলৰ গণ্যমান্য ব্যক্তি উপস্থিত থাকে বুলি নিকেতনৰ প্ৰধান আচাৰ্যা তৰুলতা বৰা হাজৰিকাই জনাইছে।

## মাজুলী জিলা মইনা পাৰিজাতৰ কাৰ্যালয়গৃহৰ আধাৰশিলা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১ জুলাই ঃ** শিশুসকলৰ সৰ্বাংগীণ বিকাশৰ উদ্দেশ্যে কাম কৰি অহা মাজুলী মইনা পাৰিজাত জিলা সমিতিয়ে দীৰ্ঘদিনে ভোগ কৰি অহা স্থায়ী কাৰ্যালয়ৰ সমস্যাৰ ওৰ পলোৱাৰ বাবে কমলাবাৰীত এটি স্থায়ী গৃহৰ আধাৰশিলা স্থাপন কৰে। আজি পুৱা ৯.৩০ বজাত মাজুলী ৰোডৰ সমীপত বন্তি প্ৰজ্বলন মাংগলিক অনুষ্ঠানেৰে আৰম্ভ কৰা আধাৰশিলা অনুষ্ঠানত সমাজকৰ্মী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিতেশ্বৰ বৰাই প্ৰথমে স্থায়ী গৃহৰ আধাৰশিলা আৰম্ভ কৰে। শিশুসকলক গঢ় দিয়াৰ ক্ষেত্ৰত মাজুলী মইনা পাৰিজাতে লৈ অহা পদক্ষেপক শলাগ লৈ আজিৰ পৰা আৰু এখোজ আগবাঢ়ি যোৱাৰ পথত অগ্ৰসৰ হ'ল বুলি আধাৰশিলা স্থাপক হিতেশ্বৰ বৰাই প্ৰকাশ কৰে। মাজুলীবাসীৰ বহু আশাৰ শিশুগৃহটিৰ শুভাৰম্ভ কাৰ্যসূচীত জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ উপদেষ্টা উমাকান্ত ৰাজখোৱা, মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, মাজলী জিলা সাংবাদিক সন্থাৰ বিষয়ববীয়া, মাজুলী লেখিকা সমাৰোহ সমিতিৰ সভাপতি মিনতি শইকীয়া, পেঞ্চনাৰ সন্থাৰ সম্পাদক কৃষ্ণকমল শইকীয়া, ৰামধেনু শাখা সাহিত্য সভাৰ সভাপতি জগত দুৱৰীয়া, সমাজকৰ্মী জগত হাজৰিকা, মইনা পাৰিজাত, মাজুলী জিলা সমিতিৰ সভাপতি লোহিত বৰা, সম্পাদক প্ৰবীণ ভূঞাৰ উপৰি জিলাৰ অন্তৰ্গত আঞ্চলিক আৰু শাখাসমূহৰ বিষয়ববীয়াকে ধৰি ভালেসংখ্যক শিশুপ্ৰেমী ৰাইজ উপস্থিত থাকে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালতে অনুমোদিত অনিৰ্ধাৰিত পুঁজিৰ দহ লাখ টকাৰে আৰম্ভ কৰিবলৈ লোৱা গৃহটিত পুঁজিৰ যথাযথ ব্যৱহাৰ কৰাৰ বাবে উপস্থিত ৰাইজে নিৰ্মাণ সমিতিৰ প্ৰতি আহ্বান জনায়। বেঙেনাআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ টুটু গোস্বামীয়ে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিৰ আঁত ধৰে মইনা পাৰিজাত জিলা সমিতিৰ সম্পাদক প্ৰবীণ ভূঞাই। বিগত চৰকাৰসমূহক আবেদন নিবেদন কৰি সঁহাৰি লাভ কৰিব পৰা নাছিল যদিও বৰ্তমান অসম চৰকাৰৰ পুঁজি লাভ কৰিবলৈ সক্ষম হোৱাত মাজুলীবাসীয়ে কৃতজ্ঞতা জনাইছে।

# কামৰূপ জিলাৰ শেহতীয়া বানৰ ক্ষয়-ক্ষতিৰ প্ৰস্তাৱ অনুমোদনৰ বাবে জিলা উপায়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত হ'ল জিলা দুৰ্যোগ প্ৰাধিকৰণৰ বৈঠক

## অহা ৮ জুলাইত অনুষ্ঠিত হ'ব এই সম্পৰ্কীয় দ্বিতীয়খন বৈঠক




**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১ জুলাই ঃ** আজি আমিনগাঁৱস্থিত কামৰূপ জিলাৰ সংহত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা উপায়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ কৈলাস কাৰ্তিক এনৰ অধ্যক্ষতাত অনুষ্ঠিত জিলা দুৰ্যোগ প্ৰাধিকৰণৰ এক বৈঠকত জিলাখনৰ দুৰ্যোগ সঁহাৰি পুঁজিৰ অধীনত শেহতীয়া বানপানী আৰু যোৱা মাৰ্চ তথা এপ্ৰিল মাহত হোৱা ধুমুহাৰ ফলত ব্যক্তিগত তথা প্ৰতিষ্ঠানৰ আন্তঃগাঁথনিৰ ক্ষয়-ক্ষতিৰ প্ৰস্তাৱসমূহৰ কিছুসংখ্যকত নীতিগতভাৱে অনুমোদন জনোৱা হয়। অহা ৮ জুলাইত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়খন বৈঠকত জিলাখনৰ বানপানীত ক্ষতিগ্ৰস্ত আটাইকেইটা ৰাজহ চক্ৰৰ ব্যক্তিগত তথা প্ৰতিষ্ঠানৰ ক্ষয়-ক্ষতিৰ সামগ্ৰিক পৰ্যালোচনাৰ লগতে ক্ষয়-ক্ষতিৰ প্ৰস্তাৱসমূহত অনুমোদন জনোৱা হ'ব। হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, আন আন সমষ্টিৰ বিধায়কৰ প্ৰতিনিধি, মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, অতিৰিক্ত উপায়ুক্তসকল, চক্ৰ বিষয়া তথা জিলাখনৰ গুৰুত্বপূৰ্ণ সকলো বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকৰ আৰম্ভণিতে জিলা উপায়ুক্তগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বানপীড়িত জনসাধাৰণক সকাহ প্ৰদানৰ কামত কোনোধৰণৰ বিলম্বতা যাতে নহয় সেইটো নিশ্চিত কৰাৰ নিৰ্দেশ দিছে। তদুপৰি এই প্ৰক্ৰিয়াত কোনো এগৰাকী প্ৰকৃত বান ক্ষতিগ্ৰস্ত যাতে বাদ নপৰে সেইটো নিশ্চিত কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছে। সেয়েহে উপায়ুক্তগৰাকীয়ে বান ক্ষতিগ্ৰস্ত ব্যক্তিৰ ঘৰ-বাৰী, শস্য পথাৰৰ ক্ষয়-ক্ষতি, ঘৰচীয়া জীৱ-জন্তুৰ ক্ষয়-ক্ষতি, মৎস্য পুখুৰী ইত্যাদিৰ ক্ষয়-ক্ষতিৰ এক একীকৃত বিৱৰণৰ প্ৰস্তাৱ অহা বৈঠকত দাখিলৰ বাবে নিৰ্দেশ দিয়ে। এই সম্পৰ্কীয় বিৱৰণৰ যাৱতীয় প্ৰ-পত্ৰ ৰাজহ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত প্ৰণৱ দত্ত গোস্বামীক সংশ্লিষ্ট ৰাজহ চক্ৰৰ বিষয়াসকলক প্ৰদান কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। তেওঁ লগতে কয় যে বানপীড়িতক তাৎক্ষণিক সকাহ প্ৰদানৰ ওপৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিছে। কোনো প্ৰকৃত বান ক্ষতিগ্ৰস্ত লোক যাতে বাদ নপৰে সেইটো ভালদৰে পৰীক্ষা কৰাৰ বাবেও উপায়ুক্তই নিৰ্দেশ দিয়ে। বৈঠকত উপায়ুক্তগৰাকীয়ে ব'হাগত বৰদৈচিলা অহাৰ পূৰ্বে অৰ্থাৎ ডিচেম্বৰ বা জানুৱাৰী মাহৰ ভিতৰতে এপিডিচি এলক বিদ্যুতৰ খুঁটা, বিদ্যুৎ সৰবৰাহকাৰী লাইন ইত্যাদি ভলদৰে পৰীক্ষা কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবেও কয়। আজিৰ বৈঠকত ৰাজহ চক্ৰ ভিত্তিত হোৱা ধুমুহাৰ ক্ষয়-ক্ষতি, শেহতীয়া বানৰ ব্যক্তিগত তথা প্ৰতিষ্ঠানগত ক্ষয়-ক্ষতি, বিভিন্ন বিভাগৰ আন্তঃগাঁথনিৰ ক্ষয়-ক্ষতি ইত্যাদিৰ প্ৰস্তাৱসমূহ উত্থাপন কৰা হয়। বৈঠকত বান ক্ষতিগ্ৰস্তৰ বাচন-বৰ্তন, তথা কাপোৰ-কানি ক্ৰয়ৰ বাবে ৩,৮০০ টকা প্ৰদানৰ তালিকাখন অতিশীঘ্ৰে প্ৰস্তুত কৰাৰ বাবে চক্ৰ বিষয়াসকলক তেওঁ নিৰ্দেশ দিয়াৰ উপৰি বিদ্যালয়সমূহৰ পৰিদৰ্শকক বানত আক্ৰান্ত হৈ শিবিৰ অথবা শিবিৰৰ লেখীয়া স্থানত থকা ছাত্ৰ-ছাত্ৰীসকলৰ পাঠ্যপুথি তথা শিক্ষাৰ আচবাব ক্ৰয়ৰ বাবে ১,০০০ টকাকৈ প্ৰদানৰ তালিকাখন প্ৰস্তুত কৰাৰ বাবেও নিৰ্দেশ দিয়ে। বৈঠকত উপায়ুক্তগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰীয়ে এই দিশত এক সময়সীমা বান্ধি দিছে যাতে বানাক্ৰান্তসকলে ক্ষিপ্ৰতাৰে সকাহ পাব পাৰে। এই ক্ষেত্ৰত সংশ্লিষ্ট সকলো বিষয়াকে দায়বদ্ধতাৰে কাম কৰাৰ বাবে তেওঁ কয়। আজিৰ বৈঠকত অতিৰিক্ত উপায়ুক্ত ক্ৰমে— প্ৰণৱ দত্ত গোস্বামী, সুজতা গগৈ, মুনমী কলিতা, অতিৰিক্ত আৰক্ষী অধীক্ষক, সহকাৰী আয়ুক্তসকলৰ উপৰি বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।



# বিশ্বনাথৰ প্ৰতাপগড় চাহ বাগিচাত চিকিৎসক দিৱস উপলক্ষে আট্‌ছাৰ সম্বৰ্ধনা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথ, ১ জুলাই ঃ** ৰোগ যন্ত্ৰণাত ছটফটাই থকা ৰোগীসকলৰ বাবে চিকিৎসকসকল হ'ল দেৱতা বা ভগৱানৰ লেখীয়া। এই চিকিৎসকসকলে মানৱ জাতিলৈ আগবঢ়োৱা মানৱীয় সেৱাৰ বাবে তেওঁলোকক কৃতজ্ঞতা জনোৱাৰ উদ্দেশ্যে এটা বিশেষ দিন উদ্‌যাপন কৰা হয়। প্ৰতি বছৰে ১ জুলাই দিনটো এই দিৱস অৰ্থাৎ 'চিকিৎসক দিৱস' হিচাপে পালন কৰি অহা হৈছে, যিটো প্ৰতিজন চিকিৎসকৰ বাবে এটা বিশেষ দিন। এই উপলক্ষে সমগ্ৰ বিশ্বৰ লগতে বিশ্বনাথৰ প্ৰতাপগড় চাহ বাগিচাত আট্‌ছাৰ বাগিচাখনৰ চিকিৎসালয়খনত উপস্থিত হৈ চিকিৎসক দিলীপ কুমাৰ শৰ্মাক এখন ফুলাম গামোচাৰে শুভেচ্ছা আৰু সম্বৰ্ধনা জনায়। বিশ্বনাথ শাখা আট্‌ছাৰ উপ-সভাপতি জিতেন তাঁতী, সহকাৰী সম্পাদক জ্যোতিষ তাঁতীৰ নেতৃত্বত যোৱা আট্‌ছাৰ নেতৃবৰ্গই চিকিৎসক দিৱস উপলক্ষে সম্বৰ্ধনা জনোৱাৰ উপৰি চিকিৎসালয়খনৰ কৰ্মচাৰীসকলৰ লগত মত বিনিময় কৰে। আট্‌ছাৰ দলটিৰ লগত বিশেষভাৱে সহযোগ আগবঢ়াই প্ৰতাপগড় উপ-শাখা সমিতিৰ সভাপতি সুমন্ত তাঁতী, প্ৰতাপগড় প্ৰাথমিক গোটৰ সভাপতি জিতেন তাঁতী, সহকাৰী সম্পাদক বিমল তাঁতীকে আদি কৰি বহুতো বিষয়ববীয়াই।

# বৰপেটাত বানপীড়িতৰ কাষত বিজেপি নেত্ৰী আঙুৰলতা ডেকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ১ জুলাই ঃ** শুকুৰবাৰে বানপীড়িত লোকৰ দুখ-দুৰ্দশাৰ খবৰ ল'বলৈ বৰপেটাত উপস্থিত হয় বিজেপিৰ মহিলা মৰ্চাৰ ৰাজ্যিক সভানেত্ৰী আঙুৰলতা ডেকা। আনহাতে, সভানেত্ৰীগৰাকীৰ লগত



উপস্থিত থাকে বৰপেটা জিলা বিজেপিৰ সভাপতি অনিল কুমাৰ দাস, অভিনেত্ৰী আশা বৰদলৈ। সুন্দৰীদিয়া সত্ৰকে ধৰি বৰপেটাৰ বিভিন্ন আশ্ৰয় শিবিৰত থকা বানপীড়িত লোকক সাক্ষাৎ কৰি অৱস্থাৰ বুজ লয় বিজেপি নেত্ৰীগৰাকীয়ে। আশ্ৰয় শিবিৰত থকা মহিলাসকলক বিজেপিৰ মহিলা মৰ্চাৰ পৰা এযোৰকৈ পোছাক প্ৰদান কৰে আঙুৰলতা ডেকাই। বৰপেটাৰ বিভিন্ন আশ্ৰয় শিবিৰত থকা প্ৰায় পাঁচশ মহিলাক এযোৰকৈ মেখেলা-চাদৰ প্ৰদান কৰা হয়। সমগ্ৰ অসমৰ মুঠ দুই হেজাৰ পাঁচশ বানপীড়িত মহিলাক পোছাক প্ৰদানৰ লক্ষ্য স্থিৰ কৰি লোৱা হৈছে বুলি আঙুৰলতা ডেকাই সংবাদ মাধ্যমক জানিবলৈ দিয়ে। তেওঁ জনোৱা মতে বৰপেটাৰ পূৰ্বে মঙলদৈত পাঁচশ মহিলাৰ মাজত পোছাক বিতৰণ কৰা হৈছে। গুৰুজনাই সকলোকে এক কৰিছিল বুলি মন্তব্য কৰি আঙুৰলতা ডেকাই সংবাদ মাধ্যমৰ আগত কয় যে সত্ৰত নাম-কীৰ্তনৰ নামত একত্ৰিত হোৱা মানুহবোৰে আজি বানপানীৰ নামত একত্ৰিত হ'বলগীয়া হৈছে। এয়া ঈশ্বৰে সৃষ্টি বুলি তেওঁ মন্তব্য কৰে। সাধ্যানুসৰি সকলোকে বানপীড়িত লোকক সহায় কৰিবলৈ তেওঁ আহ্বান জনায়। ফেচবুকত টুলুঙা মন্তব্য নকৰি যিয়ে যেনেকৈ পাৰে বানাক্ৰান্তসকলক সহায় কৰা উচিত বুলি তেওঁ মন্তব্য কৰে। ইপিনে, চৰকাৰে প্ৰদান কৰা বান সাহায্যক ঈশ্বৰৰ প্ৰসাদ বুলি অভিহিত কৰি এই প্ৰসাদ হৰলুকী কৰাৰ পৰিৱৰ্তে সকলোৱে ভগাই খোৱা উচিত বুলিও প্ৰাক্তন বিধায়িকাগৰাকীয়ে মত প্ৰকাশ কৰে।

# মাৰ্ঘেৰিটাত টাই ভাষা, পাঠদান কৰ্মশালা আৰু সাংস্কৃতিক সমাৰোহৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১ জুলাই ঃ** ডামচাও গিৰিণ মহুং বৰুৱাৰ সোঁৱৰণত অনুষ্ঠিত কৰা টাই ভাষাৰ পাঠদান কৰ্মশালা আৰু সাংস্কৃতিক সমাৰোহৰ আজি শুভাৰম্ভ কৰা হয়। এই পাঠদান, কৰ্মশালা আৰু সাংস্কৃতিক সমাৰোহখনি ১ জুলাই পৰা ৩০ জুলাইলৈকে অনুষ্ঠিত হ'ব। মাৰ্ঘেৰিটাৰ টাউন হাইস্কুলত এমাহজোৰা কাৰ্যসূচীৰে আয়োজন কৰা এই টাই ভাষাৰ পাঠদান, কৰ্মশালা আৰু সাংস্কৃতিক সমাৰোহৰ শুভ উদ্বোধন কৰে মাৰ্ঘেৰিটাৰ মহকুমাধিপতি পলাশ ৰাজকুমাৰ আহোমে। সামৰণী অনুষ্ঠানত টাই আহোমৰ বিশিষ্ট পণ্ডিত, শুভাকাংক্ষীসকলক সম্বৰ্ধনা জনোৱা অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ মানচাও পৱিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী মানচাও যোগেন মোহন, স্থানীয় বিধায়ক ভাস্কৰ শৰ্মাৰ লগতে বহুকেইজন টাই আহোমৰ বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি উদ্যোগতা সমিতিয়ে জানিবলৈ দিছে।



সামৰণী অনুষ্ঠানৰ লগত সংগতি ৰাখি টাই আহোমৰ এক সাংস্কৃতিক সমাৰোহৰো দিহা কৰা হৈছে। টাই ভাষাৰ পাঠদান কৰ্মশালা আৰু সাংস্কৃতিক সমাৰোহৰ প্ৰতিটো কাৰ্যসূচীতে সকলোৰে উপস্থিতিৰ লগতে সহায়-সহযোগিতাৰ বাবে উদ্যোগতা সমিতিয়ে আহ্বান জনাইছে।

## ব্যাপক উৎসাহ-উদ্দীপনাৰে ধুবুৰী জিলা দিৱস উদ্‌যাপন

# ধুবুৰীৰ ঐতিহ্য সংৰক্ষণ কৰা আমাৰ নৈতিক দায়িত্ব ঃ মুদ্ৰা বিশেষজ্ঞ শংকৰ কুমাৰ বসু

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১ জুলাই ঃ** 'ধুবুৰী মধ্যযুগৰ শাসন ব্যৱস্থাৰ অন্যতম প্ৰাণকেন্দ্ৰ আছিল। কোচ ৰজাৰ কৰ সংগ্ৰহৰ এক গুৰুত্বপূৰ্ণ স্থান আছিল ধুবুৰী। কোচ ৰজাৰ শাসনৰ সময়ত ধুবুৰীৰ গুৰুত্ব ইমান অধিক আছিল যে কেৱল ধুবুৰীৰ বাবে এবিধ বিশেষ মুদ্ৰা প্ৰচলন কৰা হৈছিল।'— আজি ধুবুৰী আৰক্ষী নিৱেশৰ প্ৰেক্ষাগৃহত ধুবুৰী জিলা দিৱস উপলক্ষে আয়োজিত আলোচনা সভাত বিশিষ্ট বক্তা হিচাপে উপস্থিত থাকি ধুবুৰীৰ ইতিহাস আৰু ঐতিহ্যৰ বিশেষ জ্ঞান থকা তথা ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন মুদ্ৰা বিশেষজ্ঞ শংকৰ কুমাৰ বসুৱে এইদৰে কয়। তেওঁ মধ্যযুগৰ পৰা ব্ৰিটিছ ৰাজত্ব আৰু স্বাধীনোত্তৰ কালৰ ১৯৮৩ চনত পৃথক ধুবুৰী জিলা গঠনৰ সময়লৈকে ইতিহাসৰ বহু দিশত আলোকপাত কৰে। বিশেষকৈ কোচ ৰাজত্বৰ সময়ত প্ৰচলিত মুদ্ৰা আৰু ইয়াৰ লগত জড়িত ধুবুৰী আৰু সমীপৱৰ্তী এলেকাৰ ইতিহাসৰ বহু দিশ তেওঁ দাঙি ধৰে। তেওঁ কয়, 'ধুবুৰীৰ ইতিহাস আৰু ঐতিহ্যৰ বহু কথা পোহৰলৈ আহিবলৈ বাকী আছে। ধুবুৰীৰ ইতিহাস আৰু ঐতিহ্য সংৰক্ষণ কৰাটো আমাৰ সকলোৰে নৈতিক দায়িত্ব হোৱা উচিত।' জিলা উপায়ুক্ত অন্বামুথন এম পিয়ে আদৰণী ভাষণত কয়, '১৯৮৩ চনৰ ১ জুলাইত ধুবুৰী জিলা গঠন হৈছিল। অসম চৰকাৰৰ নিৰ্দেশত জিলা গঠনৰ আনন্দময় মুহূৰ্তক স্মৰণ কৰাৰ বাবে আৰু জিলাখনৰ ইতিহাস-ঐতিহ্যক নতুন প্ৰজন্মৰ আগত পৰিচয় কৰি দিয়াৰ বাবে জিলা দিৱসৰ আয়োজন কৰা হৈছে।' সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ধুবুৰী পৌৰসভাৰ সভাপতি ডাঃ দেৱময় সান্যাল, প্ৰাক্তন মন্ত্ৰী নজিবুল ওমৰ, ধুবুৰীৰ আৰক্ষী অধীক্ষক অভিজিত গুৰাৱ, জিলা উন্নয়ন আয়ুক্ত কান্তা দাস আৰু ধুবুৰী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিশ্বজিৎ গোস্বামী। জিলা প্ৰশাসনৰ কৰ্মচাৰীবৃন্দই সভাত এটা সমবেত সংগীত পৰিৱেশন কৰে। সভাত ধুবুৰীৰ কে'বাজনো বিশিষ্ট ব্যক্তি, জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু শতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে। আলোচনা সভাৰ পিছতে অৰ্ধশতাধিক শিক্ষাৰ্থীৰ অংশগ্ৰহণেৰে চিত্ৰাংকন প্ৰতিযোগিতা আৰু মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লিৰ পৰা অনুষ্ঠিত সাংস্কৃতিক কাৰ্যসূচীত জিলা দিৱসৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা শীৰ্ষক গীত, গোৱালপৰীয়া লোকগীত, কুষাণ নৃত্য, সত্ৰীয়া নৃত্য, ৰবীন্দ্ৰ সংগীত আদি পৰিৱেশন কৰা হয়। সন্ধিয়া জিলা দিৱস উপলক্ষে চৰকাৰী কাৰ্যালয়, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু বহু ব্যক্তিগত বাসগৃহ পোহৰেৰে আলোকিত কৰি তোলা হয়।

# লামডিং আৰক্ষীয়ে নিশাৰ ভাগত ড্ৰাগ্‌ছৰ বিৰুদ্ধে অভিযান চলাই ড্ৰাগ্‌ছসহ আটক কৰিলে দুজনক

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিং,১ জুলাই ঃ** লামডিং ড্ৰাগ্‌ছৰ ঘাটিত পৰিণত হৈছে। পুনৰবাৰ আকৌ লামডিং আৰক্ষীৰ বৃহৎ সফলতা। নিশাৰ ভাগত লামডিং আৰক্ষীয়ে ড্ৰাগ্‌ছৰ বিৰুদ্ধে অভিযান চলাই লামডিং ডিটিএইচ কলনীৰ পৰা বৃহত পৰিমাণৰ ব্ৰাউন ছুগাৰ জব্দ কৰাৰ লগতে দুজনক আটক কৰে। প্ৰায় ৩৫ গ্ৰাম ব্ৰাউন ছুগাৰ জব্দ কৰে। জব্দকৃত ড্ৰাগ্‌ছ পেডলাৰ দুটাৰ নাম ৰাহুল বাস্ফোৰ আৰু বিজয় উৰিয়া। যি সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু অসম আৰক্ষী ড্ৰাগ্‌ছৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি আহিছে তথাপিও ড্ৰাগ্‌ছ পেডলাৰে বন্ধ কৰা নাই ড্ৰাগ্‌ছৰ বেহা। ড্ৰাগ্‌ছ সেৱন কৰি একাংশ যুৱপ্ৰজন্ম ধ্বংসৰ পথত ভৰি দিছে। বৃহস্পতিবাৰৰ দিনাই লামডিঙত জনসেৱা সংস্থান নামৰ এটা স্বেচ্ছাসেৱী সংগঠনে ড্ৰাগ্‌ছৰ বিৰুদ্ধে ৰাইজক



সজাগতামূলক ড্ৰামা কৰি ড্ৰাগ্‌ছ সেৱন কৰাৰ পিছত মানুহৰ কি ধৰণৰ অৱস্থা হয় সেই সম্পৰ্কত ৰাইজক সজাগ আৰু সচেতন কৰিছিল। কিন্তু ১২ ঘন্টা মাৰ নৌযাওঁতেই নিশাৰ ভাগত লামডিং আৰক্ষীয়ে অভিযান চলাই বৃহত পৰিমাণৰ ব্ৰাউন ছুগাৰ জব্দ কৰে।

# 'অনুসূচিত জাতি উন্নয়ন পৰিষদ' গঠন কৰাৰ বাবে সমন্বয়ৰক্ষী উন্নয়ন সমিতিৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১ জুলাই ঃ** অসমত বসবাস কৰা খিলঞ্জীয়া ভূমিপুত্ৰ ১৬ টা উপ-জাতিৰে গঠিত অনুসূচিত জাতিৰ প্ৰায় ৫০ লাখৰো অধিক জনগোষ্ঠীটোৰ সামাজিক, শৈক্ষিক, অৰ্থনৈতিক সমভাৱে দ্ৰুত উন্নয়ন হোৱাৰ স্বাৰ্থত অনুসূচিত জাতি উন্নয়ন পৰিষদখন গঠন কৰাৰ অতি প্ৰয়োজন অনুভৱ কৰি অসম অনুসূচিত জাতি সমন্বয়ৰক্ষী উন্নয়ন পৰিষদে অসম চৰকাৰক আহ্বান জনাইছে। যিহেতুকে অসমৰ ৩৩খন জিলাতে সিঁচৰতি হৈ থকা অনুসূচিত জাতিৰ লোকসকলে বসবাস কৰা অঞ্চলসমূহত আন্তঃগাঁথনি আজিও বহু পৰিমাণে হৈ উঠা নাই, যাৰ ফলত জনগোষ্ঠীটোৰ উন্নয়নত যথেষ্ট পিছ পৰি আছে বুলি সংগঠনটোৰ সভাপতি ৰাতুল দাস, সাধাৰণ সম্পাদক মনোজ দাস আৰু মুখ্য উপদেষ্টা বকুল হাজৰিকাই কয় যে অসমত উপগ্ৰহীয় পদ্ধতিৰে স্বায়ত্তশাসন ব্যৱস্থা প্ৰদান কৰি অনুসূচিত জাতিৰ লোকসকলৰ নিৰাপত্তা, সুৰক্ষা আৰু সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত বিচাৰি থকা হৈছে উন্নয়ন পৰিষদ। কিন্তু তাৰ বিপৰীতে চৰকাৰে উন্নয়ন পৰিষদৰ ব্যৱস্থাৰে জনগোষ্ঠীকেইটাক উপকাৰ কৰিব বিচাৰিছে, কিন্তু উন্নয়ন পৰিষদখন গঠনত পলম হোৱাৰ বাবে সংগঠনৰ তৰফৰ পৰা মুখ্যমন্ত্ৰী মহোদয়ক পুনৰবাৰ অৱগত কৰা হৈছে। দ্বিতীয়তে বিভিন্ন সময়ত অনুসূচিত জাতিৰ জাতীয় সংগঠনসমূহে অনুসূচিত জাতিৰ প্ৰমাণ-পত্ৰ কিছুমান অনা অনুসূচিত জাতিৰ লোকে বক্ৰ পথেৰে সংগ্ৰহ কৰি নিজকে অনুসূচিত জাতিৰ লোক সজাই অনুসূচিত জাতিৰ বাবে সংৰক্ষিত থকা চাকৰি কিম্বা পঢ়া-শুনাৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰি উপভোগ কৰি আহিছে, যিবিলাক সংগঠনসমূহে লাহে লাহে পোহৰলৈ আনিছে, যাৰ ফলত অনুসূচিত জাতিৰ বাবে যথেষ্ট ক্ষতি হৈছে আৰু অনুসূচিত জাতিৰ লোক বঞ্চিত হৈছে। এই প্ৰক্ৰিয়াটো অসংবিধানিক, অন্যায় আৰু গুৰুতৰ অপৰাধ, ইয়াক নেতাসকলে গৰিহণা দিছে আৰু সংগঠনে ইয়াক অতি গুৰুত্বসহকাৰে গ্ৰহণ কৰিছে। সেয়েহে প্ৰগতিশীল, দক্ষ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ইয়াৰ তাৎক্ষণিক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে। তৃতীয়তে অসমত যি প্ৰলয়ংকৰী বানপানীয়ে সংহাৰ সৃষ্টি কৰি ধন-জন আৰু ৰাজ্যখনৰ বিস্তৰ ক্ষতি কৰিছে তাৰবাবে নেতৃত্বই দুখ প্ৰকাশ কৰাৰ লগতে বিপদৰ সময়ত দুৰ্গতজনৰ ওচৰত সংগঠনৰ লোকসকলক যৎপৰোনাস্তি সহায়-সহযোগ আগবঢ়াবলৈ অনুৰোধ জনাইছে আৰু চৰকাৰৰ লগত সকলো সময়তে, সকলো পৰিস্থিতিতে সহযোগিতা আৰু গঠনমূলকভাৱে সকলোৰে লগত আগবাঢ়ি যাবলৈ মুখ্য উপদেষ্টা বকুল হাজৰিকাই বিশেষভাৱে অনুৰোধ জনায়।

# মোৰাঝাৰত প্ৰেমিকাৰ ঘৰত প্ৰেমিকৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ১ জুলাই ঃ** হোজাই জিলাৰ মোৰাঝাৰত চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। প্ৰেমিকাৰ বাসগৃহৰ কাষতেই পুতি থোৱা অৱস্থাত প্ৰেমিকৰ মৃতদেহ উদ্ধাৰ হৈছে। এনে ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে মোৰাঝাৰ থানাৰ অন্তৰ্গত দীঘলজাৰ গাঁৱৰ ছাইদুল ইছলাম নামৰ যুৱকজন ২৭ জুনৰ পৰা নিখোজ হৈ আছিল। আজি পুৱাৰ ভাগত প্ৰেমিকাৰ বাসগৃহৰ কাষতেই মাটিত পুতি থোৱা অৱস্থাত ছাইদুলৰ মৃতদেহ উদ্ধাৰ কৰে মোৰাঝাৰ আৰক্ষীয়ে। উল্লেখ্য যে বৰহাওৰৰ প্ৰেমিকা জেনিফাৰ পৰিয়ালে হত্যা কৰি পুতি ৰখাৰ অভিযোগ উঠিছে। দীৰ্ঘদিনৰ পৰা যুৱতীগৰাকীৰ সৈতে প্ৰেমৰ সম্পৰ্ক আছিল। এই ঘটনা সংক্ৰান্তত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। যদিও বাতৰি লিখা পৰলৈ কোনো লোকক আটক কৰিব পৰা হোৱা নাই।

# খাৰুপেটীয়াত আজমল ফাউণ্ডেচনৰ উদ্যোগত তৃতীয়, চতুৰ্থ বৰ্গৰ চাকৰিত নিয়োগৰ পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে এমহীয়া পাঠদান শিবিৰৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ১ জুলাই ঃ** আজমল ফাউণ্ডেচনৰ প্ৰশংসনীয় পদক্ষেপ। ইতিমধ্যে অসমৰ শিক্ষা জগতত এক উল্লেখযোগ্য অৱদান আগবঢ়াবলৈ সক্ষম হোৱা আজমল ফাউণ্ডেচনে কিবা এটা নতুন পদক্ষেপ ল'বলৈ সদায়েই আগ্ৰহী হৈ থাকে। উল্লেখ্য যে অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিত নিযুক্তিৰ পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে দৰঙৰ খাৰুপেটীয়া আজমল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত কালিৰে পৰা আৰম্ভ কৰিছে




এমহীয়া বিনামূলীয়া পাঠদান শিবিৰৰ। শতাধিক আবেদনকাৰীয়ে পাঠদানৰ বাবে অনলাইন আবেদন পূৰণ কৰা আবেদনকাৰীসকলৰ উপস্থিতিত কালি শুভাৰম্ভ হয় পাঠদান। এই সন্দৰ্ভত উদ্যোক্তা আজমল ছিনিয়ৰ ছেকেণ্ডাৰীৰ অধ্যক্ষ দিলোৱাৰ হুছেইনে জানিবলৈ দিয়া মতে পাঠদান শিবিৰটোত প্ৰশিক্ষক হিচাপে পাঠদান দিব বিষয়বস্তুৰ ওপৰত প্ৰশিক্ষণপ্ৰাপ্ত দক্ষতাসম্পন্ন শিক্ষকে। পাঠদান শিবিৰৰ শুভাৰম্ভ অনুষ্ঠানত উপস্থিত থাকে অধ্যাপক জাকিৰ হুছেইন, ইঞ্জিনীয়াৰ মহিদুল ইছলাম, শিক্ষক মফিদুল ইছলাম, মৰিয়ম আজমল কলেজৰ অধ্যক্ষা ৰেশমা বেগম প্ৰমুখ্যে কে'বাজনো শিক্ষক। উল্লেখ্য যে উক্ত তৃতীয় আৰু চতুৰ্থবৰ্গৰ চাকৰিৰ ২৬,৪৪১টা পদৰ নিযুক্তিৰ বিপৰীতে ১২ লক্ষাধিক আবেদনকাৰীয়ে আবেদন কৰিছে।

# পুনৰ অসুস্থ হৈ পৰিছে নটসূৰ্য ফণী শৰ্মা বঁটাপ্ৰাপক, জামুগুৰিহাটৰ শিল্পী ভোলা কটকী

## *আশু আৰোগ্য কামনা দল-সংগঠনৰ*

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১ জুলাই ঃ** পুনৰ শাৰীৰিক অসুস্থতাত ভুগিছে জামুগুৰিহাটৰ প্ৰবীণ চলচ্চিত্ৰ অভিনেতা তথা নটসূৰ্য ফণী শৰ্মা বঁটাপ্ৰাপক শিল্পী ভোলা কটকী। উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত প্ৰবীণ নাট্যকৰ্মীগৰাকী বৰ্তমান টুমুকিস্থিত তেজপুৰ মেডিকেল কলেজত ভৰ্তি হৈ আছে। কালি নিশা প্ৰায় ৯ বজাত সংগীয়া মাজৰ চুক গাঁৱৰ নিজা বাসগৃহত নিশাৰ আহাৰ গ্ৰহণ কৰাৰ পূৰ্বেই শিল্পীগৰাকী গুৰুতৰভাৱে অসুস্থ হৈ সংজ্ঞাহীন হৈ পৰে আৰু ততাতৈয়াকৈ পৰিয়ালৰ লোকে মৃত্যুঞ্জয় সেৱাৰ জৰিয়তে ধলাইবিলস্থিত উত্তৰ জামুগুৰি ৩০খন বিছনাযুক্ত চিকিৎসালয়ত ভৰ্তি কৰাই যদিও শিল্পীগৰাকীৰ গুৰুতৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি চিকিৎসকে উন্নত চিকিৎসাৰ বাবে তেজপুৰ মেডিকেল কলেজলৈ নিয়াৰ পৰামৰ্শ আগবঢ়ায়। নিশাই পৰিয়ালৰ লোকে তেজপুৰ মেডিকেল কলেজত ভৰ্তি কৰাই যদিও শিল্পীগৰাকীৰ স্বাস্থ্য তথা চিকিৎসাৰ প্ৰতি লক্ষ্য ৰাখি চিকিৎসকে আজি শিল্পী ভোলা কটকীক আইচিইউত ভৰ্তি কৰাইছে বুলি জানিব পৰা গৈছে। পৰিয়ালৰ পৰা জানিব পৰা মতে মগজুৰ ৫টা স্থানত মৃদু ৰক্তক্ষৰণ হোৱাৰ বাবেই শিল্পীগৰাকীক আইচিইউত ভৰ্তি কৰিবলগীয়া হৈছে। জ্যোতি-বিষ্ণু-ফণী শৰ্মা-শোণিতকোঁৱৰ গজেন বৰুৱা- ড° ভূপেন হাজৰিকাৰ সান্নিধ্যৰে নিজৰ অভিনয় জীৱন আগবঢ়াই নিয়াত অপৰিসীম প্ৰেৰণা লাভ কৰা ভোলা কটকীয়ে প্ৰতিক্ৰিয়া,বিভ্ৰাট, দস্যুৰাণী পুতলীবাই, স্বপ্নভংগ, শৰাইঘাটকে ধৰি ১৫০খনৰো অধিক নাটকত অভিনয় কৰাৰ লগতে অনিৰ্বাণ, সাদৰি, ৰাজা, উৰ্বশী, জলাঞ্জলিকে ধৰি ৫খন চলচ্চিত্ৰত আৰু ৬খনকৈ ধাৰাবাহিকত অভিনয় কৰি ৰাইজৰ বিপুল সমাদৰ লাভ কৰিবলৈও সক্ষম হৈছিল। আজীৱন সুন্দৰৰ সাধনাত ব্ৰতী শিল্পীগৰাকীৰ আশু আৰোগ্য কামনা কৰিছে বিভিন্ন দল-সংগঠনে।

## ব্যতিক্ৰমী সামাজিক কাম-কাজেৰে উজলিছে পাটাছাৰকুছিৰ প্ৰাগজ্যোতি ক্লাব

## ৩৩টা বছৰ পূৰ্ণ কৰিলে পাটাছাৰকুছিৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে

# ২৯১গৰাকীৰ লগতে২২টা অনুষ্ঠান-প্ৰতিষ্ঠানলৈ সাহায্য প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, ১ জুলাই ঃ** বিভিন্ন জনকল্যাণমূলক কাৰ্যৰ লগতে ব্যতিক্ৰমী সামাজিক কাম-কাজেৰে বিৰল নিদৰ্শন দাঙি ধৰি এক সামাজিক দায়বদ্ধতাৰ পৰিচয় দিছে বজালী জিলাৰ অন্তৰ্গত পাটাছাৰকুছিৰ অন্যতম স্বেচ্ছাসেৱী সামাজিক অনুষ্ঠান প্ৰাগজ্যোতি ক্লাবে। দুৰ্গত ব্যক্তিক বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়াই আৰু ৰাইজৰ সুবিধাৰ্থে কৰি দিয়া কিছুমান কাৰ্যই অনুষ্ঠানটোৰ মহানতা প্ৰকাশ কৰিছে। ১৯৮৯ চনৰ জুন মাহত স্থাপিত তথা পাটাছাৰকুছিত কালদিয়া নদীৰ বাকৰিত ৰাইজৰ উপকৃত হোৱাকৈ সকলো সা-সুবিধাৰে ধুনীয়াকৈ নিৰ্মাণ কৰা ক্লাবৰ তিনি মহলীয়া কাৰ্যালয় ভৱনে অঞ্চলটোক শুৱনি কৰিছে। এই ক্লাবৰ তৰফৰ পৰা বিগত সময়ছোৱাত বৰ্তমানলৈকে জনকল্যাণমূলক কাৰ্যৰ অংশ হিচাপে প্ৰাগজ্যোতি সাহায্য নিধিৰ জৰিয়তে আৰ্থিকভাৱে দুৰ্বল প্ৰতিভাধৰ যুৱক-যুৱতী, দুৰ্গত ২৯১গৰাকী ব্যক্তিৰ




মাজত ৯,১৫,১৯৬ টকাৰ আৰ্থিক সাহায্য তথা সামগ্ৰী প্ৰদান কৰাৰ লগতে ক্লাবৰ বহুমুখী আঁচনি ৰূপায়ণৰ অধীনত ২২টা অনুষ্ঠান-প্ৰতিষ্ঠান (কেইটামানক একাধিকবাৰ) আৰ্থিক বৰঙণি, সামগ্ৰী তথা কাৰ্যসূচী প্ৰদানৰ নামত ১৩,৭৬,৭৪৪ টকা ব্যয় কৰিছে। ইয়াৰ ভিতৰত পাটাছাৰকুছি শিৱমন্দিৰ পুনৰ নিৰ্মাণ সমিতিক ৫ লাখ টকা, পাটাছাৰকুছিৰ ৰাজহুৱা শ্মশান মুক্তিধাম প্ৰকল্পক ১ লাখ টকা, অসম চৰকাৰৰ আৰোগ্য নিধিলৈ ৫০ হাজাৰ টকা প্ৰদান আদি উল্লেখযোগ্য। আনহাতে, ক্লাবৰ বহুমুখী আঁচনি ৰূপায়ণৰ অধীনত প্ৰায় ১৮ লাখ টকা ব্যয়েৰে পাটাছাৰকুছি দুৰ্গামন্দিৰৰ ৰভাগৃহ নিৰ্মাণ, প্ৰায় ৩ লাখ টকা ব্যয়েৰে পাটাছাৰকুছি শিৱ দুৰ্গা ধামত পানী যোগান আঁচনি নিৰ্মাণ, ২ লাখ টকা ব্যয়েৰে পাটাছাৰকুছিৰ সৰিহ চাকলা কবৰস্থান পথ নিৰ্মাণ আৰু প্ৰায় ৭০ হাজাৰ টকা ব্যয়েৰে পাটাছাৰকুছিত কালদিয়া নদীৰ দলঙৰ পূব দিশে ৰাষ্ট্ৰীয় ঘাইপথৰ মাজৰ ডিভাইডাৰত 'আমাৰ বজালী, আমাৰ ফুলনি' শীৰ্ষক কাৰ্যসূচীত এখন ফুলনি নিৰ্মাণ কৰিছে। ইয়াৰ উপৰিও প্ৰায় ৪০ লাখ টকাৰ বৃহৎ বাজেটেৰে পাটাছাৰকুছি পৰিদৰ্শন বঙলাৰ চৌহদত এক নতুন ৰূপত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰায় ১২ ফুট উচ্চতাৰ ব্ৰঞ্জৰ আবক্ষ মূৰ্তিৰ নিৰ্মাণকাৰ্য চলি আছে আৰু প্ৰায় ১২ লাখ টকাৰ বাজেটেৰে পাটাছাৰকুছি দুৰ্গা মন্দিৰৰ ৰভাগৃহৰ মজিয়া পকীকৰণ তথা ৰেলিং নিৰ্মাণ আৰু পাটাছাৰকুছি শিৱ দুৰ্গা ধামৰ আহত গছডালৰ গুৰিটো পকীকৰণেৰে সৌন্দৰ্যবৰ্ধনৰ নিৰ্মাণৰ প্ৰস্তুতি চলাইছে। ইয়াৰ উপৰি ক্লাবৰ তৰফৰ পৰা বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ক্ৰীড়া কাৰ্যসূচী হিচাপে সম্প্ৰতি নিয়মীয়াকৈ সদৌ অসম প্ৰাগজ্যোতি একাংক নাট প্ৰতিযোগিতা আৰু গ্ৰাম্য থলুৱা ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। ইয়াৰ উপৰি ১৬খনকৈ পূৰ্ণাংগ নাট, ৭খন শিশুনাট, ১৪খন একাংক নাট মঞ্চস্থৰ লগতে ৩ টাকৈ শিশু চেমনীয়া নাট কৰ্মশালা, ফুটবল, ক্ৰিকেট, কাৰাটে আদিৰো প্ৰশিক্ষণ অনুষ্ঠিত কৰিছে। কে'বাখনো গ্ৰন্থ প্ৰকাশ আৰু বিভিন্ন দিৱস উদ্‌যাপনৰ লগতে বৃক্ষৰোপণ, চিকিৎসা শিবিৰ, দীপাৱলীত সম্প্ৰীতিৰ আলোকমেলা, বক্তৃতানুষ্ঠান তথা বিভিন্ন সজাগতা সভা, সাংস্কৃতিক সন্ধিয়া আদি অনুষ্ঠিত কৰিছে। আনহাতে, চৰকাৰী অৰ্থসাহায্যত স্বচ্ছ ভাৰত অভিযান আঁচনিৰ অধীনত প্ৰায় ২ হাজাৰ কম খৰচী অনাময় শৌচাগাৰ নিৰ্মাণৰ লগতে আন কে'বাখনো আঁচনি ৰূপায়ণ কৰিছে। বিভিন্ন জনকল্যাণমূলক কৰ্মৰাজিৰে জনপ্ৰিয়তা লাভ কৰি আজি প্ৰাগজ্যোতি ক্লাব সকলোৰে বাবে হৈ পৰিছে এটি চিনাকি নাম।

## প্ৰথম পৃষ্ঠাৰ পৰা—

## মৃত্যুক থুনুকা শিলত কটা

কৰি তোলে। হতাশ, সমস্যাৰ লগত নিজক প্ৰত্যাহ্বান ৰূপত গঢ় দিব নোৱাৰাসকলৰ সন্মুখত এটা প্ৰশ্নই থিয় দি থাকে, জীয়াই থাকি লাভ কি? আত্মহত্যা কৰিলে সকলো সমস্যাৰ সমাধান হৈ যাব নেকি? সমস্যাৰ লগত যুঁজ কৰাৰ পৰিবৰ্তে সংসাৰৰ মায়া-মোহ ত্যাগ কৰি পলায়ন কৰা দুৰ্বল মানুহবোৰে আত্মহননৰ দ্বাৰা নিজক মুক্ত কৰিব বিচাৰে, কিন্তু জীয়াই থকা সকলৰ বাবে চিন্তা নকৰা স্বাৰ্থপৰ লোকসকলৰ সন্মুখত এৰি থৈ যোৱা সমস্যাবোৰৰ কথা কেতিয়াবা চিন্তা কৰেনে? বহু ক্ষেত্ৰত দেখা যায় সমাজৰ গ্লানি, ঋণ পৰিশোধৰ সমস্যাত থকা ব্যক্তিসকলে সপৰিয়ালে আত্মহননৰপথ লোৱা দেখা গৈছে। আত্মহননৰ দৰে জঘন্য পথ গ্ৰহণৰ প্ৰৱণতা মানুহৰ মাজত বৃদ্ধি পোৱাৰ কাৰণ মনোবিজ্ঞানীসকলে বিশ্লেষণ নকৰা নহয়। মনোবিজ্ঞানীয়ে আত্মহননৰ সম্পৰ্কত প্ৰধান কাৰকৰূপে চিহ্নিত কৰিছে সীমাহীন হতাশা, বিষাদ, গ্লানিয়েই মূল কাৰণ। মানুহ সীমাহীন হতাশাৰ সন্মুখীন হৈছিল কৰ'নাসৃষ্ট পৰিৱেশত। কৰ্ম সংস্থাপনহীনতাই ব্যক্তিক মাত্ৰাধিক হতাশগ্ৰস্ত কৰি তুলিলে। জীয়াই থকাৰ দুৱাৰ অনিৰ্দিষ্ট কাললৈ মুক্তি বিচাৰি আত্মহননৰ পথ বাচি লোৱা পৰিলক্ষিত হ'ল। তেনেদৰে পৰীক্ষাত অনুত্তীৰ্ণ, প্ৰেমত বিচ্ছেদ, পৰকীয়া প্ৰেমৰ গ্লানিৰ বাবে বহু লোকে মৃত্যু শ্ৰেয় বুলি গণ্য কৰি আত্মহত্যাৰ দৰে পদক্ষেপ গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। আত্মহনন বা আত্মহত্যাই সমস্যা সমাধানৰ সূত্ৰ হ'ব পাৰে জানো। জীৱনটোক নিজৰ স্বাৰ্থত নিঃশেষ কৰাতো জানো যুক্তি সংগত? মানুহ হিচাপে জীয়াই থাকিবলৈ হ'লে প্ৰতিটো বাধা-বিঘিনিৰ প্ৰত্যাহ্বানক নেওচি সবল ৰূপত গঢ় দিব পাৰিব লাগিব। মানুহ শ্ৰেষ্ঠ হৈও জীয়াই থকাৰ সংগ্ৰামত ব্যৰ্থ হোৱাতো অত্যন্ত চিন্তনীয়। ছাত্ৰ-ছাত্ৰী, শিক্ষক, শ্ৰমিক আদিকে ধৰি ভিন্ন শ্ৰেণীৰ লোকে আত্মহননৰ দৰে কাৰ্যৰ আশ্ৰয় লোৱা ঘটনা ৰাজ্যখনত উদ্বেগজনকভাৱে বৃদ্ধি পাব ধৰিছে। মানৱ সমাজত 'আত্মহত্যা' ঘটনাসমূহ এক মাৰাত্মক মানসিক ব্যাধিৰূপে সংক্ৰমণ হ'ব ধৰিছে। মানুহৰ মনেবোৰত অনবৰতে আত্মহননৰ দৰে ব্যাধিৰ ভাইৰাছ কঢ়িয়াই ফুৰাৰ প্ৰৱণতা দিনক-দিনে বৃদ্ধি পোৱাতো মানৱ সমাজৰ বাবে শুভ লক্ষণ নহয়। মানুহ শিক্ষিত হৈছে আধুনিক প্ৰযুক্তি বিজ্ঞানৰ আৱিস্কাৰৰ দৌৰত নিজক জড়িত কৰি চিন্তা-চেতনাৰ আমূল পৰিবৰ্তন ঘটোৱা মানুহে কিয় আত্মহননৰ দৰে কঠিন পদক্ষেপ অতি সহজতে লৈছে। আমি যদি চাও বিগত ২০১২ চনৰ পৰা ২০২২ চনৰ জুন মাহৰ ভিতৰত ৰাজ্যত ২৮,০৫৬ জন ব্যক্তিয়ে আত্মহননৰ পথ বাচি লৈছে। এনে অস্বাভাৱিক মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে চলোৱা তদন্তত উন্মোচিত হৈছে ভয়ংকৰ ছবি। ২০১৮ চনত ৰাজ্যখনত ২,৩৭৯ গৰাকী ব্যক্তিয়ে অস্বাভাৱিকভাৱে মৃত্যুক আঁকোৱালি লোৱাৰ বিপৰীতে ২০১৯ চনত ২৩৭০ গৰাকী, ২০২০ চনত ৩,২৪৩ গৰাকী আৰু ২০২১ চনত ৩০৯৫ গৰাকী লোকে অস্বাভাৱিকভাৱে মৃত্যু হৈছে। অস্বাভাৱিকভাৱে মৃত্যুক আঁকোৱালি লোৱা ব্যক্তিসকলৰ ভিতৰত ১৫ৰ পৰা ৪৫ বছৰৰ সংখ্যায়েই হৈছে ৯০ শতাংশ। ৰাজ্যত প্ৰতি মাহে গঢ় হিচাবত অস্বাভাৱিক মৃত্যুৰ পৰিসংখ্যা ২৩৩ গৰাকী বৃদ্ধি পাইছে। মুঠতে অসমত অস্বাভাৱিক মৃত্যুক আঁকোৱালী লোৱা ব্যক্তিৰ সংখ্যা প্ৰতিবছৰে সংঘটিত হয় ২ ৮০৬গৰাকী। এনেদৰে দ্ৰুতগতিৰে মানৱ সমাজত বৃদ্ধি পোৱা অস্বাভাৱিক মৃত্যুৰ সংখ্যায়ে উদ্বেগ সৃষ্টি কৰিছে মানুহৰ মাজত। ইয়াৰ উপৰিও বানপানী, প্ৰাকৃতিক দুৰ্যোগত অকালতে প্ৰাণ হেৰুওৱা লোকৰ সংখ্যাকো চেৰ পেলাইছে অস্বাভাৱিক মৃত্যুৰ সংখ্যায়ে। এনেদৰে অস্বাভাৱিক মৃত্যুৰ সংখ্যা হ্ৰাস কৰাৰ নিমিত্তে মানুহৰ মাজত 'সজাগতা'মূলক আলোচনাৰ নিশ্চয় প্ৰয়োজন হৈছে। ছাত্ৰ-ছাত্ৰীৰ মাজত কেৰিয়াৰমূলক সজাগতা অনুষ্ঠানৰ দৰে উঠি অহা প্ৰজন্মৰ মাজত 'আত্মবিশ্বাস' জন্মাব পৰা দিহা-পৰামৰ্শৰে মনোযোগ বিশেষজ্ঞৰে আলোচনামূলক সজাগতা সভা নিতান্তই প্ৰয়োজন আহি পৰিছে। সমাজৰ আত্মহত্যাৰ দৰে ঘটনা উদ্বেগজনকভাৱে বৃদ্ধি পাব ধৰাত বহু অভিভাৱক নিজৰ সন্তানক শাসন কৰাত থমকি ৰ'ব লগা হৈছে। শাসন ব্যৱস্থা কঠোৰ কৰিলেই আত্মহননৰ ভাবুকি প্ৰদান কৰি নিজ পিতৃ-মাতৃক শাসন কৰিবলৈ আৰম্ভ কৰা নতুন প্ৰজন্ম বিপথে গতি নকৰি কোনে কৰিব? উঠি অহা নতুন প্ৰজন্মৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি 'আত্ম প্ৰত্যয়'ৰ মানসিকতা সৃষ্টিৰ তাগিদাত সমাজত সচেতনতাৰ পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত সামাজিক সংগঠনসমূহৰ ভূমিকা অত্যন্ত লক্ষণীয় হ'ব লাগে। আমি সকলোৰেই এদিন মৃত্যু হ'ম। সেই বুলি অস্বাভাৱিক মৃত্যুক আমি স্বাভাৱিকভাৱে লোৱাটো কোনো কাৰণতে গ্ৰহণযোগ্য হ'ব নোৱাৰে।

*ফোন ঃ ৬০০২৭৩৫৫০১*

## ৪ জুলাইত মহাৰাষ্ট্ৰ

আগতে ২ আৰু ৩ জুলাইত অনুষ্ঠিত হোৱাৰ কথা আছিল, কিন্তু এতিয়া ৩-৪ জুলাইত অনুষ্ঠিত হ'ব। আজি বিজেপি বিধায়ক ৰাহুল নাৰ্ভেকাৰে মহাৰাষ্ট্ৰ বিধানসভাৰ অধ্যক্ষ পদৰ বাবে মনোনয়ন দাখিল কৰে। নানা পাটোলেৰ পদত্যাগৰ পিছৰে পৰা মহাৰাষ্ট্ৰ বিধানসভাৰ অধ্যক্ষৰ পদটো যোৱা দুবছৰ ধৰি খালী হৈ আছে। উল্লেখ্য, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল একনাথ সিন্দেই। আনহাতে, উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল দেৱেন্দ্ৰ ফাড়নৱিছে। এক টুইটযোগে গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে বিজেপিৰ সৰ্বভাৰতীয় সভাপতি জে পি নাড্ডাৰ অনুৰোধত ফাড়নৱিছে মন্ত্ৰীসভাৰ সদস্য হ'বলৈ সন্মত হৈছে। তেওঁ মহাৰাষ্ট্ৰৰ জনসাধাৰণৰ সেৱা কৰিব।

## ডিব্ৰুগড় চহৰত কৃত্ৰিম বান

অঞ্চলত কৃত্ৰিম বান। হাহাকাৰ অৱস্থা। নগৰৰ ২২টা ৱাৰ্ডৰ লগতে দাঁতিকাষৰীয়া সকলোতে পানী। বুৰ গৈছে বাসগৃহ, ব্যৱসায়িক প্ৰতিষ্ঠান। কৃত্ৰিম বানৰ স্থায়ী সমাধান নকৰাৰ বাবে আৰু বিজ্ঞানসন্মতভাৱে নলা-নৰ্দমা নিৰ্মাণ নকৰাৰ বাবে ডিব্ৰুগড়ত কৃত্ৰিম বান হোৱা বুলি অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। ইফালে বিধায়ক প্ৰশান্ত ফুকনে কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই বুলি মত প্ৰকাশ কৰিছে। নেৰানেপেৰা বৰষুণৰ বাবে এনে হোৱা বুলি মন্তব্য প্ৰকাশ কৰিছে বিধায়কগৰাকীয়ে।

## বেথুকান্দিৰ ভগ্ন বান্ধ পৰিদৰ্শন

কৰে। তেওঁ সুভাষ হাইস্কুলত স্থাপন কৰা সাহায্য শিবিৰো পৰিদৰ্শন কৰে আৰু তাত আশ্ৰয় লৈ থকা বানাক্ৰান্ত লোকসকলৰ সৈতে বাৰ্তালাপ কৰে। আশ্ৰয় শিবিৰত থকা লোকসকলৰ ঔষধ, শিশুখাদ্যকে ধৰি কোনো ধৰণৰ সাহায্য সামগ্ৰীৰ যাতে অভাৱ নহয় সেয়া নিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে জিলা উপায়ুক্ত মৃদুল যাদৱক নিৰ্দেশ দিয়ে। আশ্ৰয় শিবিৰত থকা বয়োজ্যেষ্ঠ লোকসকলে যাতে প্ৰয়োজনীয় চিকিৎসা লাভ কৰিব পাৰে তাৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবলৈও তেওঁ জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে। বানপীড়িত এলেকা পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীয়ে বানপানীৰ মাজেৰে গৈ ৰাতাবাৰী সমষ্টিৰ অন্তৰ্গত শ্ৰীৰামপুৰ গাঁৱত উপস্থিত হয়। এই গাঁওখন জলমগ্ন হৈ থকা বাবে তেওঁ নাৱেৰে গাঁওখনত উপস্থিত হয় আৰু বানাক্ৰান্ত ৰাইজৰ সৈতে মত-বিনিময় কৰে। এই কঠিন পৰিস্থিতি মোকাবিলা কৰাৰ বাবে গাঁওখনৰ বানাক্ৰান্ত ৰাইজে প্ৰদৰ্শন কৰা সাহসিকতাক তেওঁ প্ৰশংসা কৰে। গাঁওবাসীয়ে যাতে পৰ্যাপ্ত পৰিমাণৰ সাহায্য সামগ্ৰী লাভ কৰিব পাৰে সেয়া নিশ্চিত কৰিবলৈ তেওঁ উপায়ুক্তক নিৰ্দেশ দিয়ে। তেওঁ বানপৰিস্থিতি উপশম হোৱাৰ লগে লগে ক্ষতিগ্ৰস্ত গৃহসমূহ মেৰামতিৰ লগতে তেওঁলোকৰ পুনৰ সংস্থাপন প্ৰক্ৰিয়াক সহায় আগবঢ়াবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবৰ বাবেও কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰীৰামপুৰ গাঁৱত অৱস্থিত ১১৪ নং ৰামকৃষ্ণ নিম্ন প্ৰাথমিক বিদ্যালয়ো পৰিদৰ্শন কৰে আৰু বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সৈতে বাৰ্তালাপ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে শৈক্ষিক কাৰ্যসূচী পুনৰ আৰম্ভ কৰাৰ বাবে বিদ্যালয়খন পুনৰ নিৰ্মাণ কৰিব। বিদ্যালয়খনত বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিশ্চিত কৰিবলৈও তেওঁ বিদ্যালয়খনৰ পৰিচালনা সমিতিক কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই জিলাখনত অব্যাহত থকা সাম্প্ৰতিক বানপৰিস্থিতি সন্দৰ্ভত জিলা প্ৰশাসনৰ সৈতে এক পৰ্যালোচনা বৈঠকত মিলিত হয়। বানপানীৰ পিছৰ পৰিস্থিতিৰ বাবে এক সামগ্ৰিক কাৰ্য পৰিকল্পনা প্ৰস্তুত কৰাৰ লগতে পুনৰ সংস্থাপন আৰু পুনৰ উদ্ধাৰ কাৰ্য যুদ্ধকালীন তৎপৰতাৰে চলাই নিয়াৰ বাবে তেওঁ উপায়ুক্তক নিৰ্দেশ দিয়ে। চৰকাৰে যাতে অতি সোনকালে পুনৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰিব পাৰে তাৰ বাবে ক্ষতিগ্ৰস্ত গৃহ, পুখুৰী আৰু পথৰ তালিকা প্ৰস্তুত কৰাৰ বাবে জৰীপ কাৰ্য চলাবলৈ তেওঁ নিৰ্দেশ দিয়ে। এছিয়াৰ এক বৃহৎ নিৰ্মল পানীৰ হ্ৰদ হিচাপে সোণবিলৰ পৰ্যটনৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে সোনবিলত চৰকাৰে সকলো ধৰণৰ সা-সুবিধাৰে উপলব্ধ এটা উপযুক্ত মানসম্পন্ন অতিথিশালাৰ লগতে এটা ওপঙা সৌৰ শক্তি প্ৰকল্প স্থাপন কৰিব। বানপানীৰ সময়ত আৰু পিছত সময়ে সময়ে চৰকাৰে দি অহা সকলো সাহায্য বানপীড়িতসকলক প্ৰদান কৰিবলৈ তেওঁ উপায়ুক্তক নিৰ্দেশ দিয়ে। এই পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীৰ সৈতে জনস্বাস্থ্য কাৰিকৰী, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সাংসদ কৃপানাথ মাল্লা, বিধায়ক ভৰেশ কলিতা, বিজয় মালাকাৰ, কৃষ্ণেন্দু পাল, ছিদ্দিক আহমেদ উপস্থিত থাকে। আনহাতে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি কাছাৰ জিলাৰ শিলচৰৰ বানপীড়িত এলেকাসমূহো পৰিদৰ্শন কৰে। বানপৰিস্থিতিৰ প্ৰেক্ষাপটত যোৱা ১০ টা দিনৰ ভিতৰতে জিলাখনত তৃতীয়বাৰৰ বাবে তেওঁ উপস্থিত হৈ আজি গুৰুচৰণ মহাবিদ্যালয় প্ৰাংগণত স্থাপন কৰা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে আৰু তাত আশ্ৰয় লৈ থকা বানাক্ৰান্ত ৰাইজৰ সৈতে মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে এই আশ্ৰয় শিবিৰত থকা বানাক্ৰান্ত ৰাইজৰ বাবে স্থাপন কৰা চিকিৎসা শিবিৰটোও পৰিদৰ্শন কৰে। তেওঁ ভাৰত সেৱাশ্ৰম সংঘৰ সদস্যসকলে আশ্ৰয় শিবিৰত থকা লোকসকলৰ বাবে প্ৰস্তুত কৰা খাদ্যৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে আশ্ৰয় শিবিৰত থকা বানাক্ৰান্ত ৰাইজক পুনৰ সংস্থাপনৰ বাবে চৰকাৰে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। তদুপৰি উপযুক্ত অনাময় ব্যৱস্থা, খোৱাপানী, পুষ্টিকৰ খাদ্য ইত্যাদি পৰ্যাপ্ত পৰিমাণে আশ্ৰয় শিবিৰত থকা লোকসকলৰ বাবে উপলব্ধ নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। মুখমন্ত্ৰীয়ে লগতে জিলা উপায়ুক্তৰ কাৰ্যালয়ত আনুষ্ঠানিকভাৱে সাম্প্ৰতিক বানত মৃত্যু হোৱা ১০ জন লোকৰ নিকটাত্মীয়ক এককালীন সাহায্য প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে বানত মৃত্যু হোৱা বাকী লোকসকলকো এককালীন সাহায্য অতি শীঘ্ৰে প্ৰদান কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। আনহাতে মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এক পৰ্যালোচনা বৈঠকত জিলাখনত স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে কোনো ধৰণৰ ক্ৰুটী নাৰাখিবলৈ জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। আশ্ৰয় শিবিৰ আৰু অন্যান্য স্থানত থকা গৰ্ভৱতী মহিলা, দুগ্ধপান কৰাই থকা মহিলা আৰু শিশুসকলক প্ৰয়োজনীয় বিশেষ যত্ন গ্ৰহণ কৰাৰ বাবে তেওঁ জ্যেষ্ঠ বিষয়াসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বৰাক নদীৰ ওপৰত থকা বেথুকান্দিস্থিত ভগ্ন বান্ধও পৰিদৰ্শন কৰে। এই ভগ্ন অংশ পুনৰ নিৰ্মাণৰ বাবে উপযুক্ত মান সম্পন্ন সা-সামগ্ৰী ব্যৱহাৰ কৰিবলৈ তেওঁ অভিযন্তা আৰু বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শন কালত জনস্বাস্থ্য কাৰিকৰী, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সাংসদ ৰাজদ্বীপ ৰয়, বিধায়ক প্ৰমুখ্যে জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে।

## এনডিএৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী

মন্তব্য কৰে। সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত বেনাৰ্জীয়ে কয়, 'যদি বিজেপিয়ে প্ৰাৰ্থীজনৰ বিষয়ে আগতে অৱগত কৰিলে হয়, মই এই বিষয়ে চিন্তা কৰিলোহেঁতেন। সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতিত দ্ৰৌপদী মুৰ্মু জয়ী হোৱাৰ সম্ভাৱনা অধিক।' একে সময়তে, তৃণমূলৰ নেত্ৰীগৰাকীয়ে লগতে কয়— 'জনজাতীয় লোকসকলৰ প্ৰতি আমাৰ সহানুভূতি আছে। যদি বিজেপিয়ে আগতে জনালেহেঁতেন যে তেওঁলোকে ৰাষ্ট্ৰপতি নিৰ্বাচনত এজন জনজাতীয় ব্যক্তিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব, তেন্তে সকলো বিৰোধী দলে একেলগে বহি আলোচনা কৰিব পাৰিলোহেঁতেন। তেওঁলোকে আমাক মাতিছিল আৰু আমাৰ পৰামৰ্শ বিচাৰিছিল। কিন্তু আমি একো কোৱা নাছিলো।' মুখ্যমন্ত্ৰীয়ে লগতে কয়, 'বৃহত্তৰ স্বাৰ্থত ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী নিৰ্বাচন কৰাটো দেশৰ বাবে ভাল হ'লহেঁতেন। মই এতিয়া অকলে একো কৰিব নোৱাৰো। ১৭টা দলে সেইটোৰেই সিদ্ধান্ত লৈছিল। এতিয়া মনোনয়নো দাখিল কৰা হৈছে। আৰু একো কৰিবলগীয়া নাই।' উল্লেখ্য, এনডিএৰ প্ৰাৰ্থীৰ বিৰুদ্ধে বিৰোধী মিত্ৰজোঁটে প্ৰাৰ্থী দিবলৈ মমতাৰ উদ্যোগতে ১৭টা বিৰোধী দল লগ লাগিছে। বিৰোধীয়ে এইবাৰ যশোৱন্ত সিন্‌হাক প্ৰাৰ্থিত্ব দিছে। কিন্তু সিন্‌হাৰ জয়ৰ আশা তেনেই খীণ। এই কথা মমতাই এতিয়া ভালদৰেই বুজি পাইছে।

## নূপুৰেই কিয়, ঘোষকৰ

দাখিল কৰা হৈছে। কলকাতাৰ দুখন থানাতো অভিযোগ দাখিল কৰা হৈছে। কিন্তু বিভিন্ন অজুহাত দেখুৱাই নূপুৰ শৰ্মাই দেশৰ কোনো এখন থানাতে হাজিৰ হোৱা নাই। ইয়াৰ বিপৰীতে নূপুৰ শৰ্মাই উচ্চতম ন্যায়ালয়ত তেওঁৰ বিৰুদ্ধে দাখিল কৰা এজাহাৰ প্ৰত্যাহাৰ কৰিবলৈ আৱেদন জনায়। আৱেদনত তেওঁ কয় যে তেওঁৰ (নূপুৰ শৰ্মা) জীৱনৰ প্ৰতি ভাবুকি আহি পৰিছে। তেনে পৰিস্থিতিত তেওঁ আন কোনো ৰাজ্যলৈ গৈ থানাত হাজিৰ হোৱাটো সম্ভৱ নহয়। সেয়ে তেওঁৰ বিৰুদ্ধে দাখিল কৰা এজাহাৰ খাৰিজ কৰিব লাগে। কিন্তু উচ্চতম ন্যায়ালয়ে অপসাৰিত বিজেপি নেত্ৰীগৰাকীক সকাহ দিয়াৰ পৰিৱৰ্তে ককৰ্থনা কৰি কয় যে নূপুৰ শৰ্মাৰ দায়িত্বহীন মন্তব্যৰ বাবেই দেশৰ এনে পৰিস্থিতি হৈছে। বিতৰ্কিত মন্তব্য কৰাৰ পিছত তেওঁ বহু পলমকৈ ক্ষমা বিচাৰিছিল। তেওঁ এতিয়া ৰাজহুৱাভাৱে ক্ষমা বিচাৰিব লাগে। আদালতে আজি নূপুৰ শৰ্মাৰ আৱেদনৰ শুনানি গ্ৰহণ কৰিবলৈও অস্বীকাৰ কৰে। উল্লেখ্য, টেলিভিছনৰ টক শ্ব'ত নূপুৰ শৰ্মাই পয়গম্বৰ হজৰত মহম্মদৰ বিৰুদ্ধে মন্তব্য কৰাৰ পিছতে ভাৰতকে ধৰি মধ্য প্ৰাচ্যৰ কেইবাখনো দেশত তীব্ৰ প্ৰতিবাদ হৈছিল। এনে প্ৰতিবাদৰ ফলতে কেৱল ভাৰততে একাধিক লোকৰ মৃত্যু ঘটিছে, ধ্বংস হৈছে বহু ৰাজহুৱা সম্পত্তি। মধ্য প্ৰাচ্যৰ কেইবাখনো দেশে ভাৰত চৰকাৰক বিষয়টোক কেন্দ্ৰ কৰি তীব্ৰ সমালোচনা কৰিছিল। বিজেপি নেত্ৰী নূপুৰ শৰ্মা আৰু নবীন জিন্দালক দলৰ প্ৰাথমিক সদস্য পদৰ পৰাও বহিষ্কাৰ কৰা হৈছিল। ইয়াৰ পিছতে নূপুৰ শৰ্মাৰ বিৰুদ্ধে থানাই থানাই এজাৰ দাখিল কৰা হৈছিল। তেওঁৰ জীৱনৰ প্ৰতিও আহি পৰিছিল ভাবুকি। কিন্তু আদালতৰ দ্বাৰস্থ হৈয়ো তেওঁ আজি সকাহ নাপালে।

## কুশতলী অঞ্চলত ঘৰে ঘৰে

আজি কুশতলী অঞ্চলৰ লাউভুৰুঙ্গা গাঁৱৰ হৰমোহন ডেকা, খোৰাগোসাঁই বড়িৰ পল্লৱ লৰম, কোচকাটি গাঁৱৰ দীপাংকৰ বৰদলৈ আৰু মৰিগাঁও থানাৰ অন্তৰ্গত ভঁৰালটোপৰ ৰূপেন্দ্ৰ নামৰ শ্ৰমিকজনৰ মৃতদেহ উদ্ধাৰ হোৱাত আজি মৃত শ্ৰমিকৰ সংখ্যা ৫জনলৈ বৃদ্ধি পালে। পৰিয়ালৰ লোকসকলে হৰমোহন ডেকা, পল্লৱ লৰম, দীপাংকৰ বৰদলৈৰ মৃতদেহ চিনাক্ত কৰে। কালি খোৱা গোহাঁইবড়ী গাঁৱৰ গোপাল ফুকন নামৰ শ্ৰমিকজন নিহত হৈছিল। ইয়াৰ উপৰি ভূমিস্খলনত আহত হোৱা ৫জনকৈ শ্ৰমিক চিকিৎসাধীন অৱস্থাত আছে। উল্লেখ্য যে, ২০-২৫ দিন পূৰ্বে লাহৰীঘাটৰ কুশতলী, খোৱা গোহাঁইবড়ী, লাউভূৰুংগা, কোচকাটি আৰু বৰবড়ী গাঁওসহ ২৩জন শ্ৰমিক মণিপুৰৰ ননে জিলাৰ টুপুলত ৰে'ল লাইন নিৰ্মাণৰ কাম কৰিবলৈ গৈছিল। এই ভূমিস্খলনৰ কবলত পৰিছে মৰিগাঁও জিলাৰ লাহৰীঘাট কুশতলী অঞ্চলৰ ২০জনকৈ শ্ৰমিক। আজি অঞ্চলটোৰ ৪জনকৈ শ্ৰমিক নিহত হোৱাৰ খবৰে এই চাৰিখন গাঁৱৰ ঘৰে ঘৰে কেৱল কান্দোনৰ ৰোল তুলিছে। অকল খোৱা গোহাঁইবড়ী গাঁৱৰে ১০জনকৈ শ্ৰমিক সন্ধানহীন হৈ আছে। নিৰুদ্দেশ হৈ থকা শ্ৰমিককেইজন হৈছে খোৱাগোসাঁইবড়ি গাঁৱৰ হনুমান কোঁৱৰ (৪৭), সনাল কোঁৱৰ (৩০), উৎপল ফুকন (৪০), মমিন ডেকা ৰজা (৪০), আকাশ লৰম (২১), দেৱজিৎ ফুকন (২৩), বগীয়ান্ত লৰম (৪০), ৰামু ফুকন (৩৫), কুশতলীৰ জোনটি বৰদলৈ (২৭), বৰবড়ী গাঁৱৰ তুপেন পাতৰ (৩৪), কল্পজ্যোতি বৰদলৈ (১৯) আৰু বৰপেটাৰ ৰাজু আলী। আনহাতে, আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হৈ থকা শ্ৰমিককেইজন হৈছে কুশতলীৰ প্ৰহ্লাদ বসুমতাৰী (১৯), খোৱাগোসাঁইবড়িৰ মণিৰাম ফুকন (৩৫), ৰমেন ফুকন (৩৩), মহেশ্বৰ ফুকন (৩২) আৰু আমগুৰিৰ জোন বসুমতাৰী (২৪)। উল্লেখ্য যে লাহৰীঘাটৰ আটাইকেইজন শ্ৰমিক মণিপুৰত ৰে'ল লাইন নিৰ্মাণৰ কামত জড়িত আছিল। আনহাতে, আত্মীয়ই নিৰুদ্দিষ্ট শ্ৰমিককেইজনক উদ্ধাৰৰ কাৰণে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কাতৰে অনুৰোধ জনাইছে। ইফালে আজি লাহৰীঘাট সমষ্টিৰ বিধায়ক আছিফ মহম্মদ নাজাৰ সন্ধানহীন আৰু নিহত শ্ৰমিকৰ ঘৰত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয় আৰু শোকস্তব্ধ পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। আনকি মৰিগাঁও জিলাৰ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়ো খোৱা গোহাঁইবড়ীগাঁৱত উপস্থিত হৈ শোকাকুল পৰিয়ালক সাক্ষাৎ কৰে।

## গৌৰৱময় এশ বছৰত ভৰি দিলে অসমৰ ক্ৰীড়া সাংবাদিকতাই

লগতে বৈদ্যুতিন আৰু ইণ্টাৰনেট মাধ্যমতো খেলৰ বাতৰিৰ গুৰুত্ব অধিক।

ষাঠিৰ দশকত অসমত ক্ৰীড়া সাংবাদিকতাই থন ধৰি উঠিলেও ইয়াৰ গজালি মেলিছিল ১৯২৩ চনত। সেইবছৰৰ এক জুলাইৰ দিনা চন্দ্ৰ কুমাৰ আগৰৱালাৰ সাপ্তাহিক 'অসমীয়া'ত শিৰসাগৰত 'ফুটবল খেল' শিৰোনামত অভিভক্ত অসমৰ প্ৰথমটো খেলৰ বাতৰি প্ৰকাশ পাইছিল। একেটা বছৰত একেখন কাকততে দুই ডিচেম্বৰত পলাশবাৰীৰ বেলিৰাম নমশুদ্ৰ নামৰ এজন লেখকৰ ফুটবল খেলা নামৰ এটা বাতৰি নামত প্ৰকাশ হৈছিল। ১৯৩১ চনৰ ১০ জানুৱাৰীত তিনিদিনীয়া অসমীয়াত বিদ্যালয়ৰ খেল প্ৰতিযোগিতাক লৈ এটা খেলৰ বাতৰি প্ৰকাশিত হৈছিল। সেই সময়ছোৱাত ঠায়ে ঠায়ে বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা, স্কুল টুৰ্নামেন্ট আদি অনুষ্ঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত লাহে লাহে কাকতবোৰত প্ৰতিযোগিতাসমূহৰ বাতৰি প্ৰকাশ পাবলৈ ধৰিছিল।

স্বাভাৱিকতে আৰম্ভণিতে অসমীয়া কাকতত খেলৰ বাতৰিয়ে গুৰুত্ব লাভ কৰা নাছিল। খেলৰ সুকীয়া পৃষ্ঠাও নাছিল। বিজ্ঞাপন আহিলে খেলৰ বাতৰি পৃষ্ঠাৰ পৰা আঁতৰাই দিয়াৰ ঘটনা তেনেই স্বাভাৱিক আছিল। কিন্তু দেশৰ লগতে ৰাজ্যৰ ক্ৰীড়া উত্তৰণ তথা গৌৰৱে এতিয়া খেলৰ পৃষ্ঠা বাতৰি কাকত এখনৰ গুৰুত্বপূৰ্ণ অংগ। গৌৰৱৰ বিষয় এয়ে যে চলিত বছৰতে অসমৰ ক্ৰীড়া সাংবাদিকতাই এশ বছৰত ভৰি দিছে আৰু ৰাজ্যজুৰি এই ঐতিহাসিক ক্ষণৰ শতবৰ্ষ উদযাপন কৰা হ'ব। সদৌ অসম ক্ৰীড়া সাংবাদিক সন্থাই ৰাজ্যৰ সাংবাদিকসকলৰ সহযোগিতাত বিভিন্ন আকৰ্ষণীয় কাৰ্যক্ৰমনিকাৰে অসমৰ ক্ৰীড়া সাংবাদিকতাৰ এশ বছৰীয়া জয়ন্তী উদযাপন কৰিব।

অসমত দেশ স্বাধীন হোৱাৰ পিছৰে পৰাই (ষাঠি-সত্তৰৰ দশক) বাতৰি কাকতত নিয়মীয়াকৈ খেলৰ বাতৰি প্ৰকাশিত হৈছিল। অৱশ্যে তেতিয়াও খেলৰ নিৰ্দিষ্ট পৃষ্ঠা নাছিল। অইন বাতৰিৰ লগতে প্ৰকাশ হৈছিল খেলৰ বাতৰি। অসমত ক্ৰীড়া সাংবাদিকতাৰ বাটকটীয়া হৈছে পুলিন দাস। তেওঁ এই সুযোগ লাভ কৰাৰ কাৰণ হ'ল ৰাধা গোবিন্দ বৰুৱাৰ অকৃটিম ক্ৰীড়া প্ৰেম। দাস একেধাৰে খেলুৱৈ, ক্ৰীড়া ধাৰাভাষ্যকাৰ আৰু ক্ৰীড়া সাংবাদিক হিচাপে সমাদৃত। পুলিন দাসে অসমৰ ক্ৰীড়া সাংবাদিকতাক এক অনন্য মাত্ৰা প্ৰদান কৰিছিল। 'দ্য ষ্টেটছমেন', হিন্দুস্তান টাইমছ, 'যুগান্তৰ' কাকতলৈ পুলিন দাসে অসমৰ খেলৰ বাতৰি প্ৰেৰণ কৰিছিল। পুলিন দাসে পাছলৈ 'দা আছাম ট্ৰিবিউন'ৰ ক্ৰীড়া প্ৰতিবেদক হিচাপে নিযুক্তি পায়। ইয়াৰ আগতে তেওঁ চন্দ্ৰ কুমাৰ আগৰৱালাৰ সাপ্তাহিক অসমীয়া আৰু নতুন অসমীয়াতো খেলৰ বাতৰি লিখিছিল। পুলিন দাস 'আছাম ট্ৰিবিউন'ত যোগদান কৰাৰ পাছত তেওঁৰ স্থানত মুৰলী চৌধুৰী নামৰ এজনে নতুন অসমীয়াত খেলৰ বাতৰি লিখিছিল। সেই সময়ছোৱাত বাদল দাসেও খেলৰ বাতৰি লিখিছিল। শান্তিদূত কাকতত প্ৰফুল্ল বৰ্মন নামৰ এজনেও খেলৰ প্ৰতিবেদক হিচাপে সেৱা আগবঢ়াইছিল। সেইসময়ত আছাম ট্ৰিবিউনৰ ক্ৰীড়াৰ সুকীয়া পৃষ্ঠা নাথাকিলেও খেলৰ বাতৰিক গুৰুত্ব দিছিল। আছাম ট্ৰিবিউনত যোৰহাটৰ পৰা তপন দত্ত, নগাঁৱৰ পৰা নুৰুল আমিন, শিলচৰৰ পৰা জে এম পিণ্টো, তেজপুৰৰ পৰা নৃপেন বৰুৱা আৰু ডিব্ৰুগড়ৰ পৰা নৃপেন ঠাকুৰে খেলৰ বাতৰি যোগান ধৰিছিল।

১৯৬৫ চনত জন্ম হৈছিল 'দৈনিক অসম কাকত'ৰ। এইখন দৈনিক কাকত প্ৰকাশৰ পাছত অসমৰ ক্ৰীড়া সাংবাদিকতাই আৰু অধিক গতি লাভ কৰিছিল। দৈনিক অসমত প্ৰেমধৰ শৰ্মাই ক্ৰীড়া সাংবাদিক হিচাপে যোগ দিয়ে। শৰ্মাই ১৯৬৬ চনত কলকাতাত অনুষ্ঠিত ভাৰত - ৰেষ্ট ইণ্ডিজ টেষ্ট শৃংখলা কাভাৰ কৰিছিল। ১৯৮৭ আৰু ১৯৯৬ চনৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাতো ক্ৰীড়া সাংবাদিক হিচাপে গৈছিল তেওঁ। তদুপৰি তেওঁ এছিয়ান স্পৰ্টছ জাৰ্ণেলিষ্ট ফেডাৰেচনৰ বৈঠকত ভাৰতীয় প্ৰতিনিধি হিচাপে বহুকেইখন দেশ ভ্ৰমণ কৰিছিল। অসমীয়া পাঠকেও লাহে লাহে খেলৰ বাতৰিক গুৰুত্ব দিবলৈ লোৱাত নব্বৈ দশকৰ আৰম্ভণিতে অসমৰ বাতৰি কাকতৰ খেলৰ পৃষ্ঠালৈ আমূল পৰিৱৰ্তন আহে। আশীৰ দশকত বলেন্দ্ৰ মোহন চক্ৰবৰ্ত্তীয়ে 'অভিৰুচি'ৰ জৰিয়তে খেলৰ বাতৰি আৰু নিবন্ধ প্ৰকাশ কৰিছিল। আলোচনীখনে জন্ম দিছিল খেলৰ কেইবাগৰাকীও নিবন্ধকাৰক। সমুদ্ৰ গুপ্ত কাশ্যপ, পবিত্ৰ বৰঠাকুৰ, পবিত্ৰ গগৈ, জিতেন গগৈ আছিল জনপ্ৰিয় ক্ৰীড়া নিবন্ধকাৰ।

ডঃ ভবেন্দ্ৰ নাথ শইকীয়া আৰু প্ৰদীপ বৰুৱাৰ মানসপুত্ৰ খ্যাত 'প্ৰান্তিক' আলোচনীয়েও খেলক যথেষ্ট গুৰুত্ব প্ৰদান কৰিছিল। 'প্ৰান্তিক' আলোচনীত খেলৰ বাবে আছে নিৰ্দিষ্ট শিতান। পুলক লাহিড়ীয়ে 'প্ৰান্তিক'ৰ 'ক্ৰীড়াংগন' শিতানৰ জৰিয়তে অসমত খেলৰ সাংবাদিকতাৰ গুৰি বঁঠা ধৰিছিল। অৱশ্যে 'অভিৰুচি'ৰ পূৰ্বে আন কেইবাখনো ক্ৰীড়া আলোচনী প্ৰকাশ পাইছিল। অসমৰ প্ৰথমখন পূৰ্ণাংগ ক্ৰীড়া আলোচনী হ'ল 'ক্ৰীড়াংগন'। লখিমপুৰৰ পৰা আলোচনীখন উলিওৱাত আগভাগ লৈছিল হাৰুনুল ৰছিদ আৰু যতীন শইকীয়া নামৰ দুজন ক্ৰীড়া সংগঠকে। ১৯৮১ চনত আন এখন ক্ৰীড়া আলোচনী 'ষ্টেডিয়াম' প্ৰকাশ পাইছিল। সূৰ্য হাজৰিকাৰ সম্পাদনাত সাপ্তাহিক 'খেল সংবাদ' নামে প্ৰকাশ পাইছিল খেলৰ এখন কাকত। 'বিশ্ব ক্ৰীড়াংগন' নামৰ আলোচনীও প্ৰকাশ হৈছিল। বৰ্তমান গ্ৰন্থ প্ৰকাশক-লেখক চিৰঞ্জীৱ শৰ্মাই প্ৰকাশ কৰি আছে 'অলিম্পিয়া' নামৰ এখন ক্ৰীড়া আলোচনী।

আশী দশকৰ মাজভাগৰ পৰাহে অসমৰ বাতৰি কাকতত খেলৰ সুকীয়া পৃষ্ঠা ৰখা হৈছিল। এইক্ষেত্ৰত দৈনিক জনমভূমি বাটকটীয়া। চেণ্টিনেল গ্ৰুপৰ পৰা প্ৰকাশিত হোৱা 'আজিৰ অসম'ত আৰম্ভণিৰ পৰাই আছিল সুকীয়া খেলৰ পৃষ্ঠা। পৰৱৰ্তী সময়ত 'নতুন দৈনিক', 'আজিৰ বাতৰি'তো খেলৰ বাবে সুকীয়া পৃষ্ঠা ৰখা হৈছিল। সেইসময়ত খেলৰ পৃষ্ঠাক পাঠকৰ মাজত মনোৰম ৰূপত উলিয়াই দিয়াৰ ক্ষেত্ৰত সুবোধ মল্ল বৰুৱা, জিতেন গগৈ, পবিত্ৰ গগৈ আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। সুবোধ মল্ল বৰুৱাই সৰ্বভাৰতীয় ক্ৰীড়া সাংবাদিক ফেডাৰেচনৰ সভাপতি পদো লাভ কৰিছিল। বহুকেইখন দেশ ভ্ৰমণ কৰা বৰুৱাই অষ্ট্ৰিয়াত অনুষ্ঠিত শীতকালীন যুৱ অলিম্পিক, ২০১১ চনৰ ক্ৰিকেট বিশ্বকাপৰ লগতে ইনছিয়নত অনুষ্ঠিত এছিয়ান গেমছ আৰু ২০২১ চনৰ টকিঅ' অলিম্পিকত উপস্থিত আছিল। বৰুৱাই বিখ্যাত ফুটবলাৰৰ লৰালিকাল, জীৱন যৌৱন ক্ৰীড়াংগন, যাত্ৰাৰ আঁৰৰ যাত্ৰা, অসমৰ ফুটবলৰ বৰ্ণিল যাত্ৰা নামৰ গ্ৰন্থও লিখিছে। প্ৰদীপ শৰ্মাৰ সৈতে যুটীয়াভাৱে তেওঁ লিখিছে 'এথেন্সৰ পৰা ছিউল'লৈ শীৰ্ষক আন এখন গ্ৰন্থ। অসম সাহিত্য সভাৰ বঁটা লাভ কৰা প্ৰথম ক্ৰীড়া লেখক বৰুৱা। আনহাতে আছাম ট্ৰিবিউন কাকতৰ হৈ পবিত্ৰ গগৈয়েও বাতৰি সংগ্ৰহৰ বাবে বিদেশ ভ্ৰমণ কৰিছে। গগৈয়ে ব্ৰাজিলত অনুষ্ঠিত ২০১৪ ফিফা বিশ্বকাপ আৰু ২০১৬ চনৰ ৰিঅ' অলিম্পিক কাভাৰ কৰিছিল। তেওঁ পেলে, ডন ব্ৰেডমেন, বিশ্বকাপ ফুটবল নামৰ তিনিখন ৰসগ্ৰাহী কিতাপ লিখিছে। পবিত্ৰ গগৈৰ লগতে সৌৰভ কুমাৰ বৰাই ২০০৪ চনৰ টীম ইণ্ডিয়াৰ পাকিস্তান ভ্ৰমণৰ ৰিপ'ৰ্টিং কৰিবলৈ গৈছিল। ২০১০ চনত নতুন দিল্লীত হোৱা কমনৱেলথ গেমছৰ ৰিপ'ৰ্টিং কৰিবলৈ অসমৰ সকলো কাকতৰ সাংবাদিক থকা দল এটা প্ৰেৰণ কৰিছিল অসম ক্ৰীড়া সাংবাদিক সন্থাই।

২০১২ চনত লণ্ডন অলিম্পিক ৰিপ'ৰ্টিং কৰি কুলপ্ৰদীপ ভাগৱতীয়ে ৰাজ্যৰ লগতে উত্তৰ-পূৰ্বৰ প্ৰথম অলিম্পিক গেমছ কাভাৰ কৰাৰ গৌৰৱ লাভ কৰে। ইয়াৰপূৰ্বে তেওঁ টীম ইণ্ডিয়াৰ প্ৰাক বিশ্বকাপৰ দক্ষিণ আফ্ৰিকা ভ্ৰমণ (২০১০-১১ চন) আৰু বাংলাদেশ-শ্ৰীলংকা-ভাৰতত অনুষ্ঠিত আই চি চি ক্ৰিকেট বিশ্বকাপো (২০১১ চন) আৰম্ভনিৰ পৰা অন্তলৈ ৰিপ'ৰ্টিং কৰিছিল। ২০১২ চনত শ্ৰীলংকাত, ২০১৪ চনত বাংলাদেশত তথা ২০১৬ চনত দেশত হোৱা টি-২০ বিশ্বকাপ ক্ৰিকেটো ৰিপ'ৰ্টিং কৰিছে ভাগৱতীয়ে। ২০১৪ চনত ব্ৰাজিলত হোৱা ফিফা বিশ্বকাপ ফুটবলৰ ৰিপ'ৰ্টিং কৰি তিনিখন বিশ্বৰ মেগা ক্ৰীড়া প্ৰতিযোগিতা ৰিপ'ৰ্টিং কৰা দেশৰ অন্যতম কনিষ্ঠ সাংবাদিকৰূপে পৰিগনিত হয় ভাগৱতী। তদুপৰি অন্য খেলৰ ৰিপ'ৰ্টিং কৰিবলৈও তেওঁ বিদেশলৈ গৈছে। আনহাতে, কেৰালাত ৰাজ্য চৰকাৰে ইউ জি চিৰ সহযোগত মুকলি কৰা দেশৰ প্ৰথমটো ক্ৰীড়া পুথিভঁৰালত বিশ্বৰ সকলো গ্ৰন্থৰ মাজত কুলপ্ৰদীপ ভাগৱতীয়ে লিখা 'ব্ৰাজিল বিশ্বকাপ', 'লণ্ডন অলিম্পিক', 'সপোনৰ বিশ্বকাপ' আৰু 'ভাৰতৰ ভাগ্য বিধাতা' গ্ৰন্থ চাৰিখনে একমাত্ৰ অসমীয়া গ্ৰন্থৰূপে স্থান লাভ কৰিছে। এয়া অসমৰ ক্ৰীড়া সাহিত্যৰ বাবেও গৌৰৱৰ বিষয়।

অসমৰ ক্ৰীড়া সাংবাদিকতাক নতুন মাত্ৰা দি পাঠকক মোহাচ্ছন্ন কৰি ৰখাত মুখ্য ভূমিকা লৈছে পূৰ্বজ্যোতি চুতীয়া, মৃণাল কুমাৰ বৰা, নৱ ঠাকুৰীয়া, মৃনাল তালুকদাৰ, প্ৰনয় বৰদলৈ, দ্বিপজ্যোতি দাস, জয়ন্ত দাস, বিদ্যুৎ কলিতা, সুষিম ঘোষ, হেমন্ত বৰা, পুলিন সাহা, জিণ্টু বৰঠাকুৰ, ৰণজিৎ ভট্টাচাৰ্য, কুমুদ তালুকদাৰ, বিজয় বৰুৱা, বিপুল বৰ্মন ,ধীৰেন শৰ্মা, তৌহিদ আলী তালুকদাৰ, পবিত্ৰ গগৈ , প্ৰশান্ত কুমাৰ বৰা, বিদ্যুত বিকাশ বৈশ্য, আব্দুল গণি, ৰাজদ্বীপ দাস, কৌচভ বৰুৱা, সুমন দত্ত, অৰুণ কুমাৰ দাস, দিগন্ত বৰগোহাঁই, উদয় বৰগোহাঞি, হিলদুল গগৈ, কিশোৰ তালুকদাৰ, সুকুমাৰ মেধি, সোমেশ ডেকা,উমানন্দ জয়চোৱাল, পৱন মৰুলী ঝা, ইমতিয়াজ আহমেদ, পাৰ্থ চক্ৰৱৰ্তী, সঞ্জীৱ শৰ্মা ঠাকুৰ, ৰহমান আলি , কুলেন কলিতা, তীৰ্থ শৰ্মা, ৰাজীৱ শইকীয়া, ৰাজীৱ কলিতা, মুকুট শৰ্মা। মহিলা ক্ৰীড়া সাংবাদিক হিচাপে ৰুমী কোঁৱৰ আৰু প্ৰাৰ্থনা শইকীয়াৰ নাম উল্লেখযোগ্য। প্ৰাৰ্থনাই ২০১০ চনৰ দিল্লী আৰু ২০১৮ চনৰ গল্ডক'ষ্ট কমনৱেলথ গেমছলৈ গৈছিল। বৰ্তমান বৈদ্যুতিন মাধ্যমৰ সৈতে জড়িত বিপুল বৰ্মনেও খেলৰ বাতৰি কাভাৰ কৰিবলৈ বহুকেইখন দেশলৈ নিজস্বৰূপত গৈছে।

ক্ৰীড়াক সাহিত্যৰ ৰূপ দিয়া এজন জ্যেষ্ঠ ক্ৰীড়া সাংবাদিক হৈছে যুগললোচন দাস। দাসে ক্ৰীড়াক উপজীৱ্য কৰি বহু গল্প উপন্যাস লিখিছে। তেওঁ সাহিত্য অকাডেমীৰ শিশু সাহিত্যৰ বঁটাও লাভ কৰিছিল। তেওঁ ক্ৰীড়া গ্ৰন্থ মুঠ ১৬ খন। আনহাতে, জিণ্টু বৰঠাকুৰ, বিপুল বৰ্মন, বিদ্যুত কলিতা, চিৰঞ্জিৱ শৰ্মা, বিতোপন বৰা, মুকুট শৰ্মা, বিশ্বজিত ফুকন আদিয়ে ক্ৰীড়া গ্ৰন্থ ৰছনা কৰিছে। আনহাতে, যোৱা শতিকাৰ পৰাই উদয়াদিত্য ভড়ালী, নিৰোদ চৌধুৰী, শ্যামা প্ৰসাদ শৰ্মা, সুৰেনৰাম ফুকন, মুকুল কলিতা, চন্দন শৰ্মা, দিগন্ত ওজা, সিদ্ধাৰ্থ শংকৰ ডেকা, গুঞ্জন ফুকন, লুইত পাঠক, দিগন্ত চহৰীয়া আদিৰ খেলৰ নিবন্ধ আছিল বহু উচ্চমানৰ।

ক্ৰীড়া সাংবাদিক হিচাপে মফচলীয় অঞ্চলৰ পৰা খেলৰ বাতৰি প্ৰেৰণ কৰাৰ ক্ষেত্ৰত মুছলিম আলী শইকীয়া, গণেশ দত্ত, আব্দুল খালেক, দ্বিজেন্দ্ৰ নাথ দাস, সমীৰ হজাৰিকা আদিৰ অৱদান অনবদ্য। শেহতীয়াকৈ বৈদ্যুতিন সংবাদ মাধ্যমতো ক্ৰীড়াৰ বাতৰিক গুৰুত্বসহকাৰে পৰিবেশন কৰা হৈছে। প্ৰণয় বৰদলৈয়ে এই দায়িত্ব সুচাৰুৰূপে পালন কৰি আহিছে। আনহাতে, নয়ন কুমাৰ ভূএগা, বিনয় কলিতা, ধীৰাজ হাজৰিকা, সুনীল বৰা, শোণিত দাস, মনিন্দ্ৰ দাস, ৰাজু বৰুৱা, হিৰকজ্যোতি মালাকৰ আদিয়ে বৈদ্যুতিন মাধ্যমত সক্ৰীয় ক্ৰীড়া সাংবাদিকতা কৰি আছে। সম্প্ৰতি কেবাটাও ৱেৱ প'ৰ্টেলে নিয়মিতভাৱে খেলৰ বাতৰি প্ৰকাশ কৰে। আনহাতে, আকাশবাণী, গুৱাহাটী কেন্দ্ৰৰ নয়ন প্ৰসাদ আৰু প্ৰবাল শৰ্মাই ক্ৰীড়া সাংবাদিকতাক পৰিথি নথকা ক্ষেত্ৰলৈ লৈ যোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে নিয়মিতভাৱে খেলৰ বাতৰি সম্প্ৰসাৰ কৰি। শেহতীয়াকৈ ৱেৱ পৰ্টেলতো নিয়মিতৰূপত খেলৰ বাতৰি প্ৰকাশ হৈ অধিক প্ৰসাৰ বৃদ্ধি কৰিছে।

*('অসম বিশ্বকোষ'ৰ সহায় লৈ)*

## বৈঠালাংছ'ত আটক গৰুসহ তিনিজন সৰবৰাহকাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ১ জুলাই ঃ** ৰাজ্যত শেহতীয়াকৈ গৰু সৰবৰাহকাৰীৰ উপদ্ৰৱ অব্যাহত থকাৰ মাজতে এইবাৰ পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙতো সংঘটিত হৈছে গৰুচোৰাং সৰবৰাহৰ ঘটনা। প্ৰাপ্ত বাতৰি অনুসৰি, যোৱানিশা জিলা আৰক্ষী তত্বাৱধানত বৈঠালাংছ' আৰক্ষী থানাই এক গোপনসূত্ৰৰ পম খেদি চোৰাং গৰু ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখি আমটেৰেং উপ-আৰক্ষী চকী অধীনৰ ক্ৰ' গাঁওত এখন টাটা মবাইল আৰু এখন বলেৰ' পিক-আপত বাৰটাকৈ চোৰাং গৰুসহ তিনিগৰাকী সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষী দলটোয়ে বাৰটাকৈ গৰুসহ এএচ-০২বিচি-৯৩৮৬ নম্বৰৰ বলেৰ' পিক-আপ আৰু এএচ-০২চিচি-৮০৩৮ নম্বৰৰ টাটা মবাইল দুখনৰ সৈতে কচুৱাৰ ৰুবুল আলি, জুনাইদুল ইছলাম আৰু কামপুৰৰ হজৰত আলিক আটক কৰে। গৰু সৰবৰাহকাৰী দলটোৱে নগাওঁ জিলাৰ অন্তৰ্গত কচুৱাৰ পৰা পশ্চিম কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী মেঘালয় ৰাজ্যলৈ উক্ত চোৰাং গৰুকেইটা নি আছিল বুলি আৰক্ষীসূত্ৰে প্ৰকাশ। উল্লেখযোগ্য যে এইদৰে বহুদিনৰে পৰা আৰক্ষীৰ চকুত ধুলি দি গৰুচুৰি চক্ৰ এটাই চোৰাং গৰু সৰবৰাহৰ ব্যৱসায় চলাই আছে বুলি একাংশ ৰাইজে অভিযোগ আনিছে।

## মোৰাঝাৰত সন্ধানহীন হৈ থকা যুৱকৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ১ জুলাই ঃ** হোজাইৰ মোৰাঝাৰত সংগঠিত হৈছে এক চাঞ্চল্যকৰ হত্যাকাণ্ড। মোৰাঝাৰৰ দীঘলজাৰ গাঁৱৰ ছায়দুল ইছলাম নামৰ এজন যুৱকৰ মৃতদেহ আজি উদ্ধাৰ কৰা হয়। ছায়দুলৰ প্ৰেমিকা জেনিফাৰ খুৱায়েকৰ বাৰীৰ পুখুৰীপাৰৰ পৰা উদ্ধাৰ কৰা হয়। মৃত ছায়দুলক যোৱা ২৭ জুন সোমবাৰৰ পৰা নিৰুদ্দেশ হৈ আছিল। সন্দেহ কৰা হৈছিল ছায়ুদলৰ প্ৰেমিকাৰ পৰিয়ালে ছায়দুলক হত্যা কৰি পুখুৰীপাৰত গাত খান্দি পুতি থৈছিল। আনহাতে, মৃত ছায়দুলৰ পৰিয়ালে কৰা অভিযোগ অনুসৰি যোৱা সোমবাৰে নিশা ছায়দুলক ফোনযোগে বৰহাওৰ ঘৰলৈ মাতি পঠাইছিল প্ৰেমিকা জেনিফাই। তাৰ পাছতেই সন্ধানহীন হৈ পৰে মৃত ছায়দুল। ছায়দুল সন্ধানহীন হোৱাৰ পাছত পৰিয়ালৰ লোকে দেৱস্থান উপ-আৰক্ষী চকীত এজাহাৰো দাখিল কৰিছিল। ছায়দুলক সন্ধান উলিয়াবলৈ আৰক্ষীয়ে তীব্ৰ অভিযান চলাইছিল। অৱশেষত আৰক্ষীয়ে ছাইদুলৰ মৃতদেহ আজি পোৱা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। সম্প্ৰতি ছায়ুদলৰ প্ৰেমিকা জেনিফাৰ খুৰীয়েক আৰু ভিনিয়েক ফাৰুক আহমেদক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে মোৰাঝাৰ আৰক্ষীয়ে।

## কাকপথাৰত আলফা (স্বা)

কেইবাটাও গ্ৰেনেড দলিয়াই উপৰ্যুপৰি গুলীচালনা কৰি পলায়ন কৰে। এনেতে ইয়াৰে জ্ঞান অসম নামৰ আলফাৰ সদস্যজন ঘটনাস্থলীৰ পৰা প্ৰায় ৮০০ মিটাৰমান দূৰৈৰ দ-পথাৰত গুলীবিদ্ধ হৈ পৰি ৰয়। আলফা স্বাধীনৰ দলটোত ৰিকু অসম, মৃগাংক অসম, উদয় অসম, ৰূপম অসম, জ্ঞান অসম আৰু এজন অচিনাক্ত সদস্য আছিল। লেফটেনেণ্ট কৰ্ণেল ৰূপম অসমৰ নেতৃত্বত থকা এই দলটোৰ পৰা সেনা-আৰক্ষীয়ে চাৰিটাকৈ বেগ, কিছু বিস্ফোৰক সামগ্ৰীসহ বহু আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰে। শেহতীয়াকৈ নিহত আলফা সদস্য জ্ঞান অসমৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে, উক্ত সংঘৰ্ষত এটি পশুধন গুলীবৃদ্ধ হোৱা দেখা গৈছে।

## যুৱচামক প্ৰতিষ্ঠান স্থাপনৰ

সাংস্কৃতিক মন্ত্ৰী বিমল বড়াই এই পি এম ই জি পি ২.০ আঁচনিৰ সহায়ত যুৱচামক উদ্যোগ প্ৰতিষ্ঠান স্থাপনৰ জৰিয়তে কিদৰে অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তুলিব পাৰি তাৰ ওপৰত গুৰুত্ব দিবলৈ বিষয়াসকলক আহ্বান জনায়। যুৱচামৰ উন্নয়নৰ ওপৰতে দেশৰ উন্নয়ন নিৰ্ভৰ কৰে বুলি উল্লেখ কৰি এই দিশত যুৱ চামৰ মাজত সজাগতা বৃদ্ধি কৰাৰ বাবেও মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে। এই কৰ্মশালাত উদ্যোগ বিভাগৰ আয়ুক্ত ঐনাম শৰণ কুমাৰ সিঙৰ লগতে জিলা উদ্যোগ কেন্দ্ৰসমূহৰ মহাপ্ৰবন্ধকসকল, খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ বিষয়াসকল তথা বেংক বিষয়াসকল উপস্থিত আছিল।

## দালালিত জড়িত ১০-১৫জনৰ

বেছি দামত মেডিচিন বিক্ৰী কৰে, প্ৰয়োজন নোহোৱা পৰীক্ষা কৰিবলৈ মানুহক বাধ্য কৰে, ব্লাড বেংকত তেজৰ নাটনি থকা ভুৱা খবৰেৰে বহুত দামত তেজ বিক্ৰী কৰে। আমাৰ মানুহ ৰোগীৰ ৰূপত গৈ অভিযান চলাই চাৰিজনক ধৰিলো। তেওঁলোকক ন্যায়িক জিম্মাত দিয়া হৈছে। দৰকাৰ হ'লে পুনৰ আৰক্ষীৰ জিম্মাত ল'ম। মেডিকেলত কোনো অনৈতিক কৰ্ম দেখিলে লগে লগে আৰক্ষীৰে যোগাযোগ কৰক। ব্যৱস্থা লোৱা হ'ব। দালালৰ বিৰুদ্ধে আমাৰ অভিযান অব্যাহত থাকিব। ইপিনে ধুবুৰী মেডিকেল কলেজৰ অধ্যক্ষ জনায়- আমি প্ৰথমৰে পৰা জিলা প্ৰশাসন আৰু আৰক্ষীৰ সহযোগ পাইছো। আমি অ'পিডিত দিনটোত ৯০০ ৰোগী চাওঁ। বহুত মানুহ আহে। বাহিৰত নিৰাপত্তাৰক্ষী দিয়াত বাহিৰা মানুহৰ অহা-যোৱা কমিলেও বন্ধ হোৱা নাই। মই আৰু অধীক্ষকে প্ৰায়ে টহল দিও। লেবৰেটৰীক ৰোগীৰ ৰিপ'ৰ্ট যিমানসম্ভৱ সোনকালে দিবলৈ নিৰ্দেশ দিছো।

## পথ দুৰ্ঘটনাত কথমপি

মাৰে। পূব মেদিনীপুৰৰ মাৰিন্দাত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোৰ ফলত বিধায়কজনৰ গাড়ীখনৰ সন্মুখৰ অংশটো বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। ট্ৰাকখন জব্দ কৰি থানালৈ আনিছে যদিও ট্ৰাকৰ চালকজন পলাতক অৱস্থাত আছে। অৱশ্যে এই দুৰ্ঘটনাত বিধায়ক শুভেন্দু অধিকাৰীয়ে আঘাত নোপোৱাকৈ ৰক্ষা পৰে। জানিব পৰা মতে বিধায়কজনে কাঁথিৰ 'শান্তিকুঞ্জ'ৰ পৰা ওলাই আহি তামলুকলৈ গৈ আছিল। তেওঁ তাত ৰথযাত্ৰা উদ্বোধন কৰাৰ কথা আছিল। এই ঘটনাৰ আঁৰত ৰাজনৈতিক চক্ৰান্ত জড়িত থাকিব পাৰে বুলি বহুতে সন্দেহ কৰিছে যদিও বহুতে আকৌ এয়া নিতান্তই এক দুৰ্ঘটনা বুলিহে কৈছে।

## দেউবালি-কাকতি গাঁৱত

বৰ্তমান কলঙৰ মথাউৰিতে আশ্ৰয় লৈ আছে তেওঁলোকে। কিন্তু কিমান দিনলৈ এনেদৰে মথাউৰিতে বসবাস কৰিব। যোৱা ২১ জুনৰ পুৱতি নিশা পূৰ্বে ১৯৮৬ চন আৰু ২০০৪ চনত কলঙৰ বানে ছিঙা অংশত মথাউৰিৰ তলত সুৰুঙাৰে বোৱা পানীৰ ধাৰা বন্ধ কৰি জলসম্পদ বিভাগৰ কৰ্মচাৰীসকল ব্যস্ত থকাৰ সময়তে সেই ঠাইৰ পৰা প্ৰায় ৩০০ মিটাৰ পশ্চিমে মথাউৰিৰ তলেদি পানী বৈছে বুলি খবৰ পাই জলসম্পদ বিভাগৰ কৰ্মচাৰী তালৈ আহি বালি ভৰ্তি বস্তাৰে ৰিং বনাই থকাৰ সময়তে এটা শব্দ কৰি মথাউৰিটো ছিঙি পানী ব'বলৈ আৰম্ভ কৰিলে। ক্ষন্তেকৰ পাছতে ছিঙা অংশ বহলিব ধৰিলে, ফেনে-ফুটুকাৰে ঢৌ তুলি নাচি নাচি কলং গাঁৱলৈ সোমাই গ'ল। প্ৰথম পানীৰ হেঁচাতে শিৱ প্ৰসাদ নাথ, লম্বোদৰ নাথৰ ঘৰ বানৰ তীব্ৰ সোঁতত ভাঙি যোৱাৰ কিছু সময়ৰ পাছতে পদৰাম নাথৰ দুই পুত্ৰ বাবুল নাথ, কমল নাথৰ ঘৰো বানে ভাঙি নিয়ে। বানৰ বাবে জীৱন বচাবলৈ মথাউৰিলৈ দৌৰ দিয়া পৰিয়ালসমূহে একো উলিয়াব নোৱাৰিলে। পিন্ধি থকা কাপোৰ সাজ, শুদা পেটে চকুলো টুকি মথাউৰিৰ ওপৰৰ পৰা আপোন ঘৰখনৰ এপদ এপদকৈ বানে ভাঙি নিয়া দৃশ্য চাইছে নিজ চকুৰে। অসহায়, কেতিয়াও বিশ্বাস কৰিব নোৱৰা দৃশ্য চাই এতিয়াও সেইসকলে ৰাতি শুৱ নোৱাৰে, মনত পৰে ঘৰখনলৈ। এঘাৰ ঘৰ মানুহ থকা চুবুৰিটোত এতিয়া এটা প্ৰকাণ্ড পুখুৰী। তামোলৰ গছবোৰ হালি ওলাই থকা পূৰ্বৰ ঘৰৰ ভেটিত এতিয়া ৩০ ফুটৰো ওপৰ পানী আছে বুলি জনালে একাংশ লোকে। বাঁহৰ মাজত, গছত ডালত বাকচ, আলমাৰি আজিও লাগি আছে বুলিও ক'লে কেইজনমান যুৱকে। এদিনৰ পাছতেই সোমনাথ দাস, ৰজিত দাস, গহীন দাস, ৰূপজ্যোতি দাস, হেমন্ত দাস, খৰ্গজ্যোতি নাথ আৰু গোলাপ নাথৰ ঘৰ বানে নষ্ট কৰিলে। আৰু বহু ঘৰ নষ্ট হৈছে। অঞ্চলটোলৈ আহিবলৈ ফুলগুৰি-দীঘলদৰি চাৰিআলি, সৰাগাঁও-দীঘলদৰি চাৰিআলি, খাইগড়- মেটেকা-পশ্চিম দীঘলদৰি সংযোগী পথত পানীৰ বাবে অঞ্চলটো বিচ্ছিন্ন হৈ থকাৰ বাবে নাওলৈহে অঞ্চলটোলৈ আহিবলগীয়া হৈছিল। এতিয়া পথৰ পানী নাইকিয়া হোৱাৰ পাছত কালিৰ পৰাহে অঞ্চলটোলৈ গাড়ী যাব পৰা হৈছে। আজি কলঙৰ বানে ছিগা এই স্থানত উপস্থিত হৈ স্ব-চক্ষুৰে দৃশ্য প্ৰত্যক্ষ কৰিলে কৃষিমন্ত্ৰী অতুল বৰাই। ৰহাৰ স্থানীয় বিধায়ক শশীকান্ত দাসক লগত লৈ গাড়ীৰে সৰাগাঁও হৈ দীঘলদৰি চাৰিআলিলৈ আহে। দীঘলদৰি চাৰিআলিৰ পৰা সাংবাদিকৰ মটৰচাইকেলত উঠি ছিগা অংশলৈ যায়। দেওবালি কাকতিগাঁও ভগ্ন মাথাউৰি পৰিদৰ্শন কৰি ভুক্তভোগী পৰিয়ালকেইটাৰ লগত মত বিনিময় কৰি শীঘ্ৰে চৰকাৰী ভূমি প্ৰদানৰ লগতে ঘৰ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। বিধায়ক আৰু মন্ত্ৰীগৰাকীক কাষত পাই ঘৰ হেৰুওৱাসকলে কান্দি কান্দি ক'লে— 'আমাক জীয়াই থকাৰ সুবিধা দিয়ক। তিনিবাৰকৈ ইয়াত মথাউৰি ছিগিল। আমি ইয়াত থাকিব নোৱাৰো। কিবা এটা কৰক।

### ৫৬ শতাংশ অধিক সংগ্ৰহেৰে জুন মাহত জি এছ টি ১.৪৫ লাখ কোটি

# দেশত দ্বিতীয়বাৰলৈ সৰ্বাধিক কৰ সংগ্ৰহৰ অভিলেখ



**নতুন দিল্লী, ১ জুলাই ঃ** দেশত সামগ্ৰী আৰু সেৱাৰ অৰ্থাৎ জি এছ টি সংগ্ৰহৰ ক্ষেত্ৰত জুন মাহত অভিলেখ গঢ়িছে সংশ্লিষ্ট বিভাগে। ইয়াকে লৈ দেশত দ্বিতীয়বাৰলৈ জি এছ টি সংগ্ৰহৰ ক্ষেত্ৰত অভিলেখ সৃষ্টি কৰা বুলি চৰ্চিত হৈছে। উল্লেখ্য যে জুন মাহত মুঠ ১.৪৫ লাখ কোটি টকা সংগৃহীত হৈছে। এই পৰিমাণ পূৰ্বৰ বৰ্ষৰ জুন মাহৰ তুলনাত ৫৬ শতাংশ অধিক বুলি পৰিগণিত হৈছে। আনহাতে চলিত মাৰ্চ মাহৰ পৰা ১.৪০ লাখ কোটি টকাতকৈ নিম্নগামী হোৱা নাই প্ৰতিমাহৰ জি এছ টি সংগ্ৰহ। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে জি এছ টি সংগ্ৰহৰ ক্ষেত্ৰত সংশ্লিষ্ট সকলোকে দায়বদ্ধ কৰিছে। তেওঁ কয় যে প্ৰতিমাহে যাতে ১.৪০ লাখ কোটি টকাৰ নিম্নগামী হ'ব নোৱাৰে তাৰ প্ৰতি সংশ্লিষ্ট বিভাগৰ সকলোৱে দায়িত্বসহকাৰে কামত নিময় হোৱা উচিত। জি এছ টি সংগ্ৰহৰ সৰ্বনিম্ন সীমাৰেখা ১.৪০ লাখ কোটি বুলি তেওঁ আঙুলিয়াই দিছিল। উল্লেখ্য যে চলিত বৰ্ষৰ জুন মাহত সংগৃহীত জি এছ টি নিৰ্বিষ প্ৰকৃততে অভিলেখ সৃষ্টিকাৰী দ্বিতীয় সৰ্ববৃহৎ পৰিসংখ্যা হিচাপে পৰিগণিত হৈছে। যি সময়ত দেশত উৎপাদন হ্ৰাস পাইছে, বিনিয়োগ আৰু বাণিজ্যৰ অৱস্থা মন্দা হৈছে, মুদ্ৰাস্ফীতি উৰ্ধমুখী হৈছে, ডলাৰৰ তুলনাত ভাৰতীয় টকাৰ মূল্য সৰ্বাধিক হ্ৰাস পাইছে, তেনে সময়ত দেশত ৰাজহৱাল টনকিয়াল কৰিবলৈ আৰু অৰ্থনৈতিকভাৱে সবল হ'বলৈ নিশ্চিতভাৱে কৰকাটল সংগ্ৰহ কৰাৰ আৱশ্যকতা অনস্বীকাৰ্য। সেয়েহে কভিডকালীন সময়ে অৰ্থনীতি বিধ্বস্ত কৰি যোৱাৰ পিছত এতিয়া কৰ সংগ্ৰহ অধিক কৰি দেশৰ অৰ্থনৈতিক স্থিতাৱস্থা ঘূৰাই আনিবলৈ চৰকাৰ বদ্ধপৰিকৰ হৈছে। প্ৰকাশিত তথ্য অনুসৰি জুন মাহত চি জি এছ টি সংগৃহীত হৈছে ২৫,৩০৬ কোটি টকা। এছ জি এছ টি সংগৃহীত হৈছে ৩২,৪০৬ কোটি টকা। আই জি এছ টি সংগৃহীত হৈছে পৰিমাণ হৈছে ৭৫,৮৮৭ কোটি টকা। ইয়াৰ লগতে জি এছ টিৰ ক্ষতিপূৰণ হিচাপে আদায় দিয়া হৈছে ১১,০১৮ কোটি টকা। গতিকে পূৰ্ব বৰ্ষৰ জুন মাহত সংগৃহীত জি এছ টিৰ তুলনাত এইবাৰ ৫৬ শতাংশ অধিক পৰিমাণে সংগৃহীত হোৱা বুলি বিত্ত বিভাগে প্ৰকাশ কৰা বুলেটিনত উল্লেখ আছে। অলপতে হৈ যোৱা জি এছ টি কাউন্সিলত এই বিষয়টো দাঙি ধৰা হৈছে আৰু পৰৱৰ্তী জি এছ টি কাউন্সিলৰ বৈঠক অনুষ্ঠিত হ'ব আগষ্ট মাহৰ প্ৰথম সপ্তাহত। তেতিয়া জুলাই মাহৰ সংগৃহীত জি এছ টিৰ নিৰ্দিষ্ট প্ৰকাশ পাব আৰু পূৰ্বৰ মাহ তথা বছৰসমূহত সংগৃহীত জি এছ টিৰ সৈতে তুলনামূলক অধ্যয়ন কৰিবলৈ সুচল হৈ পৰিব।



শুকুৰবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনৰ সৈতে ইউক্ৰেইনৰ পৰিস্থিতি সম্পৰ্কত মুখামুখিকৈ আলোচনা কৰে। লগতে ভাৰত আৰু ৰাছিয়াৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক উন্নত কৰাৰ সমান্তৰালভাৱে বাণিজ্যিক সম্পৰ্ক অধিক গাঢ় কৰিবলৈ সন্মত হৈছে

## ভংগ হ'ল ইজৰাইলৰ সংসদ
### ৪ বছৰত পঞ্চমবাৰলৈ নিৰ্বাচন সন্মুখীন

**জেৰুজালেম, ১ জুলাই ঃ** ইজৰাইলৰ সংসদ ভংগ কৰা হৈছে। অহা ১ নৱেম্বৰত অনুষ্ঠিত হ'ব নিৰ্বাচন। চাৰি বছৰৰ ভিতৰত পঞ্চমবাৰৰ বাবে ইহুদী ৰাষ্ট্ৰখনত নিৰ্বাচন হ'বলৈ গৈ আছে। ইজৰাইলৰ বৈদেশিক মন্ত্ৰী ইয়েৰ লেপিডে এই পৰিস্থিতিত তত্ত্বাৱধায়ক চৰকাৰৰ দায়িত্ব গ্ৰহণ কৰিব। তেওঁৱেই তত্ত্বাৱধায়ক চৰকাৰখনৰ প্ৰধানমন্ত্ৰী হ'বলৈ গৈ আছে। লেপিডে আছিল ইজৰাইলৰ বৰ্তমান মিত্ৰজোঁট চৰকাৰ গঠনৰ মূল উদ্যোক্তা। তেওঁৱেই



চৰকাৰখনৰ প্ৰধান কাৰিকৰ। সেয়ে তেওঁৰ সহকৰ্মীসকলে লেপিডৰ ওপৰতে আস্থা ৰাখি ছে। লেপিডক তত্ত্বাৱধায়ক চৰকাৰৰ প্ৰধানমন্ত্ৰী হিচাপে উন্নীত কৰাৰ সিদ্ধান্ত লোৱাৰ পূৰ্বে বৃহস্পতিবাৰে ইজৰাইলৰ সংসদ ভংগ কৰা হয়। কিয়নো, বৰ্তমানৰ ইজৰাইলৰ প্ৰধানমন্ত্ৰী নাফটালি বেনেটে অৱসৰ লোৱাৰ কথা ঘোষণা কৰিছিল।বিৰোধীয়ে অৱশ্যে কঠিন পৰিস্থিতিটো মোকাবিলা কৰিবলৈ অক্ষম হৈয়েই বেনেট আঁতৰি যোৱা বুলি সমালোচনা কৰিছে। কিয়নো দেশৰ নিৰাপত্তাক লৈ তেওঁৰ ওপৰত নিৰন্তৰ চাপ বৃদ্ধি পাইছে।পেলেষ্টাইনৰ উগ্ৰপন্থীসকলে নিয়মীয়াকৈ ইজৰাইলীসকলৰ ওপৰত আক্ৰমণ কৰি আহিছে। প্ৰাৰ্থনাৰ সময়তো ইজৰাইলী নাগৰিকসকলৰ ওপৰত গুলীচালনা কৰা হৈছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহু আৰু তেওঁৰ সমৰ্থকসকলে এনে পৰিস্থিতিৰ বাবে চৰকাৰক তীব্ৰ সমালোচনা কৰি আহিছে।এনে পৰিস্থিতিত বেনেটৰ চৰকাৰৰ ওপৰত বৈদেশিক নীতিৰ ব্যাপক বিফলতাৰ অভিযোগ উত্থাপিত হৈছে। ৰাষ্ট্ৰসংঘই ইজৰাইলক আল-জাজিৰাৰ এজন সাংবাদিকৰ হত্যাৰ বাবে দোষী সাব্যস্ত কৰিছে। দীৰ্ঘদিনীয়া বন্ধু আমেৰিকাও ইহুদী ৰাষ্ট্ৰখনৰ কাষত থিয় হোৱা নাই। যদিও বেনেটৰ শাসনত ইজৰাইলে আমেৰিকাৰ বন্ধু আৰৱ দেশসমূহত ইয়াৰ প্ৰভাৱ বৃদ্ধি কৰিছিল ই কিন্তু ইৰাণক নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে। ইয়াৰ বিপৰীতে ৰাছিয়া ইৰাণৰ কাষত থিয় হৈছে। ফলস্বৰূপে ৰাছিয়াৰ সৈতে ইজৰাইলৰ সম্পৰ্ক তিক্ত হৈ পৰিছে।এই পৰিস্থিতিত ইয়েৰ লেপিডে ইজৰাইলৰ তত্ত্বাৱধায়ক চৰকাৰৰ দায়িত্ব ল'বলৈ গৈ আছে। বৈদেশিক নীতিত বিফল হোৱাৰ অভিযোগ উঠা লেপিডৰ ওপৰতে অৰ্প কৰিব বিচৰা হৈছে বৰ্তমান ইজৰাইলৰ দায়িত্ব। শুকুৰবাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ সময়ত লেপিড ইজৰাইলৰ ১৪ তম প্ৰধানমন্ত্ৰী হ'ব। তেওঁৰ পূৰ্বসূৰী বেনেট আছিল ইজৰাইলৰ আটাইতকৈ কম সময়ৰ প্ৰধানমন্ত্ৰী।বেঞ্জামিন নেতান্যাহুৱে ১২ বছৰ ধৰি ইজৰাইলৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ইজৰাইলী সেনাৰ এজন প্ৰাক্তন কমাণ্ডো বেঞ্জামিন নেতান্যাহুৱে দীঘলীয়া ১২ বছৰ ধৰি শাসনত আছিল। যেতিয়া নেতান্যাহুক আঁতৰাই নতুন চৰকাৰ ক্ষমতালৈ আহিছিল, তেতিয়া নেতান্যাহুৰ সমৰ্থকসকলে কৈছিল যে বেনেটে বিভিন্ন মতাদৰ্শৰ দলসমূহৰ সৈতে মিত্ৰতা কৰি বেছি দিন শাসনত থাকিব নোৱাৰিব।

### নূপুৰ শৰ্মাক লৈ অসন্তুষ্ট উচ্চতম ন্যায়ালয়
## দেশবাসীৰ ওচৰত ক্ষমা খোজাৰ নিৰ্দেশ

**নতুন দিল্লী, ১ জুলাই ঃ** দেশবাসীৰ ওচৰত নিঃচৰ্ত ক্ষমা খুজিব লাগে নূপুৰ শৰ্মাই। লগতে উচততিমূলক মন্তব্য কৰিলে অন্যান্যসকল বিৰুদ্ধে গোচৰ ৰুজু হ'লেই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। তেনেক্ষেত্ৰত নূপুৰ শৰ্মাক কিয় ৰেহাই দিয়া হৈছে বুলি সৰ্বোচ্চ ন্যায়ালয়ে চৰকাৰক প্ৰশ্ন উত্থাপন কৰিছে। এনেকৈয়ে বিজেপিৰ প্ৰাক্তন মুখপাত্ৰ নূপুৰ শৰ্মা উচ্চতম ন্যায়ালয়ৰ পৰা তীব্ৰ ভৰ্ৎসনাৰ সন্মুখীন হৈছে। নবীৰ ওপৰত তেওঁৰ বিতৰ্কিত মন্তব্যৰ বাবে নূপুৰক দলৰ পৰা নিলম্বিত কৰা হৈছে। অৱশ্যে নূপুৰৰ বক্তব্যৰ পৰিপ্ৰেক্ষিতে দেশৰ বিভিন্ন প্ৰান্তত বিক্ষোভ তথা হিংসাত্মক ঘটনা সংঘটিত হৈছে।এই পৰিস্থিতিত উচ্চতম ন্যায়ালয়ে নূপুৰ শৰ্মাক কয় যে "দেশত যি ঘটি আছে তাৰ বাবে তেওঁৱেই একমাত্ৰ দায়ী"। তদুপৰি উচ্চতম ন্যায়ালয়ে কয় যে নূপুৰ শৰ্মাই টিভিলৈ আহি সমগ্ৰ দেশৰ ওচৰত ক্ষমা বিচাৰিব লাগে।মন কৰিবলগীয়া



যে নূপুৰ শৰ্মাৰ বিৰুদ্ধে দেশৰ বিভিন্ন ৰাজ্যৰ বিভিন্ন আৰক্ষী থানাত অভিযোগ দাখিল কৰা হৈছিল। নূপুৰ শৰ্মাই অভিযোগবোৰ একত্ৰিত কৰি দিল্লীলৈ স্থানান্তৰ কৰাৰ আবেদন লৈ উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছিল।তেওঁ আবেদন জনাই দাবী কৰিছিল যে তেওঁৰ জীৱনলৈ সংশয় আছে। অৱশ্যে নূপুৰৰ আবেদন উচ্চতম ন্যায়ালয়ে খাৰিজ কৰি দিলে।উচ্চতম ন্যায়ালয়ে বিজেপিৰ প্ৰাক্তন মুখপাত্ৰ নূপুৰ শৰ্মাক তীব্ৰ ভৰ্ৎসনা কৰি কয় যে নূপুৰৰ "লেকামহীন মুখ"ৰ বাবে দেশত জুই জ্বলিছে। তেওঁ "উদয়পুৰৰ দৰে দুৰ্ভাগ্যজনক ঘটনাৰ বাবে দায়ী।"শীৰ্ষ আদালতখনে কয়, "আমি সেই বিতৰ্কটো চাইছো। তেওঁ যিধৰণে কথাবোৰ কৈছিল সেয়া দেখিছো। সমগ্ৰ দেশৰ ওচৰত আপুনি ক্ষমা বিচৰা উচিত।"আনহাতে, নূপুৰৰ জীৱনৰ সংশয়ৰ বিষয়টোকলৈ উচ্চতম ন্যায়ালয়ে কয়, "তেওঁ ভাবুকিৰ সন্মুখীন হৈছে নে তেওঁৱেই নিৰাপত্তাৰ বাবে ভাবুকি হৈ পৰিছে?" তেওঁ দেশত অস্থিৰতাৰ পৰিৱেশ সৃষ্টি কৰিছে। আজি সমগ্ৰ দেশতে যি ঘটিছে তাৰ বাবে অকল এই মহিলাগৰাকী দায়ী।"

## একাপ ২০ টকাৰ চাহত ৫০ টকা জি এছ টি
### বিল দেখি চকু কপালত ৰে'লযাত্ৰীৰ ঃ প্ৰতিক্ৰিয়া ৰে'ল কৰ্তৃপক্ষৰ

**নতুন দিল্লী, ১ জুলাই ঃ** যদি কোনোবাই ৰে'লত ভ্ৰমণ কৰাৰ সময়ত ২০ টকাৰ একাপ চাহৰ বাবে ৭০ টকা দিব লগা হয়, তেন্তে যিকোনো যাত্ৰীৰে মূৰতে সৰগ ভাগি পৰাৰ কথা। শেহতীয়াকৈ শতাব্দী এ'ক্সপ্ৰেছত এগৰাকী যাত্ৰীৰ সৈতে ঠিক এনেকুৱাই ঘটিছিল যেতিয়া তেওঁ ২০ টকাত একাপ চাহৰ অৰ্ডাৰ দিছিল। পিছত বিলখন হাতত আহি পৰাত দেখিলে যে সেই চাহৰ বাবে তেওঁ ৭০ টকা দিব লাগিব। সেয়া দেখি তেওঁ হতবাক হৈ পৰে ৰে'লৰ যাত্ৰাৰ পিছত যাত্ৰীগৰাকীয়ে নেটত একাপ চাহৰ বিলো পোষ্ট কৰিছিল। পোষ্টটো বিয়পি পৰাৰ লগে লগে ভাৰতীয় ৰে'লৱেৰ দ্বাৰা ইয়াৰ উত্তৰো দিয়া হয়।যাত্ৰীগৰাকীয়ে ২৮ জুনত শতাব্দী এ'ক্সপ্ৰেছত দিল্লীৰ পৰা ভূপাললৈ যাত্ৰা কৰিছিল। সেই ৰে'লখনতে তেওঁৰ সৈতে এই ঘটনাটো ঘটে।পিছত টুইটাৰত চাহৰ বিল পোষ্ট কৰি ৰে'লযাত্ৰীগৰাকীয়ে লিখিছিল, "চাহৰ মূল্য ২০ টকা আৰু তাৰ বাবে জিএছটি হৈছে ৫০ টকা। সকলো মিলি ৭০টকা। লুণ্ঠন বাদে মই ইয়াক আৰু কি বুলি ক'ব পাৰোঁ?" ইয়াৰ পিছতে আন বহুতেই ভাৰতীয় ৰে'লৰ বিৰুদ্ধে একে ধৰণৰ অভিযোগ উত্থাপন কৰিবলৈ আৰম্ভ কৰে। অৱশ্যে, কিছুমানে কৈছিল




যে ৫০ টকা জিএছটি (সামগ্ৰী আৰু সেৱা কৰ) হিচাপে লোৱা হোৱা নাছিল। ইয়াক সেৱা মাচুল (চাৰ্ভিজ চাৰ্জ) হিচাপে লোৱা হয়।ভাৰতীয় ৰে'লৱেই অৱশ্যে কয় যে ই গ্ৰাহকৰ পৰা এক পইচাতকৈ অধিক মাচুল লোৱা নাই। ২০১২ চনত এই সন্দৰ্ভত এক নিৰ্দেশনা জাৰী কৰা হৈছিল। তাত কোৱা হৈছিল যে যাত্ৰীসকলে ৰাজধানী বা শতাব্দীৰ দৰে ৰে'লত বুকিং কৰাৰ সময়তেই খাদ্যৰ অৰ্ডাৰ বুকিং কৰি ৰাখিব লাগিব। যদি নকৰে, তেন্তে পিছত ৫০ টকাৰ চাৰ্ভিচ চাৰ্জ পৰিশোধ কৰিব লাগিব। লাগিলে সেয়া চাহ একাপেই নহওক কিয়।

### মণিপুৰত নোনে জিলাত ভয়াৱহ ভূমিস্খলন, জিৰিবাম-ইম্ফল সংযোগী ৰে'ল প্ৰকল্পত নিয়োজিত আছিল দুৰ্ভগীয়া শ্ৰমিক-জোৱানসকল
## নিৰুদ্দিষ্ট অৰ্ধ শতাধিকৰ তালিকাত অসমৰো আছে একুৰিজনতকৈ অধিক শ্ৰমিক

**ইম্ফল, ১ জুলাই ঃ** মণিপুৰৰ নোনে জিলাৰ টুপুলত হোৱা ভয়াৱহ ভূমিস্খলনৰ ফলত প্ৰায় ৫০ জন লোক এতিয়াও সন্ধানহীন হৈ আছে। সন্ধানহীন হোৱা ৫০ জন লোকৰ ভিতৰত ২৩ জন টেৰিটৰিয়েল আৰ্মীৰ ২৩ তম পদাতিক বেটেলিয়নৰ। অসমৰ ১৭ জন শ্ৰমিকো এই ঘটনাত সন্ধাহীন হৈ আছে।ইফালে, মণিপুৰৰ নোনে জিলাৰ টুপুলৰ ভূমিস্খলনপীড়িত অঞ্চলৰ পৰা উদ্ধাৰকাৰী কৰ্মীয়ে ৮ জন লোকৰ মৃতদেহ উদ্ধাৰ কৰিছে। নিহত আঠজনৰ ভিতৰত সাতজন টেৰিটৰিয়েল আৰ্মীৰ কৰ্মী বুলি জানিব পৰা গৈছে।এই ভয়াৱহ ভূমিস্খলনৰ ঘটনাত অসমৰ মৰিগাঁও জিলাৰ লাহৰিঘাটৰ ১ জন শ্ৰমিক নিহত হোৱাৰ লগতে ৫ জন শ্ৰমিক গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হৈ আছে। বাকী অসমৰ ১৭ জনকৈ শ্ৰমিক এতিয়াও সন্ধানহীন হৈ আছে। ভূমিস্খলনৰ ফলত মৃত্যু হোৱা অসমৰ শ্ৰমিকজন গোপাল ফুকন (৩২) বুলি চিনাক্ত কৰা হৈছে। চিকিৎসাধীন অৱস্থাত গোপাল ফুকনৰ মৃত্যু ঘটে। গোপাল ফুকনৰ ঘৰ লাহৰিঘাটৰ খোৱাগচাইবাৰী গাঁৱত।আনহাতে, সন্ধানহীন হৈ থকা আন ১৭ জন শ্ৰমিকৰ ভিতৰত আছে লাহৰিঘাট সমষ্টিৰ কোচকাটি গাঁৱৰ দীপংকৰ বৰদলৈ (২৭), হনুমান কোঁৱৰ (৪৭), চানল কোঁৱৰ (৩০), উৎপল ফুকন (৪০), মমিন ডেকা ৰাজা (৪০), খোৱাগচাই বাৰী গাঁৱৰ আকাশ এল, ৰাম (২১), পল্লৱ লোৱাম (২২), দেৱজিৎ ফুকন (২৩), বগ্যন্ত লোৱাম (৪০), ৰামু ফুকন (৩৫), কুশতালীৰ জুনতি বাৰাদ (২৭) আৰু লৌভুৰুঙ্গাৰ হৰমোহন ডেকা (৩০)। তদুপৰি, বাকী সন্ধানহীন হৈ থক আন চাৰিজনৰ নাম এতিয়াও প্ৰকাশ পোৱা নাই। সেইদৰে আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হৈ থকা শ্ৰমিককেইজন হৈছে কুশতালীৰ প্ৰ !াদ বসুমতাৰী (১৯)মণিৰাম ফুকন (৩৫), ৰমন ফুকন (৩৩), মহেশ্বৰ ফুকন (৩২) আৰু আমগুৰিৰ জুন বসুমতাৰী (২৪)।মণিপুৰত ৰে'ললাইন নিৰ্মাণৰ কামত নিয়োজিত লাহৰিঘাটৰ এই শ্ৰমিকসকল ফলত নিৰ্মাণাধীন টুপুল ষ্টেচন ভৱন, ট্ৰেক নিৰ্মাণ আৰু নিৰ্মাণ শ্ৰমিকৰ শিবিৰ বিধ্বস্ত হৈপৰে। জিৰিবামৰ পৰা ইম্ফললৈ নিৰ্মাণাধীন ৰে'লপথৰ সুৰক্ষাৰ বাবে মণিপুৰৰ নোনে জিলাৰ টুপুল ৰে'ল ষ্টেচনৰ ওচৰত নিয়োজিত ভাৰতীয় সেনাৰ ১০৭ টা টেৰিটৰিয়েল



২০ দিন পূৰ্বে ৰাজ্যখনত কাম কৰিবলৈ গৈছিল। বাতৰি প্ৰকাশ পোৱাৰ পিছতে শ্ৰমিকসকলৰ ঘৰত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। শ্ৰমিকসকলৰ পৰিয়ালে সন্ধানহীন হৈ থকা শ্ৰমিকসকলক উদ্ধাৰৰ বাবে অসমৰ মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছে। উল্লেখ্য যে বুধবাৰে নিশা মণিপুৰৰ নোনে জিলাত এক ভয়াৱহ ভূমিস্খলনৰ ঘটনা ঘটে। কেইদিনমান ধৰি হোৱা নেৰানেপেৰা ধাৰাসাৰ বৰষুণৰ বাবে টুপুল ষ্টেচন য়াৰ্ডৰ কাষৰ পাহাৰটোৰ মাটি খহি পৰিছিল আৰু নিৰ্মাণাধীন ষ্টেচনৰ চৌহদলৈ নামি আহিছিল। বৃহৎ ভূমিস্খলনৰ আৰ্মীৰ কোম্পানীৰ অৱস্থানতো ভূমিস্খলনে তীব্ৰ প্ৰভাৱ পেলায়। ভূমিস্খলনৰ ফলত মণিপুৰৰ নোনে জিলাৰ মাখুয়াম গাঁৱত ইজেই নদী সম্পূৰ্ণৰূপে অৱৰুদ্ধ হৈ পৰে। নদীখন মণিপুৰৰ তামেংলং আৰু নোনি জিলাৰ মাজেৰে বৈ গৈছে। এন এফ ৰে'লৱেই জানিবলৈ দি কয়, "ভূমিস্খলনৰ ধ্বংসাৱশেষৰ ফলত অৱৰুদ্ধ হোৱা ইজেই নদীত সৃষ্টি হোৱাৰ বান্ধসদৃশ স্তুপবোৰ ৰাজ্য চৰকাৰৰ অনুৰোধত ৰে'লৱেই ইয়াৰ উপলব্ধ যন্ত্ৰ-পাতি ব্যৱহাৰ কৰি মুকলি কৰে।"

## গাজিয়াবাদৰ উৰণীয়া সেতুত বাইক দুৰ্ঘটনা, মৃত্যু ৩ শ্ৰমিকৰ

**গাজিয়বাদ, ১ জুলাই ঃ** উত্তৰ প্ৰদেশৰ গাজিয়াবাদত বৃহস্পতিবাৰে মাজনিশা এক পথ দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাত তিনিজন শ্ৰমিকে প্ৰাণ হেৰুৱাইছে বুলি প্ৰকাশ পাইছে। উল্লেখ্য যে বৰষুণৰ বাবে উৰণীয়া সেঁতু একপ্ৰকাৰ জলমগ্ন হৈ আছিল। ঘটনা সংঘটিত হৈছিল মাজনিশা ১.১৫ মিনিটত। এই তথ্য চিচিটিভি কেমেৰাৰ পৰা উদ্ধাৰ কৰা হৈছে। সেই সময়ত চাফাই কাৰ্যত জড়িত হৈ আছিল পাঁচজন চাফাই কৰ্মী। কিন্তু এখন দুচকীয়া বাহনে এই চাফাই কৰ্মীকেইজনক প্ৰচণ্ড জোৰত খুন্দা মাৰে। বৰষুণৰ বাবেও দুৰ্ঘটনাত অধিক জটিল পৰিস্থিতিৰ উদ্ভৱ হয় বুলি প্ৰকাশ পাইছে। কিয়নো বাইকে খুন্দিওৱাৰ ফলত তিনিজন চাফাই কৰ্মী উৰণীয়া সেঁতুৰ তলত পৰি গৈছিল। সেই সময়ত উদ্ধাৰ অভিযান সঠিকভাৱে কৰিবলৈ সক্ষম হোৱা নাছিল। মাজনিশা বৰষুণ আৰু দুৰ্ঘটনাৰ সময়ত সৃষ্টি হোৱা জটিল পৰিস্থিতিৰ বাবে তিনিজন শ্ৰমিকে কৰুণভাৱে মৃত্যুমুখত পৰিছে। অৱশ্যে পলমকৈ হ'লেও শ্ৰমিক তিনিজনক উদ্ধাৰ কৰি স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। প্ৰকাশিত তথ্য অনুসৰি ৰজত আৰু বিশাল নামৰ দুজন যুৱকে বাইকত আৰোহী হিচাপে আছিল। আনহাতে আনমল নামৰ শ্ৰমিকজনক তীব্ৰ জোৰত খুন্দা মৰাৰ ফলত তিনিওজনে উৰণীয় সেঁতুৰ তললৈ উফৰি পৰিছিল। প্ৰতিকূল বতৰৰ বাবে উদ্ধাৰ অভিযান সঠিক সময়ত সম্পন্ন কৰিব পৰা নগৈছিল। গতিকে দুৰ্ঘটনাত পতিত কেইজনক উদ্ধাৰ কৰি চিকিৎসা প্ৰদানত বিলম্ব হোৱা বুলি স্থানীয় প্ৰত্যক্ষদৰ্শীয়ে অভিযোগ কৰিছে। ইফালে আনমল নামৰ শ্ৰমিকজনৰ অভিভাৱকে পৌৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে হেমাহি কৰাৰ অভিযোগ উত্থাপন কৰিছে। নিশাৰভাগত চাফাইকাৰ্য সম্পন্ন কৰাৰ সময়ত পৌৰ কৰ্তৃপক্ষই প্ৰতিৰক্ষামূলক কোনো সামগ্ৰীস তথা সজুলি ব্যৱহাৰ কৰিবলৈ দিয়া নাছিল বুলি অভিযোগ কৰিছে।

## কানহায়লালক হত্যাৰ পূৰ্বে আইছিছৰ ভিডিঅ' চাইছিল ৰিয়াজ-ঘোছে

**উদয়পুৰ, ১ জুলাই ঃ** ৰিয়াজ আখতাৰী আৰু ঘোছ মহম্মদ নামৰ দুই ব্যক্তিয়ে ৰাজস্থানৰ উদয়পুৰত কানহায়ালাল টেলি নামৰ দৰ্জীজনক শিৰশ্চেদ কৰি হত্যা কৰিছিল। এই প্ৰকাশ কৰিছে। উল্লেখ্য যে বিজেপিৰ মুখপাত্ৰ নূপুৰ শৰ্মাৰ এক মন্তব্য সমৰ্থন কৰিছিল দৰ্জী কানহায়ালালে। তেওঁ ফেচবুকত সমৰ্থনসূচক মন্তব্য দিয়াৰ পিছত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জামিনত মোকলাই দিছিল। ইয়াৰ পিছৰে পৰা বিভিন্নজনে দৰ্জী কানহায়ালালক ভাবুকি প্ৰদান কৰি আহিছিল। কিন্তু আৰক্ষীয়ে নিৰাপত্তা প্ৰদান নকৰাৰ কাৰণেই এনেদৰে কৰুণ মৃত্যু সাবতি ল'ব লগা হ'ল।



দুই হত্যাকাৰীয়ে বসবাস কৰিছিল উদয়পুৰৰ ধৰ্মীয় সংখ্যালঘু বসতিপ্ৰধান খাঞ্জিপীৰ নামৰ স্থানত। ইফালে দুয়োজন ধৰ্মীয় দিশত অতি গোৰা আছিল বুলি স্থানীয় লোকে মত প্ৰকাশ কৰিছে। তেওঁলোকে ইয়াৰ পূৰ্বে অন্য কোনোবা হত্যাকাণ্ড বা অপৰাধৰ সৈতে জড়িত থকাৰ তথ্য স্থানীয় লোকৰ হাতত নাই। উচৰা ওচৰিকৈ দুয়োজনে বসবাস কৰিছিল আৰু হত্যাৰ কেইদিনমানৰ পূৰ্বৰ পৰা একেটা কোঠাতে আছিল ৰিয়াজ আৰু ঘোষ। আনহাতে প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি তেওঁলোকে মোবাইলত বিগত কিছুদিন ধৰি আইছিছ সন্ত্ৰাসবাদীয়ে কৰা হত্যাকাণ্ডৰ কেতবোৰ ভিডিঅ' প্ৰত্যক্ষ কৰিছিল। এই বিষয়ত স্থানীয় লোকে অৱশ্যে হত্যাকাণ্ডৰ পিছৰ পৰাহে তেওঁলোকৰ সঠিক পৰিচয় লাভ কৰিবলৈ সক্ষম হোৱা বুলি অনুসন্ধান কালত ব্যক্ত কৰিছে। দীৰ্ঘদিন ধৰি অঞ্চলটোত বসবাস কৰি থাকিলেও তেওঁলোকে উপাৰ্জনৰ বাবে কি কাম কৰে সেয়া অৱগত নহয় বুলি স্থানীয় লোকে

## ২৬১১ ঃবাইকৰ বাবে ৫ হাজাৰ টকা দি লৈছিল এই পঞ্জীয়ন নম্বৰ

**উদয়পুৰ, ১ জুলাই ঃ** দৰ্জী কানহায়ালাল টেলিৰ দুই হত্যাকাৰীয়ে ব্যৱহাৰ কৰিছিল এখন দুচকীয়া বাহন। এই বাহনখনৰ পঞ্জীয়ন নম্বৰ ইতিমধ্যে আৰক্ষীয়ে লাভ কৰিছে। লগতে বাইকখন জব্দ কৰিছে। প্ৰত্যক্ষদৰ্শী তথা স্থানীয় লোকৰ ভাষ্য অনুসৰি বাইকখন পঞ্জীয়নৰ সময়ত এই বিশেষ নম্বৰটো লাভ কৰিবলৈ অতিৰিক্তভাৱে পৰিবহণ কাৰ্যালয়ত পাঁচ হাজাৰ টকা প্ৰদান কৰিছিল। উক্ত বাইকখন ব্যৱহাৰ কৰিয়ে হত্যাকাৰী ঘোছ মহম্মদ আৰু ৰিয়াজ আখতাৰীয়ে ঘটনাস্থলীৰ পৰা পলায়ন কৰিছিল। উল্লেখ্য যে ২০১৪ চনৰ পৰা ৰিয়াজ আখতাৰীয়ে পাকিস্তান, নেপাল আদি দেশ ভ্ৰমণ কৰিছিল। আৰক্ষীয়ে উদ্ধাৰ কৰা তেওঁৰ পাছপোৰ্টত উক্ত তথ্যসমূহ লাভ কৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে ৰাজস্থানৰ মূল ৰাজধানীৰ পৰা ৪৫ কিলোমিটাৰ দূৰত্বত উক্ত হত্যাকাৰী দুজনক কৰায়ত্ব কৰিবলৈ সক্ষম হোৱা বুলি তথ্য সদৰী কৰিছিল। দুই হত্যাকাৰীয়ে পলায়ন কৰাৰ খবৰ লাভ কৰাৰ পিছতে আৰক্ষীয়ে তেওঁলোকৰ অনুসন্ধান চলাইছিল আৰু পিছে পিছে খেদি গৈ কৰায়ত্ব কৰিবলৈ সক্ষম হৈছিল। আৰক্ষীৰ এই তৎপৰতা ইতিমধ্যে বিভিন্ন মহলে প্ৰশংসা কৰা দেখা গৈছে। অন্যথা দুই অপৰাধীয়ে আত্মগোপন কৰাৰ সুযোগ লোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।




## সাম্প্ৰতিক পৰিস্থিতিক লৈ উদ্বিগ্ন অমৰ্ত্য সেন!
## প্ৰতিক্ৰিয়া ব্যক্ত নোবেল বিজয়ী অৰ্থনীতিবিদগৰাকীৰ

**নতুন দিল্লী, ১ জুলাই ঃ** সহনশীলতা নহয়, ভাৰতত দৰাচলতে একতাৰ অভাৱ হৈছে। নোবেল বঁটা বিজয়ী অধ্যাপক অমৰ্ত্য সেনে দেশৰ সাম্প্ৰতিক পৰিস্থিতিকলৈ এইদৰেই অনুভৱ কৰে। উদ্বিগ্ন অধ্যাপকগৰাকীয়ে তেওঁৰ এই শংকা লুকুৱাই ৰখা নাই।ৰাজনৈতিক নেতৃত্বকে ধৰি প্ৰশাসনৰ বহু শীৰ্ষ বিষয়াক তেওঁৰ কথাবোৰে অস্বস্তিত পেলাব পাৰে। কিন্তু সেইটো জানিও তেওঁ মুখ বন্ধ কৰি ৰখা নাই। অমৰ্ত্য সেনৰ স্পষ্ট বক্তব্য, 'হয়, মই ক'ম যে এতিয়া ভয় খোৱাৰ কাৰণ আছে। দেশৰ সাম্প্ৰতিক পৰিস্থিতি মোৰ বাবে ভয়ৰ কাৰণ হৈ পৰিছে।''বৃহস্পতিবাৰে চল্টলেকৰ প্ৰতীচী ট্ৰাষ্টৰ এটা অনুষ্ঠানত অংশ ল'বলৈ অমৰ্ত্য সেন কলকাতালৈ আহিছিল। তেওঁ তাত অমৰ্ত্য ৰিছাৰ্চ চেন্টাৰ উদ্বোধন কৰে। তাৰ পিছত তেওঁ 'বেক টু স্কুল' শীৰ্ষক এক আলোচনাত অংশগ্ৰহণ কৰে। তাত তেওঁৰ সৈতে আছিল অনিতা ৰামপাল, জিন ড্ৰিজ, কে শ্ৰীনাথ ৰেড্ডী আৰু এ কে শিৱকুমাৰ। এই অনুষ্ঠানতে নোবেল বঁটা বিজয়ী অধ্যাপকগৰাকীক দেশৰ ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতিৰ বিষয়ে উদ্বেগ প্ৰকাশ কৰা দেখা গৈছিল।তেওঁ অনুষ্ঠানটোত দীঘলীয়া ভাষণ ৰাখিছিল। প্ৰথমে তেওঁ এক বৈচিত্ৰ্যময় ভাৰতৰ ঐক্যৰ পৰম্পৰাৰ বিষয়ে কয়। তুলি ধৰে প্ৰাচীন ভাৰতৰ ইতিহাস। সেই ভাৰত আৰ্যভট্টৰ ভাৰত যেতিয়া ভাৰতে বিজ্ঞানৰ চৰ্চাত বিশ্বত এক দৃষ্টান্ত গঢ়ি তুলিছিল। সেই ভাৰতে বৈদিক সংখ্যাতত্ত্বত ইয়াৰ দক্ষতাৰে সমগ্ৰ বিশ্বক প্ৰভাৱিত কৰিছিল। তেওঁ পিছত অল-বিৰুণিৰ প্ৰসংগ দাঙি ধৰি সেই গৌৰৱময় ভাৰতক বিশ্বই কেনেদৰে চাইছিল সেই দিশতো আলোকপাত কৰে।ইয়াৰ পিছতে অমৰ্ত্য সেনে আধুনিক ভাৰতৰ প্ৰসংগলৈ আহি তেওঁ ইয়াত অতীতৰ ছাঁও বিচাৰি নোপোৱা বুলি মন্তব্য কৰে।তেওঁ কয়, "আজি, যদি মোক কোনোবাই প্ৰশ্ন কৰে, আপুনি কিবা কাৰণত শংকিত? মই ক'ম হয়। ভয় খোৱাৰ যথেষ্ট কাৰণ আছে। কাৰণ মই বিচাৰো দেশখন ঐক্যবদ্ধ হওক। এয়া কোনো সহনশীলতাৰ বিষয় নহয়। মই বিচাৰো দেশখন আগৰ দৰেই ঐক্যবদ্ধ হৈ থাকক। সেইকাৰণে আমি ঐক্যবদ্ধ হৈ থাকিব লাগিব। ঐক্যবদ্ধ হ'ব লাগিব। দেশৰ মানুহে এইটো আৰু ভালকৈ বুজিব লাগিব।"



## জুলি বৰুৱাৰ নৱতম উপন্যাস 'ৰঙা পৰুৱা' উন্মোচনী সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ১ জুলাইঃ** যোৰহাটৰ অগ্ৰণী প্ৰকাশন গোষ্ঠী দিগদৰ্শন প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত জুলি বৰুৱাৰ উপন্যাস 'কিছু প্ৰেম,কিছু বিষাদ'ক পাঠকে আদৰি লোৱাৰ পাছত লেখিকা জুলি বৰুৱাৰ দ্বিতীয়খন উপন্যাস 'ৰঙা পৰুৱা' ৮ জুলাইত উন্মোচন কৰা হ'ব। যোৰহাটৰ দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনত বিয়লি ২ বজাৰ পৰা যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি ড° বাতুল চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা সভাত 'ৰঙা পৰুৱা' উন্মোচন কৰিব সাংবাদিক পেঞ্চনাৰ তথা জ্যেষ্ঠ সাংবাদিক ললিত বৰাই। সাহিত্যিক পেঞ্চনাৰ ডিম্বেশ্বৰী দাস আৰু সাহিত্যিক মৃণালিনী গোস্বামীৰ বন্তিপ্ৰজ্বলন আৰু শিল্পী জীৱন চক্ৰৱৰ্তীৰ মংগলাচৰণেৰে শুভাৰম্ভ হ'ব লগা সভাখনত জুলি বৰুৱাৰ আন এখন গ্ৰন্থ 'তোমাৰ ওঁঠৰ ৰ'দজাকত' উন্মোচন কৰিব যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা ড° জ্যোতিৰেখা হাজৰিকাই। সভাখনত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° বসন্ত গোস্বামী মুখ্য অতিথি, নাট্যকাৰ ড° অখিল চক্ৰৱৰ্তী, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় সম্পাদক কমলনন্দন বৰা, বিজ্ঞানী ড° ঈশ্বৰ চন্দ্ৰ বৰুৱা, সাহিত্যিক পেঞ্চনাৰ নিৰলা গগৈ বৰা, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য দিগন্ত কুমাৰ ভূঞাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব।

## চিন্ময়ী ভূঞাৰে 'চিলেব ইণ্ডিয়া এৱাৰ্ড'




**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ জুলাইঃ** অসমৰ আগশাৰীৰ কণ্ঠশিল্পী চিন্ময়ী ভূঞাই লাভ কৰিলে 'চিলেব ইণ্ডিয়া এৱাৰ্ড'। ৰেব এণ্টাৰটেইনমেণ্টে আয়োজন কৰা এই অনুষ্ঠানত শিল্পী চিন্ময়ী ভূঞাক এই ঈৰ্ষণীয় বঁটা প্ৰদান কৰে বলীউডৰ অভিনেত্ৰী ৰাখী চাৱণ্টে। উল্লেখ্য, কৰ্কট ৰোগৰ সজাগতাৰ অৰ্থে ৰেব এণ্টাৰটেইনমেণ্টে দীৰ্ঘদিন ধৰি গ্ৰহণ কৰি আহিছে ব্যতিক্ৰমী পদক্ষেপ। চিন্ময়ী ভূঞাই লাভ কৰা এই বঁটাই ৰাজ্যবাসীলৈ কঢ়িয়াই আনিছে সুনাম।



গুৱাহাটীত মেনহল পৰিষ্কাৰ কৰিছে গুৱাহাটী পৌৰনিগমৰ কৰ্মচাৰীয়ে, শুকুৰবাৰে

### খাৰুপেটীয়াত মৰণ ফান্দসদৃশ বাঁহৰ সাঁকোৰে যাতায়াত

## যিকোনো মুহূৰ্তত সংঘটিত হ'ব পাৰে অঘটন, শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধলা, ১ জুলাইঃ** খাৰুপেটীয়াৰ এখন মৰণ ফান্দসদৃশ বাঁহৰ সাঁকোৰে ওপৰেৰে শ শ পথচাৰী তথা শিক্ষাৰ্থীৰ যাতায়াত। দৰঙৰ দলগাঁও সমষ্টিৰ অন্তৰ্গত খাৰুপেটীয়া নগৰৰ পৰা ভকতপাৰালৈ যোৱা পথৰ বাহাৰাৰী গাঁৱত প্ৰায় তিনি বছৰ পূৰ্বে প্ৰায় ত্ৰিশ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছিল এটা পকী কালভাৰ্ট। কালভাৰ্টটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ এসপ্তাহ পিছতে টাংনী নদীৰ বানপানীয়ে খহাই নিয়ে কালভাৰ্টটোৰ এটা অংশ। উল্লেখ্য যে কালভাৰ্টটোৰ নিৰ্মাণ কাৰ্যৰ আৰম্ভণিতে নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছিল যদিও বাইজৰ অভিযোগক কোনো গুৰুত্ব নিদিয়ে নিজৰ মুনাফাৰ স্বাৰ্থত ঠিকাদাৰে চলাই গৈছিল কালভাৰ্টৰ নিৰ্মাণ কাম। প্ৰায় তিনি বছৰ ধৰি বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে পথচাৰীসকলে জমৰ যাতনা ভোগ কৰি কালভাৰ্টটোৰ আন এটা অংশৰ ওপৰেৰে যাতায়াত অব্যাহত ৰাখে। কাৰোবাৰ আকস্মিক বেমাৰ হ'লে খাৰুপেটীয়া খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ নিবলৈ বা কৃষিপ্ৰধান অঞ্চলটোৰ কৃষকসকলে উৎপাদিত শাক-পাচলিসমূহ বিক্ৰীৰ বাবে বজাৰ সৰ্বত্ৰ পাচলি বজাৰ বালুগাঁও বজাৰত নিবলৈ ৭-৮ কিলোমিটাৰ বাট ঘূৰি যাবলগীয়া হয়। কিছু দিন পূৰ্বে কালভাৰ্টটোৰ হোৱাত সম্পূৰ্ণৰূপে চলাচল বন্ধ হৈ পৰাত ১১নং বিহদিয়া জিলা পৰিষদ সদস্যা নমিনী মাইনুদ্দিন আহমেদে এখন বাঁহৰ সাঁকো নিৰ্মাণ কৰি দিয়ে যদিও সেয়াও বৰ্তমান ভাঙি-ছিঙি গৈছে। মৰণ ফান্দসদৃশ বাঁহৰ সাঁকোৰ ওপৰেৰে যাতায়াত অব্যাহত ৰাখিছে কেইবাখনো গাঁৱৰ বাইজে। যিকোনো মুহূৰ্তত সংঘটিত হ'ব পাৰে অঘটন। শীঘ্ৰে এটা পকী কালভাৰ্ট নিৰ্মাণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে স্থানীয় বাইজৰ লগতে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদে।

### কুমাৰীকাটাত ২৬ নম্বৰ দৰংগাজুলি ব্লক বিপিএফৰ কৰ্মী সভা সম্পন্ন

## বিটিচিত পৰিৱৰ্তনৰ সপোন দেখুওৱা প্ৰমোদ বড়োৰ সকলো প্ৰতিশ্ৰুতি সম্প্ৰতি মিছা প্ৰতিপন্ন হৈছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১ জুলাইঃ** তামুলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ২৬ নম্বৰ দৰংগাজুলি ব্লক বিপিএফৰ এখন কৰ্মী সভা কালি কুমাৰীকাটাৰ সমীপৰ জামুগুৰি প্ৰাথমিক বিপিএফৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। দৰংগাজুলি ব্লক বিপিএফৰ সভাপতি ফকৰুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত কৰ্মী সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি যুৱ বিপিএফৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক শৰৎ চন্দ্ৰ দাসে কয়— বিটিচিত এতিয়া প্ৰমোদ বড়োৰ নেতৃত্বত ইউপিপিএল-বিজেপি দলৰ অপশাসন চলি আছে। কিয়নো পৰিৱৰ্তন আনিম বুলি মিছা প্ৰতিশ্ৰুতি দিয়া প্ৰমোদ বড়োৰ সকলো প্ৰতিশ্ৰুতি সম্প্ৰতি মিছা প্ৰতিপন্ন হৈছে। বিটিচিত প্ৰমোদ বড়োৰ আয়ুস আৰু বেছি দিন নাই বুলি যুৱ বিপিএফৰ কেন্দ্ৰীয় সম্পাদক শৰৎ চন্দ্ৰ দাসে পুনৰ কয়, বিটিচিত বিজেপি-ইউপিপিএলৰ চৰকাৰ চলি থাকিলেও সেই চৰকাৰ যি কোনো মুহূৰ্তত ভাঙি যাব পাৰে। বিটিচিত পৰিৱৰ্তন আনিম বুলি সম্পূৰ্ণ অবৈধভাৱে চৰকাৰ গঠন কৰা প্ৰমোদ বড়োই আজিলৈ একোৱেই কৰিব পৰা নাই। বিপিএফৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদকগৰাকীয়ে পুনৰ কয়— বিপিএফে সদায় মূল্যবোধৰ ৰাজনীতি কৰি আহিছে। আমি সময়ৰ আহ্বান মানি লৈ বিটিচিবাসীৰ মাজত সোমাই পৰিছো। আমাৰ কৰ্মীসকলক পুনৰ সংঘবদ্ধভাৱে মাৰ বান্ধি গুলাই আহিবলৈ আহ্বান জনাইছো। বিটিচিত শান্তি প্ৰতিষ্ঠা হোৱা বুলি দম্ভালি মাৰি ফুৰা প্ৰমোদ বড়োই নিশা বন্ধিয়াতহে টোপনি মাৰে বুলি কটাক্ষ কৰি বিপিএফৰ কেন্দ্ৰীয় সম্পাদকগৰাকীয়ে কয়— বিটিচিত পৰিৱৰ্তনৰ নামত কেৱল বিপিএফৰ দুৰ্নীতি দেখা পোৱা আৰু সততে হাগ্ৰামাক জে'ললৈ প্ৰেৰণ কৰিব খোজা প্ৰমোদ বড়োৱে নিজেই জে'ললৈ যাবলৈ সাজু হৈ থাকক। কিয়নো শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা বিটিচিৰ উন্নয়নৰ বাবে অহা ২৭১ কোটি টকা কাম কৰিব নোৱাৰি ঘূৰাই পঠোৱা প্ৰমোদ বড়োৰ নেতৃত্বত সম্প্ৰতি বিটিচিত কোটিকোটীয়া আঁচুৰা কেলেংকাৰি সংঘটিত হৈছে। সভাত উপস্থিত থাকি তামুলপুৰ জিলা বিপিএফৰ উপ-সভাপতি চিনাকান্ত বসুমতাৰীয়ে কয়, হাগ্ৰামা মহিলাৰীয়ে বনোৱা ৰাস্তাৰে চাইকেল বজাই ঘূৰি ফুৰা প্ৰমোদ বড়োৰ প্ৰতি এতিয়া বিটিচিবাসীৰ মোহ ভংগ হৈছে। ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হৈ বিটিচিত চৰকাৰ গঠন কৰিবলৈ বিপিএফ দলে সক্ষম নহ'লেও ২০২৫ বৰ্ষত বিটিচিত পুনৰ হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত বিপিএফে চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ব। বিটিচিত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফৰ এতিয়াও বিটিচিত চৰকাৰ গঠন কৰিব পৰাকৈ এমচিএলএ আছে। প্ৰমোদ বড়োৰ কাম-কাজত অসন্তুষ্ট ইউপিপিএল, বিজেপিৰ বহুকেইজন এমচিএলএ বিপিএফত চামিল হ'বলৈ সাজু হৈ আছে। দলটোক অধিক শক্তিশালী কৰি তুলিবলৈ বিপিএফৰ কৰ্মীসকলক দলৰ হৈ কাম কৰি থাকিবলৈ আহ্বান জনায় চিনাকান্ত বসুমতাৰীয়ে। সভাত বিপিএফৰ দলৰ কেন্দ্ৰীয় উপ-সভাপতি গীতানন্দ নাৰ্জাৰীয়েও দলীয় কৰ্মীসকলক উদ্দেশ্যি ভাষণ দিয়ে। দৰংগাজুলি ব্লক বিপিএফৰ সাধাৰণ সম্পাদক কমল উজিৰে আঁত ধৰা সভাখনত বিপিএফৰ দলৰ সাংগঠনিক সম্পাদক খনিন্দ্ৰ নাথ দাস, তামুলপুৰ জিলা বিপিএফৰ সাংগঠনিক সম্পাদক অনিল কলিতা, দৰংগাজুলি ব্লক বিপিএফৰ উপ-সভানেত্ৰী হাচিনা বেগম, সম্পাদক নমল কলিতা, সম্পাদিকা ৰশ্মী দাস দৈমাৰীৰ লগতে দুই শতাধিক দলীয় কৰ্মকৰ্তা উপস্থিত থাকে। আজিৰ সভাতে শুক্ৰেশ্বৰ বাডাক সভাপতি, অৱনী দাসক সাধাৰণ সম্পাদক হিচাপে লৈ ১ নম্বৰ দক্ষিণ কুমাৰীকাটা প্ৰাথমিক বিপিএফৰ সমিতি, ৰঞ্জন আলীক সভাপতি আৰু লেবেন্দ্ৰ দৈমাৰীক সাধাৰণ সম্পাদক হিচাপে ১নম্বৰ দক্ষিণ কুমাৰীকাটা প্ৰাথমিক যুৱ বিপিএফৰ সমিতিৰ লগতে ৰাধিকা দৈমাৰীক সভানেত্ৰী আৰু বিভা দাসক সাধাৰণ সম্পাদিকা হিচাপে লৈ ১নম্বৰ দক্ষিণ কুমাৰীকাটা প্ৰাথমিক মহিলা বিপিএফ সমিতিখন গঠন কৰা হয়।

### গোৱালপাৰাত আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত

## শক্তিশালী বিশেষ শিশু আৰক্ষী গোটৰ প্ৰতীকী ৰূপৰ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ১ জুলাইঃ** গোৱালপাৰাত অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত। অসম আৰক্ষীৰ শিশুমিত্ৰ আঁচনিৰ অধীনত আৰক্ষীসকলৰ বাবে শক্তিশালী বিশেষ শিশু আৰক্ষী গোটৰ শুভ উদ্বোধনৰ বাবে উপস্থিত হয় আৰক্ষী সঞ্চালক প্ৰধান মহন্ত। গোৱালপাৰাৰ নটবৃন্দ ফণী শৰ্মা ভৱনত আয়োজিত এক অনুষ্ঠানত অসম আৰক্ষীৰ বাবে প্ৰতিখন থানাৰ বাবে শক্তিশালী বিশেষ শিশু আৰক্ষী গোটৰ প্ৰতীকী ৰূপত শুভ উদ্বোধন কৰে আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই। বন্তি প্ৰজ্বলনৰ অন্তত প্ৰতীকী ৰূপত ডিজিপি ভাস্কৰজ্যোতি মহন্তই শক্তিশালী বিশেষ শিশু আৰক্ষী গোট শুভ উদ্বোধনৰ পাছতে দিয়া ভাষণত শিশু নিৰ্যাতনৰ ঘটনা ৰাষ্ট্ৰীয় পৰ্যায়ৰ তালিকাখনত অসমৰ স্থান সন্তোষজনক নহয় বুলি উল্লেখ কৰে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে বৰ ভাল পোৱা নাই বুলিও উল্লেখ কৰে। গতিকে অসম আৰক্ষীৰ এই শক্তিশালী বিশেষ শিশু আৰক্ষী গোটৰ জৰিয়তে প্ৰতিখন থানাই চিহ্নিতকৰণ ভিতৰত বিশ শতাংশ শিশু নিৰ্যাতনৰ গোচৰ নিষ্পত্তি কৰিব লাগিব বুলি নিৰ্দেশনা দিয়ে।

## পাকাবেতবাৰীত ৰাইজে গাঁঠিৰ ধনেৰে মেৰামতি কৰিলে পথ

### কাণসাৰ নাই জনপ্ৰতিনিধিৰ, ক্ষুব্ধ ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাকাবেতবাৰী, ভকতভৰা, ১ জুলাইঃ** সম্প্ৰতি ৰাজ্যৰ বানপানীৰ পৰিস্থিতি কিছু উন্নত হৈছিল যদিও বিগত দুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত বৰপেটা জিলাৰ নৈ-উপ নৈসমূহৰ জলপৃষ্ঠ পুনৰ বৃদ্ধি পাই উঠা পৰিলক্ষিত হৈছে। ফলত জিলাখনৰ বিভিন্ন অঞ্চলৰ পানী বৃদ্ধি পোৱা দৃষ্টিগোচৰ হৈছে। পিছে এনে সন্ধিক্ষণত ৪৬নং সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিভিন্ন বাট-পথ ভাঙি-ছিগি কদৰ্যৰূপ ধাৰণ কৰাৰ লগতে ঠাইবিশেষে 'দ' খাৰৈত পৰিণত হৈছে। যাৰ বাবে সৰ্বসাধাৰণ পথচাৰী ৰাইজে অকল গাড়ী-মটৰ দূৰৰ কথা খালী মানুহ অহা-যোৱা কৰাৰো অনুপযোগী হৈ পৰিছে। এনে এক পথ হৈছে সমষ্টিটোৰ অন্তৰ্গত পাকাবেতবাৰী চাৰিআলিৰ পৰা নিত্যানন্দ তিনিআলি চ'ক দৈনিক বজাৰলৈ যোৱা পথ। সম্প্ৰতি পথছোৱা যাতায়াতৰ ক্ষেত্ৰত অচলাৱস্থা হোৱাত যমৰ যাতনা ভুগিছে শ শ পথচাৰী ৰাইজে। সেয়ে আজি পাকাবেতবাৰী চাৰিআলিৰ কাষত উক্ত পথটো 'দ' খাৰৈত পৰিণত হোৱাত স্থানীয় সমাজ সচেতন ৰাইজে নিজৰ বুজন পৰিমাণৰ গাঁঠিৰ ধন খৰচ কৰি ইটা, বালি আৰু শিলেৰে মেৰামতি কৰি যাতায়াতৰ বাবে সুচল কৰি তোলে। উল্লেখ্য যে বানপানীত ব্যাপক ক্ষতিগ্ৰস্ত হোৱা বাট-পথ তথা বৃহত্তৰ পাকাবেতবাৰী অঞ্চলৰ ভু-ল'বলৈ জনপ্ৰতিনিধিসকলৰ আহৰি নোপোৱাত ক্ষুব্ধ হৈ পৰিছে স্থানীয় ৰাইজ। সেয়ে এইক্ষেত্ৰত চৰকাৰ তথা জিলা প্ৰশাসনৰ দৃষ্টি নিক্ষেপৰ বাবে ৰাইজে দাবী জনাইছে।

## ডিমৌত চিএলপি এবেকাছ এণ্ড বেদিক মেটছ কেন্দ্ৰৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১ জুলাইঃ** ডিমৌ বহুমুখী ভৱনত কালি চিএলপি এবেকাছ এণ্ড বেদিক মেটছ কেন্দ্ৰৰ এক শুভাৰম্ভণী অনুষ্ঠান অনুষ্ঠিত হয়। আজি শুভাৰম্ভ হোৱা এই কেন্দ্ৰটিয়ে ডিমৌ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ কণ কণ শিশুসকলৰ লগতে কিশোৰ-কিশোৰীসকলৰ মানসিক, বৌদ্ধিক বিকাশত সহায় হোৱাৰ উদ্দেশ্যে আৰম্ভ কৰিছে। এই শুভাৰম্ভণী অনুষ্ঠানত শতাধিক কণ কণ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি তেওঁলোকৰ প্ৰতিভাসমূহ উপস্থিত ৰাইজৰ আগত দাঙি ধৰে। অনুষ্ঠানটোত ডিমৌ অঞ্চলৰ ভালেসংখ্যক বিশিষ্ট নাগৰিকৰ উপৰি মৰাণ মহিলা মহাবিদ্যালয় ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক অজয় কুমাৰ গগৈ, ডিমৌ সমগ্ৰ শিক্ষা অভিযানৰ সমন্বয়ক শেখৰজ্যোতি দুৱৰী, শিৱসাগৰ কেন্দ্ৰৰ পৰিচালক মুজামিল হক, কেন্দ্ৰৰ মুখ্য কাৰ্যালয় ৰিণী বুঢ়াগোহাঁইৰ উপৰি ডিমৌৰ ভালেকেইগৰাকী সাংবাদিক উপস্থিতিত এই চিএলপি এবেকাছ এণ্ড বেদিক মেটছ কেন্দ্ৰটো শিশুসকলৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰে। আজিৰ এই অনুষ্ঠানটোৰ আঁত ধৰে কেন্দ্ৰ পৰিচালক হিৰকজ্যোতি দত্ত আৰু উদ্দেশ্য ব্যাখ্যা কৰে ডিমৌ কিণ্ডাৰ গাৰ্ডেনৰ অধ্যক্ষ পল্লৱিকা গগৈয়ে। অনুষ্ঠানত অভিভাৱকসকলৰ লগতে ডিমৌৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

## টুকটুকী ছায়া স্মৃতি এম ই মোক্তাবত ভৱানন্দ নাথৰ বিদায় সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, টুকটুকী, ১ জুলাইঃ** নগাঁও জিলাৰ বটদ্ৰৱা শিক্ষা খণ্ডৰ অন্তৰ্গত টুকটুকী ছায়া স্মৃতি মোক্তাবত কালি এখন বিদায় সভা অনুষ্ঠিত হৈ যায়। প্ৰাক্তন প্ৰধান শিক্ষক আব্দুল ৰেজাকৰ সভাপতিত্বত ধিং মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক পংকজ কুমাৰ বৰাই ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি কয় যে– 'আজি এই প্ৰতিযোগিতাৰ যুগত নিজকে আগুৱাই নিবলৈ হ'লে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। সময়ে সেই পৰিশ্ৰমৰ মূল্য দিব। সভাখনত উপস্থিত থাকি টুকটুকী প্ৰেছ ক্লাবৰ মুখ্য উপদেষ্টা নিতুমণি গোস্বামীয়ে কয়– 'জীৱন মানেই সংগ্ৰাম।' জীৱন গঢ়ি তুলিবলৈ হ'লে সময়ৰ লগত মিলি যাব লাগিব। তেওঁ লগতে আৰু কয় যে- আজি বিদ্যালয়খনৰ পৰা চৰকাৰীভাৱে বিদায় দিবলৈ ওলোৱা বিজ্ঞান শিক্ষক ভৱানন্দ নাথে 30 বছৰে শিক্ষকতা কৰি ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলটোলৈ যি অৱদান আগবঢ়ালে সেয়া আজিৰ সমাজ আপোনাৰ ওচৰত চিৰ ঋণী হৈ ৰ'ব। মোক্তাবখনৰ প্ৰধান শিক্ষক জেহিৰুল ইছলামে আঁত ধৰা অনুষ্ঠানত প্ৰাক্তন প্ৰধান শিক্ষক আবেদ আলী, আবুল হাছিম, কিশোৰ কুমাৰ নাথৰ লগতে বিদায়ী শিক্ষক ভৱানন্দ নাথে তেওঁৰ শিক্ষকতা জীৱনৰ কৰ্মৰাজিৰ ওপৰত ভাষণ প্ৰদান কৰে। সভাত বিদ্যালয়ৰ সভাপতি তথা টুকটুকী প্ৰেছ ক্লাবৰ সভাপতি জালাল উদ্দিন আহমেদ, শিক্ষক নজৰুল ইছলাম, হিবজুৰ ৰহমান, চি আৰ চি নুৰুল হকৰ লগতে বিদ্যালয়ৰ শিক্ষক গোট, ছাত্ৰ-ছাত্ৰী আৰু নিমন্ত্ৰিত লোক উপস্থিত আছিল।

## বিশ্বনাথ জিলা সাহিত্য সভাৰ কবি সন্মিলনৰ উপ-সমিতিৰ উদ্যোগত কবিতা পাঠ অনুষ্ঠানৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১ জুলাইঃ** বিশ্বনাথ জিলা সাহিত্য সভাৰ কবি সন্মিলনৰ উপ-সমিতিৰ উদ্যোগত কোমোৰাকাটি চৰ-চাপৰি শাখা সাহিত্য সভাৰ আতিথ্যত ৫ জুলাই, মঙলবাৰে এটি স্ব-ৰচিত কবিতা পাঠ আৰু আবৃত্তি অনুষ্ঠান আয়োজন কৰা হৈছে। পুৱা ৮.৪৫ বজাত পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ হ'ব লগা স্ব-ৰচিত কবিতা আবৃত্তি অনুষ্ঠান উদ্বোধন কৰিবপদ্মশ্ৰী ড° সূৰ্যকান্ত হাজৰিকাই। অনুষ্ঠানত সমীক্ষকৰূপে উপস্থিত থাকিব বিশিষ্ট কবি দিলীপ কুমাৰ ভট্টাচাৰ্য, সমালোচক হিচাপে ড° উৎপল শইকীয়া, সন্মানীয় অতিথি হিচাপে বিশ্বনাথ জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি হিৰণ্য হাজৰিকাই অংশগ্ৰহণ কৰিব। জিলা সমিতিৰ পত্ৰিকা সম্পাদক অৰ্পণা শইকীয়া দাসৰ এখন গ্ৰন্থ আৰু চেঙামাৰীৰ বাবুল মহলীয়াৰ এখন গ্ৰন্থসহ দুখন গ্ৰন্থ উন্মোচন কৰা হ'ব। উন্মোচন কৰিব জিলা সাহিত্য সভাৰ সন্মানীয় উপ-সভাপতি দিলীপ কুমাৰ শৰ্মা আৰু হৰিপ্ৰসাদ উপাধ্যায়ে। আবৃত্তি অনুষ্ঠানৰ সঞ্চালনা কৰিব জিলা সাহিত্য সভাৰ সভাপতি গোলাপ বৰাই। পতাকা উত্তোলন কৰিব শাখা সাহিত্য সভাৰ সভাপতি মঃ নুৰ কাছিম আহমেদে। প্ৰাক্তন সভাপতি প্ৰমুখ্যে আন কেইবাগৰাকীয়েও গছপুলি ৰোপকৰূপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত অসম চৰকাৰৰ গণেশ গগৈ বঁটাৰে বিভূষিত অবিভক্ত শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বংশী বৰায়ো অনুষ্ঠানত অংশগ্ৰহণ কৰিব। জিলা সাহিত্য সভাৰ বিষয়ববীয়াৰ লগতে শাখা সাহিত্য সভাৰ সভাপতি-সম্পাদক, দুগৰাকী কবিসহ যথাসময়ত উপস্থিত থাকিবলৈ জিলা সাহিত্য সভাৰ সম্পাদক অপূৰ্ব ফুকনে আহ্বান জনাইছে।

## আই চি আই চি আই বেংকৰ মৰিগাঁও শাখাৰ উদ্যোগত বানপীড়িত পৰিয়ালক সাহায্য প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ১ জুলাইঃ** আই চি আই চি আই বেংকৰ মৰিগাঁও শাখাই বিগত কেইবাদিনো ধৰি মৰিগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত কলবাৰী, শিঙিমাৰী, বাকৰি চুবুৰি, ১নং মৰাকলং, ফৰেষ্ট গেট, খান্দাজান, বিলৰমুখ, বাছনাঘাট, আজাৰবাৰী, কৰৈবাৰী, মেৰুবাগাঁও আদি বিভিন্ন বানবিধ্বস্ত পৰিয়াললৈ প্ৰায় পঁচিছ লাখ টকা মূল্যৰে ২০০০টা বানত ক্ষতিগ্ৰস্ত পৰিয়ালৰ মাজত আই চি আই চি আই বেংক ফাউণ্ডেচনৰ তৰফৰ পৰা বিভিন্ন ধৰণৰ বাচন-বৰ্তন বিতৰণ কৰে। বিশেষকৈ আইচিআইচিআই বেংক মৰিগাঁও শাখাৰ প্ৰবন্ধক ধ্ৰুৱজ্যোতি দত্তৰ নেতৃত্বত সহঃ শাখা প্ৰবন্ধক স্বৰনম লস্কৰ, বেংক বিষয়া মিলি বেগমৰ তত্ত্বাৱধানত উল্লিখিত অঞ্চলসমূহত বান সাহায্য বিতৰণ কৰে। তেওঁলোকৰ এই কাৰ্যক্ৰমত মৰিগাঁও জিলা প্ৰশাসনৰ অন্তৰ্গত মৰিগাঁও চক্ৰ বিষয়া কাৰ্যালয়ৰ দিলীপ কলিতা, ৰিতু বিকাশৰ লগতে মৰিগান মৰিগাঁও জিলা বিশিষ্ট সমাজকৰ্মী তথা অসম চক্ৰ বঁটাপ্ৰাপক তথা তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য খগেন চন্দ্ৰ বৰদলৈয়ে সুন্দৰভাৱে বানবিধ্বস্ত পৰিয়ালসমূহৰ মাজত সামগ্ৰীসমূহ বিতৰণ কৰে। উক্ত সামগ্ৰীসমূহ লাভ কৰি বানাক্ৰান্ত ৰাইজে আইচিআইচিআই বেংক ফাউণ্ডেচন কৰ্তৃপক্ষৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছে। উল্লেখ্য যে আই চি আই চি বেংক কৰ্তৃপক্ষই ইয়াৰ আগতেও ক'ভিড-১৯ সময়ত বিভিন্ন অসহায় লোকক সহায় কৰি আহিছিল।




লখিমপুৰত বিভিন্ন দাবীৰ সমৰ্থনত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ তিনি ঘণ্টীয়া অৱস্থান ধৰ্মঘট, শুকুৰবাৰে

### হাজোত ব্লক কংগ্ৰেছৰ সভাপতি ৰুবুল আলীৰ মহানুভৱতা

## শতাধিক বানাক্ৰান্তৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১ জুলাইঃ** হাজোৰ বানৰ প্ৰকোপ হ্ৰাস পাইছে যদিও স্বাভাৱিক অৱস্থা এতিয়াও ঘূৰি অহা নাই। বহু লোক এতিয়াও আশ্ৰয় শিবিৰৰ উপৰিও ওখ ঠাইত আশ্ৰয় লৈ থাকিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈয়ে আছে। ভেটি মাটি হেৰুৱাই সৰ্বস্বান্ত হেৰুওৱা বানাক্ৰান্ত ৰাইজৰ মৰ্মবেদনা উপলব্ধি কৰি তেওঁলোকক ভিন্ন প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়াই আহিছে ভিন্ন দল-সংগঠন কিম্বা ব্যক্তি উভয়ে। আজি হাজোৰ বৰ্ণাত্যক এমুঠি খাদ্য বস্তু প্ৰদানৰে মানৱীয়তাৰ নিদৰ্শনৰে হাজোৰ প্ৰান্তে প্ৰান্তে উপস্থিত হৈছে মানৱ দৰদী কংগ্ৰেছ নেতা তথা হাজো ব্লক কংগ্ৰেছৰ সভাপতি ৰুবুল আলী। নিজৰ গাঁঠিৰ ধন ভাঙি বৰ্ণাত্যক খাদ্য সামগ্ৰী বিতৰণ কৰাৰ লগতে ৰাইজৰ ভিন্ন অভাৱ-অভিযোগ, দুৰ্দশাৰ বুজ লৈ প্ৰকৃতিৰ প্ৰকোপ অৱসান ঘটাবলৈ নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনাই কংগ্ৰেছ নেতাগৰাকীয়ে। তেওঁৰ মানৱ দৰদী প্ৰচেষ্টাক বানাক্ৰান্ত ৰাইজৰ লগতে সচেতন মহলে ভূয়সী প্ৰশংসা কৰা দেখিবলৈ পোৱা গৈছে।

## কমলপুৰৰ ইক'টেক পেপাৰ মিলে দুই সহস্ৰাধিক পৰিয়ালক প্ৰদান কৰি বানসাহায্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাইহাটা চাৰিআলি, ১ জুলাইঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ দৰে কমলপুৰতো বানৰ বিভীষিকাই জনজীৱন বিধ্বস্ত কৰি পেলাইছে। যাৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলাৰ কমলপুৰৰ ইক'টেক পেপাৰ মিলে বৃহত্তৰ কমলপুৰ অঞ্চলৰ আঠগাঁও, দিনকৰ, দগাঁও, পুঠিমাৰীকে ধৰি প্ৰায় দুই সহস্ৰাধিক পৰিয়ালক বান সাহায্য বিতৰণ কৰে। এই সাহায্য বিতৰণৰ সময়ছোৱাত প্ৰতিষ্ঠানটোৰ বজৰংগ লোহিয়া, প্ৰদীপ কুমাৰ জৈন, প্ৰভাত প্ৰাণ কোঁৱৰ আৰু ৰাজু পাল উপস্থিত থাকে। বিগত কৰ'না কালতো প্ৰতিষ্ঠানটোৱে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ সাহায্য প্ৰদান কৰাৰ লগতে জনসাধাৰণকো সহায়ৰ হাত আগবঢ়াইছিল।

## ছিপাঝাৰ সাহিত্য সভাৰ ৯৬ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১ জুলাইঃ** অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ শাখা সাহিত্য সভাৰ বঁটাপ্ৰাপক দৰঙৰ ছিপাঝাৰ সাহিত্য সভাৰ ৯৬সংখ্যক প্ৰতিষ্ঠা দিৱসটি বুধবাৰে ছিপাঝাৰ সাহিত্য সভাৰ স্মৃতি ভৱনত প্ৰলয়ংকৰী বানপানীৰ বাবে অনুষ্টুপীয়াকৈ পালন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত পতাকা উত্তোলন কৰে ছিপাঝাৰ সাহিত্য সভাৰ সভাপতি চন্দ্ৰকান্ত নাথে। স্মৃতি তৰ্পণ কৰে সভাৰ উপ-সভাপতি হৰেন ডেকাই। প্ৰয়াত ভদ্ৰেশ্বৰ নাথৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সাহিত্যিক পেঞ্চনাৰ শশীধৰ নাথে প্ৰয়াত ব্যক্তিগৰাকীয়ে ছিপাঝাৰ সাহিত্য সভা তথা সমাজলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে বক্তব্য দাঙি ধৰে। ইয়াৰ পিছতে অনুষ্ঠিত অতীত সোঁৱৰণ কাৰ্যসূচীত ক্ৰমে শৰৎ বড়া, নলিনী শৰ্মা, মহেন্দ্ৰ মোহন নাথ, অক্ষয় কুমাৰ নাথ, প্ৰবীণ চন্দ্ৰ নাথ, গিৰীশ নাথ আদিয়ে ছিপাঝাৰ সাহিত্য সভাৰ লগত জড়িত তেওঁলোকৰ জীৱন পৰিক্ৰমা সম্বলিত অভিজ্ঞতাৰ বিষয়ে বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ আঁত ধৰে সভাৰ প্ৰাক্তন উপ-সভাপতি পুতুল কুমাৰ শইকীয়াই।

## টীয়কৰ যুৱক ভাস্কৰে কষ্টোপাৰ্জিত ধনৰ একাংশ আগবঢ়ালে মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১ জুলাইঃ** টীয়কৰ হাঁহচৰাৰ উদীয়মান যুৱ কৃষক ভাস্কৰ হাজৰিকাই নিজৰ ব্যৱসায়ৰ লাভাংশৰ পৰা বৰ্তমান অসমৰ বানপৰিস্থিতিৰ সৈতে চৰকাৰে মোকামিলা কৰিবলৈ সুবিধাৰ্থে মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ ৫১,০০০ টকা অনুদান আগবঢ়াই মানৱতাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে। যুৱ কৃষক ভাস্কৰৰ এই পদক্ষেপত এতিয়া সমূহ টীয়কবাসী উৎফুল্ল হৈ পৰিছে। উল্লেখ্য যে চাকৰিৰ পাছত নদৌৰি যোৱা কেইবছৰমানৰ পৰা টীয়কৰ কলিয়াপানীস্থিত আউনীআটী সত্ৰৰ প্ৰাংগণত ভাস্কৰে বৈজ্ঞানিকভাৱে ভোট জলকীয়াৰ খেতি কৰি নিজে স্বাৱলম্বী হোৱাৰ সমান্তৰালকৈ আন দহজনৰো আদৰ্শ হিচাপে নিজৰ পৰিচয় দাঙি ধৰিছে। অৱশ্যে ক'ভিডৰ দুটা বছৰ কিছু লোকচানৰ সন্মুখীন হৈছিল এইগৰাকী যুৱ কৃষক যদিও মনৰ অদম্য হেঁপাহ আৰু সাহসেৰে পুনৰ খেতিখোলাত মনোনিৱেশ কৰি এইদৰে বান আৰ্তসকলক সহায়ৰ বাবে চৰকাৰৰ পুঁজি সাধ্য অনুসৰি অনুদান আগবঢ়াইছে বুলি মন্তব্য কৰিছে ভাস্কৰে। হাঁহচৰাৰ ৰাজুত হাজৰিকা আৰু সবিতা হাজৰিকাৰ জ্যেষ্ঠ পুত্ৰ ভাস্কৰৰ এই মনোভাবক এতিয়া সকলোৱে আদৰণি জনাইছে।



সোণাৰিত জগন্নাথ ৰথযাত্ৰাৰ দৃশ্য, শুকুৰবাৰে

## মাজুলী মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ ৰেব-সন্মিলন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাৱাজান, ১ জুলাইঃ** মাজুলী মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ উদ্যোগ আৰু শিক্ষাতত্ত্ব বিভাগৰ সহযোগত এখন ৰেব সন্মিলন কালি অৰ্থাৎ ২৯ জুন তাৰিখে সফলতাৰে অনুষ্ঠিত হৈ যায়। শতাধিক ন-পুৰণি ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা সন্মিলনখনত বিভাগৰ অৱসৰপ্ৰাপ্ত দুয়োগৰাকী অধ্যাপিকা ক্ৰমে সূৰ্যা চিৰিং ফুকন আৰু স্মৃতি কোঁৱৰে অংশগ্ৰহণ কৰাৰ উপৰি মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট কবি ড° দেৱজিৎ শইকীয়াই অংশগ্ৰহণ কৰি উদ্বোধনী ভাষণ প্ৰদান কৰে। ইয়াৰ পূৰ্বে প্ৰাক্তন ছাত্ৰ তথা সন্মিলনখনৰ এগৰাকী আহ্বায়ক অনিৰ্বাণ দত্তই সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে আৰু কয় যে, 'শিক্ষাতত্ত্ব বিভাগৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ ৰাজ্যৰ ভিতৰে-বাহিৰে বিভিন্ন কৰ্মক্ষেত্ৰত সেৱা আগবঢ়াই থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে যাতে মাজুলী মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ লগত ওৰেটো জীৱন যাতে জড়িত হৈ থাকিব পাৰে সেই উদ্দেশ্যতে প্ৰাক্তন ছাত্ৰ সন্মিলনখন গঠন কৰা হৈছিল আৰু আজি সেই সন্মিলনখনৰ বেনাৰত সকলো ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ এক মহামিলনৰ অনুষ্ঠান হিচাপে এই সভাখন অনুষ্ঠিত কৰা হৈছে। আজিৰ সভাই আগন্তুক দিনত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বিভাগটোৰ উন্নতিৰ বাবে কি কি ইতিবাচক কাৰ্যসূচী গ্ৰহণ কৰিব পাৰে তাৰো এক পৰ্যালোচনা কৰা হ'ব।' মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শইকীয়াই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ এই ইতিবাচক তৎপৰতাক ভূয়সী প্ৰশংসা কৰে আৰু কয় যে- মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে তেওঁ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সকলোবোৰ ভাল কামতে ওতপ্ৰোতভাৱে জড়িত হ'ব আৰু সহায় কৰি যাব। সন্মিলনখনত শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী প্ৰণীতা ৰাজখোৱা, অধ্যাপক বিজয় টিমুং, অধ্যাপিকা সুদৰ্শনা ফুকনে অংশগ্ৰহণ কৰি অধ্যক্ষ মহোদয়ৰ এনে বদান্যতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। একেদৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ ফালৰ বীৰেন বৰা, নৱনীতা বৰা, ৰিংকুমণি শইকীয়া, ৰাজীৱ ৰাজখোৱা, নিলীমজ্যোতি বৰা আদিয়ে বিভাগৰ উন্নয়ৰ বাবে কিছু পৰিকল্পনা উপস্থাপন কৰে আৰু মহাবিদ্যালয়ৰ অধ্যক্ষৰ সহযোগিতাৰ আশ্বাসক কৃতজ্ঞতা জনায়। বিভাগৰ দুগৰাকী সদ্য অৱসৰপ্ৰাপ্ত অধ্যাপিকা সূৰ্যা চিৰিং ফুকন আৰু স্মৃতি কোঁৱৰে অংশগ্ৰহণকাৰী ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যি নাতিদীৰ্ঘ ভাষণ আগবঢ়ায়। দুয়োগৰাকীয়ে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক সাক্ষাৎ পাই যথেষ্ট আৱেগিক হৈ পৰে আৰু তেওঁলোকৰ লগতে একেলগে শিক্ষাতত্ত্ব বিভাগ তথা মাজুলী মহাবিদ্যালয় পৰিয়ালৰ লগত আজীৱন জড়িত হৈ থাকিম বুলি প্ৰতিশ্ৰুতি জ্ঞাপন কৰে। প্ৰায় চাৰে তিনি ঘণ্টা সময়জুৰি অনুষ্ঠিত হোৱা ৰেব সন্মিলনখনত অসমৰ বাহিৰতো কৰ্মক্ষেত্ৰত নিয়োজিত হৈ থকা কেইবাজনো প্ৰাক্তন ছাত্ৰই যোগদান কৰি সভাখনক পৰিপূৰ্ণ কৰি তুলিলে। সভাত বিভাগৰ পুথিভঁৰালটোৰ উন্নয়নৰ অৰ্থে এক সময়োচিত কাৰ্যসূচী অচিৰেই হাতত ল'ব বুলি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে সিদ্ধান্ত গ্ৰহণ কৰে। শেষত আহ্বায়ক তথা সভাখনৰ সূত্ৰধাৰ, প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি অনিৰ্বাণ দত্তই সকলোলৈকে কৃতজ্ঞতাৰ জনাই ৰেব সন্মিলনখনৰ সমাপ্তি ঘোষণা কৰে।



### গুৱাহাটীত অইল আইটা ৰাষ্ট্ৰীয় ছুপাৰ ছিৰিজ টেনিছ

# আজিৰে পৰা কোৱালিফায়িং ৰাউণ্ডৰ মেচ ঃ দেশৰ ১২০ খেলুৱৈৰ অংশগ্ৰহণ

**গুৱাহাটী, ১ জুলাই ঃ** সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত অহা চাৰি জুলাইৰ পৰা গুৱাহাটীত অনুষ্ঠিত হ'ব অইল আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতা। উল্লেখ্য যে অইল ইণ্ডিয়া লিমিটেডে স্পনচ'ৰ কৰা ৰাষ্ট্ৰীয় ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাখনত অসমৰ লগতে দেশৰ অন্য ৰাজ্যৰ খেলুৱৈয়ে অংশ ল'ব। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি যদিও প্ৰতিযোগিতাখনৰ মুল ৰাউণ্ডৰ মেচ অহা চাৰি জুলাইৰ পৰা আৰম্ভ হ'ব, কিন্তু কোৱালিফায়িং ৰাউণ্ডৰ মেচসমুহ কাইলৈৰ (দুই-তিনি জুলাই) পৰাই আৰম্ভ হ'ব। অসম টেনিছ সন্থাৰ চচলত থকা টেনিছ প্ৰকল্পত কাইলৈৰ পৰা আৰম্ভ হ'ব দুদিনীয়া কোৱালিফায়িং ৰাউণ্ডৰ মেচ। সম্পাদক দত্তই লগতে জনাই যে ল'ৰা আৰু ছোৱালীৰ উভয় শাখাৰ ৰাষ্ট্ৰীয় ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাখনত ১৬ আৰু ১৮ বছৰ অনূৰ্দ্ধৰ একক তথা ডাবলছ শাখাৰ মেচ অনুষ্ঠিত হ'ব। একক শাখাৰ মেচ কাইলৈৰ পৰাই আৰম্ভ হোৱাৰ বিপৰীতে ডাবলছ শাখাৰ খেল অহা পাঁচ জুলাইৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে অইল ইণ্ডিয়া লিমিটেডে বিগত ২০০৮ ৰ পৰাই সদৌ অসম টেনিছ সন্থাই আয়োজন কৰি অহা ৰাষ্ট্ৰীয় ৰেংকিঙৰ আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাসমুহ স্পনচ'ৰ কৰি আহিছে। অৱশ্যে যোৱা ১৪ বছৰৰ মাজত ক'ভিডৰ বাবে ২০১৯ আৰু ২০২০ ত অইল আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতা আয়োজন কৰা নাছিল সদৌ অসম টেনিছ সন্থাই। এইবাৰৰ প্ৰতিযোগিতাত ইতিমধ্যে দেশৰ প্ৰায় ১২০ গৰাকী ১৬ আৰু ১৮ বছৰ অনূৰ্দ্ধৰ ল'ৰা আৰু ছোৱালীয়ে যোগদান নিশ্চিত কৰিছে বুলি অৱগত কৰে অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই। প্ৰতিযোগিতাৰ ফাইনেল অনুষ্ঠিত হ'ব অহা আঠ জুলাইত। পূৰ্বৰ দৰেই এইবাৰৰ অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাতো অসমৰ ল'ৰা-ছোৱালীয়ে ভাল প্ৰদৰ্শন কৰিব বুলি আশাবাদী সদৌ অসম টেনিছ সন্থা।

## নুৰুল আমিন প্ৰথম ডিভিজন ফুটবল আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ১ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ চলিত বৰ্ষৰ নুৰুল আমিন প্ৰথম ডিভিজন ফুটবল লীগ আজিৰে পৰা নুৰুল আমিন ষ্টেডিয়ামত আৰম্ভ হৈছে। আজিৰ উদ্বোধনী খেলখনত সঞ্জীৱন সমাজে বিদেশী খেলুৱৈ ৰিছম আৱৈতেৰ হেটট্ৰিকৰ (৪৪, ৬০, ৬১ মিনিট) সহায়ত ত্ৰিনয়ন গোষ্ঠীক ৫-১ গ'লত পৰাস্ত কৰি লীগৰ সম্পূৰ্ণ পঞ্জইন্ট অৰ্জন কৰে। দলটোৰ হৈ আন দুটা গ'ল পৰশমনি বৰদলৈ (২০ মিনিট) আৰু লক্ষজ্যেতি দাসে (৩৫ মিনিট) দিয়াৰ বিপৰীতে ত্ৰিনয়ন গোষ্ঠীৰ হৈ একমাত্ৰ গ'লটো পৰিশোধ কৰে দীৰ সিং বৰদলৈয়ে (২৮ মিনিটত)। বিৰতিৰ সময়ত সঞ্জীৱন দল ৩-১ গ'লত আগবাঢ়ি আছিল। ইয়াৰ আগতে প্ৰতিযোগিতাখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে প্ৰাক্তন ৰাজ্যিক খলুৱৈ তথা ক্ৰীড়া পেন্সনাৰ (এককালীন) পদ্ম বৰাই। ক্ৰীড়া সংস্থাৰ সম্পাদক পৱন বৰুৱাই আঁত ধৰা অনুষ্ঠানটোৰ প্ৰাৰম্ভনিতে ক্ৰীড়া সংস্থাৰ প্ৰয়াত ব্যক্তি সকলৰ স্মৃতিত মৌন প্ৰাৰ্থনা জনোৱা হয়। অনুষ্ঠানটোত উপ সভাপতি প্ৰদীপ কুমাৰ হাজৰিকা, ডাঃ কৃষ্ণ বৰা, ডাঃ জয়ন্ত বৰুৱা, ডাঃ মুকুট গোস্বামী প্ৰমুখ্যে ব্যক্তিসকল উপস্থিত থাকে।

## কাৰাটেত সোণৰ পদক লাভ প্ৰিয়ংকা গগৈৰ

**গুৱাহাটী, ১ জুলাই ঃ** কলকাতাত অনুষ্ঠিত হোৱা দক্ষিণ - এচিয়া আচিহাৰা কাৰাটে চেম্পিয়নশ্বিপত অসমক প্ৰতিনিধিত্ব কৰি সোণৰ পদক জয় কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে যোৰহাট জিলাৰ টীয়কৰ প্ৰিয়ংকা গগৈয়ে। ১৬ বছৰ অনুৰ্ধৰ ব্যক্তিগত শাখাত চমকপদ প্ৰদৰ্শনেৰে সোণৰ পদক জয় কৰা প্ৰিয়ংকা গগৈয়ে শিৱসাগৰ জিলাৰ ভিতৰুৱা অঞ্চল খনামুখত অৱস্থিত কিডচ কাৰাটে জ'ন নামৰ সমৰকলা প্ৰশিক্ষণ কেন্দ্ৰত কাৰাটেৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰি থকাৰ লগতে যোৰহাট জিলাৰ বনাই উচ্চ মাধ্যমিক বিদ্যালয়ত নৱম শ্ৰেণীত অধ্যয়ন কৰি আছে। টীয়কৰ উত্তৰ-পূৰ প্ৰান্তৰ চিন্তামণিগড় গাঁৱৰ পাপা গগৈ আৰু অনিমা গগৈৰ কন্যা প্ৰিয়ংকাই আৰ্থিক অনাটনৰ মাজতো কঠোৰ পৰিশ্ৰমেৰে সমৰকলাৰ সাধনা কৰি ইয়াৰ আগতেও জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ বহু পদক আজুৰি আনিবলৈ সক্ষম হৈছে।

## উইম্বলডনৰ পৰা আগতীয়া বিদায় গ্ৰেণ্ডশ্লাম চেম্পিয়নৰ

**লণ্ডন, ১ জুলাই ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ পৰা আজি বিদায় ল'লে প্ৰাক্তন গ্ৰেণ্ডশ্লাম বিজয়ী মুগুৰাজা আৰু ৰাডুকানুই। ইতিমধ্যে বিদায় লৈছে ছেৰেণাই। আঘাতৰ বাবে গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ পৰা পূৰ্ব্বে আঁতৰি আহিছিল বিশ্বৰ প্ৰাক্তন এক নম্বৰ স্থানৰ প্ৰাক্তন খেলুৱৈ নাওমি অ'ছাকা। উল্লেখ্য যে জাপানী খেলুৱৈগৰাকীয়ে প্ৰথমবাৰৰ বাবে যোৱা মে'ত মাদ্ৰিদত অনুষ্ঠিত হোৱা প্ৰথমখন মেচত আঘাতৰ সমস্যাত ভুগিছিল। আনহাতে, আঘাতৰ বাবে তেওঁ পৰৱৰ্তী ইটালিয়ান অ'পেনৰ পৰাও আঁতৰি আহিবলগীয়া হৈছিল। এতিয়া কিট'ভা আৰু হেলেপ আছে খিতাপৰ দৌৰত। মহিলাৰ খিতাপ কোনো নতুন তৰুণীৰ হাতলৈও যোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে উৎসাহেৰে উম্বলডনত খেলাৰ কথা ব্যক্ত কৰিছিল ছেৰেনা উইলিয়ামছে। টেনিছৰ ক'ৰ্টৰ পৰা বিৰত থকা ছেৰেনাই এবছৰৰ পাছত উইম্বলডনত পুনৰবাৰ ঘূৰি আহিও সফল নহ'ল। সুদীৰ্ঘ ১২ মাহ পূৰ্বে অল ইংলেণ্ড ক্লাবত প্ৰথম ৰাউণ্ডৰ মেচত আঘাতপ্ৰাপ্ত হোৱা ২৩ বাৰৰ গ্ৰেণ্ড শ্লেম চিংগলছ চেম্পিয়নগৰাকীয়ে এইবাৰো যাত্ৰা সামৰে দ্বিতীয় দিনাই। ৪০ বছৰীয়া ছেৰেনাই গ্ৰাছক'ৰ্ট প্ৰতিযোগিতাত খেলিব পাৰিব বুলি কোৱাৰ লগে লগে উৎসাহিত হৈছিল অনুৰাগী। উল্লেখ্য যে এতিয়া বিশ্বৰ ১২০৮ নম্বৰ স্থানত থকা উইলিয়ামছে উইম্বলডনত এককত অংশ লয়। আয়োজকে ছেৰেনাক ৱাইল্ড কাৰ্ড দিয়ে।



## ৰাষ্ট্ৰীয় মুৱাই থাই চেম্পিয়নশ্বিপত সোণৰ পদক লাভ জাষ্টেন' চুতীয়াৰ

**গুৱাহাটী, ১ জুলাই ঃ** গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ ভিতৰুৱা উপ তৰানি গাঁৱৰ পৰা গৈ ক্ৰীড়া প্ৰতিভাৰে ৰাজ্যৰ নাম উজ্বলাবলৈ সক্ষম হৈছে এগৰাকী প্ৰতিভাবান খেলুৱৈয়ে। শেহতীয়াকৈ ৰাষ্ট্ৰীয় মুৱাই থাই চেম্পিয়নশ্বিপত অসম দলক প্ৰতিনিধিত্ব কৰি ৪৬ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰি চমকপ্ৰদ সফলতা লাভ কৰিছে মেৰাপানীৰ জাষ্টেন' চুতীয়াই। উল্লেখ্য যে মধ্য প্ৰদেশৰ ডিৱাসত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিত সোনৰ পদক লাভ কৰি জাষ্টেন' চুতীয়াই মালয়েচিয়াত অনুষ্থিত হ'ব লগীয়া আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবেও নিৰ্বাচিত হৈছে। উল্লেখ্য যে, ২২ খন ৰাজ্যই অংশগ্ৰহণ কৰা ৰাষ্ট্ৰীয় মুৱাই থাই চেম্পিয়নশ্বিপত সৰ্বমুঠ ২৩ টা সোণৰ পদক লাভ কৰি অসম দলে শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হয়। অতি দৰিদ্ৰ পৰিয়ালৰ জীতেন চুতীয়া আৰু সুৰ্বণ চুতীয়াৰ কন্যা জাষ্টেন' চুতীয়াই বিগত তিনিবছৰ ধৰি অভিজ্ঞ প্ৰশিক্ষক শান্তনু ৰাজখোৱাৰ তত্বাৱধানত মুৱাই থাইৰ প্ৰশিক্ষণ গ্ৰহন কৰি আহিছে। ইফালে, মুৱাই থাইৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে চৰকাৰী পক্ষই আজিপৰ্যন্ত কোনো ধৰণৰ পদক্ষেপ হাতত নোলোৱাত উন্নত প্ৰশিক্ষণৰ বাবে থমকি ৰ'ব লগাত পৰিছে জাষ্টেন' চুতীয়া। জাষ্টেন' চুতীয়াৰ এই সফলতাত এতিয়া আনন্দিত হৈ পৰিছে সমগ্ৰ মেৰাপানীবাসী।



## অসম যুৱ অলিম্পিক গেমছলৈ কাৰাটে দল ঘোষণা

**গুৱাহাটী, ১ জুলাই ঃ** অহা ২৩ জুলাইৰ পৰা ২৭ জুলাইলৈ অনুষ্ঠিত হবলগীয়া অসম যুৱ অলিম্পিক গেমছৰ বাবে ৰাজ্যৰ ভিতৰতে যোৰহাট জিলাৰ পৰা সৰ্ববৃহৎ খেলুৱৈ দল নিৰ্বাচন কৰাৰ বাবে যোৰহাট জিলা কাৰাটে সন্থাই অসম ৰাজ্যিক কাৰাটে সন্থালৈ অভিনন্দন জ্ঞাপন কৰিছে। এক প্ৰেছ বিবৃতিৰ জৰিয়তে যোৰহাট জিলা কাৰাটে সন্থাৰ সাধাৰণ সম্পাদক ৰবীন শইকীয়াই যুৱ অলিম্পিকৰ বাবে জিলাখনৰ পৰা নিৰ্বাচিত খেলুৱৈ ৰাজনন্দা শইকীয়া, আৰিয়ান শৰ্মা, মুৱেটাৰ শইকীয়া, মুগ্ধা বৰুৱা, পঞ্চিমিতা বৰদলৈ, নিহা হাজৰিকা, বেদান্ত দাস, শান্তনু কলিতা, বেদাংগ হাজৰিকা, অনুৰাগ বৰা, প্ৰিয়াংশু কুমাৰ বৰুৱা, কৈশৱ ৰাজ গগৈ, আয়ুস শইকীয়া, আংগনা শইকীয়া, কষ্টুৰী কলিতা, আৰলি দাস, আদিত্য দত্ত, ৰৌচন ৰাজীৱ বৰা, তপন গগৈ, আচায্যা বৰা আৰু ৰিম্পি বৰাক অভিনন্দন জনাই খেলুৱৈসকলে জিলাখনলৈ সফলতা কঢ়িয়াব বুলি আশা প্ৰকাশ কৰে।

## তামুলপুৰ জিলা ক্ৰীড়া সন্থাক অসম অলিম্পিক সন্থাত অন্তৰ্ভুক্ত

**গুৱাহাটী, ১ জুলাই ঃ** তামুলপুৰ জিলা ক্ৰীড়া সন্থাক সদৌ অসম অলিম্পিক সন্থাই স্বীকৃতি প্ৰদান কৰাক লৈ ৰাজ্যৰ ক্ৰীড়াজগত ব্যাপক চৰ্চা হৈছে। কেবল ভোটৰ স্বাৰ্থত দ্বিতীয়বাৰলৈ সম্পাদকৰ চকীত বহাৰ বাবে তামুলপুৰ জিলা ক্ৰীড়া সন্থাক সদনৰ আপত্তিৰ পাছতো সদৌ অসম অলিম্পিক সন্থাই স্বীকৃতি প্ৰদান কৰিছে বুলি ব্যক্ত কৰিছে সচেতন ক্ৰীড়া সংগঠকে। উল্লেখ্য যে তামুলপুৰ জিলা ক্ৰীড়া সন্থাক অসম অলিম্পিক সন্থাই স্বীকৃতি দিয়াক লৈ কাৰো আপত্তি নাই। কিন্তু প্ৰথমে জিলাৰ খেলুৱৈৰ প্ৰদৰ্শন প্ৰৰ্যবেক্ষণ কৰাটো প্ৰয়োজন আছিল বুলি লগতে মত পোষণ কৰিছে অসম অলিম্পিক সন্থাৰ সচেতন ক্ৰীড়া সংগঠকে। উল্লেখ্য যে বাক-বিতণ্ডাক মাজত তামুলপুৰ জিলা ক্ৰীড়া সন্থাক সদৌ অসম অলিম্পিক সন্থাই অন্তৰ্ভুক্ত কৰি স্বীকৃতি প্ৰদান কৰিছে। উল্লেখ্য যে তামুলপুৰ জিলা ক্ৰীড়া সন্থাক সদৌ অসম অলিম্পিক সন্থাত অন্তৰ্ভুক্ত কৰাৰ বাবে তামুলপুৰ জিলা ক্ৰীড়া সন্থাই অলিম্পিক সন্থাৰ সভাপতি, সম্পাদক আৰু বিষয়ববীয়া সকলক কৃতজ্ঞতা জ্ঞাপন কৰে। এই স্বীকৃতিৰ জৰিয়তে আহা ২৩ ৰ পৰা ২৭ জুলাইলৈ অসম চৰকাৰ আৰু অসম অলিম্পিক সন্থাৰ যুটীয়া উদ্যোগত অনুষ্ঠিত হ'বলগীয়া অসম যুৱ অলিম্পিকত তামুলপুৰ জিলা ক্ৰীড়া সন্থাই পোনপটীয়াকৈ ল'ৰা-ছোৱালীৰ কাবাদী, নেটবলত ল'ৰা-ছোৱালী উভয় দল আৰু এথেলেটিকছত ল'ৰা-ছোৱালীয়ে অংশ গ্ৰহন কৰিব পাৰিব বুলি তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ সাধাৰন সম্পাদক কমলা কান্ত বড়োই এক প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা সদৰি কৰিছে।

## তামুলপুৰত ফুটবল ৰেফাৰী সকলৰ শাৰীৰিক সক্ষমতা পৰীক্ষা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, তামুলপুৰ, ১ জুলাই ঃ** তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ অন্তৰ্গত ফুটবল ৰেফাৰীসকলৰ শাৰীৰিক সক্ষমতা পৰীক্ষা বুধবাৰে পুৰা সম্পন্ন হয়। তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ অন্তৰ্গত ফুটবল ৰেফাৰী বোৰ্ডৰ অধ্যক্ষ দেৱেন দাসে সংবাদ মাধ্যমক জনোৱা মতে সেইদিনা তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত পুৱা ৬:০০ বজাৰ পৰা অনুষ্ঠিত শাৰীৰিক সক্ষমতা পৰীক্ষাত সৰ্বমুঠ তেৰ গৰাকী ফুটবল ৰেফাৰীয়ে অৱতীৰ্ণ হয় আৰু আটাইকেইগৰাকীয়ে সুখ্যাতিৰে উত্তীৰ্ণ হয়।



## ৰাষ্ট্ৰীয় জুনিয়ৰ জলক্ৰীড়ালৈ ১৫ খেলুৱৈ নিৰ্বাচিত

**গুৱাহাটী, ১ জুলাই ঃ** উৰিষ্যাৰ ভুৱনেশ্বৰত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় জুনিয়ৰ জলক্ৰীড়া প্ৰতিযোগিতালৈ অসম সাঁতোৰ সংস্থাই বাছনি কৰা অসম সাঁতোৰ দলটিত যোৰহাট চুইমিং ছ'ছাইটিৰ ১১ গৰাকী খেলুৱৈ আৰু ৱাটাৰপ'লত চাৰি গৰাকী খেলুৱৈ অন্তৰ্ভুক্ত হৈছে। তেওঁলোক হ'ল ঃ সাঁতোৰত দিশান্ত বুঢ়াগোহাঁই, অংশুমান কাশ্যপ, তীৰ্থংকৰ পেগু, সংস্কাৰ ভুঞা, নিবিৰ হাজৰিকা, আয়ুস বৰা, আস্থা বৰদলৈ, শুভ্ৰাংশিনী প্ৰিয়দৰ্শিনী, দৰ্শিতা বৰুৱা, কৃষ্ণালী দলে আৰু অৰিষ্টা শইকীয়া। আনহাতে, ৱাটাৰ প'লত প্ৰত্যুষ প্ৰতীম বৰা, অশ্ৰিতা গোস্বামী, মনালী মিশ্ৰ আৰু দেবাংশ্ৰী হাজৰিকা।

## ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক বিজয়ী খেলুৱৈক ৰাজআতিথ্য ৰাইজৰ

### সেৱা কৰি আদৰি লৈ গ'ল জন্মভূমিলৈ

**গুৱাহাটী,১ জুলাই ঃ** মধ্যপ্ৰদেশত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় মুৱাইথাই প্ৰতিযোগিতাত তিতাবৰ মহকুমাৰ নগাবাট-বেকাজান মুৱাইথাই ক্লাবৰ ছগৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰি পাঁচগৰাকীয়ে পদক আজুৰি আনিবলৈ সক্ষম হৈছে। খেলুৱৈসকলে এই সফলতাৰে ৰাজ্যৰ লগতে বৃহত্তৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। পদকপ্ৰাপ্ত পাঁচগৰাকী খেলুৱৈৰ ভিতৰত গোলাঘাট জিলাৰ এক নং ওপৰ তৰাণিৰ জাষ্টিন' চুতীয়া আৰু বেকাজান নহটীয়া গাৱঁৰ নয়নিকা বড়োয়ে সোণৰ পদক, নগাবাটৰ বিউতী গগৈ আৰু বিবেকজ্যোতি গগৈয়ে ৰূপ আৰু শিৰোমণি সন্দিকৈয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। সোণৰ পদক লাভ কৰা জাষ্টিন' চুতীয়া আৰু নয়নিকা বড়োয়ে ছেপ্টেম্বৰত মালয়েছিয়াত অনুষ্ঠিত হ'ব লগা আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণৰ যোগ্যতা লাভ কৰিছে। নগাবাট-বেকাজান মুৱাইথাই ক্লাবৰ প্ৰশিক্ষক শান্তনু ৰাজখোৱাৰ তত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰিছিল খেলুৱৈসকলে। উল্লেখ্য যে দেশৰ ২৭ খন ৰাজ্যৰ আঠশৰো অধিক প্ৰতিযোগীয়ে মধ্যপ্ৰদেশৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনত অংশগ্ৰহন কৰিছিল। নগাবাটৰ দৰে সীমামূৰীয়া এটা অঞ্চলত সীমিত সুবিধাৰে প্ৰশিক্ষণ গ্ৰহণ কৰি সফলতা আজুৰি অনাৰ পৰিপ্ৰেক্ষিতত উৎফুল্লিত হৈ পৰা নগাবাটবাসী ৰাইজে খেলুৱৈসকলকৰ ঘূৰি অহাৰ সময়তে বিপুল আদৰণি জনায়। ৰাইজে খেলুৱৈসকলক নগাবাট চাৰিআলিৰ পৰা পৰম্পৰাগত প্ৰথাৰে আদৰি আনি এখন সভাৰ জড়িয়তে সম্বৰ্ধনা জ্ঞাপন কৰে। বিশ্বজিৎ বৰুৱাৰ সভাপতিত্বত আৰু গোপাল কছাৰীয়ে আঁত ধৰা সম্বৰ্ধনা সভাত স্থানীয় বহু কেইগৰাকী সন্মানীয় ব্যক্তি উপস্থিত থাকি খেলুৱৈসকলক উৎসাহিত কৰে। উল্লেখ্য যে পৰ্যাপ্ত সা-সুবিধা আৰু উপযুক্ত প্ৰশিক্ষণেৰে এইসকল খেলুৱৈক আৰু অধিক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত চৰকাৰে সঠিকভাৱে গুৰুত্ব আৰোপ কৰিলে এদিন দেশৰ নাম জিলিকাব পৰা প্ৰতিভাসম্পন্ন খেলুৱৈ ওলাব বুলিও স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে।


নং ঃ এম.আৰ.পি.৭২/২০২২/

## বিজ্ঞাপন

মাজুলী জিলাৰ মাজুলী ৰাজহ চক্ৰ আৰু উজনী মাজুলী ৰাজহ চক্ৰৰ অন্তৰ্গত নিম্ন লিখিত নাট আৰু গাঁওসমূহত সৰ্বমুঠ ৫টা গাঁওপ্ৰধানৰ পদ খালী হৈ থকাৰ পৰিপ্ৰেক্ষিতত উক্ত পদসমূহ পূৰণৰ বাবে উপযুক্ত প্ৰাৰ্থীৰ পৰা অনলাইনযোগে অহা ইংৰাজী ০২/০৭/২০২২ তাৰিখৰ পুৱা ১০ বজাৰ পৰা ২২.০৭.২০২২ তাৰিখৰ নিশা ১২ বজাৰ ভিতৰত https://niyukti.assam.gov.in/majuli_gaonpradhan/ ৱেবছাইটত আবেদন কৰা হৈছে।

| ক্ৰমিক নং | ৰাজহ চক্ৰ | মৌজা | লাট নং | গাঁও | মাহিলী পাৰিতোষিক |
|---|---|---|---|---|---|
| ১ | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ১২ | পকাজৰা মিৰি | ১,০০০/- |
| ২ | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ৮ | বিৰিনাবাৰী, গোৱালগাঁও | ৯,০০০/- |
| ৩ | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ১ | ৰঙাচাহী, ১নং বৰনলনি | ৯,০০০/- |
| ৪ | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ২ | ধোদাং চাপৰি, উজিৰআটী | ৯,০০০/- |
| ৫ | উজনী মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ২ | বনৰীয়া চাপৰি | ৯,০০০/- |

**আৱশ্যকীয় যোগ্যতাসমূহ ঃ**

১) আবেদনকাৰী ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু নিযুক্তি পাবৰ বাবে আবেদন কৰা গাঁৱৰ অথবা গাঁও সমূহৰ স্থায়ী বাসিন্দা হোৱাটো একান্তই বাঞ্ছনীয়।
২) আবেদনকাৰীৰ বয়স ০১/০৭/২০২২ তাৰিখে নূন্যতম ৩০ বছৰ হ'ব লাগিব আৰু ৬৫ বছৰৰ উৰ্দ্ধৰ হ'ব নালাগিব।
৩) আবেদনকাৰী হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।
৪) আবেদনকাৰী শাৰীৰিক আৰু মানসিকভাৱে সবল হ'ব লাগিব। (বিভাগীয় কৰ্তৃপক্ষৰ প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব)
৫) আবেদনকাৰী আৰ্থিকভাৱে দেউলীয়া হ'ব নালাগিব আৰু কোনো চৰকাৰী ধনৰ দেনাদাৰ হ'ব নালাগিব।
৬) আবেদনকাৰী চৰকাৰী চাকৰিয়াল হ'ব নালাগিব।
৭) আবেদনকাৰী নিজৰ নামত সংশ্লিষ্ট গাঁৱত ভূমি/স্থাৱৰ সম্পত্তি থাকিব লাগিব।
৮) আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হ'ব নালাগিব।
৯) আবেদনকাৰী কোনোধৰণৰ অপৰাধজনিত কাৰ্যত জড়িত থাকিব নালাগিব।
১০) নিযুক্তিৰ ক্ষেত্ৰত গাঁওবুঢ়াৰ পৰিয়ালৰ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব।
১১) আবেদনকাৰী দুটাতকৈ অধিক সন্তানৰ পিতৃ হ'ব নালাগিব। কিন্তু অসম চৰকাৰৰ অধিসূচনা নং আৰ. এল. আৰ.১৮৭/২০০৭/অংশ/২০৪, দিনাংক ১৯/০৭/২০১৯ জাৰি হোৱাৰ পূৰ্বে যিসকল ব্যক্তি দুটাতকৈ অধিক সন্তানৰ গৰাকী হয়, তেওঁলোকৰক্ষেত্ৰত এই নীতি প্ৰযোজ্য নহ'ব।

**আবেদন পত্ৰৰ লগত দাখিল কৰিবলগীয়া প্ৰয়োজনীয় প্ৰমাণ পত্ৰসমূহ-**

১) স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ।
২) বয়স আৰু শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ (অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ড অথবা অনুষ্ঠানৰ প্ৰমাণ পত্ৰ)।
৩) বাকীজাই দেনামুক্ত প্ৰমাণ পত্ৰ।
৪) ভূমি/স্থাৱৰ সম্পত্তিৰ প্ৰমাণ পত্ৰ।
৫) ভোটাৰ পৰিচয় পত্ৰ/পেন কাৰ্ড।
৬) পাচপ'ৰ্ট আকাৰৰ ফটো।
৭) দুটাতকৈ অধিক সন্তানৰ পিতৃ নোহোৱাৰ শপতনামা।
৮) শাৰীৰিক আৰু মানসিকভাৱে সুস্থ হোৱাৰ প্ৰমাণপত্ৰ।

আবেদন কৰাৰ সময়ত প্ৰাৰ্থীসকলে সঠিকভাৱে তেওঁলোকে আবেদন কৰিবলৈ বিচৰা লাট নং আৰু গাঁৱৰ অথবা গাঁওসমূহৰ নাম উল্লেখ কৰিব লাগিব। অন্যথা তেওঁলোকৰ আবেদন পত্ৰ নাকচ কৰা হ'ব।

আবেদনকাৰীয়ে দাখিল কৰা প্ৰমাণ পত্ৰসমূহ যদি ভূৱা বুলি প্ৰমাণিত হয়, তেন্তে তেখেতৰ প্ৰাৰ্থিত্ব তাৎক্ষণিকভাৱে নাকচ কৰাৰ লগতে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

যোগ্য বিবেচিত প্ৰাৰ্থীসকল মৌখিক সাক্ষাৎকাৰত অৱতীৰ্ণ হ'ব লাগিব। সাক্ষাৎকাৰৰ নিৰ্দিষ্ট স্থান আৰু সময় পৰৱৰ্তী পৰ্যায়ত অৱগত কৰা হ'ব।

এই বিজ্ঞাপন চৰকাৰৰ অধিসূচনা নং আৰ.এল.আৰ১৮৭/২০০৭/৩৯ দিনাংক ১০/০৪/২০১৮, আৰ.এল.আৰ.১৮৭/২০০৭/অংশ/২৪ দিনাংক ১৯/০৭/২০১৯ আৰু আৰ.এল.আৰ.৭৩/২০২০/৩ দিনাংক ২৬/০৮/২০২১ মৰ্মে জাৰি কৰা হৈছে।

স্বা/-
উপায়ুক্ত,
মাজুলী

Janasanyog /D/6648/22

### ভেৰগাঁৱত বানপীড়িতৰ বুজ ল'লে মন্ত্ৰী ইউ জি ব্ৰহ্মই

# বন্যাৰ্তসকলক আৰ্থিক সাহায্য আগবঢ়াবলৈ চৰকাৰৰ ধনৰ নাটনি হোৱা নাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ১ জুলাই ঃ** বন্যাৰ্তসকলক সাহায্য আগবঢ়াবলৈ চৰকাৰৰ ধনৰ নাটনি হোৱা নাই। কেৱল ভূটানে পানী এৰাৰ বাবেই ৰাজ্যত বানপানী নহয়। এই মন্তব্য ৰাজ্যৰ ভূমি সংৰক্ষণ, হস্তুতাঁত, বস্ত্ৰ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ। বানাক্ৰান্ত অঞ্চলৰ বুজ লোৱাৰ বাবে ৩০ জুনত ভেৰগাঁৱত উপস্থিত হৈ মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত এইদৰে কয়। তেওঁ লগতে কয় যে ৰাজ্যত ভয়াৱহ বানপানী হোৱাৰ বহু কাৰণ আছে। সেইবোৰ অধ্যয়ন আৰু পৰ্যালোচনা কৰাৰ আৱশ্যক হৈ পৰিছে। এই প্ৰসংগত তেওঁ কয় -জধেমধে গছ কটাৰ ফলত বানৰ লগতে বহু অঞ্চলত গৰাখহনীয়াৰ সৃষ্টি হৈছে, প্ৰকৃতিৰ ভাৰসাম্যতা বিনষ্ট হৈছে। আনহাতে নৈসমূহত শিল-বালিৰ অবৈধ খননেও বানপানী হোৱাত সহায় কৰিছে। গতিকে এই ক্ষেত্ৰত ৰাইজ সচেতন হোৱা প্ৰয়োজন বুলি



তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ আন কে'বাখনো জিলাৰ তুলনাত ওদালগুৰি জিলাত শেহতীয়া বানৰ প্ৰকোপ কিছু কম আছিল বুলি উল্লেখ কৰে। অৱশ্যে জিলাখনৰ গোলণ্ডী নৈৰ কেইবাঠাইতো মথাউৰি ভগাৰ ফলত কিছু অঞ্চল জলমগ্ন হোৱাত উক্ত অঞ্চলৰ ৰাইজ ক্ষতিগ্ৰস্ত হোৱা বুলি কয়। গোলণ্ডী নৈৰ মথাউৰি পুনৰ নিৰ্মাণৰ বাবে জলসম্পদ দপ্তৰৰ মন্ত্ৰী পীযূষ হাজৰিকাক ব্যৱস্থা গ্ৰহণৰ বাবে অৱগত কৰোৱা বুলিও জানিবলৈ দিয়ে। বানত ক্ষতিগ্ৰস্তসকলক জুলাইৰ দ্বিতীয় সপ্তাহৰ পৰা আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব বুলি তেওঁ কয় আৰু এই ক্ষেত্ৰত চৰকাৰৰ ধনৰ নাটনি হোৱা নাই বুলি উল্লেখ কৰে। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে ভেৰগাঁও মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত মহকুমাধিপতি দীপক ভূঞাৰ সভাপতিত্বত প্ৰশাসনিক আৰু বিভাগীয় বিষয়াবৰ্গৰ সৈতে অনুষ্ঠিত এখন বৈঠকত অংশগ্ৰহণ কৰি মহকুমাটোৰ শেহতীয়া জটিল পৰিস্থিতি আৰু ক্ষয়-ক্ষতিৰ বুজ লয়। পিছত মন্ত্ৰীগৰাকীয়ে বিটিচিৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱাৰ সৈতে টংলা আৰু কলাইগাঁৱত নোৱানৈ ননৈ, কুলশী নদীৰ ভয়াৱহ গৰাখহনীয়া পৰিদৰ্শন কৰি বন্যাৰ্তসকলক প্ৰয়োজনীয় সুব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে।

# বঙাইগাঁৱত ৰে'লৱে বিভাগৰ মইমতালিৰ বিৰুদ্ধে চিপিআই(এম)ৰ অৱস্থান ধৰ্মঘট

### কেন্দ্ৰীয় ৰে'ল মন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১ জুলাই ঃ** বঙাইগাঁৱত ৰে'ল বিভাগৰ মইমতালিৰ বিৰুদ্ধে চিপিআই (এম)ৰ বঙাইগাঁও আঞ্চলিক কমিটীৰ উদ্যোগত শুকুৰবাৰে এক প্ৰতিবাদী 'অৱস্থান ধৰ্মঘট' কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে ৰে'লৱে বিভাগে বঙাইগাঁও ৰে'লৱে ষ্টেচনৰ যাত্ৰী পৰিসেৱা ব্যাপক কৰ্তন কৰাত ক্ষুব্ধ হৈ পৰিছে চিপিআই (এম) দল। সেয়ে দলটোৱে ৰে'ল বিভাগে কৰ্তন কৰা যাত্ৰী পৰিসেৱাসমূহ পুনৰ প্ৰৱৰ্তন কৰাৰ দাবী উত্থাপন কৰিছে। বঙাইগাঁও চহৰৰ গান্ধী ময়দানত ৰূপায়ণ কৰা অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ জৰিয়তে দলটোৰ বঙাইগাঁও আঞ্চলিক কমিটীয়ে বিশেষকৈ বঙাইগাঁও ৰে'ল ষ্টেচনৰ ফুট ভাৰব্ৰীজসহ সকলো যাত্ৰীৰ পৰিসেৱাসমূহ সম্পূৰ্ণৰূপে বাহাল ৰখা, পালপাৰা- বাগান ৰোড (তৰুণৰাম ফুকন ৰোড) সংযোগী উপ-পথ নিৰ্মাণ কৰা, বঙাইগাঁও ষ্টেচনত অবোধ আছাম এক্সপ্ৰেছ আৰু কাঞ্চনজংঘা এক্সপ্ৰেছ ৰখোৱা আৰু বঙাইগাঁৱৰ পাগলাস্থান-ডাংতল সংযোগী মূল পথটো পুনঃনিৰ্মাণৰ কাম ক্ষিপ্ৰতাৰে সম্পন্ন কৰাৰ দাবী উত্থাপন কৰে। অৱস্থান ধৰ্মঘট কাৰ্যসূচীত অংশগ্ৰহণ কৰাসকলে দাবীৰ সমৰ্থনত বিভিন্ন শ্ল'গানো দিয়ে। প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত বঙাইগাঁও জিলাৰ উপায়ুক্তৰ জৰিয়তে কেন্দ্ৰীয় ৰে'লমন্ত্ৰীলৈ উপৰিউক্ত দাবীত বামপন্থী দলটোৰ বঙাইগাঁও আঞ্চলিক কমিটীৰ সম্পাদক সঞ্জীৱ দেৱ স্বাক্ষৰিত এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰি দাবীসমূহ শীঘ্ৰে সমাধান কৰাৰ আহ্বান জনায়।



# বঙাইগাঁৱৰ দীপক সিংঘীক জিলা বিজেপিৰ সকলো দলীয় পদবী আৰু দায়িত্বৰ পৰা অব্যাহতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১ জুলাই ঃ** বঙাইগাঁও জিলা বিজেপিয়ে দলটোৰ বিষয়ববীয়া দীপক কুমাৰ সিংঘীক দলীয় ভাবমূৰ্তি বিনষ্ট কৰা কাৰ্যত নিয়োজিত হোৱাৰ বাবে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ সকলোধৰণৰ দলীয় পদবী আৰু দলীয় দায়িত্বৰ পৰা অব্যাহতি দিছে। এই সন্দৰ্ভত বঙাইগাঁও জিলা বিজেপিৰ তৰফৰ পৰা প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত উল্লেখ কৰা মতে জিলা বিজেপিৰ নীতি নিৰ্ধাৰণ সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক বুধবাৰে বঙাইগাঁও জিলা বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। বঙাইগাঁও জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰীৰ পৌৰহিত্যত অনুষ্ঠিত বৈঠকত বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস, জিলা প্ৰভাৰী ব্ৰজ কুমাৰ দাস, বঙাইগাঁও জিলা বিজেপিৰ সাধাৰণ সম্পাদকদ্বয় শংকৰ বিশ্বাস আৰু জ্যোতিৰ্ময় সৰকাৰ উপস্থিত থাকে। নীতি নিৰ্ধাৰণ সমিতিয়ে বিভিন্ন প্ৰস্তাৱৰ উপৰিও ৩ নম্বৰ প্ৰস্তাৱ মতে বঙাইগাওঁ চহৰৰ 'সিংঘী এন্টাৰপ্ৰাইজ'ৰ স্বত্বাধিকাৰী দীপক সিংঘীক দলীয় ভাবমূৰ্তি বিনষ্ট কৰা কামত নিয়োজিত হোৱা বাবে তৎকালীনভাৱে বলৱৎ হোৱাকৈ সকলোধৰণৰ দলীয় পদবী আৰু দলীয় দায়িত্বৰ পৰা অব্যাহতি দিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সেইমৰ্মে দীপক সিংঘীক বিজেপিৰ বঙাইগাঁও জিলাৰ সকলোধৰণৰ দলীয় পদবী তথা দায়িত্বৰ পৰা তৎকালীনভাৱে খাৰিজ কৰি অব্যাহতি দিয়া হয় বুলি বঙাইগাঁও জিলা বিজেপিৰ সাধাৰণ সম্পাদকদ্বয় শংকৰ বিশ্বাস আৰু জ্যোতিৰ্ময় সৰকাৰ স্বাক্ষৰিত প্ৰেছ বিবৃতিটোত উল্লেখ কৰিছে ।

## বৰগাং-কেটেলাত শ্ৰী শ্ৰী জগন্নাথ দেৱৰ ৪ৰ্থ বাৰ্ষিক ৰথযাত্ৰা মহোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১ জুলাই ঃ** আজিৰে পৰা অহা ৯ জুলাইলৈকে বৰগাঙত শ্ৰী শ্ৰী জগন্নাথ দেৱৰ চতুৰ্থ বাৰ্ষিক ৰথযাত্ৰা মহোৎসৱ আৰম্ভ হৈছে ।কেটেলা চাহ বাগিচা জগন্নাথ মন্দিৰৰ পৰা বৰগাং সাৰ্বজনীন দুৰ্গাপূজা মণ্ডপলৈকে হাজাৰোধিক ভক্তই আজি বিয়লি জগন্নাথ প্ৰভুৰ ৰথ টানি নিয়ে। শ্ৰী শ্ৰী নামহট্ট সংঘ, কেটেলা চাহ বাগিচাৰ সৌজন্যত, বৰগাং সাৰ্বজনীন দুৰ্গাপূজা সমিতিৰ সহযোগত আজিৰে পৰা ৯ দিন ধৰি উদ্‌যাপন কৰা হ'ব এই মহোৎসৱ। আজি পুৱা মংগল আৰতিৰে আৰম্ভ হোৱা



কাৰ্যসূচীৰ পাছত জগন্নাথ দেৱ, বলোভদ্ৰ আৰু শুভদ্ৰা মাৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰা হয়। সন্ধিয়া বৰগাং দুৰ্গা পূজা মণ্ডপত শ্ৰীশ্ৰীমদ্ভাগৱত পাঠ আৰু ভোগ নিবেদন কৰি দিনটোৰ কাৰ্যসূচী সামৰা হয়। উল্লেখ্য যে অহা ৯ জুলাইত বৰগাঙৰ পৰা কেটেলাৰ কেথলিক মিছন হস্পাতাল ৰোডত থকা জগন্নাথ মন্দিৰলৈ ওলোটা ৰথ যাত্ৰাৰে ন-দিনীয়া কাৰ্যসূচীৰ অন্ত পৰিব। কাৰ্যসূচী ভাগত ভক্তপ্ৰাণসকলৰ সহযোগ কামনা কৰিছে উদ্‌যাপন সমিতিৰ সভাপতি প্ৰদীপ চৌধুৰী, কাৰ্যকৰী সভাপতি প্ৰেমলাল গঞ্জু, উপ-সভাপতি উপেন দাস আৰু বাতিৰাম ওৰাং, সম্পাদক দেবু মহাপাত্ৰ আৰু দেবাৰু ল'হাৰ সহঃ সম্পাদক আনন্দ তাঁতী আৰু নূপুৰ চৌধুৰীয়ে।

## বিশ্বনাথত সাহিত্য অকাদেমি বঁটাৰ বাবে নিৰ্বাচিত ড° সঞ্জীৱ উপাধ্যায়ক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ১ জুলাই ঃ** আজি বিশ্বনাথ চাৰিআলিৰ হাটখোলাস্থিত আকাশ ভৱনত ২০২১ চনৰ সাহিত্য অকাদেমিৰ অনুবাদ সাহিত্য শিতানত নেপালী ভাষাৰ বঁটাৰ বাবে নিৰ্বাচিত হোৱা ড° সঞ্জীৱ উপাধ্যায়ক সম্বৰ্ধনা জনোৱা হয়। আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষা কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সভাপতি ক্ষীৰধৰ বৰুৱাই সভাপতিত্ব কৰা সম্বৰ্ধনা সভাখনত অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ সভাপতি ড° প্ৰদীপ মহন্ত, ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ বিশ্বনাথ জিলাৰ কাৰ্যকৰী সভাপতি ৰাণা প্ৰসাদ হাজৰিকা, বিশ্বনাথ পৌৰসভাৰ পৌৰপতি তথা অৱসৰপ্ৰাপ্ত অধ্যাপক অমৰজ্যোতি বৰঠাকুৰ, বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ সহযোগী দীক্ষাগুৰু ড° ৰনেন্দ্ৰ নাথ বৰ্মন, ইলোৰা বিজ্ঞান মঞ্চৰ ধনেশ্বৰ বৰা, ৰিপুঞ্জয় নলেজ হাবৰ তত্ত্বাৱধায়িকা জ্যোতিকণা দাস তামুলী বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষাকেন্দ্ৰৰ সম্পাদক ৰিপুঞ্জয় বৰদলৈয়ে আঁত ধৰা সম্বৰ্ধনা সভাখনত ড° সঞ্জীৱ উপাধ্যায়ক আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষাকেন্দ্ৰ, অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ জৰিয়তে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত অসমীয়া আৰু নেপালী ভাষাৰ অনুবাদ সাহিত্যৰ ওপৰত বিশদ আলোচনা কৰা হয়। ড° সঞ্জীৱ উপাধ্যায়ে নিজৰ বক্তব্যত বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিৰ জনপ্ৰিয় কালজয়ী উপন্যাস 'পিতা-পুত্ৰ'ৰ নেপালী অনুবাদ 'বাবু-ছোৰা' অনুবাদ কৰাৰ আঁৰৰ বিভিন্ন বিষয় সম্পৰ্কে সমজুৱাকৈ অৱগত কৰে। সভাত উপস্থিত ড° ৰত্ন কিংকৰ গোস্বামী, ড° মনোজ কুমাৰ শৰ্মা, বিদ্যাধৰ ত্ৰিপাঠী, ড° প্ৰশান্ত নেওগ, ড° হেমেন্দ্ৰ চৌধুৰী, বিজ্ঞান শিক্ষক গিৰীচ ফুকন, সঞ্জীৱ গগৈ, প্ৰস্তুতি কলা কাননৰ সম্পাদক ড° ভক্ত প্ৰসাদ গৌতম, গণিতৰ শিক্ষক দুৰ্গা নেপালৰ দৰে বিশিষ্ট বিজ্ঞান কৰ্মীয়ে উপধ্যায়ৰ সফলতাত মত ব্যক্ত কৰে।

### যোগীঘোপা থানা-যোগীঘোপা প্ৰেছ ক্লাবৰ উদ্যোগ

## চলন্তাপাৰা স্বাস্থ্য কেন্দ্ৰত ৰাষ্ট্ৰীয় চিকিৎসক দিৱস পালন



**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ১ জুলাই ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বঙাইগাঁও জিলাৰ যোগীঘোপাতো আজি ৰাষ্ট্ৰীয় চিকিৎসক দিৱস পালন কৰা হয় । যোগীঘোপা থানা আৰু যোগীঘোপা প্ৰেছ ক্লাবৰ যৌথ উদ্যোগত আজি চলন্তাপাৰা স্বাস্থ্য কেন্দ্ৰত চিকিৎসক দিৱস পালন কৰা হয়। এই উদ্দেশ্যে চলন্তাপাৰা স্বাস্থ্য কেন্দ্ৰত এক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত চলন্তাপাৰা স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক, নাৰ্ছ তথা স্বাস্থ্য কৰ্মীসকলক চিকিৎসা সেৱাৰ ক্ষেত্ৰত উৎসাহিত কৰাৰ উদ্দেশ্যে একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। যোগীঘোপাৰ সাংবাদিক মনোৱাৰ হুছেইনে আঁত ধৰা অনুষ্ঠানত যোগীঘোপা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া থোনজাং চনথ সিং, স্বাস্থ্য কেন্দ্ৰটোৰ চিকিৎসক ক্ৰমে ডাঃ শ্বাহিনাজ শইকীয়া, ডাঃ হাছানুৰ ৰহমান, ডাঃ মীৰ হুছেইন, ডাঃ হিয়াস্মীতা ভৰালী, ডাঃ গৌতম সৰকাৰ, ফাৰ্মাছিষ্ট মিজানুৰ ৰহমান আৰু যোগীঘোপা প্ৰেছ ক্লাবৰ সভাপতি ৰফিকুল ইছলামে বক্তব্য প্ৰদান কৰে। সমাজৰ জৰুৰীকালীন সেৱাৰ লগত জড়িত আৰক্ষী, চিকিৎসক আৰু সাংবাদিকে আজিৰ অনুষ্ঠানত একেলগ হোৱাত এক উল্লেখনীয় মুহূৰ্ত হিচাপে পৰিগণিত হয়। জাহিৰুল ইছলাম যোগীঘোপা১ জুলাই ২০২২ ইং যোগীঘোপা থানা-যোগীঘোপা প্ৰেছ ক্লাবৰ উদ্যোগত ৰাষ্ট্ৰীয় চিকিৎসক দিৱস পালন।

## সমগ্ৰ দেশৰ লগতে ধুবুৰীত আজিৰ পৰা প্লাষ্টিকৰ সামগ্ৰী ব্যৱহাৰ নিষিদ্ধ

**দৈনন্দিন বাৰ্তাৰ সেবা, ধুবুৰী, ১ জুলাই ঃ** আজি ১ জুলাই। আজিৰে পৰা দেশত নিষিদ্ধ এবাৰ ব্যৱহাৰযোগ্য পাষ্টিক। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে জাৰি কৰিছে নিষেধাজ্ঞা। ধুবুৰী পৌৰসভাৰ অধ্যক্ষ ডাঃ দেবময় সান্যালৰ নেতৃত্বত ধুবুৰী চহৰতো এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক নিষিদ্ধ কৰাৰ বাবে বিভিন্ন ধৰণৰ সজাগতা অৱলম্বন কৰে যোৱা কালিৰ পৰা ধুবুৰী চহৰৰ বিভিন্ন বজাৰ ত প্লাষ্টিকৰ সামগ্ৰী বিক্ৰি কৰা দোকান ত গৈ প্লাষ্টিকৰ সামগ্ৰী বিক্ৰি কৰিবলৈ নিষেধ কৰে। নিষিদ্ধ ষ্ট্ৰীট ফুডত ব্যৱহৃত প্লেট-কাপ-বাটি-গ্লাছ-ষ্ট্ৰ'ছ আদিও। নিষিদ্ধ যিকোনো ধৰণৰ পেকেজিং সামগ্ৰীত ব্যৱহৃত প্লাষ্টিক। নিষিদ্ধ হ'ল এনে প্লাষ্টিকৰ উৎপাদন কাৰখানা। উল্লেখ্য বিভিন্ন নলা নৰ্দমা ব্যাবহাৰ কৰা প্লাষ্টিকৰ সামগ্ৰী ৰে নলা মুখ বন্ধ হৈ কৃত্ৰিম বানপানীৰ সৃষ্টি হয়।

# নগাঁৱত চিকিৎসক দিৱস উদ্‌যাপন

## সফলতা লাভ কৰা চিকিৎসক সন্তানক সম্বৰ্দ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেবেজীয়া, ২ জুলাই ঃ** সমগ্ৰ দেশৰ লগতে আজি সন্ধিয়া নগাঁৱতো চিকিৎসক দিৱসটি উদযাপন কৰা হয়। ভাৰতীয় চিকিৎসক সন্থাৰ নগাঁও জিলা শিখাৰ কাৰ্যালয়ত আজি সন্ধিয়া বৰ্ণাধ্য কাৰ্যসূচীৰে চিকিৎসক দিৱসটি উদযাপন কৰা হয় ।আজিৰ পুৱাৰ ভাগতে চিকিৎসক দিৱসৰ লগত সংগতি ৰাখি সন্থাৰ তৰফৰ পৰা এটি ৰক্তদান শিৱিৰ সম্পন্ন হয়। অনুষ্ঠানৰ আৰম্ভণিতে ডাক্তৰ বিনাপানী নেওঁগৰ এটি বৰগীতেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত ডাক্তৰ বিধান চন্দ্ৰ ৰয়ৰ আলোকচিত্ৰৰ সন্মুখত বন্তি প্ৰজ্বালন কৰে নগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাক্তৰ অৰূপজ্যোতি মহন্তই। ডাক্তৰ ৰঞ্জন গোস্বামীয়ে আতঁধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত সভাপতিত্ব কৰে ডাক্তৰ ব্ৰজেন বৰাই । অনুষ্ঠানত অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ডাক্তৰ কৃষ্ণ কুমাৰ বৰা,ডাক্তৰ কেশৱানন্দ গোস্বামী,ডাক্তৰ সৰ্ব্বেশ্বৰ বৰা,ডাক্তৰ তপন শইকীয়া,ডাক্তৰ বিৰিঞ্চি বৰুৱা,ডাক্তৰ মুকুট গোস্বামী,ডাক্তৰ অজিত গোস্বামী,ডাক্তৰ ভূপেন বৰা,ডাক্তৰ জয়ন্ত বৰুৱা,ডাক্তৰ আদিত্য হাজৰিকা,ডাক্তৰ মাধৱ চন্দ্ৰ দত্ত,ডাক্তৰ ৰুদ্ৰ বৰুৱা প্ৰমুখ্যে নগাঁৱৰ বহুকেইজন চিকিৎসক উপস্থিত থাকে। অনুষ্ঠানটিত উপস্থিত বিশিষ্ট তথা জ্যেষ্ঠ চিকিৎসক সৰ্ব্বেশ্বৰ বৰা,ডাক্তৰ কেশৱানন্দ দেৱগোস্বামী,জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাক্তৰ অৰূপজ্যোতি মহন্তৰ লগতে অন্যান্য সকলে চিকিৎসক দিৱসৰ তাৎপৰ্যৰ ওপৰত বহুতো সাৰমৰ্ম ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানতে সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উৰ্ত্তীণ হোৱা চিকিৎসক সকলৰ সন্তান সকলক সন্থাৰ তৰফৰ পৰা ফুলাম গামোচা,মানপত্ৰ আৰু এটি স্মাৰকে সম্বৰ্দ্ধনা জনোৱা হয় । ইয়াৰ ওপৰি ডাক্তৰ মুকুট গোস্বামীৰ কণ্যা উপাসনা গোস্বামী,ডাক্তৰ কৃষ্ণ কুমাৰ বৰা কণ্যা পুজা বৰা,ডাক্তৰ অৰূপজ্যোতি মহন্তৰ কণ্যা শতৰূপা মহন্তক চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰী সফলতাৰে লাভ কৰাত তেওঁলোকক ফুলাম গামোচা,মানপত্ৰ,শৰাইৰে সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানত নগাঁৱৰ জ্যেষ্ঠ চিকিৎসক কেশৱানন্দ দেৱগোস্বামীক আজিৰ এই চিকিৎসক দিৱসৰ দিনা একোখন ফুলাম গামোচা,চেলেং,শৰাই,সম্বৰ্দ্ধনা পত্ৰৰে উস্ম সম্বৰ্দ্ধনা জনোবা হয় । ইয়াৰ পাছতে বিভিন্ন সাংস্কৃতিক গীতমাতেৰে মুখৰীত হৈ প্ৰীতি ভোজেৰে অনুষ্ঠানৰ সামৰণি পৰে।




MINISTRY OF MICRO, SMALL & MEDIUM ENTERPRISES
GOVT. OF INDIA

**এমএছএমই সপ্তাহ**
**২৭ জুনৰ পৰা ৩ জুলাইলৈ**
**সজাগতা কাৰ্যসূচী**

'কয়ৰ ব'ৰ্ড, উপ-ক্ষেত্ৰীয় কাৰ্যালয়, গুৱাহাটী'য়ে ইং ২ জুলাই, ২০২২ তাৰিখে বাক্সা জিলাৰ বাগানপাৰাত কয়ৰ উদ্যোগ বিকাশৰ বিষয়ত অনুষ্ঠিত হ'বলগীয়া "সজাগতা কাৰ্যসূচী"ৰ অৰ্থে আগ্ৰহী প্ৰাৰ্থীক নিম্নোলিখিত ঠিকনাত যোগাযোগ কৰিবলৈ আহ্বান কৰিছে।

**ভাৰপ্ৰাপ্ত বিষয়া**
উপ-ক্ষেত্ৰীয় কাৰ্যালয়
গুৱাহাটী, অসম
ই-মেইল ঃ cbsroghty@gmail.com
ফোন ঃ ০৩৬১-২৫৫৬৮২৮




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি